স্নাতক মহলাৰ দ্বিতীয় ষান্মাসিকৰ

# ভাৰতৰ ৰাজনৈতিক প্ৰক্ৰিয়া

# Political Process in India

ৰাজনীতি বিজ্ঞানৰ সন্মান (Honours) পাঠ্যক্ৰমৰ বাবে

ড° ছাইকী তালুকদাৰ
মুৰব্বী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ মহাবিদ্যালয়, চামতা
ড° ভবেন কাকতি
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ মহাবিদ্যালয়, চামতা

# পাতনি

‘ভাৰতৰ ৰাজনৈতিক প্ৰক্ৰিয়া’ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰচলিত CBCS ষান্মাসিক পদ্ধতিৰ দ্বিতীয় যান্মাসিকৰ সন্মান পাঠ্যক্ৰমত প্ৰযোজ্য হোৱাকৈ ৰচনা কৰা এক পাঠ্যপুথি। পাঠ্যক্ৰমত উল্লেখ কৰা সকলোবোৰ বিষয়কে সাধ্য অনুসাৰে বিশ্লেষণ তথা বৰ্ণনা কৰাৰ প্ৰয়াস কৰা হৈছে। বিষয়বস্তু লিখি উলিয়াওতে ভালেমান দেশী-বিদেশী গ্ৰন্থৰ সহায় লোৱা হৈছে। এই চেগতে সেই গ্ৰন্থাকাৰ সকলোলৈ কৃতজ্ঞতা জনাইছোঁ।

কিতাপখনৰ প্ৰথম সংস্কৰণ নিখুত হ’ব বুলি আমি মুঠেও দাবী নকৰো। দুই-এটা ছপাৰ ভুলৰ লগতে প্ৰকাশভংগীৰ জথৰতাওঁ থাকিব পাৰে। কনচেপ্ট প্ৰকাশনৰ স্বত্বাধিকাৰী তথা সকলো কৰ্মচাৰীয়ে কিতাপখন প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে আৰু প্ৰয়োজনীয় কাম সম্পাদন কৰাৰ বাবে তেওঁলোকক কৃতজ্ঞতা জনাইছোঁ। আমাৰ পৰিশ্ৰম কিমান সাৰ্থক হৈছে সেয়া পাঠকসকলে বিবেচনা কৰিব।

নলবাৰী                                                                                    গ্ৰন্থাকাৰদ্বয়

০১-০২-২০২০

*<u>অধ্যায় প্ৰথম</u>*

# ৰাজনৈতিক দল আৰু দলীয় ব্যৱস্থা ঃ দলীয় ব্যৱস্থাৰ ধাৰা — কংগ্ৰেছ ব্যৱস্থাৰ পৰা বহুদলীয় সন্মিলিত চৰকাৰলৈ (Political Parties and the party system : Trends in the party system from Congress System to Multi party coalition)

ৰাজনৈতিক দল হ'ল এক ব্যক্তি সমষ্টি, যি ব্যক্তি সমষ্টি একে ৰাজনৈতিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত আৰু যিয়ে ৰাজনৈতিক ক্ষমতা দখলৰ বাবে বা চৰকাৰ গঠনৰ উদ্দেশ্যে, নিজৰ কাৰ্য সম্পাদন কৰে। অধ্যাপক গীলখ্ৰাইষ্টৰ মতে, "একে ৰাজনৈতিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত এক ৰাজনৈতিক সংগঠন হিচাপে চৰকাৰ গঠন কৰবলৈ বিচৰা সংগঠিত নাগৰিকৰ সমষ্টিক ৰাজনৈতিক দল বোলে।" ৰাজনতিক দলে মূলতঃ দুটা কাৰ্য সম্পাদন কৰে - ৰাজনৈতিক ক্ষমতা দখলৰ চেষ্টা আৰু নাগৰিকক ৰাজনৈতিক শিক্ষা প্ৰদান।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত বিশেষকৈ আধুনিক ৰাষ্ট্ৰবোৰে গ্ৰহণ কৰা পৰোক্ষ গণতান্ত্ৰিক ব্যৱস্থাত ৰাজনৈতিক দল অপৰিহাৰ্য কাৰণ বৰ্তমানৰ ৰাষ্ট্ৰৰ বিশাল জনসাধাৰণৰ প্ৰত্যেকে শাসন ব্যৱস্থাত অংশগ্ৰহণ কৰাটো সম্ভৱ নহয়। সেয়েহে জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা এই অংশগ্ৰহণ সুনিশ্চিত কৰা হয়। প্ৰতিনিধি নিৰ্বাচনৰ এক অন্যতম আহিলা হ'ল ৰাজনৈতিক দল। এই ৰাজনৈতিক দলৰ আধুনিক সময়ত সংগঠিতভাৱে উদ্ভৱ হৈছিল ইউৰোপ আৰু আমেৰিকাত ১৯ শতিকাত সংসদীয় গণতন্ত্ৰৰ উত্থানৰ লগে লগে। বিংশ শতিকালৈ বিশ্বৰ প্ৰায় সকলো প্ৰান্তলৈ ৰাজনৈতিক দলৰ সম্প্ৰসাৰণ হৈছিল। সেয়েহে বিশ্বৰ প্ৰায় সকলো দেশতে সেয়া গণতান্ত্ৰিক হওক বা একনায়কত্ববাদীয়েই হওক বিভিন্ন ৰূপত হলেওঁ ৰাজনৈতিক দলৰ উপস্থিতি দেখা যায়। ৰাজনৈতিক দলৰ উপস্থিতি ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ এক অন্যতম বৈশিষ্ট। অৱশ্যে ভাৰতীয় সংবিধানে ৰাজনৈতিক দলক স্বীকৃতি দিয়া নাই। অৰ্থাৎ, ভাৰতত ৰাজনৈতিক দল এক সংবিধান বহিৰ্ভূত ব্যৱস্থা। কিন্তু স্বাধীনতাৰ পূৰ্বৰে পৰা ভাৰতত বিভিন্ন ৰাজনৈতিক দলে দলৰ লগতে জনসাধাৰণৰ সমস্যা চিনাক্ত কৰাত, জনসাধাৰণক একত্ৰিত কৰাত আৰু সমস্যা সমাধানৰ চেষ্টা কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অধ্যায়ত ভাৰতৰ ৰাজনৈতিক দলৰ বিকাশৰ বিভিন্ন দিশবোৰ বিশ্লেষণৰ এক চেষ্টা কৰা হৈছে।

ৰাষ্ট্ৰ আৰু সমাজৰ প্ৰকৃতিয়ে ৰাজনৈতিক ব্যৱস্থা আৰু ৰাজনৈতিক দলৰ প্ৰকৃতি নিৰ্দ্ধাৰণত সহায় কৰে। অৰ্থাৎ, ৰাষ্ট্ৰ এখনৰ ইতিহাস, জাতীয় বৈশিষ্ট, সংস্কৃতি, পৰম্পৰা, দৰ্শন, অৰ্থনীতি, সমাজ ব্যৱস্থা ইত্যাদিয়ে দলৰ প্ৰকৃতিৰ লগতে কাৰ্যগত দিশৰ নিৰ্দ্ধাৰণতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইবোৰৰ লগত দেশ এখনৰ বিধিগত গাঁথনি, নিৰ্বাচনী ব্যৱস্থা, ৰাজনৈতিক পৰিৱেশ ইত্যাদিয়েও দলীয় ৰাজনীতিৰ প্ৰকৃতিত প্ৰভাৱ পেলায়।

ঔপনিবেশিক শাসনৰ সন্মুখীন হোৱা দেশ সমূহৰ বেছি ভাগতেই দেখা যায় যে এইবোৰ ৰাজনৈতিক দলৰ উৎপত্তি হৈছিল স্বাধীনতা সংগ্ৰামৰ এক নেতৃত্ববহনকাৰী সংগঠন হিচাপে। অৰ্থাৎ, এই দেশসমূহত স্বাধীনতা

সংগ্ৰামৰ বাবে গঠন হোৱা গোট বা দলেই স্বাধীনতাৰ পিছত দেশখনত প্ৰধান ৰাজনৈতিক দল হিচাপে আত্মপ্ৰকাশ কৰে আৰু পিছলৈ শক্তিশালী ৰূপত ৰাজনৈতিক ব্যৱস্থাত নিজৰ স্থান সুদৃঢ় কৰে। এনেকুৱা কাৰণতে পৃথিৱীৰ বহু দেশত এক দলীয় আধিপত্যৰ সৃষ্টি হোৱা দেখা গৈছিল য'ত দলীয় প্ৰতিযোগিতাৰ সম্ভাৱনাই নাইকিয়া হৈ যায়। ভাৰতবৰ্ষৰ পৰিস্থিতি কিন্তু এইক্ষেত্ৰত ব্যতিক্ৰম আছিল। দলৰ উৎপত্তিৰ ক্ষেত্ৰত অৱশ্যে একেই কাৰণ তথা পৰিস্থিতি আছিল যদিও বিকাশ আৰু কাৰ্য সম্পাদনৰ প্ৰকৃতি যথেষ্ট পৃথক। যিবিলাক উপাদান বা পৰম্পৰাই ভাৰতত গণতান্ত্ৰিক পদ্ধতিৰ বা ব্যৱস্থাৰ প্ৰতিষ্ঠা আৰু প্ৰচলন সহায় কৰিছে সেই একে উপাদান বা পৰিৱেশেই বহুদলীয় ব্যৱস্থা আৰু দলীয় সুস্থ প্ৰতিযোগিতাৰ এক সঠিক নিদৰ্শন দাঙি ধৰাত সহায় কৰিছিল। সাংস্কৃতিক, ধৰ্মীয় বিভিন্নতা, সামাজিক বিচিত্ৰতা, চিন্তাগত বিভিন্নতা ইত্যাদি হ'ল ভাৰতীয় সমাজৰ অন্যতম বৈশিষ্ট যিবোৰে বিভিন্ন জটিলতাৰ পিছতো এক বহুদলীয় সুস্থ প্ৰতিযোগিতাৰ সূচনা হোৱাত সহায় কৰিছিল। এই বিষয়ত বিখ্যাত ভাৰতীয় ৰাজনৈতিক বিশ্লেষক ৰজনী কোঠাৰীয়ে মত প্ৰকাশ কৰিছিল যে ভাৰতৰ ঐতিহাসিক সংস্কৃতি আৰু পৰম্পৰাৰ এক অন্যতম বৈশিষ্ট্যই হ'ল ইয়াৰ বিভিন্নতা আৰু বিচিত্ৰতা। এই বিচিত্ৰতা আৰু বিভিন্নতাৰ উপস্থিতি আৰু প্ৰতিষ্ঠাৰ কাৰণ হ'ল বিভিন্ন জাতি-ধৰ্ম-সংস্কৃতিৰ লোকৰ উপস্থিতি আৰু এই সকলৰ মাজত হোৱা সমন্বয়। অতীতৰ পৰাই ভাৰতত বিভিন্নতাৰ সমস্যাক সহমতৰ ভিত্তিত সমাধান কৰাৰ এক সফল প্ৰচেষ্টা চলি আহিছে। এনেকুৱা পৰিৱেশত সেয়েহে বহুদলীয়া ব্যৱস্থাৰ প্ৰতিষ্ঠা আৰু এইবোৰৰ মাজত সুস্থ প্ৰতিযোগিতা সম্ভৱ হৈ উঠিছিল।

**<u>ভাৰতত ৰাজনৈতিক দলৰ উৎপত্তি আৰু বিকাশ (Growth and Evolution of Political Party in India)</u>ঃ**

ভাৰতত ৰাজনৈতিক দলৰ উৎপত্তি স্বাধীনতাৰ পূৰ্বৰ পৰাই আৰম্ভ হৈছিল। ১৮৮৫ চনত প্ৰতিষ্ঠা হোৱা কংগ্ৰেছক এচিয়াৰ সবাতোকৈ পুৰণি দল হিচাপে চিনাক্ত কৰা হয় যদিও প্ৰথম অৱস্থাত এক প্ৰভাৱ গোষ্ঠী হিচাপেহে কংগ্ৰেছৰ প্ৰতিষ্ঠা আৰু বিকাশ ঘটিছিল। স্বাধীনতাৰ পিছত ই এক পূৰ্ণাংগ ৰাজনৈতিক দল হিচাপে আত্মপ্ৰকাশ কৰিছিল। কংগ্ৰেছৰ লগতে আন কিছুমান ৰাজনৈতিক দলৰো উৎপত্তি স্বাধীনতাৰ পূৰ্বেই হৈছিল। ১৯১৭ চনত তেতিয়াৰ মাদ্ৰাজ প্ৰেছিডেন্সীত অ-ব্ৰাহ্মণ সকলৰ দল হিচাপে গঠন হৈছিল ন্যায় দল (Justice Party) ৰ, ১৯২১ চনত গঠন হৈছিল শিৰোমণি আকালি দলৰ, হিন্দু সকলৰ অধিকাৰ ৰক্ষাৰ্থে ১৯২৫ চনত গঠন হৈছিল হিন্দু মহাসভাৰ, কাশ্মিৰী মুছুলমান লোকসকলৰ অধিকাৰৰ সুৰক্ষাৰ্থে ১৯৩২ চনেত গঠন হৈছিল নেশ্বনেল কনফাৰেন্স দলৰ, ১৯২৫ চনত গঠন হৈছিল ভাৰতীয় সাম্যবাদী দলৰ আৰু ১৯৩৫ চনত গঠন হৈছিল সমাজবাদী দলৰ। স্বাধীনতা আন্দোলনৰ সময়ত জনসাধাৰণক একত্ৰীকৰণ, সজাগ কৰণকে ধৰি নেতৃত্ব প্ৰদান কৰাত ওপৰোক্ত সকলোবোৰ দলেই কম-বেছি পৰিমাণে ভূমিকা পালন কৰিছিল। ইয়াৰ উপৰিও ঔপোনিবেশিক শাসনৰ সময়ত থকা প্ৰতিনিধিত্বমূলক চৰকাৰৰ উপস্থিতি, ব্যক্তিত্বসম্পন্ন দলীয় নেতাৰ উপস্থিতি, নিৰ্বাচনী ব্যৱস্থা আৰু গণতন্ত্ৰণৰ প্ৰতি তেওঁলোকৰ দায়ৱদ্ধতা, বিভিন্ন সামাজিক গোটৰ প্ৰতিনিধি দলত অন্তৰ্ভূক্তিকৰণ ইত্যাদিয়েও ভাৰতত স্বাধীনতাৰ পিছৰ সময়ছোৱাত ৰাজনৈতিক দলৰ সুস্থিৰ বিকাশত অৰিহণা যোগাইছিল। ইয়াৰ লগতে জনসাধাৰণৰ ইচ্ছা আকাংক্ষা, গণতান্ত্ৰিক ব্যৱস্থাৰ সফলতাৰ প্ৰতি থকা দায়বদ্ধতাও আছিল মনকৰিবলগীয়া। আনকি, সমাজৰ নিম্ন শ্ৰেণীৰ লোকেও নিৰ্বাচনী গণতান্ত্ৰিক ব্যৱস্থা আৰু ইয়াৰ প্ৰতিনিধি ৰাজনৈতিক দলসমূহক তেওঁলোকৰ আশা-ভৰষাৰ স্থল হিচাপে বিবেচনা কৰিছিল। শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়েও ইয়াক গ্ৰহণ কৰিছিল আৰু সহযোগিতা

আগবঢ়াইছিল। বেছিভাগ ৰাজনৈতিক দলেই গ্ৰহণ কৰা সমাজবাদী নীতি, সমতা আৰু গণতন্ত্ৰৰ নীতিয়ে দলবোৰৰ প্ৰতিষ্ঠা আৰু বিকাশত সহায় কৰিছিল আৰু ভাৰতত দলীয় ৰাজনীতিৰ এক সফল অধ্যায় আৰম্ভ হৈছিল।

স্বাধীন ভাৰতৰ দলীয় ব্যৱস্থাৰ বিকাশক বিভিন্ন পৰ্য্যায়ৰ মাজেৰে আলোচনা কৰিব পাৰি। যেনে - ১৯৫২ ৰ পৰা ১৯৬৭ লৈ, ১৯৬৭ ৰ পৰা ১৯৭৭ লৈ, ১৯৭৭ ৰ পৰা ১৯৮৪ লৈ, ১৯৮৪ ৰ পৰা ২০১৪ লৈ আৰু ২০১৪ ৰ পিছৰ পৰ্য্যায়। তলত এই পৰ্য্যায়বোৰৰ মাজেৰে ভাৰতত ৰাজনৈতিক দলৰ বিকাশৰ বিষয়ে আলোচনা কৰা হ'ল—

<u>১৯৫২ ৰ পৰা ১৯৬৭ ঃ</u>

স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম সাধাৰণ নিৰ্বাচন হৈছিল ১৯৫২ চনত। ১৯৫১ ৰ পৰাই নিৰ্বাচন আৰম্ভ হৈছিল যদিও ১৯৫২ চনতহে মূল নিৰ্বাচনী প্ৰক্ৰিয়া সমাপ্ত হৈছিল । সেয়েহে এই নিৰ্বাচনক ৫২ ৰ নিৰ্বাচন বুলিয়েই জনা যায়। প্ৰথম নিৰ্বাচনত সৰ্বমুঠ ৭৪ টা ৰাজনৈতিক দলে অংশগ্ৰহণ কৰিছিল। ইয়াৰে ১৪ টা দলক নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীয় দল হিচাপে আৰু ৬০ টা দলক ৰাজ্যিক দল হিচাপে চিনাক্ত কৰিছিল। প্ৰথম সাধাৰণ নিৰ্বাচনৰ পিছত অৱশ্যে লোকসভাত ৩% তকৈ অধিক ভোট লাভ কৰা 4 টা দলক ৰাষ্ট্ৰীয় ৰাজনৈতিক দল হিচাপে চিহ্নিত কৰা হৈছিল আৰু ৰাজ্যিক বিধানসভা নিৰ্বাচনত ৩ শতাংশতকৈ অধিক ভোট লাভ কৰা দলক ৰাজ্যিক দল হিচাপে চিনাক্ত কৰা হৈছিল। এই নিৰ্বাচনত ৩৬৪ খন আসনেৰে কংগ্ৰেছে কেন্দ্ৰত চৰকাৰ গঠনৰ সুবিধা লাভ কৰিছিল। দ্বিতীয় স্থানত আছিল ভাৰতীয় সাম্যবাদী দল। সাম্যবাদী দলে লাভ কৰিছিল ১৬ খন আসন। মুঠ ভোটৰ কংগ্ৰেছ দলে লাভ কৰিছিল প্ৰায় ৪৫ শতাংশ। কেন্দ্ৰৰ লগতে সকলোবোৰ ৰাজ্যতেই কংগ্ৰেছ দলৰ চৰকাৰ গঠন হৈছিল। দ্বিতীয় সাধাৰণ নিৰ্বাচন আৰু তৃতীয় সাধাৰণ নিৰ্বাচনতো একেই পৰিৱেশ দেখা গৈছিল। অৱশ্যে সাধাৰণ কিছু ব্যতিক্ৰম আছিল। ১৯৫৭ চনত কেৰালাত প্ৰথম সাম্যবাদী চৰকাৰ গঠন হৈছিল। কিন্তু দুবছৰৰ পিছতে এই চৰকাৰ ভংগ হৈ পুনৰ কংগ্ৰেছৰ চৰকাৰ গঠন হৈছিল। ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচন আৰু ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনতো কংগ্ৰেছৰ আধিপত্য প্ৰতিষ্ঠা হৈছিল। এইদৰে কব পাৰি যে প্ৰথম তিনিটা সাধাৰণ নিৰ্বাচন আৰু একে সময়তে হোৱা ৰাজ্যিক বিধানসভা সমূহৰ নিৰ্বাচনত কেৱল এটা দল অৰ্থাৎ কংগ্ৰেছ দলেই শাসনৰ সুবিধা লাভ কৰিছিল। আন বিভিন্ন দলেও নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছিল যদিও বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। আনকি এই দলবোৰে কংগ্ৰেছৰ লগত মৰ্চা গঠন কৰাৰ দৰে সুযোগ পোৱাৰো কোনো অৱকাশ নাছিল। এই তিনিটা নিৰ্বাচনৰ পিছৰ দলীয় অৱস্থাটোক বিশ্লেষকে এনেদৰে ব্যাখ্যা কৰিছিল— "Competitive party system.... in which the competing parts play rather dissimilar roles. The ruling Congress party was 'a party of consenus' and the opposition parties were 'parties of pressure'. অৰ্থাৎ "এক প্ৰতিযোগিতামূলক দলীয় ব্যৱস্থা... য'ত প্ৰতিযোগিতাৰ আন পক্ষবোৰৰ ভূমিকা অতি অ-সম। শাসনাধিষ্ঠ কংগ্ৰেছ দলটো আছিল 'সহমতৰ দল' আৰু বিৰোধী দল সমূহ আছিল প্ৰভাৱ সৃষ্টিকাৰী দল।" কংগ্ৰেছৰ আধিপত্য প্ৰতিষ্ঠাৰ এই সময়ছোৱাক ৰজনী কোঠাৰীয়ে কংগ্ৰেছ ব্যৱস্থা (Congress System) আখ্যা দিছিল। মৰিছ জ'নছে এই সময়ছোৱাক বা ব্যৱস্থাক Dominant Party Model অৰ্থাৎ প্ৰভাৱশালী দলীয় আৰ্হি আখ্যা দিছিল। মৰিছ জ'নছৰ মতে, প্ৰথম পৰ্য্যায়ত ভাৰতৰ দলীয় ব্যৱস্থাৰ বৈশিষ্ট্য হ'ল— 'পৰিৱৰ্তনৰ সম্ভাৱনা নোহোৱা প্ৰতিযোগিতাত প্ৰভাৱশালী অৱস্থিতি।' (Dominance Coexistence with competition but without a trace of al-

ternation)। আকৌ ৰজনী কোঠাৰীৰ মতে ১৯৫২ চনৰ পৰা ১৯৬৭ লৈ ভাৰতৰ দলীয় ব্যৱস্থাক One party system আখ্যা দিয়াতকৈ 'এক দলৰ প্ৰভূত্ব' অৰ্থাৎ 'One Party dominance' আখ্যা দিয়াহে সমিচীন হ'ব। 'One party system' বা 'এক দলীয় ব্যৱস্থা'ই কৰ্তৃত্ব সুলভ দলীয় ব্যৱস্থাক বুজায় যি ব্যৱস্থা মূলতঃ সাম্যবাদী দেশ কিউবা আদিত দেখা যায়। কিন্তু ভাৰতবৰ্ষত এনে নাছিল। সেয়েহে ভাৰতৰ পৰিস্থিতিক বুজাবলৈ তেওঁ 'কংগ্ৰেছ ব্যৱস্থা' ধাৰণাটো ব্যৱহাৰ কৰিছিল। সেই সময়ছোৱাত বিৰোধী দল সমূহৰ বাবে বিভিন্ন কাৰণত কংগ্ৰেছক প্ৰত্যাহ্বান জনোৱাটো সম্ভৱপৰ নাছিল। ফলস্বৰূপেই কংগ্ৰেছৰ আধিপত্য প্ৰতিষ্ঠা হৈছিল।

১৮৮৫ চনত প্ৰতিষ্ঠিত হোৱা কংগ্ৰেছ ১৯২০, ১৯৩০ চন মানত এক বৃহৎ প্ৰসাৰ আৰু জনগণৰ মাজত গভীৰতা লাভ কৰিছিল। সমাজৰ সকলো শ্ৰেণীৰ লোককে অন্তৰ্ভুক্ত কৰি কংগ্ৰেছে দৰাচলতে এক বৈধতা অৰ্জন কৰিব পাৰিছিল। স্বাধীনতাৰ পিছতো কংগ্ৰেছ এক আন্দোলন হৈয়েই আছিল, মাত্ৰ সলনি হৈছিল এই আন্দোলনৰ লক্ষ্য। স্বাধীনতা অৰ্জন কৰাৰ পিছত এই আন্দোলনৰ লক্ষ্য হৈ পৰিছিল ৰাষ্ট্ৰ নিৰ্মাণৰ কামত অংশগ্ৰহণ। ইয়াৰ লগত সাংগঠনিক দিশ, সমন্বয়ৰ প্ৰকৃতি ইত্যাদিয়ে কংগ্ৰেছক সাম্যবাদী দেশসমূহৰ এক ৰাজনৈতিক দলৰ দৰে কৰ্তৃত্বশালী হোৱাৰ পৰা বিৰত ৰাখিছিল। স্বাধীনতাৰ পিছত ক্ষমতা লাভ কৰা কংগ্ৰেছে চৰকাৰ তথা ৰাজনীতিক সামাজিক বিকাশৰ এক সকৰাত্মক আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। কংগ্ৰেছৰ দৰে সমন্বয়মূলক আৰু শৃংখলাবদ্ধ তথা শক্তিশালী দলৰহে ভাৰতীয় সমাজক সেই সময়ত নেতৃত্ব প্ৰদানৰ সক্ষমতা আছিল বুলি ৰজনী কোঠাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক বিশ্লেষকে মত প্ৰকাশ কৰিছিল। সামন্ত ব্যৱস্থাৰ উৎখাত, ভাষিক ভিত্তিত ৰাজ্যৰ পুনৰ গঠন, সামাজিক বৈষম্যৰ অৱসানৰ চেষ্টা, সমাজৰ পিছপৰা শ্ৰেণীৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা আদিয়ে কংগ্ৰেছক জনসাধাৰণৰ মাজত গ্ৰহণযোগ্য কৰি তুলিছিল। মুক্ত নিৰ্বাচন ব্যৱস্থা, বিৰোধী দলৰ উপস্থিতি আৰু সক্ৰিয়তা, দলীয় নেতৃত্বৰ গণতান্ত্ৰিক প্ৰমূল্যবোধৰ প্ৰতি আগ্ৰহ ইত্যাদিয়ে এই সময়ছোৱাত কংগ্ৰেছ দলক এই বৈধ ভিত্তি প্ৰদান কৰিছিল। কংগ্ৰেছ দলৰ আধিপত্য প্ৰতিষ্ঠাত নেতৃত্বৰ ভূমিকাও উল্লেখনীয় আছিল। ৰজনী কোঠাৰীৰ মতে, কংগ্ৰেছ দলক এক সবল ভূমিকালৈ অনাত আৰু ভাৰতীয় মানুহৰ মাজত এক সকাৰাত্মক গণতান্ত্ৰিক ধাৰণা গঢ় দিয়াত প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে এক বিশেষ ভূমিকা পালন কৰিছিল। কোঠাৰীৰ ভাষাত, "Contribution of Nehru was not to have started a revolution but to have given rise to a consensus. He provided the country's institution with sufficient time to strike roots, and himself worked to that end by being their chief operator, and made acceptable to his countrymen certain critical values– the value of equality, the value of freedom, the value of vote."

বাস্তৱিক দিশত কংগ্ৰেছৰ আধিপত্য প্ৰতিষ্ঠাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ আছিল মুছলিম লীগৰ অদৃশ্যতা। দেশ বিভাজনৰ লগে লগে কংগ্ৰেছৰ মূল প্ৰতিদ্বন্দী মুছলিম লীগ ভাৰতীয় নিৰ্বাচনী ক্ষেত্ৰৰ পৰা নাইকিয়া হৈছিল আৰু কংগ্ৰেছৰ আধিপত্যৰ পথ সুগম হৈ পৰিছিল। ইয়াৰোপৰি বিভিন্ন ৰাজনৈতিক দল আৰু স্বতন্ত্ৰ প্ৰাৰ্থীৰ মাজত হোৱা ভোটৰ বিভাজনেও বিৰোধী দল সমূহৰ বাবে কংগ্ৰেছক প্ৰত্যাহ্বান জনোৱাটো অসম্ভৱ কৰি তুলিছিল যিহেতু ভাৰতবৰ্ষত প্ৰথমজনেই বিজেতা নীতিহে গ্ৰহণ কৰা হৈছিল।

চমুকৈ ক'বলৈ হ'লে কংগ্ৰেছ দলৰ সাংগঠনিক, আদৰ্শগত আৰু আভ্যন্তৰীণ কাৰকে প্ৰথম তিনিটা সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলৰ আধিপত্য প্ৰতিষ্ঠাত সহায় কৰিছিল। আদৰ্শগতভাৱে কংগ্ৰেছ আছিল মধ্যমপন্থী (Centrist), গণতন্ত্ৰৰ প্ৰতি বিশ্বাসী, ধৰ্মনিৰপেক্ষ, সংখ্যালঘুৰ প্ৰতি সন্মান প্ৰদৰ্শনকাৰী। সাংগঠনিক দিশত ই তৃণমূল

পৰ্য্যায়লৈ বিস্তৃত আছিল আৰু আভ্যন্তৰীণ দিশত ই আছিল সমন্বয়কাৰী য'ত সমাজৰ প্ৰায় সকলো গোটৰে প্ৰতিনিধি অন্তৰ্ভূক্ত আছিল।

## ১৯৬৭ ৰ পৰা ১৯৭৭

চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ পিছৰ পৰা অৰ্থাৎ ১৯৬৭ চনৰ নিৰ্বাচনৰ পিছৰ পৰা ১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনলৈ সময়ছোৱাক দলীয় ব্যৱস্থাৰ বিকাশৰ দ্বিতীয় পৰ্য্যায় আখ্যা দিয়া হয়। প্ৰথম পৰ্য্যায়ৰ দৰে দ্বিতীয় পৰ্য্যায়ৰ বিকাশৰ পৰ্য্যালোচনাতো ৰজনী কোঠাৰী আৰু ম'ৰিছ জোনচ্‌ৰ বিশ্লেষণ গুৰুত্বপূৰ্ণ। তেওঁলোকৰ মতে, সময় আৰু চিন্তা তথা আদৰ্শৰ পৰিৱৰ্তনৰ লগে লগে ভাৰতৰ দলীয় ব্যৱস্থাত নতুন নতুন গোট বা দলৰ উত্থান হৈছিল আৰু এইবোৰে ক্ৰমান্বয়ে কংগ্ৰেছৰ ওপৰত হেঁচাৰ সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল। দৰাচলতে ৬০ ৰ দশকৰ আৰম্ভণি আৰু ৫০ ৰ দশকৰ শেষৰ পৰাই বহুতো নতুন দলৰ সৃষ্টি হৈছিল। আনকি কংগ্ৰেছ দলৰ পৰা আদৰ্শগত কাৰণতেই হওঁক বা আন কাৰণতেই হওঁক বহুতো নেতাই ওলাই গৈ বিভিন্ন নতুন দল গঠন কৰিছিল আৰু ক্ৰমান্বয়ে কংগ্ৰেছক প্ৰত্যাহ্বান জনাবলৈ আৰম্ভ কৰিছিল। এইবোৰৰ ভিতৰত উল্লেখযোগ্য আছিল কিষান মজদুৰ প্ৰজা পাৰ্টি, বাংলা কংগ্ৰেছ, কেৰালা কংগ্ৰেছ, তামিলনাডুৰ DMK। আনকি সাম্যবাদী দলো দুই ভাগত বিভক্ত হৈ পৰিছিল। চমুকৈ কবলৈ হ'লে ৫০ ৰ দশক যদি কংগ্ৰেছৰ সময় তেনেহ'লে ৬০ ৰ দশক আছিল অনা কংগ্ৰেছী দলৰ উত্থানৰ সময়। অৱশ্যে গণতন্ত্ৰৰ সৌন্দৰ্য্যও লুকাই থাকে বিৰোধীৰ বাবে উপযুক্ত মঞ্চ প্ৰস্তুত কৰাত। বিভিন্ন দলৰ উত্থান আৰু প্ৰভাৱহীন দলৰ প্ৰভাৱ প্ৰতিষ্ঠাই প্ৰতিষ্ঠিত কংগ্ৰেছ দলৰ বাবে তীব্ৰ প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এই পৰিস্থিতিক ম'ৰিছ জ'নছে "বজাৰ ৰাজনীতি" অৰ্থাৎ 'Market politics' আখ্যা দিছিল। তেওঁ লগতে মত প্ৰকাশ কৰিছিল যে কংগ্ৰেছ দলে পূৰ্বৰ তুলনাত অন্য দলৰ পৰা অহা প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ যথেষ্ট চেষ্টা কৰিব লগা হৈছিল। ইয়াৰ ফলস্বৰূপেই ১৯৬৭ ৰ ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে সৰ্বমুঠ আঠখন ৰাজ্যত সংখ্যাগৰিষ্ঠতা অৰ্জনত প্ৰথমবাৰৰ বাবে ব্যৰ্থ হৈছিল। আনকি, কেন্দ্ৰতো পূৰ্বৰ তুলনাত কম আসনেৰে চৰকাৰ গঠন কৰিব লগা হৈছিল। ভাৰতীয় দলীয় ব্যৱস্থাত এইদৰে এক নতুন সমীকৰণ গঢ় লৈ উঠিছিল। এই নিৰ্বাচনৰ ফলক মৰিছ জ'নছৰ ভাষাত এনেদৰে ক'ব পাৰি "This brought a number of opposition parties fully into the market place, and competition that had previously occured within the congress was now brought into the realem of inter party conflict." এই সময়ছোৱাত দলীয় ব্যৱস্থাত কিছুমান নতুন বৈশিষ্ট্যই ভূমুকি মাৰিছিল। এইবোৰৰ ভিতৰত অন্যতম হ'ল সংযুক্ত চৰকাৰ, দলত্যাগ, কেন্দ্ৰ-ৰাজ্যৰ নতুন সম্পৰ্ক ইত্যাদি। কংগ্ৰেছ ক্ষমতাচ্যুত হোৱা বেছিকেইখন ৰাজ্যতে বিভিন্ন দলৰ সংমিশ্ৰণত সংযুক্ত চৰকাৰ গঠন হৈছিল। ৰাজ্যসমূহত অনা কংগ্ৰেছী চৰকাৰ গঠন হোৱাৰ পিছতেই কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্কতো এক নতুন দিশৰ সূচনা হৈছিল আৰু এই নতুন সম্পৰ্ক বেছি সময়তে সংঘাত লৈ ৰূপান্তৰিত হৈছিল। ইয়াৰ লগতে, ১৯৬৭ ৰ নিৰ্বাচনৰ পিছত দলত্যাগ এক অশুভ প্ৰথা হিচাপে ভাৰতীয় দলীয় ব্যৱস্থাত খোপনি লৈছিল। দলত্যাগৰ ফলত কংগ্ৰেছ দলো যথেষ্ট ক্ষতিগ্ৰস্থ হ'ব লগা হৈছিল কাৰণ এইয়া কেৱল এক পক্ষীয় নাছিল, অৰ্থাৎ ৰাজনৈতিক নেতা আন দলৰ পৰা যে কংগ্ৰেছ লৈ আহিছিল তেনেকুৱা নহয়, বহুকেইজন কংগ্ৰেছী নেতাও আন দললৈ গতি কৰিছিল। দলত্যাগৰ ফলত আনকি ৰাজ্যত চৰকাৰৰ পতন হ'ব লগাও হৈছিল।

১৯৬৯ চনত ৰাষ্ট্ৰপতিৰ নিৰ্বাচনক লৈ কংগ্ৰেছৰ মাজত হোৱা ভাঙোনে ভাৰতীয় দলীয় ব্যৱস্থাক এক

নতুন আঘাত দিছিল। সেয়েহে ইয়াৰ পিছৰ নিৰ্বাচনত অৰ্থাৎ ১৯৭১ চনৰ সাধাৰণ নিৰ্বাচনত কেৱল দুটা পক্ষৰ মাজতহে প্ৰতিদ্বন্দিতা হৈছিল বুলি বিশ্লেষক সকলে মত পোষণ কৰে। এই দুটা পক্ষ হ'ল ইন্দিৰাপন্থী কংগ্ৰেছ আৰু একত্ৰীত বিৰোধী। অৱশ্যে বিৰোধীৰ দ্বাৰা গঠিত বৃহৎ মিত্ৰজোটে ইন্দিৰা পন্থী কংগ্ৰেছক পৰাজিত কৰিব নোৱাৰিলে। এই নিৰ্বাচনে ইন্দিৰা গান্ধীৰ নেতৃত্বত পুনৰ এক দলীয় আধিপত্য ঘূৰাই আনিছিল। মৰিছ জ'নছৰ ভাষাত “The end of the dominant party had been too readily proclaimed in 1967 and that now it is back” অৰ্থাৎ, তেওঁৰ মতে, “একদলীয়া আধিপত্যৰ অৱসান হোৱা বুলি গ্ৰহণ কৰা ধাৰণা এক তাৎক্ষণিক ধাৰণা, যি ব্যৱস্থা পুনৰ ঘূৰি আহিল।” এই নিৰ্বাচনৰ পিছৰ পৰাই কেন্দ্ৰীয় পৰ্য্যায়ত শাসকীয় আৰু বিৰোধী দল আৰু ৰাজ্যিক পৰ্য্যায়ত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক বিশেষকৈ অনা কংগ্ৰেছী চৰকাৰ থকা ৰাজ্যৰ লগত সম্পৰ্ক তিক্ততাপূৰ্ণ হৈ উঠিছিল। ইন্দিৰা গান্ধীৰ নেতৃত্বৰ সময়ত আনকি দলীয় সদস্যৰ লগতে তেওঁৰ সংঘাত দেখা গৈছিল আৰু কংগ্ৰেছ দলৰ অন্যতম নীতি গণতান্ত্ৰিকতাও বহু পৰিমাণে ব্যাহত হৈ পৰিছিল। ক্ষমতাৰ কেন্দ্ৰীকৰণ, বিৰোধিতাৰ প্ৰতি শত্ৰুতা ইত্যাদিয়ে ইন্দিৰা গান্ধীক ক্ৰমান্বয়ে মাত্ৰ কেইজনমান ব্যক্তিৰ এটা সৰু গোট হিচাপেহে প্ৰতিষ্ঠিত কৰিছিল। এনে অৱস্থাত বিৰোধীৰ পাছত ইন্দিৰা কংগ্ৰেছৰ বিৰোধিতা কৰা সহজ হৈ পৰিছিল আৰু ইয়াৰ ফলস্বৰূপে কংগ্ৰেছ বিশেষকৈ ইন্দিৰা কংগ্ৰেছৰ বিৰুদ্ধে সৰলভাৱে আন্দোলন সৃষ্টি কৰাত সফল হৈছিল জয় প্ৰকাশ নাৰায়ণ। গতিকে অৱধাৰিতভাৱে কব পাৰি যে এই সময়ছোৱা আছিল ভাৰতীয় দলীয় ব্যৱস্থাৰ এক বিশেষ সময় কাৰণ এই সময়তে বহু দলীয় ব্যৱস্থাই প্ৰকৃত অৰ্থত বিকাশ লাভ কৰিছিল।

<u>১৯৭৭ ৰ পৰা ১৯৮৪</u>

দলীয় ব্যৱস্থাৰ বিকাশৰ তৃতীয় পৰ্য্যায় মূলতঃ ১৯৭৭ চনত কংগ্ৰেছৰ পৰাজয়ৰ পৰা আৰম্ভ হৈ ১৯৮৪ ত কংগ্ৰেছৰ পুনৰ প্ৰতিষ্ঠা আৰু ৰাজীৱ গান্ধীৰ নেতৃত্ব তথা ইন্দিৰা গান্ধীৰ হত্যাৰ পিছলৈ ব্যাপ্ত। আগতেই উল্লেখ কৰা হৈছে যে জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত আৰম্ভ হোৱা আন্দোলনে ইন্দিৰা গান্ধীৰ প্ৰতি তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল আৰু এই প্ৰভাৱৰ ফল আছিল ১৯৭৫ চনত ঘোষিত হোৱা জৰুৰীকালীন অৱস্থা আৰু ১৯৭৭ চনত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনৰ পিছত প্ৰথমবাৰৰ বাবে কেন্দ্ৰত অনা কংগ্ৰেছী চৰকাৰৰ গঠন। ১৯৭৭ চনত জনতা দলৰ দ্বাৰা গঠিত হোৱা চৰকাৰে ভাৰতীয় দলীয় ব্যৱস্থাত এক নতুন গাঁথনিৰ উত্থানৰ ইঙ্গিত দিছিল। এই গাঁথনি আছিল দ্বি-দলীয় প্ৰতিযোগিতা। বিভিন্ন দলৰ সহযোগত জনতা দল এই প্ৰতিযোগিতাত কংগ্ৰেছৰ প্ৰধান প্ৰতিদ্বন্দী হৈ পৰিছিল। অৰ্থাৎ জনতা দলৰ উত্থানে দ্বি-দলীয় ব্যৱস্থাৰ উত্থানৰ এক ইঙ্গিত দিছিল। কিন্তু এই সম্ভাৱনা বেছি দিনলৈ নিটিকিল। জনতা দলৰ লগত সহযোগী দল সমূহৰ সংঘাতে 2 বছৰৰ ভিতৰতে অনা কংগ্ৰেছী চৰকাৰখনৰ পতন ঘটাইছিল আৰু পুনৰ কংগ্ৰেছ দল ক্ষমতাত অধিষ্ঠিত হৈছিল। কিন্তু জনতা দলৰ চৰকাৰ গঠনে এইটো প্ৰমাণ কৰিছিল যে কংগ্ৰেছৰ দৰে শক্তিশালী দলকো একত্ৰীতভাৱে পৰাজিত কৰিব পৰা যায়। গতিকে নিশ্চিতভাৱে কব পাৰি যে ১৯৭৭ ৰ পৰা ১৯৮৪ ৰ এই সময়ছোৱা আছিল ৰাজনৈতিক দল সমূহৰ বাবে মুক্ত প্ৰতিযোগিতাৰ সময়। কিন্তু ইয়াৰ লগতে দলৰ ভিতৰত অস্থিৰতা আৰু দুৰ্বলতাৰো উত্থান হোৱা দেখা গৈছিল। এই সময়ছোৱাত বিভিন্ন ৰাজ্যত আৰু কেন্দ্ৰতো শাসনাধিষ্ঠ দলৰ পৰিৱৰ্তন হৈছিল। অৱশ্যে এই পৰিৱৰ্তনো বেছিভাগ সময়ত অস্থিৰ আৰু কম আয়ুসৰ আছিল। এই সময়ছোৱাত দলীয় ব্যৱস্থাতো বিভিন্ন সমস্যাই গা কৰি উঠিছিল। দলীয় নেতৃত্বৰ ক্ষমতাৰ অত্যাধিক বৃদ্ধি, দলত্যাগ ইত্যাদিয়ে দলসমূহত সমস্যাৰ সৃষ্টি কৰিছিল। ১৯৭৭

চনত কংগ্ৰেছৰ পৰাজয়ে দলত পুনৰ বিভাজনৰ সৃষ্টি কৰিছিল। ইন্দিৰা বিৰোধী কিছু সংখ্যক নেতাই নিৰ্বাচনৰ পিছত কংগ্ৰেছ ত্যাগ কৰিছিল। আকৌ যিমানেই শ্ৰীমতী গান্ধীৰ প্ৰতি আঙুলি উঠিছিল সিমানেই তেওঁ ক্ষমতাৰ কেন্দ্ৰীকৰণ কৰিছিল আৰু বংশগত ৰাজনীতিৰ ওপৰত বেছি গুৰুত্ব দিবলৈ আৰম্ভ কৰিছিল। যি সময়ত কংগ্ৰেছ দুৰ্বল হ'বলৈ আৰম্ভ কৰিছিল ঠিক একে সময়তে জনতা দলৰ নেতৃত্বত গঠন হোৱা সন্মিলিত চৰকাৰ খনো অস্থিৰ হৈ উঠিছিল। নিৰ্বাচনৰ সময়লৈ ইয়াৰ অন্তৰ্গত সকলো দলৰ উদ্দেশ্য এটাই আছিল কিন্তু নিৰ্বাচনৰ পিছত দলগত, কাৰ্যগত আৰু আদৰ্শগত পাৰ্থক্যবোৰ স্পষ্ট হৈ উঠিছিল আৰু মৰ্চা চৰকাৰলৈ ক্ৰমান্বয়ে সংকট নামি আহিছি । দৰাচলতে জনতা চৰকাৰখনেই আছিল বিভিন্ন বিপৰীত আদৰ্শৰ সংমিশ্ৰণ যাৰ বাবে একেলগে কাম কৰাটো সম্ভৱ নহ'ল। জনতা চৰকাৰত অন্তৰ্ভুক্ত হোৱা পুৰণি কংগ্ৰেছৰ নেতাসকল আছিল মূলতঃ সংৰক্ষণবাদী আৰু ধৰ্মনিৰপেক্ষ। ইয়াৰ বিপৰীতে জনতা দলত সন্মিলিত হোৱা জনসংঘৰ নেতা সকল আছিল মূলতঃ উচ্চ হিন্দুলোকৰ সমৰ্থনপুষ্ট। এই চৰকাৰত অংশ লোৱা ভাৰতীয় লোক দল মূলতঃ হিন্দু আৰু ধনাঢ্য কৃষকৰ সমৰ্থনপুষ্ট। এইবোৰৰ লগত আছিল পৃথক আদৰ্শৰ সমাজবাদী দল, কংগ্ৰেছৰ ইন্দিৰা গান্ধীৰ নীতিক সমালোচনা কৰি ওলাই অহা বিভিন্ন নেতা যেনে - জগজীৱন ৰাম ইত্যাদি। দলীয় আদৰ্শগত পাৰ্থক্যৰ লগতে মোৰাৰজী দেশাই, জগজীৱন ৰাম, চৰণ সিং আদিৰ মাজত হোৱা নেতৃত্বৰ প্ৰতিযোগিতাইও জনতা চৰকাৰৰ অস্থিৰতা আৰু পতনত অৰিহণা যোগাইছিল। ইয়াৰ পিছত ৰাজনৈতিক ব্যৱস্থাত আকৌ কংগ্ৰেছৰেই উত্থান হৈছিল আৰু ১৯৮৪ চনৰ অক্টোবৰ মাহত ইন্দিৰা গান্ধীৰ হত্যাই এক আৱেগিক ঢৌ সৃষ্টি কৰি কংগ্ৰেছক এক নতুন উৎসাহেৰে সৰলভাৱে চৰকাৰ গঠন কৰাত সহায় কৰিছিল।

এই সময়ছোৱাৰ ৰজনী কোঠাৰী আৰু মৰিছ জোনছে পুনৰ বিশ্লেষণ কৰি দুটা বিশেষ বৈশিষ্ট্য উল্লেখ কৰিছিল। সেয়া হ'ল-

(i) বজাৰ ৰাজনীতিৰ ধাৰাবাহিক উৎপত্তি (Continuing growth of market polity)

(ii) ১৯৬৭ ৰ নিৰ্বাচনৰ পিছতো শাসনৰ ধাৰাবাহিকতা ৰক্ষাত কংগ্ৰেছৰ সক্ষমতা (Continuing ability of congress even afer 1967 election)

এই দুয়োজন বিশ্লেষকে যদিও উল্লেখ কৰা নাছিল তথাপিও দলত্যাগ ও এই পৰ্য্যায়ৰ এক অন্যতম বৈশিষ্ট্য আছিল বুলি কব পাৰি।

ৰাজনৈতিক দল সমূহৰ মাজত তিক্ততাৰ সৃষ্টিও এই সময়ছোৱাৰ এক উল্লেখযোগ্য বৈশিষ্ট্যই বুলি কব পাৰি। জৰুৰীকালীন অৱস্থা, তাৰ আগৰ সময়ছোৱা আৰু পিছলৈও দলৰ মাজত তিক্ততাপূৰ্ণ সম্পৰ্কই দলীয় ব্যৱস্থাত আৰু ৰাজনৈতিক ব্যৱস্থাত সমস্যাৰ সৃষ্টি কৰিছিল। এই তিক্ততা এতিয়াও দেখা যায়। আকৌ ১৯৭৭ ৰ নিৰ্বাচনৰ পূৰ্বৰ আৰু পিছৰ সময়ছোৱা মূলতঃ দুটা দিশৰ দ্বাৰা প্ৰভাৱিত। সেয়া হ'ল সজাগতা বা জাগৰণ (Awakening) আৰু অৱক্ষয় (Decay) এইখিনি সময়ত বেছি সংখ্যক ভাৰতীয়ই ভোটৰ মূল্য, গোপন বেলটৰ তাৎপৰ্য, দল আৰু দলীয় নেতৃত্বৰ জনগণৰ প্ৰতি থাকিবলগীয়া দায়ৱদ্ধতাৰ প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিছিল। কেৱল যে শিক্ষিতসকলেই সজাগ হৈছিল তেনেকুৱা নহয়, অশিক্ষিত তথা সাধাৰণ লোকসকলেও দায়ৱদ্ধতাৰ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিছিল। দ্বিতীয় দিশটো হ'ল ৰাজনৈতিক অনুষ্ঠানৰ অৱক্ষয় (Decay of political institution) অৰ্থাৎ, বিভিন্ন ক্ষেত্ৰৰ পৰা অহা দাবীসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক দল তথা অনুষ্ঠানৰ ব্যৰ্থতা। এই সময়ত আটাইতকৈ ক্ষতিগ্ৰস্ত দল হিচাপে পৰিণত হৈছিল কংগ্ৰেছ। এইবোৰৰ ফলস্বৰূপে ৰাজনৈতিক

ব্যৱস্থাতো কিছুমান পৰিৱৰ্তন দেখা গৈছিল। যেনে - নিৰ্বাচনৰ গতি আৰু প্ৰকৃতি সলনি অৰ্থাৎ পূৰ্বৰ দৰে শাসনাধিষ্ঠ দলৰ ক্ষমতা লাভৰ ক্ষেত্ৰত অনিশ্চয়তা, সামাজিক গোটৰ মাজত হোৱা বিভাজন আৰু সংঘাতৰ ফলস্বৰূপে বিভিন্ন আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান ইত্যাদি।

## ১৯৮৪ ৰ পৰা ২০১৪

১৯৮৪ চনত ইন্দিৰা গান্ধীৰ হত্যাই কংগ্ৰেছৰ সপক্ষে এক আৱেগিক ঢৌৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে ৮৪ ৰ নিৰ্বাচনত পুনৰ কংগ্ৰেছ দলৰ আধিপত্য প্ৰতিষ্ঠা হোৱাৰ উপক্ৰম হৈছিল। কিন্তু এই ক্ষন্তেকীয়া ধাৰাৰ সমাপ্তিৰ লগে লগে ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত সন্মিলিত চৰকাৰ গঠন হে যেন একমাত্ৰ উপায় তেনে হোৱাৰ পথ সুগম হৈছিল। ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছৰে পৰা এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হৈছিল যে কোনো দলেই নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিব পৰা নাছিল আৰু সন্মিলিত চৰকাৰৰ পথ মুকলি হৈছিল। লগে লগেই আৰম্ভ হৈছিল এক নতুন ধাৰা — সন্মিলিত চৰকাৰত আঞ্চলিক দলৰ ক্ৰমবৰ্দ্ধমান গুৰুত্ব। আনকি আঞ্চলিক দলসমূহ কেন্দ্ৰীয় চৰকাৰৰ গঠন আৰু ভঙ্গৰো কাৰণ হৈ উঠিছিল। ১৯৮৯, ১৯৯১, ১৯৯৬, ১৯৯৮, ১৯৯৯, ২০০৪, ২০০৯ চনত কেন্দ্ৰত গঠন হোৱা প্ৰতিখন সন্মিলিত চৰকাৰতেই আঞ্চলিক ৰাজনৈতিক দলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ লগে লগে ৰাজ্যৰ বাবে অধিক স্বতন্ত্ৰতা আৰু অধিক যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ বাবে দাবী উত্থাপন কৰিছিল। বিভিন্ন নতুন প্ৰভাৱশালী গোট আৰু নেতাৰ উত্থান, ভাৰত ৰাষ্ট্ৰই গ্ৰহণ কৰা বিকাশৰ নীতি, ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ প্ৰতি আস্থা আৰু বিশ্বাস ভঙ্গ ইত্যাদিয়ে আঞ্চলিক ৰাজনৈতিক দলৰ ক্ৰমবৰ্দ্ধমান ভূমিকাৰ মূল কাৰণ বুলি কব পাৰি। ইন্দিৰা গান্ধীৰ সময়ছোৱাত আকৌ বহুতো ৰাজ্যত কেৱল ইন্দিৰা গান্ধীৰ প্ৰিয়ভাজন ব্যক্তিকহে মুখ্যমন্ত্ৰীৰ পদবী প্ৰদান কৰা হৈছিল। এনে কাৰণেও সম্ভাৱনাপূৰ্ণ তথা জনপ্ৰিয় আৰু ক্ষমতাশালী নেতাসকল বিতুষ্ট হৈ পৰিছিল আৰু নতুন নতুন দল গঠনৰ প্ৰতি আগ্ৰহান্বিত হৈছিল বুলি বিভিন্ন বিশ্লেষকে মত প্ৰকাশ কৰে। ১৯৮৯ চনৰ পিছৰ পৰা আৰু কংগ্ৰেছৰ পূৰ্বৰ দৰে উত্থান সম্ভৱ নহ'ল। ১৯৯৬ চনত ই বিজেপিৰ লগত প্ৰতিযোগিতাত দ্বিতীয় স্থান হে লাভ কৰিছিল। ইয়াৰ পিছৰ নিৰ্বাচনত বিজেপি দলৰ উত্থান ভাৰতীয় দলীয় ৰাজনীতৰ এক ঐতিহাসিক ঘটনা। ক্ৰমাগতভাৱে বিজেপি দলৰ সাংসদৰ সংখ্যা বৃদ্ধি আৰু দলীয় ব্যৱস্থাত দৃঢ় খোপনিয়ে আৰু বিভিন্ন দলৰ লগত লগ লাগি চৰকাৰ গঠন কৰা কাৰ্যই প্ৰমাণ কৰিছিল যে বিজেপি দলৰ উত্থান এক সাময়িক বা তাৎক্ষণিক ঘটনা নহয়। কেন্দ্ৰৰ লগতে ৰাজ্যতো ক্ৰমান্বয়ে দুই মেৰু কেন্দ্ৰিক দলীয় প্ৰতিযোগিতাৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰিছিল। ৰাজ্যত অৱশ্যে সেয়া দুটা দলৰ মাজত আছিল। কিন্তু কেন্দ্ৰত এয়া আছিল সন্মিলিত দুটা গোটৰ মাজত হোৱা প্ৰতিযোগিতা। এই সময়ছোৱাৰ এটা লক্ষণীয় ঘটনা আছিল জনতা দল আৰু আন সহযোগী দলৰ সহযোগত গঠন হোৱা ইউনাইটেড ফ্ৰন্টৰ গুৰুত্ব হ্ৰাস। বিজেপি দলৰ উত্থান আৰু দৃঢ় খোপনিয়ে লাহে লাহে এনেকুৱা তৃতীয় মৰ্চাৰ উপস্থিতি তাৎপৰ্য্যহীন কৰি পেলাইছিল। ইয়াৰ উপৰিও সন্মিলিত চৰকাৰ, মিত্ৰজোঁট গঠন ইত্যাদিয়ে দলীয় প্ৰতিযোগিতা আৰু সহযোগিতাৰ এটা নতুন যুগৰ সূচনা কৰিছিল। ১৯৯৯ ত গঠন হোৱা বিজেপি চৰকাৰখনে কিছুমান নতুন ধাৰাৰ সৃষ্টি কৰিছিল। যেনে - ইন্দিৰা ৰাজীৱৰ পিছত প্ৰথমবাৰৰ বাবে প্ৰাক নিৰ্বাচনী মিত্ৰজোট গঠন আৰু নিৰ্বাচনৰ সংখ্যাগৰিষ্ঠতা অৰ্জনৰ পিছত নিৰ্দ্ধাৰিত সময়ৰ বাবে চৰকাৰ গঠন। আশ্চৰ্যজনকভাৱে এই খন চৰকাৰ আছিল সৰ্বমুঠ ২৫ টা সহযোগী দলৰ সংমিশ্ৰণ। ইয়াৰ পিছতো ই সফলভাৱে নিজৰ কাৰ্যকাল সমাপন কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰীয় দলৰ দ্বাৰা আঞ্চলিক ৰাজনৈতিক

দলৰ লগত মিত্ৰজোট বন্ধনে এহাতে ৰাষ্ট্ৰীয় ৰাজনীতিৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যক শক্তিশালী কৰিছিল আৰু আনহাতে ৰাষ্ট্ৰীয় ৰাজনীতি আৰু চৰকাৰত এই দলসমূহৰ গুৰুত্ব বৃদ্ধি কৰি দলবোৰক সন্তুষ্টি প্ৰদান কৰিছিল। অৱশ্যে ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনত সহযোগী দল কিছুমানৰ দুৰ্বল প্ৰদৰ্শনৰ বাবেই বিজেপি পুনৰ ক্ষমতাচ্যুত হৈছিল। কিন্তু এই সময়ছোৱাই যেন আছিল সন্মিলিত চৰকাৰৰ সময় আৰু বিশেষকৈ বহু পৰিমাণে সুস্থিৰ সন্মিলিত চৰকাৰৰ সময়। ২০০৪ চনত কংগ্ৰেছৰ নেতৃত্বত ইউনাইটেড প্ৰগ্ৰেছিভ এলায়েন্স (UPA) চৰকাৰ গঠন হৈছিল আৰু এই চৰকাৰ খনে মনমোহন সিংৰ নেতৃত্বত নিৰ্দ্ধাৰিত কাৰ্যকাল সমাপ্ত কৰিছিল। একেখন চৰকাৰেই ২০০৯ চনৰ নিৰ্বাচনতো চৰকাৰ গঠন কৰি সন্মিলিত চৰকাৰৰ সুস্থিৰতা ভাৰতীয় দলীয় ব্যৱস্থাৰ এক বৈশিষ্ট্য হিচাপে প্ৰতিষ্ঠা কৰিছিল। কেন্দ্ৰৰ লগতে ৰাজ্যসমূহতো একেই প্ৰৱণতা বেছি ক্ষেত্ৰতে দেখা গৈছিল। এনে পৰিস্থিতিত বিভিন্ন ৰাজনৈতিক বিশ্লেষকে মত প্ৰকাশ কৰিছিল যে ভাৰতৰ দলীয় ব্যৱস্থাত আৰু হয়তো কেতিয়াও এটা দলৰ সংখ্যাগৰিষ্ঠতা অৰ্জন সম্ভৱ নহ'ব। কিন্তু এই ভৱিষ্যতবাণীক নস্যাৎ কৰি ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনত এটা দলেই অৰ্থাৎ বিজেপি দলেই সংখ্যাগৰিষ্ঠতা অৰ্জনত সফলতা লাভ কৰিছিল। অৱশ্যে প্ৰাক্ নিৰ্বাচনী মিত্ৰতা তেওঁলোকে ৰক্ষা কৰিয়েই চৰকাৰ গঠন কৰিছিল। এই নিৰ্বাচনত বিজেপিয়ে অকলেই ২৮২ খন আসন লাভ কৰিছিল।

বিজেপি দলৰ উত্থান ভাৰতীয় দলীয় ব্যৱস্থাৰ এক উল্লেখযোগ্য ঘটনা। ১৯৮০ চনত জনসংঘৰ উত্তৰাধিকাৰী স্বৰূপে উৎপত্তি হোৱা এই দলে প্ৰথম অৱস্থাত বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। ১৯৯০ চনতহে এই দলে প্ৰথমবাৰৰ বাবে নিজাববীয়াকৈ মধ্যপ্ৰদেশ আৰু হিমাচল প্ৰদেশত চৰকাৰ গঠন কৰিছিল আৰু ৰাজস্থান আৰু গুজৰাটত জনতা দলৰ লগত লগ হৈ চৰকাৰ গঠন কৰিছিল। ইয়াৰ পিছত ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত ১৬১ খন আসন লাভেৰে এই দলে মাত্ৰ ১৩ (তেৰ) দিনৰ চৰকাৰ গঠন কৰিছিল আৰু আন কোনো দলৰ সমৰ্থন আদায় কৰিব নোৱাৰি অটল বিহাৰী বাজপেয়ীয়ে পদত্যাগ কৰিছিল। ১৯৯৮ চনৰ সাধাৰণ নিৰ্বাচনত বিজেপিয়ে পূৰ্বৰ অভিজ্ঞতাৰ পৰা শিক্ষা গ্ৰহণ কৰি বিভিন্ন নতুন নতুন ৰাজ্যত নিজৰ প্ৰভাৱ আৰু প্ৰতিষ্ঠাৰ দ্বাৰা পুনৰ কেন্দ্ৰত সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল আৰু সন্মিলিত চৰকাৰৰ নেতৃত্ব লৈছিল। আকৌ ৰাজ্যত ভিত্তি প্ৰতিষ্ঠাৰ বাবে বিভিন্ন ৰাজ্যত হয় সন্মিলিত চৰকাৰৰ অংশ লৈছিল নহয় ইয়ালৈ সমৰ্থন আগবঢ়াইছিল। মুঠ ১৩ টা দলৰ লগত হোৱা প্ৰাক নিৰ্বাচনী মিত্ৰতাৰে ১৯৯৮ চনৰ নিৰ্বাচনত বিজেপি দলে প্ৰতিদ্বন্দিতা কৰিছিল আৰু ইয়াত সৰ্বমুঠ ২৫৪ খন আসনেৰে ৩৭.১ শতাংশ ভোট লাভ কৰিবলৈ সক্ষম হৈছিল য'ত বিজেপিয়ে অকলে লাভ কৰিছিল ১৮২ খন আসন। ইয়াৰ পিছৰ নিৰ্বাচনত অৰ্থাৎ ১৯৯৯ চনৰ সাধাৰণ নিৰ্বাচনতো বিজেপিয়ে পূৰ্বৰ প্ৰাক্ নিৰ্বাচনী মিত্ৰতা অক্ষুন্ন ৰাখিয়ে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছিল আৰু পুনৰ চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। ২৯৯ খন আসন লাভেৰে এই মিত্ৰতাই পূৰ্বতকৈ জনপ্ৰিয়তা বৃদ্ধিৰ প্ৰমাণ দিছিল। এই নিৰ্বাচনত বিজেপি দলৰ উত্থানত সহযোগী দলসমূহে যেনে শিৱসেনা, আকালি দল, বিজু জনতা দল, এ.আই.এ.ডি.এম.কে., লোকশক্তি, তৃণমূল কংগ্ৰেছ ইত্যাদিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৯৯ চনৰ নিৰ্বাচনৰ ফলাফলে প্ৰাক্ নিৰ্বাচনী মিত্ৰতাৰ সফলতা প্ৰতিষ্ঠাৰ লগে লগে ওলোমা সংসদ (Hung parliament) ৰ ধাৰা, যি ধাৰা বহুকেইটা নিৰ্বাচনত সমস্যাৰ কাৰণ হৈ আছিল, তাৰ অন্ত পেলাইছিল। লগে লগে আৰম্ভ হৈছিল এক নতুন ধাৰা। এই ধাৰা হ'ল সুস্থিৰ সন্মিলিত চৰকাৰ ব্যৱস্থা। ইয়াৰ পিছৰ দুটা নিৰ্বাচনত বিজেপি দলে চৰকাৰ গঠন কৰিব নোৱাৰিলেও ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত ই পুনৰ এটা নতুন ধাৰা সৃষ্টিৰে ভাৰতীয় দলীয় ব্যৱস্থাৰ ইতিহাসক পুনৰাবৃত্তি কৰাৰ ইঙ্গিত

দিছিল। এই ধাৰা হ'ল এক দলীয় আধিপত্য। ২০১৯ চনৰ নিৰ্বাচনত এই দলে পূৰ্বতকৈও অধিক আসন লাভেৰে ৰাজনৈতিক বিশ্লেষকৰ বিশ্লেষণক ভুল প্ৰমাণিত কৰি এটা দলৰ জনপ্ৰিয়তাক পুনৰ প্ৰতিষ্ঠা কৰিছে। বৰ্তমান সময়ত কেন্দ্ৰৰ লগতে বিভিন্ন নতুন নতুন ৰাজ্যক্ষেত্ৰলৈ ইয়াৰ জনপ্ৰিয়তাই প্ৰসাৰ লাভ কৰিছে। পূৰ্বৰ কৌশল অক্ষুন্ন ৰাখি এই দলে অহৰহ ন-ন ৰাজ্যত, যিবোৰ ৰাজ্যত পূৰ্বে আন দলৰ প্ৰাধান্য আছিল, তাত চৰকাৰ গঠন কৰাৰ চেষ্টা চলাইছে আৰু সফলতাও অৰ্জন কৰিছে। উদাহৰণস্বৰূপে উত্তৰ পূৰ্বাঞ্চলৰ বহুকেইখন ৰাজ্যত শেহতীয়াকৈ গঠন হোৱা বিজেপি দলৰ চৰকাৰৰ কথা উল্লেখ কৰিব পাৰি।

ভাৰতীয় দলীয় ব্যৱস্থাৰ বিভিন্ন পৰ্য্যায়গত বিকাশৰ বিশ্লেষণে এটা কথাই স্পষ্ট কৰে যে কংগ্ৰেছৰ দৰে শক্তিশালী আৰু জনপ্ৰিয় দলৰো বিপৰ্যয় সম্ভৱ হ'ব পাৰে। দলীয় শৃংখলা, সবল নেতৃত্বৰ অভাৱ, জনসাধাৰণৰ আকাংক্ষা পূৰণত বিফল হ'লে যি কোনো দলৰ বাবেই বিপৰ্যয় অনিবাৰ্য। ভাৰতত কংগ্ৰেছ দলৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়।

আগতেই উল্লেখ কৰা হৈছে যে কোনো এটা ৰাজনৈতিক দলৰ কাৰ্য আৰু প্ৰকৃতি নিৰ্দ্ধাৰণত সামাজিক ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতীয় সমাজ ব্যৱস্থাত স্বাধীনতাৰ পিছতো বিভিন্ন বৈষম্যমূলক উপাদান বা পৰম্পৰাৰ উপস্থিতি দেখা গৈছিল। জাতিৰ ভিত্তিত, নৃ-গোষ্ঠীয় ভিত্তিত বহুতো গোট সমাজৰ আন আন লোকতকৈ পিছপৰা আছিল। এনে পিছপৰা গোট সমূহৰ বাবে স্বাধীনতাৰ পিছত কংগ্ৰেছ দল আশা আৰু ভৰষাৰ এক প্ৰতীক হৈ উঠিছিল। কিন্তু বহুক্ষেত্ৰত দেখা গৈছিল যে অঞ্চলগত হিচাপেই হওঁক বা ব্যক্তিগোটৰ ক্ষেত্ৰতে হওঁক ক্ষমতাৰ তথা সুবিধাৰ আৰু উন্নয়নৰ সমবিতৰণ হোৱা নাছিল। লগে লগে উত্থান ঘটিছিল সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক বৈষম্যৰ কাৰকসমূহৰ ৰাজনীতিকৰণৰ। এই ৰাজনীতিকৰণ আৰু সচেতনতাই বিভিন্ন ৰাজ্যত আঞ্চলিক দলৰ উত্থান আৰু জনপ্ৰিয়কৰণত এক বিশেষ ভূমিকা পালন কৰিছিল আৰু পিছলৈ এই দলবোৰেই বিভিন্ন ৰাজ্যত কংগ্ৰেছৰ প্ৰধান প্ৰতিদ্বন্দী হিচাপে থিয় দিছিল।

কৃষিৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰা সেউজ বিপ্লৱেও ৰাজনৈতিক ক্ষেত্ৰত কংগ্ৰেছৰ প্ৰতিদ্বন্দী সৃষ্টি কৰাত আৰু কংগ্ৰেছৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰাত এক বিশেষ ভূমিকা পালন কৰিছিল বুলি ক'ব পাৰি। সেউজ বিপ্লৱে প্ৰসাৰ লাভ কৰা উত্তৰ ভাৰতৰ অঞ্চলসমূহত এক নতুন শ্ৰেণী বৈষম্যৰ সৃষ্টি হৈছিল। এই বৈষম্যই এক সচেতনতাৰো সৃষ্টি কৰিছিল আৰু বঞ্চিত খেতিয়ক শ্ৰেণী লোকৰ দাবীক ভিত্তি হিচাপে লৈ কিছুমান ৰাজনৈতিক দলৰ উত্থান বা বিকাশ হৈছিল, যিবোৰেও কংগ্ৰেছৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি - Praja Socialist Party, Sanjukta Socialist Party আদিৰ দৰে দলৰ কথা যিবোৰৰ ভিত্তি সেউজ বিপ্লৱৰ সময়তে দৃঢ় হৈ উঠিছিল।

নেহৰু, শাস্ত্ৰীৰ পিছত কংগ্ৰেছত ক্ষমতাৰ অত্যধিক কেন্দ্ৰীকৰণ হৈছিল আৰু ফলস্বৰূপে গণতান্ত্ৰিক নীতিৰ ক্ৰমাগত অৱক্ষয় ঘটিছিল। ইয়ো কংগ্ৰেছৰ দুৰৱস্থাৰ এক কাৰণ। ১৯৭০ ৰ দশকৰ পৰা এনে কাৰণতে কংগ্ৰেছৰ পৰম্পৰাগত ভোটাৰ আৰু সমৰ্থক সকল আন দললৈ আকৰ্ষিত হ'বলৈ আৰম্ভ কৰিছিল। এই ধাৰা এতিয়াও অব্যাহত আছে। ইয়াৰ লগতে পৰিয়ালকেন্দ্ৰিক ৰাজনীতিয়েও কংগ্ৰেছক যুৱ প্ৰজন্মৰ মাজত এক অগণতান্ত্ৰিক ৰাজনৈতিক দল হিচাপে প্ৰতিষ্ঠা হোৱাত আৰু যুৱ প্ৰজন্মৰ মাজত ইয়াৰ জনপ্ৰিয়তা আহৰণত এক অন্তৰাল হিচাপে থিয় দিছে। গতিকে কংগ্ৰেছৰ সমৰ্থনৰ ভিত্তি ক্ৰমান্বয়ে দুৰ্বল হৈ আহিব ধৰিছে।

ভাৰতীয় ৰাজনীতিত মূলতঃ ৯০ ৰ দশকত জাতি-ধৰ্মক লৈ সচেতনতা অধিক বৃদ্ধি হৈছিল আৰু এই

আৱেগ বা উপাদানবোৰক লৈ বিভিন্ন ৰাজনৈতিক দলৰ সৱল উত্থান হৈছিল। এইখিনি সময়তে ভাৰতীয় জনতা পাৰ্টি, শিৱসেনা, সমাজবাদী দল, ৰাষ্ট্ৰীয় জনতা দল ইত্যাদিয়ে সৱল তথা সক্ৰিয় উপায়ে ৰাজনৈতিক ব্যৱস্থাত নিজৰ উপস্থিতি প্ৰতিষ্ঠা কৰি বিভিন্ন ৰাজ্যত কংগ্ৰেছক উৎখাত কৰিছিল আৰু কেন্দ্ৰত কংগ্ৰেছৰ বিপৰ্যয় মাতি আনিছিল।

নেতৃত্বৰ দুৰ্বলতা বৰ্তমান সময়ত কংগ্ৰেছৰ বিপৰ্যয়ৰ আন এটা কাৰণ বুলি কব পাৰি। নেহৰু, শাস্ত্ৰী আৰু ইন্দিৰা গান্ধীৰ পিছত নেতৃত্বৰ সমস্যাই বিশেষকৈ সৱল আৰু দূৰদৰ্শী নেতৃত্বৰ সমস্যাই কংগ্ৰেছক পূৰ্বৰ স্থানৰ পৰা আতৰ হোৱাত এক সৱল কাৰক হৈছে বুলি কব পাৰি। পৰিয়ালকেন্দ্ৰিক ৰাজনীতিয়ে বহু যোগ্য নেতাক কংগ্ৰেছৰ নেতৃত্বৰ পৰা বাহিৰত ৰখাৰ ফলত যোৱা কেইটামান দশক জুৰি কংগ্ৰেছ দুৰ্বল নেতৃত্বৰ দ্বাৰা পৰিচালিত হৈছে। অৱধাৰিতভাৱেই দলটোৱে ইয়াৰ পৰিণামো ভোগ কৰিছে।

**ভাৰতীয় দলীয় ব্যৱস্থাৰ বৈশিষ্ট (Characteristics of Indian Party System) :** ভাৰতীয় দলীয় ব্যৱস্থাৰ বিকাশৰ বিশ্লেষণে কিছুমান বিশেষ বৈশিষ্ট্য পৰিলক্ষিত কৰে। এই বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

**১। সংবিধান বহিৰ্ভূত (Extra Constitutional) :** ভাৰতীয় সংবিধানে পৃথিৱীৰ কিছুমান দেশৰ দৰে (যেনে - চীন, কিউবা ইত্যাদি) ৰাজনৈতিক দলক সাংবিধানিক মৰ্য্যদা প্ৰদান কৰা নাই। অৰ্থাৎ, ৰাজনৈতিক দলৰ উপস্থিতি ভাৰতীয় দলীয় ব্যৱস্থাত এক সংবিধান বহিৰ্ভূত ব্যৱস্থা। অৱশ্যে, ভাৰতীয় সংবিধানে গ্ৰহণ কৰা সংসদীয় গণতন্ত্ৰই পৰোক্ষভাৱে হ'লেও ৰাজনৈতিক দলৰ উপস্থিতিক স্বীকাৰ কৰিছে।

**২। বহুদলীয় ব্যৱস্থা (Multiparty system) :** ভাৰতত দলীয় ব্যৱস্থা বহুদলীয়। অৰ্থাৎ, ইয়াত দুটাতকৈ অধিক দলৰ উপস্থিতি দেখা যায়। স্বাধীনতাৰ পূৰ্বৰ পৰাই ভাৰতত বিভিন্ন দলৰ উৎপত্তি হৈছিল আৰু স্বাধীনতাৰ পিছতো যথেষ্ট নতুন নতুন দলৰ উৎপত্তি হৈছে আৰু এইবোৰে ভাৰতীয় ৰাজনীতিত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকাও গ্ৰহণ কৰিছে। ৮০ ৰ দশকৰ পৰা ভাৰতত আঞ্চলিক ৰাজনৈতিক দলৰ ক্ৰমাগত উত্থানেও ভাৰতত প্ৰকৃত অৰ্থত বহুদলীয় ব্যৱস্থাৰ প্ৰতিষ্ঠাত সহায় কৰিছিল।

**৩। এক দলৰ আধিপত্য (One Party Dominance) :** বহুদলীয় ব্যৱস্থাৰ উপস্থিতিৰ পিছতো ভাৰতীয় দলীয় ব্যৱস্থাৰ এক বিশেষ বৈশিষ্ট্য হ'ল - এক দলৰ আধিপত্য। স্বাধীনতাৰ পিছৰ প্ৰথম তিনিটা সাধাৰণ নিৰ্বাচনত (১৯৫৭ চনৰ কেৰালাৰ ২ বছৰীয়া সাম্যবাদী চৰকাৰৰ বাদে) কেন্দ্ৰ আৰু ৰাজ্য উভয়তে কেৱল এটা দলৰে (কংগ্ৰেছৰ) আধিপত্য প্ৰতিষ্ঠা হৈছিল। এই সময়ছোৱাক সেয়েহে বিখ্যাত ৰাজনৈতিক বিশ্লেষক ৰজনী কোঠাৰীয়ে ‘কংগ্ৰেছ ব্যৱস্থা’ আখ্যা দিছিল। চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ পিছত কিছুমান ৰাজ্যত কংগ্ৰেছৰ আধিপত্যৰ অৱসান হৈছিল যদিও কেন্দ্ৰত ১৯৭৭ চনতহে প্ৰথমবাৰৰ বাবে অনা কংগ্ৰেছী চৰকাৰ গঠন হৈছিল। বৰ্তমান সময়তো আকৌ এই ধাৰাৰে সূচনা হোৱা বুলি কব পাৰি।

**৪। ৰাজনৈতিক দলৰ কাঠফুলা সদৃশ উৎপত্তি (Mashroom growth of political parties) :** ভাৰতীয় দলীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ তথা লক্ষ্যণীয় বৈশিষ্ট্য হ'ল ৰাজনৈতিক দলৰ সঘন উত্থান। পৃথিৱীৰ কোনো গণতান্ত্রিক ৰাষ্ট্ৰতেই ৰাজনৈতিক দলৰ এনে উত্থান দেখা নাযায়। কিন্তু ভাৰতত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক এই দুয়ো ধৰণৰ ৰাজনৈতিক দলৰে সঘন উত্থান দেখা যায়। বিভিন্ন সামাজিক গোটৰ উপস্থিতি, ৰাজনৈতিক, অৰ্থনৈতিক ঘটনা পৰিঘটনা আৰু কাৰকে ভাৰতত ৰাজনৈতিক দলৰ সঘন উত্থানত সহায় কৰিছে। অৱশ্যে ইয়াৰ ফলত এক শক্তিশালী বিৰোধী দলৰ অভাৱ হোৱাও দেখা গৈছে।

**৫। আদৰ্শগত দায়বদ্ধতাৰ অভাৱ (Lack of Ideological Commitment) :** প্ৰত্যেক ৰাজনৈতিক দলৰে গঠন কোনো এক নিৰ্দিষ্ট আদৰ্শৰ ভিত্তিত হয়। দৰাচলতে আদৰ্শৰ মিল থকা কিছুমান ব্যক্তিয়েই নিৰ্দিষ্ট ৰাজনৈতিক লক্ষ্য আৰু উদ্দেশ্য লৈ ৰাজনৈতিক দল গঠন কৰে। কিন্তু ভাৰতবৰ্ষত ৰাজনৈতিক দলসমূহৰ কাৰ্য কলাপে প্ৰমাণ কৰে যে তেওঁলোকে নিজৰ উদ্দেশ্য সিদ্ধিৰ বাবে আদৰ্শক পৰিত্যাগ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ইয়াৰ ফলত জনসাধাৰণৰ মনত দলক লৈ সন্দেহৰ সৃষ্টি হয় আৰু দলসমূহে পূৰ্বৰ তুলনাত ক্ৰমান্বয়ে জনপ্ৰিয়তা হেৰুৱাই আহিছে। বৰ্তমান ভাৰতীয় ৰাজনীতিত বিষয় বা ঘটনা ভিত্তিত হে ৰাজনৈতিক দলসমূহ নিৰ্বাচনত অৱতীৰ্ণ হয়, আদৰ্শৰ ভিত্তিত নহয়।

**৬। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দলৰ মৰ্য্যদাৰ সঘন পৰিৱৰ্তন (Change in the status of the National and State Parties) :** ৰাজনৈতিক দলৰ মৰ্য্যদাৰ সঘন পৰিৱৰ্তন ভাৰতীয় দলীয় ব্যৱস্থাৰ এক বিশেষ বৈশিষ্ট্য। প্ৰথম সাধাৰণ নিৰ্বাচনৰ পিছতে ৰাষ্ট্ৰীয় দলৰ মৰ্য্যদা লাভ কৰা বহুকেইটা দলে পূৰ্বৰ মৰ্য্যদা হেৰুৱাব লগা হৈছিল আৰু দ্বিতীয় সাধাৰণ নিৰ্বাচনৰ সময়লৈ মাত্ৰ ৪ (চাৰিটা) টা ৰাজনৈতিক দলেহে ৰাষ্ট্ৰীয় দলৰ মৰ্য্যদা অক্ষুন্ন ৰাখিব পাৰিছিল। ৰাজ্যিক বা আঞ্চলিক দলৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। কিছুমান আঞ্চলিক দলৰ হঠাতেই উত্থান হৈছে আৰু কিছু সময়ৰ পিছতেই এইবোৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰা হয় একেবাৰে নাইকিয়া হৈছে নহয় দলীয় ব্যৱস্থাত তাৎপৰ্যহীন হৈ পৰিছে। উদাহৰণস্বৰূপে অসম গণ পৰিষদৰ কথাই ক'ব পাৰি। ইয়াৰ বিপৰীতে আকৌ আন কিছুমান ৰাজ্যিক দল যথেষ্ট সুস্থিৰ আৰু ৰাজনৈতিক ব্যৱস্থাত এতিয়াও যথেষ্ট প্ৰভাৱশালী হৈ আছে। যেনে - ডি.এম.কে., এ.আই.এ.ডি.এম.কে., তেলেগু দেশম, তৃণমূল কংগ্ৰেছ, শিৱসেনা ইত্যাদি।

**৭। শক্তিশালী বিৰোধী দলৰ অভাৱ ঃ (Lack of strong opposition party) :** বহুদলীয় ব্যৱস্থাই ভাৰতৰ দলীয় ব্যৱস্থাক এহাতে গণতান্ত্রিক কৰিছে যদিও আনহাতে শক্তিশালী বিৰোধী দলৰ অভাৱ হোৱাতো অৰিহণা যোগাইছে। বহুতো দলৰ উপস্থিতিয়ে ভোট বিভাজন কৰি কোনো এটা দলকে প্ৰয়োজনীয় ভোট লাভ কৰাৰ সুবিধা নিদিয়ে। ভাৰতত আৰম্ভণিৰ পৰাই শক্তিশালী বিৰোধী দলৰ অভাৱ দেখা গৈছিল। অৱশ্যে প্ৰয়োজনীয় আসন লাভ নকৰিলেও স্বাধীনতাৰ পিছৰ প্ৰথম দশককেইটাত শাসকীয় কংগ্ৰেছ দলৰ নেতৃত্বৰ গণতান্ত্রিক ভাৱনাই বিৰোধী দলক কিছু মৰ্য্যাদা দিছিল আৰু বিৰোধী দলেও দক্ষতাৰে আৰু নিৰপেক্ষভাৱে নিজৰ ভূমিকা পালন কৰিছিল। কিন্তু ইন্দিৰা গান্ধীৰ সময়ৰ পৰাই বিৰোধী দলৰ ভূমিকা ভাৰতীয় দলীয় ব্যৱস্থাত দুৰ্বল হৈ পৰিল। ইয়াৰ মূল কাৰণ যদিও ইন্দিৰা গান্ধীৰ স্বতন্ত্ৰ মনোভাৱ আছিল তথাপিও কোনো দলৰ দ্বাৰা বিৰোধী দলৰ বাবে

নিৰ্দ্ধাৰিত আসন লাভৰ ব্যৰ্থতাও অন্যতম। মুঠতে, শক্তিশালী বিৰোধী দলৰ অভাৱ ভাৰতীয় দলীয় ব্যৱস্থাৰ এক অন্যতম বৈশিষ্ট্য।

**৮। ক্ষমতাৰ শান্তিপূৰ্ণ হস্তান্তৰ (Peaceful transfer of power) :** ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত যদিও বিভিন্ন দলৰ মাজত ক্ষমতাক লৈ প্ৰতিযোগিতা হোৱা দেখা যায় তথাপিও ক্ষমতাৰ হস্তান্তৰ বেছিভাগ সময়তে শান্তিপূৰ্ণ হোৱা দেখা যায়। কেইটামান উদাহৰণৰ বাদে বেছিভাগ সময়তে প্ৰায়বোৰ দলেই নিৰ্বাচনত অংশ গ্ৰহণ কৰিছে আৰু নিৰ্বাচনৰ পিছৰ জয়-পৰাজয়ৰ ফলাফলক বৈধ হিচাপে গ্ৰহণ কৰিছে। ১৯৭৭ চনত কেন্দ্ৰত যেতিয়া প্ৰথমবাৰৰ বাবে অনাকংগ্ৰেছী চৰকাৰ গঠন হৈছিল আৰু জনতা চৰকাৰে শাসনৰ দায়িত্ব লাভ কৰিছিল তেতিয়াও ক্ষমতাৰ হস্তান্তৰ শান্তিপূৰ্ণভাৱেই হৈছিল। অসম, নাগালেণ্ড, জম্মু-কাশ্মীৰ, পাঞ্জাৱ আদি ৰাজ্যত কিছুমান বিশেষ সময়ত নিৰ্বাচন বৰ্জন হোৱাৰ দৰে ঘটনা ঘটিছিল। ইয়াৰ উপৰিও প্ৰথম কেইটামান দশকত ৩৫৬ নং অনুচ্ছেদৰো অপব্যৱহাৰৰ ঘটনা হৈছিল। কিন্তু এইবোৰৰ পিছতো ৰাজনৈতিক দল সমূহে বিৰোধ প্ৰদৰ্শনৰ বাবে শান্তিপূৰ্ণ, গণতান্ত্ৰিক পদ্ধতিহে গ্ৰহণ কৰিছিল আৰু ৰাজনৈতিক ব্যৱস্থাৰ সুস্থিৰতা অক্ষুন্ন ৰাখিছিল।

**৯। স্বতন্ত্ৰ প্ৰাৰ্থীৰ সংখ্যা/গুৰুত্ব হ্ৰাস (Decline of Independents) :** স্বাধীনতাৰ পিছৰ প্ৰথম তিনিটামান সাধাৰণ নিৰ্বাচনত স্বতন্ত্ৰ প্ৰাৰ্থীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ভোটৰ শতাংশ আৰু আসন, এই দুয়োটাতে স্বতন্ত্ৰ প্ৰাৰ্থীয়ে উল্লেখযোগ্য ফলাফল প্ৰদৰ্শন কৰিছিল। কংগ্ৰেছৰ লগত মতানৈক্য বা কংগ্ৰেছৰ বাহিৰে আন দলৰ অজনপ্ৰিয়তাই হয়তো স্বতন্ত্ৰ প্ৰাৰ্থীৰ জয়ত এই সময়ত বিশেষ অৰিহণা যোগাইছিল। কিন্তু ৭০ ৰ দশক আৰু ৮০ ৰ দশক আছিল বিভিন্ন বিৰোধী দলৰ উৎপত্তি আৰু বিকাশৰ সময়। ফলস্বৰূপে স্বতন্ত্ৰ প্ৰাৰ্থীৰ সংখ্যা আৰু গুৰুত্ব ভাৰতৰ দলীয় ব্যৱস্থাত হ্ৰাস হ'বলৈ আৰম্ভ কৰিছিল। অৰ্থাৎ, ৮০ ৰ দশকৰ পৰা যেতিয়াই কংগ্ৰেছৰ বিকল্পৰ সৃষ্টি হ'ল তেতিয়াৰ পৰাই স্বতন্ত্ৰ প্ৰাৰ্থীৰ সংখ্যা আৰু গুৰুত্ব বহু পৰিমাণে হ্ৰাস হ'ল।

**১০। সন্মিলিত চৰকাৰ ব্যৱস্থা (Coalition Government System) :** ভাৰতীয় দলীয় ব্যৱস্থাৰ এক তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য হ'ল সন্মিলিত চৰকাৰ গঠন অৰ্থাৎ দুই বা ততোধিক দলে লগ লাগি গঠন কৰা চৰকাৰ। ৰাজ্যিক পৰ্য্যায়ত ১৯৬৭ চনৰ নিৰ্বাচনৰ পৰাই যদিও সন্মিলিত চৰকাৰ গঠন হ'বলৈ আৰম্ভ হৈছিল, কেন্দ্ৰীয় পৰ্য্যায়ত এয়া ১৯৭৭ চনৰ জনতা চৰকাৰৰ দিনৰ পৰাহে আৰম্ভ হৈছিল। ইয়াৰ পিছত বহুকেইখন চৰকাৰ অৰ্থাৎ ১৯৮৯, ১৯৯৬, ১৯৯৮, ১৯৯৯, ২০০৪, ২০০৯ চনৰ কেন্দ্ৰীয় চৰকাৰ আছিল বিভিন্ন দলৰ সন্মিলিত চৰকাৰ। সন্মিলিত চৰকাৰে ভাৰতত বহুসময়ত আনকি অস্থিৰতাৰ সূচনা কৰাৰ সম্ভাৱনা দেখা গৈছিল। যেনে ১৯৯৬ আৰু ১৯৯৮ চনৰ চৰকাৰকেইখনৰ কথাই কব পাৰি। বিভিন্ন পৰস্পৰ বিৰোধী আদৰ্শৰ লগত মিত্ৰতা কৰাৰ বাবেই সন্মিলিত চৰকাৰবোৰ হয় অস্থিৰ হৈছিল নহয় ক্ষণস্থায়ী হৈছিল। অৱশ্যে ১৯৯৯ চনৰ পিছৰ সন্মিলিত চৰকাৰসমূহে বিভিন্ন সমস্যাৰ পিছতো নিৰ্দ্ধাৰিত সময় লৈ চৰকাৰ গঠন কৰি সুস্থিৰ সন্মিলিত চৰকাৰৰ এক নতুন ধাৰা আৰম্ভ কৰিছিল। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰতো বিভিন্ন দলৰ সংযোজন আছে যদিও এই চৰকাৰৰ প্ৰকৃতি পূৰ্বৰ সন্মিলিত চৰকাৰতকৈ পৃথক কাৰণ ইয়াত এটা দলৰেই চৰকাৰ গঠন কৰাৰ জোখাৰে আসন আছে।

**১১। দলত্যাগ (Defection) :** দলত্যাগ ভাৰতীয় দলীয় ব্যৱস্থাত গঢ় লৈ উঠা এক অশুভ পৰম্পৰা আৰু ইয়াক অশুভ হ'লেও দলীয় ব্যৱস্থাৰ এক বৈশিষ্ট্যই আখ্যা দিব পাৰি। বিভিন্ন কাৰণত দলীয় নেতা, সস্য সকলৰ এটা দলৰ পৰা আন এটা দলত যোগ দিয়াৰ যি ব্যৱস্থা বা প্ৰৱণতা, সেয়াই দলত্যাগ। ভাৰতত এই পৰম্পৰা ১৯৬৭ চনৰ নিৰ্বাচনৰ পৰা আৰম্ভ হৈছিল আৰু ক্ৰমান্বয়ে ই দলীয় ব্যৱস্থাৰ এক ব্যাধিত পৰিণত হৈছিল, যি ব্যাধিয়ে বিভিন্ন সময়ত ৰাজনৈতিক ব্যৱস্থাক অস্থিৰ কৰিছিল বা কৰিবলৈ সক্ষম হৈছে। দলত্যাগৰ প্ৰৱণতা ৰোধৰ বাবেই আনকি ১৯৮৫ চনত চৰকাৰৰো দলত্যাগ বিৰোধী আইন গ্ৰহণ কৰিছিল যদিও দলত্যাগ ৰোধত সফল হ'ব পৰা নাই।

**১২। সাম্প্ৰদায়িক ভিত্তিত দল গঠন (Formation of political parties on comminal basis) :** ধৰ্মনিৰপেক্ষ দেশ হিচাপে পৰিচিত ভাৰতৰ দলীয় ব্যৱস্থাৰ এক বিশেষ বৈশিষ্ট্য হ'ল সাম্প্ৰদায়িক ভিত্তিত দল গঠন। ভাৰতৰ দলীয় ব্যৱস্থাত বিভিন্ন এনেকুৱা দলে শক্তিশালী ভূমিকা গ্ৰহণ কৰি আছে যিবোৰে সাম্প্ৰদায়িক ভাৱে কোনো এটা বিশেষ সম্প্ৰদায় বা গোটৰ সুৰক্ষাৰ হকে কাম কৰিব বিচাৰে।

**১৩। সাংগঠনিক দুৰ্বলতা (Organisational Drawbackes) :** সাংগঠনিক দুৰ্বলতা ভাৰতৰ প্ৰায়বোৰ ৰাজনৈতিক দলৰেই এটা সমস্যা। দলসমূহৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াও বহু সময়ত গণতান্ত্ৰিক নহয়। ফলস্বৰূপে ইয়াৰ বিৰূপ প্ৰভাৱ জনসাধাৰণৰ ওপৰত পৰা দেখা যায়। সিদ্ধান্ত গ্ৰহণত দলসমূহত সদস্যৰ সমতাতকৈ উচ্চ পৰ্যায়ৰ নেতাকহে বেছি গুৰুত্ব দিয়া হয়। ফলস্বৰূপে বিভিন্ন সংঘাতৰ সৃষ্টি হোৱাও দেখা যায়। আকৌ যথাসময়ত ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ ক্ষেত্ৰত দেখা যায় যে কোনো এটা নিৰ্দিষ্ট অঞ্চলতহে ইয়াৰ গুৰুত্ব আৰু প্ৰভাৱ বেছি। ফলত আন অঞ্চলবোৰ বৈষম্যৰ বলি হ'ব লগা হয়। এনে কাৰণতে ভাৰতৰ বিভিন্ন অঞ্চলত আঞ্চলিক ৰাজনৈতিক দলৰ উৎপত্তি হোৱা দেখা গৈছিল।

**১৪। আঞ্চলিক ৰাজনৈতিক দলৰ উৎপত্তি (Growth of Regional Political Party) :** আঞ্চলিক ৰাজনৈতিক দলৰ উৎপত্তি ভাৰতীয় দলীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। মূলত ৭০ আৰু বিশেষকৈ ৮০ ৰ দশকৰ পৰাই আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান ভাৰতীয় দলীয় ব্যৱস্থাৰ এক বিশেষ ঘটনা হৈ পৰিছিল। অৱশ্যে তাৰো পূৰ্বেই DMK ৰ দৰে দলে তামিলনাডুৰ ৰাজনীতিত নিজৰ ভিত্তি প্ৰতিষ্ঠা কৰিছিল। মূলতঃ আঞ্চলিক বৈষম্য, ধৰ্ম, ভাষা-সংস্কৃতি ইত্যাদি কাৰণক লৈয়ে ভাৰতত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান হৈছিল। এই দলসমূহে ৰাজ্যিক ৰাজনীতিৰ লগতে ৰাষ্ট্ৰীয় ৰাজনীতিতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বহুসময়ত ই বিভিন্ন ৰাজ্যত কংগ্ৰেছৰ দৰে শক্তিশালী দলকো ক্ষমতাচ্যুত কৰি নিজৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিব পাৰিছিল।

**১৫। ব্যক্তি/দলীয় নেতাৰ প্ৰাধান্যতা (Leader Dominated) :** ভাৰতৰ দলীয় ব্যৱস্থাৰ এটা লক্ষ্যণীয় বৈশিষ্ট্য হ'ল যে ইয়াত প্ৰায় সকলো দলতে মুষ্টিমেয় কিছুমান নেতা বা এজন নেতাৰ প্ৰাধান্য দেখা যায়। বহুসময়ত এই নেতা বা নেতাসকলৰ ব্যক্তিগত সিদ্ধান্ত বা ইচ্ছা অনিচ্ছাই দলৰো সিদ্ধান্তলৈ ৰূপান্তৰিত হয়। ইয়াৰ ফলত দলত আভ্যন্তৰীণ গণতন্ত্ৰৰ সংকট হোৱা দেখা যায়। কংগ্ৰেছ, বিজেপি, এ.আই.এ.ডি.এম.কে. ইত্যাদি প্ৰায় সকলো

দলতে এনে প্ৰৱণতা দেখা যায়। এনেকুৱা কাৰণতে কেতিয়াবা দলৰ মাজত বিভাজনো ঘটে।

এইদৰে ভাৰতৰ দলীয় ব্যৱস্থাৰ বিভিন্ন বৈশিষ্ট্য আলোচনা কৰিব পাৰি। ভাৰতৰ দলীয় ব্যৱস্থাৰ অৰ্থাৎ ৰাজনৈতিক দলসমূহৰ মাজত দেখা দিয়া প্ৰধান সমস্যাবোৰ হ'ল আদৰ্শহীনতা, দলীয় শৃংখলাৰ অভাৱ, নেতৃত্ব বা ব্যক্তি বিশেষৰ ওপৰত অত্যাধিক গুৰুত্ব, দলীয় আভ্যন্তৰীণ গণতন্ত্ৰৰ অভাৱ, দলত্যাগ ইত্যাদি। বৰ্তমান সময়ত জনসাধাৰণে বেছিভাগ দলৰ ওপৰতে আস্থা হেৰোৱা দেখা যায়। ই ৰাজনৈতিক দলৰ বাবে এক অশনি সংকেত। সেয়েহে বেছিভাগ সময়তে দেখা যায় যে কোনো এটা দলেই প্ৰয়োজনীয় সংখ্যক ভোট লাভ কৰিব নোৱাৰে। ইয়াৰ ফলত কেতিয়াবা গোটেই ৰাজনৈতিক ব্যৱস্থাটোৱে সমস্যাৰ সন্মুখীন হ'ব লগা হয়।

*অধ্যায় দ্বিতীয়*

# ভোটাৰৰ আচৰণ

## (Voting Behaviour)

নিৰ্বাচনী ৰাজনৈতিক ব্যৱস্থাত ভোটদান এক অতি গুৰুত্বপূৰ্ণ কাৰ্য। ভোটদানৰ মাধ্যমেদি ভোটাৰসকলে কোনো প্ৰাৰ্থী বা দলৰ প্ৰতি নিজৰ সমৰ্থন বা বিৰোধ প্ৰকাশ কৰে। সেয়েহে প্ৰতিটো ৰাজনৈতিক দলে ভোটাৰ সকলক আকৰ্ষণ কৰাৰ বাবে ভিন্ন কৌশল গ্ৰহণ কৰে। ভোটাৰসকলে দল সমূহে গ্ৰহণ কৰা কৌশলবোৰৰ প্ৰতি নিজৰ প্ৰতিক্ৰিয়া স্বৰূপে ভোটদান কৰে।

ভোটদান কৰাৰ সময়ত ভোটাৰসকলে যিবোৰ কাৰকৰ ওপৰত নিৰ্ভৰ কৰি ভোটদান কৰে সেয়াই নিৰ্বাচনী ব্যৱস্থাত নিৰ্দ্ধাৰক হৈ পৰে। প্ৰকৃততে ভোটাৰৰ আচৰণ হ'ল নিৰ্বাচনী আচৰণৰ এক গুৰুত্বপূৰ্ণ অংশ। ই এক আৰ্থ সামাজিক আৰু মানসিক প্ৰক্ৰিয়া। ভোটাৰসকলৰ মানসিকতাত প্ৰভাৱ পেলোৱা কাৰকৰ ভিত্তিত ভোটাৰসকলে নিৰ্বাচনী ৰাজনীতিত নিজৰ অধিকাৰ সাব্যস্ত কৰে। সেয়েহে ৰাজনৈতিক বিশ্লেষকসকলে ভোটাৰৰ আচৰণ অধ্যয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। কোনো ৰাজনৈতিক দলে যিমানেই ভোটাৰৰ আচৰণ নিজৰ সপক্ষে প্ৰৱাহিত কৰিব পাৰিব সিমানেই নিৰ্বাচনী প্ৰতিযোগিতাত উত্তীৰ্ণ হোৱাৰ সম্ভাৱনা অধিক থাকে। ৰাজনৈতিক মনোবৈজ্ঞানিক সকলে ভোটাৰ সকলে কিয়, কেনেদৰে আৰু কি কি বিষয়ত নিৰ্ভৰ কৰি ভোটদান কৰে তাৰ অধ্যয়নৰ ওপৰত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰাই গুৰুত্ব প্ৰদান কৰে আহিছে। মনোবৈজ্ঞানিকসকলে ঠাৱৰ কৰিব বিচাৰে যে কোনো এক ৰাজনৈতিক পৰিৱেশত ভোটাৰসকলৰ দৃষ্টিভংগী আৰু বিশ্বাস কেনেধৰণে গঠন হয়। কাৰণ নিৰ্বাচনৰ সফলতা নিৰ্ভৰ কৰিব ভোটাৰসকলৰ দৃষ্টিভংগী সঠিকভাৱে বুজি পোৱাৰ লগতে নিজ নিজ দলৰ প্ৰতি বিশ্বাস গঢ়ি তোলাৰ ওপৰতহে। ভোটাৰসকলৰ দৃষ্টিভংগী আৰু বিশ্বাস সঠিক অনুধাৱন কৰিব পাৰিলেই কোনো নিৰ্বাচনত ৰাজনৈতিক দলবিলাকে নিজৰ বিজয়ী হোৱাৰ সম্ভাৱনা সম্পৰ্কে ধাৰণা কৰিব পাৰে।

ভোটাৰৰ আচৰণে কোনো এক ৰাজনৈতিক পৰিৱেশত ভোটাৰসকলে কোনবোৰ কাৰকৰ ওপৰত নিৰ্ভৰ কৰি ভোটদান কৰে বা কোনো ৰাজনৈতিক দল অথবা প্ৰাৰ্থীৰ প্ৰতি সমৰ্থন প্ৰদান কৰে তাকে সূচায়। ভোটাৰৰ আচৰণ ৰাজনৈতিক পৰিবেশভেদে ভিন ভিন ধৰণৰ হয়। কাৰণ ভোটাৰৰ আচৰণ গঢ় লৈ উঠে সেই নিৰ্দিষ্ট ব্যৱস্থাটোৰ আৰ্থ ৰাজনৈতিক পৰিবেশ, সামাজিক মূল্যবোধ আৰু সেইবোৰৰ লগত সামাজিকীকৰণৰ ওপৰত।

ভোটাৰৰ আচৰণে কি সূচায় তাক লৈ সমালোচকসকলে বিভিন্ন ধৰণে আলোচনা কৰিছে-

প্লানো আৰু ৰিগছৰ মতে 'মানুহে ৰাজহুৱা নিৰ্বাচন সমূহত কেনেদৰে আৰু কিয় ভোটদান কৰে সেয়া অধ্যয়নৰ ক্ষেত্ৰই হৈছে ভোটাৰৰ আচৰণ (Voting behaviour is a field of study concerned with the ways in which people tend to vote in public elections and the reasons why they vote as they do)

গৰ্ডন মাৰ্শ্চালৰ মতে "ভোটাৰৰ আচৰণ অধ্যয়নে, ভোটাৰ সকলৰ ভোটদানৰ কাৰক আৰু কেনেদৰে তেওঁলোকে সেই সিদ্ধান্তত উপনীত হয় সততে সেই বিষয়ত গুৰুত্ব প্ৰদান কৰে (The study of voting behaviour invariably focuses on the determinants of why people vote as they do and how they arrive at the decisions they make)

আইনাম কুলবিধুৰ মতে 'ভোটাৰৰ আচৰণে ভোটাৰৰ পচন্দ, বিভিন্ন বিকল্প, অগ্ৰাধিকাৰ, আদৰ্শ, চুক্তি আৰু বিভিন্ন সমস্যাৰ ওপৰত গ্ৰহণ কৰা আঁচনি তথা দেশ আৰু জাতিৰ সমস্যাৰ ওপৰত ভোটাৰসকলৰ আচৰণ কেনেদৰে প্ৰতিফলিত হয় তাকে সূচায়। (Voting behaviour may be defined as the behavior that explicitly reflects voters choices, preferences, alternatives, ideologies, concerns, agreements and programmes in respect of various issues, questions pertaining to the society and nations)

ষ্টিফেন ৱাচৱিৰ মতে "ভোটাৰৰ আচৰণে ব্যক্তিৰ মনোবৈজ্ঞানিক অৱস্থাৰ লগত ৰাজনৈতিক ক্ৰিয়া, আনুষ্ঠানিক গাঁঠনিৰ সম্পৰ্ক আৰু নিৰ্বাচনত সেইবোৰৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়নক সামৰি লয়। (The study of voting behaviour involves and analysis of individual psychological makeup and their relation to political action

as well as institutional pattern, such as the communication process and their impact on elections")

ওপৰৰ সংজ্ঞাবোৰৰ ভিত্তিত ভোটাৰৰ আচৰণ সম্পৰ্কে কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰি-

(1) ভোটাৰৰ আচৰণ হ'ল এক মনোবৈজ্ঞানিক অধ্যয়নৰ প্ৰক্ৰিয়া।

(2) ভোটদানৰ সময়ত ভোটাৰসকলৰ মনস্তত্বত যিবোৰ কাৰকে প্ৰভাৱান্বিত কৰে সেইবোৰৰ সঠিক অধ্যয়ন আৰু বিশ্লেষণে ভোটাৰৰ আচৰণৰ মূল পৰিসৰ।

(3) ভোটাৰৰ আচৰণ প্ৰকাশৰ ক্ষেত্ৰত ভোটাৰৰ সন্মুখত প্ৰয়োজনীয় বিকল্পৰ প্ৰয়োজন। এনে বিকল্পৰ মাজত অগ্ৰাধিকাৰৰ ভিত্তিত ভোটাৰে ভোট দান কৰে।

(4) সমাজ আৰু পৰিবেশ ভেদে ভোটাৰসকলক প্ৰভাৱান্বিত কৰা কাৰকসমূহো পৃথক আৰু ভিন্ন হয়। অৰ্থাৎ সমাজ আৰু পৰিবেশৰ ভিন্নতাত ভোটাৰৰ আচৰণো ভিন্ন হয়।

(5) ভোটাৰ আচৰণ এক অধ্যয়নৰ বিষয় হিচাপে কোনো পৰিবেশত ভোটাৰসকলক ভোটদানত কোনবোৰ কাৰকে কিয় আৰু কেনেদৰে প্ৰভাৱ পেলায় তাৰ বিজ্ঞানসন্মত অধ্যয়ণ কৰে।

**ভাৰতীয় ভোটাৰৰ আচৰণ ঃ**

ভাৰত বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰ। ভাৰতৰ নিৰ্বাচনী আয়োগৰ তথ্য অনুসৰি ২০১৯ চনৰ লোকসভা নিৰ্বাচনত প্ৰায় ৯০ কোটি লোক ভোটদানৰ বাবে উপযুক্ত হৈছিল। ৯০ কোটি ভোটাৰৰ ভোটদান প্ৰক্ৰিয়া অধ্যয়নৰ বাবে বিশ্বৰ সকলো প্ৰান্তৰে গৱেষকসকল আকৰ্ষিত হোৱাটোৱে স্বাভাৱিক। ১৯৫২ চনৰ পৰা ২০১৯ চনলৈকে নিৰ্বাচনত ভোটাৰসকলৰ বিভিন্ন আৰ্থ সামাজিক পৰিস্থিতিত যথেষ্ট পৰিবৰ্ত্তন ঘটিছে। সেইফালৰ পৰা ভাৰতৰ ভোটাৰসকলৰ আচৰণৰ মাজতো পাৰ্থক্য অৱধাৰিতভাৱেই আহিছে। অৱশ্যে ভাৰতৰ বৃহৎ সামাজিক ব্যৱস্থাত কিছুমান সামাজিক গাথনি এনেভাৱে বৰ্ত্তি আছে অথবা সেইবোৰক বৰ্তাই ৰখা হৈছে যে বৰ্তমানৰ আৰ্থ সামাজিক পৰিবৰ্তন তথা প্ৰযুক্তিবিদ্যাৰ বিশেষ সফলতাৰ পিচতো সেইবোৰ কাৰকে ভোটদান প্ৰক্ৰিয়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আছে। সেই উপাদানসমূহৰ ভিতৰত জাতি আৰু ধৰ্ম অন্যতম। অৱশ্যে সাম্প্ৰতিক বিকাশ, নিৰনুৱা সমস্যা সমাধান আদিৰ দৰে বস্তুনিষ্ঠ কাৰকসমূহেও একাংশ ভাৰতীয় ভোটাৰৰ আচৰণ নিৰ্দ্ধাৰণ কৰিবলৈ লৈছে। এনে নতুন তথা পৰম্পৰাগত উপাদান সমূহৰ নিৰ্বাচনত অৱস্থিতিয়েই নিৰ্বাচনী ব্যৱস্থাটো অধ্যয়নকাৰী গৱেষকসকলৰ বাবে অধিক প্ৰত্যাহ্বানমূলক তথা আকৰ্ষণীয় হৈ পৰিছে।

**ভোটাৰৰ আচৰণৰ নিৰ্দ্ধাৰকবোৰ ঃ** ভাৰতৰ ভোটাৰৰ আচৰণৰ নিৰ্দ্ধাৰক সমূহৰ ভিতৰত জাতি, ধৰ্ম, ভাষা, আঞ্চলিকতাবাদ, ব্যক্তিত্ব, দলীয় প্ৰদৰ্শন, দলীয় আনুগত্যতা, আদৰ্শ আৰু ধনৰ প্ৰভাৱেই অধিক। অৱেশ্য বিভিন্ন সময়ত গ্ৰহণ কৰা আঁচনি, ৰাজনৈতিক ঘটনাক্ৰম, বয়স, লিংগ, শিক্ষা, শ্ৰেণী আদি কাৰকসমূহেও ভাৰতীয় ভোটাৰসকলৰ আচৰণ কম পৰিমাণে হ'লেও প্ৰভাৱান্বিত কৰি আহিছে। তলত পাঠ্যক্ৰম নিৰ্দ্ধাৰিত কাৰকসমূহৰ ওপৰত চমুকৈ আলোচনা কৰা হ'ল।

(1) **ভোটাৰৰ আচৰণ নিৰ্দ্ধাৰক হিচাপে জাতি ঃ**

জাতি ব্যৱস্থা ভাৰতীয় সমাজত প্ৰচলিত পৰম্পৰাগত গাঁথনি সমূহৰ ভিতৰত অন্যতম। হিন্দু সমাজত অতি প্ৰাচীন কালতে কৰ্মবিভাজনৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা বৰ্ণ ব্যৱস্থাই কালক্ৰমত জন্মগত আৰু বন্ধ স্তৰীকৰণলৈ ৰূপান্তৰিত হৈ জাতিৰ নাম ললে। উপনিবেশিক শাসনৰ সময়ছোৱাৰ পৰাই জাতিক ৰাজনৈতিক ক্ষমতা শক্তিশালীকৰণৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি অহা হৈছে। বৃটিছসকলে ৰাজনৈতিক ক্ষমতা স্থায়ী কৰিবলৈ জাতিভিত্তিক প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিছিল। অৱশ্যে সেই সময়তে জাতিৰ ভিত্তি সমাজৰ পৰা নাইকিয়া কৰাৰ বাবে নায়াৰ আন্দোলন, সত্যসোধক আন্দোলন, মহাৰ আন্দোলনৰ দৰে ভালেমান সামাজিক আন্দোলন গঢ়ি উঠিছিল। সংবিধান প্ৰণেতাসকলে নিম্ন জাতিৰ লোকসকলক বিশেষ সুবিধা প্ৰদানৰ স্বাৰ্থতে সংবিধানৰ পৰিগণ্ডিৰ মাজত জাতি ব্যৱস্থাটোক নিয়ন্ত্ৰিত অৱস্থাত ৰাখিবলৈ প্ৰয়াস কৰিছিল। স্বাধীনোত্তৰ প্ৰাৰম্ভিক কালত কংগ্ৰেছৰ নেতৃত্বৰ মাজত জাতিভিত্তিক ৰাজনীতিৰ বাবে বিশেষ কোনো ব্যৱস্থা গ্ৰহণৰ প্ৰমাণ পোৱা নাযায়। স্বাধীনতা লাভৰ সম্পূৰ্ণ কৃতিত্ব জাতীয় কংগ্ৰেছক প্ৰদান কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য সকলোতে কংগ্ৰেছৰ আধিপত্য অৱধাৰিতভাৱেই আছিল। যাৰ বাবে ভোটাৰৰ মানসিকতা আকৰ্ষণৰ বাবে কোনো বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা নাছিল। কিন্তু লাহে লাহে কংগ্ৰেছৰ আমোলাত ভাৰতীয় লোকসকল অসন্তুষ্ট হোৱাত আৰু বিকল্প ৰাজনৈতিক দলসমূহৰ গণভিত্তি বৃদ্ধি হোৱাত জাতিক ৰাজনৈতিক আহিলালৈ ক্ৰমাৎ পৰিবৰ্তন কৰা হ'ল। ফলত জাতি ভিত্তিত গণভিত্তি গঢ়ি তোলাৰ বাবে দলসমূহে কেতবোৰ কাৰ্যপন্থা গ্ৰহণ কৰিলে যেনে-

(1) জাতিক কেন্দ্ৰ কৰি ভোট বেংক গঠন কৰা।

(2) জাতিৰ পৰিচিতিক অগ্ৰাধিকাৰ ভিত্তিত ৰাজনীতি

(3) নিৰ্বাচনী সমষ্টিৰ জনসংখ্যাক জাতিভিত্তিত চিহ্নিত কৰি তেনে জাতিৰ প্ৰাৰ্থীক নিৰ্বাচনত অৱতৰণ কৰোৱা আদি।

এনে আহিলাবোৰৰ সহায়ত প্ৰত্যেক ৰাজনৈতিক দলে জাতিভিত্তিত ৰাজনীতিক অগ্ৰাধিকাৰ প্ৰদান কৰাৰ ফলত ভাৰতীয় ভোটাৰসকলো ক্ৰমে নিজ নিজ জাতিৰ পৰিচয়ৰ প্ৰতি ক্ৰমে সচেতন হ'বলৈ ধৰিলে আৰু নিৰ্বাচনৰ ফলাফলসমূহতো ভোটাৰসকলে জাতিকেন্দ্ৰিক ভোটদান কৰাৰ নজিৰেই দাঙি ধৰিবলৈ ল'লে।

১৯৭৭ চনৰ পৰা ভাৰতৰ ৰাজনৈতিক সচেতনতাবোধ উত্থানত জাতিৰ ভূমিকা অধিক নিৰ্ণায়ক ৰূপে পৰিচিত হ'বলৈ ধৰিলে। মূলতঃ সেই সময়ত এক নতুন ৰাজনৈতিক সমীকৰণে ভাৰতীয় ৰাজনীতিৰ পৃষ্ঠভূমি দখল কৰিলে। ১৯৭৭ চনত গঠন হোৱা জনতা দলৰ চৰকাৰত ভালেমান আৰ্থ সামাজিক ক্ষেত্ৰত অপ্ৰাধান্য জাতিৰ লোকে অংশগ্ৰহণ কৰাৰ পিছত পূৰ্বৰ উচ্চ জাতিৰ লোকৰ আধিপত্যৰ ৰাজনীতিৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি হয় আৰু অপ্ৰাধান্য জাতিৰ লোকসকলে ক্ষমতা লাভ কৰাৰ পিছত নিজ নিজ জাতিৰ আৰ্থ সামাজিক উন্নতিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ লয়। ১৯৭৯ চনত জনতা চৰকাৰে মণ্ডল আয়োগৰ দ্বাৰা ভাৰতৰ পিছপৰা সমূহবোৰৰ প্ৰগতিৰ বাবে এক প্ৰচেষ্টা চলায়। মণ্ডল আয়োগে অন্য পিছপৰা শ্ৰেণী হিচাপে যিবিলাক সমূহক চিহ্নিত কৰিছিল সেইবোৰৰ সৰহভাগেই আছিল জাতি ব্যৱস্থাৰ স্তৰীকৰণৰ একেবাৰে নিম্নতম পৰ্যায়ত থকা শূদ্ৰসকল। অন্যান্য পিছপৰা শ্ৰেণীৰ উত্থানৰ বাবে মণ্ডল আয়োগে শৈক্ষিক আৰু কৰ্মক্ষেত্ৰৰ এনে লোকৰ ২৭% আসন সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ দিয়া পৰামৰ্শই পৰৱৰ্ত্তী সময়ৰ ভালেমান ৰাজনৈতিক দলৰ নিৰ্বাচনী বিষয়ত পৰিণত হৈছিল। একাংশ ৰাজনৈতিক দলে এনে সংৰক্ষণৰ সপক্ষে প্ৰচাৰ চলায় জনমত গঢ়ি তুলিব বিচৰাৰ বিপৰীতে আন একাংশ দলে আয়োগৰ এনে প্ৰচেষ্টা বৃহৎ হিন্দু জাতীয়তাবাদৰ প্ৰতি প্ৰত্যাহ্বান হিচাপে প্ৰচাৰ চলাইছিল। দলসমূহে গ্ৰহণ কৰা কৌশলী স্থিতি নিসন্দেহে ক্ষমতাকেন্দ্ৰিক হ'লেও জাতিভিত্তিত এনে ৰাজনৈতিক পৰ্যালোচনাই প্ৰতিজন উচ্চ নীচ জাতিৰ লোককে জাতিভিত্তিক পৰিচয়ৰ ধাৰণাটোক অধিক সজীৱ কৰি তুলিলে। যাৰ ফলত ভোটাৰসকল নিজ নিজ জাতিৰ স্বাৰ্থক প্ৰাধান্য দিয়া দলৰ প্ৰতি নিজৰ আনুগত্য প্ৰকাশ কৰিবলৈ ধৰিলে আৰু লাহে লাহে প্ৰতিটো জাতিৰ লোকে কোনো নিৰ্দিষ্ট দলৰ ভোটবেংকত পৰিণত হ'বলৈ ধৰিলে।

ভাৰতৰ ৰাজ্য ৰাজনীতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ভালেমান ৰাজ্যত জাতিয়ে ক্ষমতা নিৰ্দ্ধাৰণত মূল আহিলা হিচাপে কাম কৰি আছে।

মহাৰাষ্ট্ৰৰ ৰাজনীতি মূলতঃ ব্ৰাহ্মণ, মাৰাঠা আৰু মহাৰ সকলৰ দ্বাৰা নিয়ন্ত্ৰিত। প্ৰতিটো জাতিৰে নিজ নিজ একোটা অঞ্চলত প্ৰভূত্ব আছে। উচ্চ জাতিৰ ব্ৰাহ্মণসকল অতীতৰ পৰা শিক্ষা-দিক্ষাত আগবঢ়া। তেওঁলোকৰ মূলতঃ নগৰ অঞ্চলত প্ৰভাৱ আছে। সংখ্যাগতভাৱে ব্ৰাহ্মণসকল মুঠ জনসাধাৰণৰ ৪% হ'লেও নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ব্ৰাহ্মণসকলে সদায়ে আগভাগ লৈ আছে। মহাৰাষ্ট্ৰৰ মাৰাঠাসকল সংখ্যাগত ভাৱে মুঠ জনসংখ্যাৰ ৩২%। মূলতঃ পশ্চিম মহাৰাষ্ট্ৰৰ কোহলাপুৰ, চাতাৰা, মুম্বাই আদি অঞ্চলত মাৰাঠাসকলৰ প্ৰভুত্ব বেছি। ১৯৬০ চনত বাল থাকৰেই মাৰাঠীসকলৰ স্বাৰ্থৰ বাবে এক আন্দোলন গঢ়ি তুলি শিৱসেনা নামৰ এক ৰাজনৈতিক দল গঢ়ি তোলে। পৰৱতী সময়তো মাৰাঠী বিষয়ক কেন্দ্ৰ কৰিয়েই শিৱসেনাই এক বৃহৎ ভোট বেংক তৈয়াৰ কৰিবলৈ সক্ষম হৈছে। মহাৰাষ্ট্ৰৰ তৃতীয় গুৰুত্বপূৰ্ণ জাতিটো হ'ল মহাৰ। মহাৰসকল অনুসূচীত জাতিৰ লোক। সংখ্যাগতভাৱে এওঁলোক যথেষ্ট শক্তিশালী। প্ৰাৰম্ভিকতে মহাৰসকল কংগ্ৰেছৰ ভোটবেংক হিচাপে ব্যৱহাৰ হৈ আহিছিল। যদিওঁ দলিত পেন্থাৰ আন্দোলনৰ পিছত গঠন হোৱা ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়াৰ ভোটবেংক হিচাপেওঁ বৰ্তমান ব্যৱহৃত হয়।

মহাৰাষ্ট্ৰৰ দৰে অন্ধ্ৰপ্ৰদেশৰ ৰাজনীতিতো জাতিপ্ৰথাৰ প্ৰাধান্য দেখা যায়। অন্ধ্ৰপ্ৰদেশৰ ৰাজনীতি মূলতঃ কাম্মা, ৰেড্ডী আৰু কাপুসকলৰ দ্বাৰা নিয়ন্ত্ৰিত। YSR কংগ্ৰেছৰ মূল ভোট বেংক ৰেড্ডীসকলৰ বিপৰীতে কাম্মা আৰু কাপুসকল তেলেগু দেশম দলৰ ভোটবেংক হিচাপে ব্যৱহৃত হৈ আহিছে। অৱশ্যে সময়ে সময়ে দলসমূহে প্ৰাৰ্থী বাচনিত বিভিন্ন জাতিৰ শক্তিশালী প্ৰতিনিধি নিৰ্বাচনেৰে নিৰ্বাচনী ফলাফলত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে।

বিহাৰৰ ৰাজনীতি আকৌ ভূমিহাৰ, ৰাজপুত, ব্ৰাহ্মণ, কায়স্থ, যাদৱ, কুৰ্মী, কুচুৱাহা, পাচোৱান আদি জাতিৰ দ্বাৰা নিয়ন্ত্ৰিত। ইয়াৰে ভূমিহাৰ সকল জমিদাৰ শ্ৰেণীৰ লোক। এওঁলোক বেগুচৰাই, মুজাফৰপুৰ, বৈশালী, পাটনা আদি অঞ্চলত সিচৰতি হৈ আছে। সংখ্যাগতভাৱে মুঠ জনসংখ্যা ৬% হ'লেও এওঁলোকে বিহাৰৰ ৰাজনীতিত বিশেষ ভূমিকা

গ্ৰহণ কৰি আহিছে। লালু যাদৱ ভূমিহাৰ সকলৰ অন্যতম নেতা। ৰাজপুত সকল ব্যৱসায়িক জাতি। এওঁলোক মুঠ জনসংখ্যাৰ ৩% ।প্ৰথমতে এওঁলোকে কংগ্ৰেছ দলক সমৰ্থন কৰিছিল যদিওঁ বৰ্তমান BJP আৰু JD (U) দলৰ ভোটবেংক হিচাপে পৰিগণিত হৈছে।ব্ৰাহ্মণসকল মূলত গয়া, চিটামাৰী, পাটনা আদি অঞ্চলত বসতি স্থাপন কৰি আছে। এওঁলোকেও ৰাজ্য ৰাজনীতিত বিশেষ স্থান দখল কৰি আছে। যাদৱসকল বিহাৰৰ মুঠ জনসংখ্যাৰ ১৪% লোক। যাদবসকলে আঞ্চলিক ৰাজনীতিৰ লগতে ৰাজ্যিক ৰাজনীতিটো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কুৰ্মীসকল মুঠ জনসংখ্যাৰ ৪%। এওঁলোকে বিষ্ণুৰ কুৰ্ম অৱতাৰৰ লগত নিজকে সংযোগ স্থাপন কৰে। কুৰ্মীসকলৰ নেতা নিতীশ কুমাৰ বৰ্ত্তমান বিহাৰৰ মুখ্যমন্ত্ৰী। কুৰ্মীসকল মূলতঃ JD (U) আৰু BJP দলৰ সমৰ্থক। কুচুৱাহাসকল মালী লোক এওঁলোক পিছপৰা জাতিৰ। পচোৱানসকলো পিছপৰা দলিত জাতিৰ লোক। এওঁলোকৰো ৰাজ্য ৰাজনীতিত বিশেষ স্থান আছে। লোক জনশক্তি দলৰ নেতা ৰামবিলাস পাচোৱান এই সম্প্ৰদায়ৰ।

কেৰালাৰ ৰাজনীতিৰ মূলতঃ ধৰ্মৰ দ্বাৰা নিয়ন্ত্ৰিত হ'লেও জাতিৰ প্ৰভাৱ নাই বুলি ক'ব নোৱাৰি। কেৰালাৰ পৰাই ভাৰতৰ প্ৰথমজন দলিত ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণ আৰু ন্যায়াধীশ কে জি বালকৃষ্ণণে প্ৰতিনিধিত্ব কৰিলেও সামাজিত ক্ষেত্ৰ জাতি প্ৰথাৰ উৰ্দ্ধত নহয়। এতিয়া উচ্চ জাতিৰ ব্ৰাহ্মণ আৰু নায়াৰসকলে নীচ জাতি হিচাপে বিবেচিত লোকক সমতা জ্ঞান নকৰে। কেৰেলাৰ বিখ্যাত দলিত সাহিত্যিক K.K. Kochu এ মন্তব্য কৰিছিল কেৰালাৰ ৰাজনীতিত দলিত সকলক উচিত প্ৰতিনিধিত্ব নিদিয়ে। তেওঁৰ মতে কেৰালাৰ পৰা বৰ্তমানলৈ পঠোৱা 117 জন ৰাজ্যসভাৰ সাংসদৰ ভিতৰত মাত্ৰ 4 জন দলিকতহে এতিয়ালৈ প্ৰতিনিধিত্বৰ সুযোগ দিয়া হৈছে আৰু দলিত সাংসদ কেইজনক মাত্ৰ এটা কাৰ্যকালৰ বাবেহে সুযোগ দিছে। সদ্যসমাপ্ত লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থিত্ব বিতৰণৰ ক্ষেত্ৰতো এনে অসমতাৰ ছবি প্ৰতিফলিত হৈছে। উচ্চ জাতিৰ নায়াৰসকল যাৰ জনসংখ্যা 11.9% তেওঁলোকক কংগ্ৰেছ, বিজেপি আৰু সাম্যবাদী দলে 6 জনকৈ প্ৰতিনিধি দিয়াৰ বিপৰীতে 21.6% থকা নিম্নজাতিৰৰ পৰা বিজেপিয়ে দুজন, সাম্যবাদীদলে 4 জন আৰু কংগ্ৰেছে 2 জনক প্ৰতিনিধিত্বৰ সুযোগ দিছে।

ৰাজস্থানৰ ৰাজনীতিত জাতিৰ ভূমিকা অতি বেছি। ৰাজস্থানৰ ৰাজনীতিৰ মূলতঃ জাত, গুজ্জৰ, যাদৱ, ৰাজপুত আৰু ব্ৰাহ্মণ সকলৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাজস্থানত ভোটাৰৰ আচৰণো বহু পৰিমাণেই জাতিকেন্দ্ৰিক। সেয়েহে যোৱা লোকসভা নিৰ্বাচনত মূল ৰাজনৈতিক দল কংগ্ৰেছ আৰু বিজেপিয়ে জাতিভিত্তিত প্ৰাৰ্থিত্ব প্ৰদান কৰা দেখা গৈছে যাৰ বাবে ব্ৰাহ্মণৰ বিপৰীতে ব্ৰাহ্মণক, জাতৰ বিপৰীতে জাতক, ৰাজপুতৰ বিপৰীতে ৰাজপুতৰ প্ৰাৰ্থীকে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

ওপৰত উল্লেখিত ৰাজ্যসমূহৰ উপৰিও তামিলনাডু, কৰ্ণাটক আদি ৰাজ্যতো জাতি ৰাজনীতিৰ প্ৰভাৱ দেখা যায়। ভাৰতৰ সৰহ সংখ্যক ৰাজ্যৰ ৰাজনীতিয়ে জাতিৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱাৰ বাবে ৰাষ্ট্ৰীয় ৰাজনীতিটো ইয়াৰ প্ৰভাৱ যথেষ্ট হাৰত বৃদ্ধি পাবলৈ লৈছে।

মুঠতে বৰ্তমান সময়ত বৃহৎ আৰ্থ সামাজিক পৰিৱৰ্তনৰ পিছতো জাতি ৰাজনৈতিক আচৰণ প্ৰকাশৰ এক শক্তিশালী মাধ্যম হিচাপে ব্যৱহৃত হৈ আছে। ভিন্ন জাতিভিত্তিত গঢ়ি উঠা দলসমূহে কেৱল ৰাজনৈতিক লাভালাভৰ স্বাৰ্থতে জাতিৰ ভিত্তিত জনসাধাৰণক সংগঠিত কৰাৰ প্ৰয়াস কৰে। এখন শক্তিশালী গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ভোটাৰৰ আচৰণৰ নিৰ্দ্ধাৰক জাতি হোৱাটো মুঠেই কাম্য নহয়। কিয়নো প্ৰায় ৭৫ বছৰ অতিক্ৰম কৰাৰ পিছতো আৰ্থ সামাজিকভাৱে পিছপৰা দলিত তথা শূদ্ৰবৰ্ণৰ অন্তৰ্গত লোকসকলৰ নামত ভালেমান দলে ৰাজনৈতিক ক্ষমতা লাভ কৰিলে অথচ এচাম নেতাৰ বাহিৰে তেনে জাতিৰ লোকসকলৰ বিশেষ প্ৰগতি এতিয়াওঁ পৰিলক্ষিত হোৱা নাই। বৰং এনে বিভাজনমুখী ৰাজনীতিৰ দ্বাৰা তেনে দলবোৰে উন্নয়ন, স্বচ্ছতা, নিয়োজন আদিৰ দৰে সমস্যাবোৰক একাষৰীয়া কৰি ৰাখিছে। যেতিয়ালৈকে নাগৰিকসকলে জাতিকেন্দ্ৰিক আচৰণেৰে ভোট প্ৰদান কৰি থাকিব তেতিয়ালৈকে গণতান্ত্ৰিক প্ৰকৃত মূল্যবোধবোৰ দেশত উপলব্ধ হ'ব নোৱাৰে।

**<u>ভোটাৰৰ আচৰণ নিৰ্দ্ধাৰক হিচাপে ধৰ্ম</u>**

ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হ'লেও ধৰ্মই বিভিন্ন প্ৰকাৰে ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ভাৰতীয় ভোটাৰসকলে ভোটদানৰ সময়ত বহু পৰিমাণে ধৰ্মীয় দিশৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা দেখা যায়। স্বাধীনতাৰ আগৰ কালৰ পৰাই ধৰ্মভিত্তিক সচেতনতা সৃষ্টিৰে ৰাজনৈতিক ক্ষমতা আহৰণ তথা স্থায়ী কৰাৰ প্ৰচেষ্টা চলি আহিছে। বৃটিছ শাসক গোষ্ঠীয়ে ধৰ্মভিত্তিত বিভাজন আৰু শাসন কৰাৰ বাবেই ধৰ্মভিত্তিক প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰি এইক্ষেত্ৰত সফল হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী কালতো ক্ষমতা আহৰণৰ প্ৰতিযোগিতাত অৱতীৰ্ণসকলে ধৰ্মৰ নামত জনসাধাৰণৰ

ভোট সংগ্ৰহৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। যাৰ বাবে ভাৰতৰ ৰাজনীতিত জাতিৰ সমসাময়িক ভাৱেই ধৰ্মইও প্ৰাধান্য লাভ কৰি আহিছে।

ভাৰতৰ ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট হৈছে ধৰ্মভিত্তিত দল গঠন। হিন্দু মহাসভা, মুছলিম লীগ, শিৰোমণি অকালি দলৰ লগতে ধৰ্মীয় আদৰ্শক কেন্দ্ৰ কৰি গঢ়ি উঠা ভাৰতীয় জনতা দল, AIMIM, AIUDF, শিৱসেনা আদিয়ে নিজৰ নিজৰ ধৰ্মীয় আদৰ্শৰ ভিত্তিত জনসাধাৰণৰ মাজত ধৰ্মীয় চেতনা জাগ্ৰত কৰি ৰাজনৈতিক লাভালাভ আদায় কৰিব বিচাৰে। এই দলসমূহৰ মূল নীতি হৈছে নিজ ধৰ্মৰ লোকৰ মাজত নিজৰ দলীয় স্থিতি শক্তিশালী কৰা। ইয়াৰ বাবে এওঁলোকে জনসাধাৰণৰ ধৰ্মীয় পৰিচয়ক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব বিচাৰে। বিভিন্ন সময়ত নিজ ধৰ্মৰ শ্ৰেষ্ঠত্ব জাহিৰ কৰিবলৈ গৈ আন ধৰ্মক আঘাত বা হানি কৰাৰ বাবেও জনসাধাৰণক প্ৰৰোচিত কৰি ধৰ্মীয় সংঘাত বা সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰা বিয়পোৱাত সহায় কৰে।

দল, সংগঠনসমূহৰ এনে প্ৰৰোচনাত মোহিত হৈয়ে বিশেষ লেতেৰা ৰাজনীতিৰ আভাষ নোপোৱা জনসাধাৰণে নিজ নিজ ধৰ্মীয় চেতনাবোধ জাগ্ৰত কৰি ধৰ্মভিত্তিত ৰাজনৈতিক আচৰণ প্ৰদৰ্শন কৰে। বিশেষকৈ নিজৰ নিজৰ ধৰ্মৰ প্ৰতি আৱেগ সৃষ্টিকাৰী দলৰ সাপেক্ষে ভোটদান কৰি সাম্প্ৰদায়িক শক্তিক ৰাজনৈতিক শক্তিশালী কৰণত সহায় কৰা হয়।

ধৰ্মৰ ভিত্তিত ভোটাৰৰ মাজত আবেগ সৃষ্টি কৰাৰ বাবে দল সংগঠনবোৰে গ্ৰহণ কৰা কৌশল কিছুমান হৈছে-

(১) নিজ ধৰ্মৰ প্ৰতি আন ধৰ্মৰ লোকক বা ধৰ্মীয় গোষ্ঠীক ভাবুকি হিচাপে জনমানসত প্ৰতিষ্ঠা কৰা।

(২) ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টিৰ দ্বাৰা ধৰ্মীয় গোষ্ঠীসমূহৰ মাজত ঘৃণা আৰু সন্দেহৰ ভাব উদ্ৰেক কৰা।

(৩) নিৰ্বাচনী সমষ্টিসমূহত সংখ্যাগৰিষ্ঠ ধৰ্মসমূহৰ ত্ৰাণকৰ্তা ৰূপে নিজকে প্ৰতিষ্ঠা কৰি তেনে ধৰ্মাৱলম্বী লোকক প্ৰতিনিধি হিচাপে থিয় কৰোৱা।

(৪) ইতিহাসৰ বিভিন্ন ঘটনাক ধৰ্মীয় ৰঙেৰে বোলাই ইতিহাসৰ সাম্ৰাজ্যবাদী ঘটনাৱলীক ধৰ্মীয় সংঘাতৰ ঘটনা হিচাপে প্ৰতিষ্ঠা কৰা।

(৫) নিৰ্বাচনৰ আগমূহূৰ্তত দলৰ নেতাসকলে বিভিন্ন মঠ, মন্দিৰ, গীৰ্জা, গুৰুদ্বাৰ আদিত উপস্থিত হৈ, বিভিন্ন ধৰ্মীয় ৰীতি নীতিত অংশ লৈ তেনে ধৰ্মৰ শুভাকাংক্ষী হিচাপে নিজকে প্ৰতিষ্ঠা কৰা।

ধৰ্ম এক ভোটাৰ আচৰণৰ নিৰ্দ্ধাৰক হিচাপে সাম্প্ৰতিক সময়ত অতি শক্তিশালী স্থিতিত থাকিলেও স্বাধীনতাৰ থিক পিছতে ভাৰতীয় জনসাধাৰণে ধৰ্মভিত্তিক ৰাজনীতিৰ বিষয়টো এৰাই চলিব বিচাৰিছিল। বিশেষকৈ ধৰ্মভিত্তিত ভাৰত বিভাজনে সেই সময়ৰ জনসাধাৰণ তথা দলীয় নেতৃত্বক ধৰ্মৰ উৰ্দ্ধত ৰাজনৈতিক প্ৰক্ৰিয়া চলোৱাৰ বাবে উদ্বুদ্ধ কৰিছিল যাৰ ফলত স্বাধীনতা লাভ কৰাৰ পিছতে ধৰ্মই ভোটাৰৰ আচৰণতো বিশেষ স্থান পোৱা নাছিল। কিন্তু দেশত গা কৰি উঠা বিভিন্ন সমস্যা সমাধানত ব্যৰ্থতা আৰু প্ৰযুক্তিৰ বিকাশত পুৰণি সামাজিক বান্ধোনবোৰ লুপ্তপ্ৰায় হোৱাত ৰাজনৈতিক নেতাসকলে ক্ষমতা লাভৰ বাবে ধৰ্মক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাত গুৰুত্ব প্ৰদান কৰিবলৈ ধৰিলে। বিশেষকৈ আশীৰ দশকৰ পৰা ভাৰতৰ ৰাজনীতিত ধৰ্মই এক শক্তিশালী নিৰ্দ্ধাৰকৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰে। এহাতেদি ভাৰতীয় জনতা দলৰ উত্থানে সংখ্যাগৰিষ্ঠ হিন্দু ধৰ্মৰ মাজত ধৰ্মীয় চেতনাবোধ জাগ্ৰত কৰাৰ লগে লগে সংখ্যালঘিষ্ঠ ধৰ্মৰ লোকসকলেও বিশেষকৈ ইছলাম ধৰ্মাৱলম্বী লোকসকল নিজ নিজ ধৰ্মৰ প্ৰতিও অধিক সচেতনতা আপোনা আপুনি গা কৰি উঠিল। হিন্দু ধৰ্মৰ কট্টৰ পন্থীসকলে সংখ্যালঘিষ্ঠ ধৰ্মীয় লোকসকলৰ মাজত গা কৰি উঠা চেতনাবোধক এফালে যেনেকৈ বিচ্ছিন্নতাবাদী হিচাপে সমাজত প্ৰতিষ্ঠা কৰি হিন্দু ধৰ্মীয় লোকৰ মাজত জনপ্ৰিয়তা বৃদ্ধিৰ চেষ্টা চলাইছিল সংখ্যালঘু ইছলাম ধৰ্মক কেন্দ্ৰ কৰি গঢ়ি উঠা সংগঠনবোৰে হিন্দুৰ আধিপত্যৰ বিপৰীতে সকলোকে ৰাজনৈতিকভাৱে একত্ৰিত কৰাৰ আস্বাস জনায় নিজৰ ৰাজনৈতিক ভেটি শক্তিশালী কৰিবলৈ বিচাৰিছিল। ধৰ্মৰ নামত এনে ৰাজনৈতিক কু চক্ৰান্ত নুবুজাকৈয়ে সাধাৰণ জনসাধাৰণে ধৰ্মীয় আবেগত নিজৰ আচৰণ প্ৰকাশ কৰিবলৈ ধৰিলে।

ভাৰতৰ ৰাজনীতিত ধৰ্মভিত্তিত ভোটাৰসকলক ৰাজনৈতিক সচেতনতাবোধ সৃষ্টি কৰাৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ অৰিহণা যোগোৱা কাৰকটো হ'ল অযোধ্যা বিবাদ। হিন্দুৰ ৰাম মন্দিৰ আৰু মুছলমানসকলৰ বাবৰি মছজিদক কেন্দ্ৰ কৰি গঢ়ি উঠা অযোধ্যা বিবাদে ভোটাৰসকলক ধৰ্মকেন্দ্ৰিক ৰাজনীতিত উৎসাহ যোগাইছিল। এফালে ৰামমন্দিৰ প্ৰতিষ্ঠাৰ নামত ভাৰতীয় জনতা দলে হিন্দুত্ববাদী চিন্তাধাৰা জনমানসত প্ৰতিষ্ঠা কৰি ক্ষমতা দখলৰ সুযোগ লোৱাৰ বিপৰীতে আন আন একাংশ দলে সংখ্যাগৰিষ্ঠ মুছলিমসকলৰ প্ৰতি সহানুভূতি তথা তোষামোদকাৰী নীতিৰে নিজকে

সংখ্যালঘুৰ ৰক্ষাকৰ্ত্তা হিচাপে ভোট বেংকৰ ৰাজনীতিক চহকী কৰিছিল।

এইবোৰৰ উপৰিও বিভিন্ন সংঘাটত ধৰ্মীয় প্ৰলেপ সানি ধৰ্মীয় মেৰুকৰণ কৰাৰ প্ৰচেষ্টাৰ পৰা ভাৰতীয় ৰাজনীতি কোনো কালেই নিজক উৰ্দ্ধত থাকিব নোৱাৰিলে। ফলত ভোটাৰসকলেও দেশৰ স্বাভাৱিক জীৱন যাত্ৰাৰ লগত জড়িত সমস্যাবোৰক আওকাণ কৰি নিজ ধৰ্মৰ ৰক্ষক হিচাপে জ্ঞান কৰা প্ৰাৰ্থী বা দলক একমাত্ৰ ধৰ্মীয় আৱেগত ভোটদান কৰিবলৈ ধৰিলে। ধৰ্ম ভোটাৰ আচৰণৰ এক গুৰুত্বপূৰ্ণ নিৰ্দ্ধাৰকত পৰিণত হ'ল।

**ভোটাৰৰ আচৰণ নিৰ্দ্ধাৰণ হিচাপে শ্ৰেণী**

ভোটাৰ আচৰণৰ এক নিৰ্দ্ধাৰক হিচাপে বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰতে শ্ৰেণীয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। অৱশ্যে ভাৰতীয় ভোটাৰৰ আচৰণত শ্ৰেণীৰ প্ৰভাৱ জাতি আৰু ধৰ্মৰ তুলনাত আনুপাতিকভাবে কম।

শ্ৰেণী এক সামাজিক শক্তিশালী সংগঠন হিচাপে ভাৰতীয় সমাজত এতিয়াও স্থিতি ল'ব পৰা নাই। যিহেতু শ্ৰেণীগত সংগঠনৰ ভূমিকা দুৰ্বল সেয়েহে ভোটাৰৰ আচৰণতো শ্ৰেণীগত সচেতনতা বিশেষভাৱে দেখিবলৈ পোৱা নাযায়। দৰাচলতে ভাৰতৰ ৰাজনীতিত জাতিগত ধাৰণাই শ্ৰেণীৰ ধাৰণাক সংপৃক্ত কৰি ৰাখিছিল।

ভাৰতৰ গ্ৰাম্য সমাজ সাধাৰণতে কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। এনে অৰ্থনীতিত কৃষি বণুৱাসকলৰ সৰহভাগেই আহে সমাজৰ শূদ্ৰ অথবা দলিত সকলৰ পৰা। এওঁলোকৰ বেছিভাগেই হয় বণুৱা হিচাবে কাম কৰে নাইবা আধিখোৱা ব্যৱস্থাৰে মাটিত খেতি কৰে আনহাতে মাটিৰ মালিকসকল উচ্চ জাতি ব্ৰাহ্মণ বা ক্ষত্ৰিয় সকলৰ মাজৰ। স্বাভাৱিকতে জামিদাৰ আৰু বণুৱাৰ মাজত যি শ্ৰেণীকেন্দ্ৰিক সংঘাত সেয়া ভাৰতীয় সমাজ ব্যৱস্থাত জাতিভিত্তিক সংঘাত বা ৰাজনীতিৰ মাজতে আলোচনা কৰা হয় বাবে শ্ৰেণী বিষয়বোৰে বিশেষ গুৰুত্ব নাপায়। আকৌ অতি প্ৰাচীন কালৰ পৰা জাতিভিত্তিক আনুগত্য গঢ়ি উঠাৰ বাবে শ্ৰেণীগত সচেতনতাবোধৰো অভাৱ হয়।

আকৌ চহৰাঞ্চলত বা কৃষিক্ষেত্ৰৰ বাহিৰে অন্যক্ষেত্ৰত যিবোৰ বণুৱাই কাম কৰে সেইবোৰ সংগঠিত ৰূপত নাই। সৰহভাগেই কাঠমিস্ত্ৰী, পকীমিস্ত্ৰী, বাঁহৰ কাম কৰা বণুৱা, বিভিন্ন বাহনৰ কৰ্মচাৰী আদি হিচাপে অসংগঠিত ৰূপত কাম কৰে। সংগঠিত ৰূপত কাম কৰি নথকাৰ বাবে এওঁলোকে ৰাজনৈতিক ক্ষেত্ৰত বিশেষ প্ৰভাৱ সৃষ্টি কৰিব নোৱাৰে। দলসমূহেও ৰাজনৈতিক লাভালাভ এই শ্ৰেণী সংগঠনৰ জৰিয়তে নোপোৱা বাবে শ্ৰেণী স্বাৰ্থক কেন্দ্ৰত কৰি ভোটাৰৰ মনস্তত্বত প্ৰভাৱ পেলাব নিবিচাৰে।

ভাৰতৰ স্বাধীনতাৰ আগৰ পৰাই ৰাজনৈতিক নেতৃত্ব উচ্চ শ্ৰেণীৰ লোকসকলৰ হাতত নিয়ন্ত্ৰিত হৈ আছে। স্বাধীনতাৰ পিছৰ কালছোৱাত সংগঠিতৰূপত শ্ৰমিক শ্ৰেণীৰ সংগঠন গঢ়ি উঠিছিল যদিও কৌশলপূৰ্ণভাৱেই ৰাজনৈতিক দলসমূহে সেইবোৰ ভাতৃ-ভগ্নী সংগঠন হিচাপে নিজৰ কলেবৰত আঁকোৱালি লৈছিল। তেতিয়াৰ পৰাই প্ৰতিটো ৰাজনৈতিক দলৰ অন্তৰ্গত অনুষ্ঠান হিচাপে কৃষক-শ্ৰমিক কেন্দ্ৰীক সংগঠন একোটাকৈ সৃষ্টি কৰা হৈছে। উদাহৰণস্বৰূপে The Indian National Trade Union Congress হ'ল দেশৰ এক অন্যতম বৃহত্তৰ শ্ৰমিক সংগঠন। এই সংগঠনটো কংগ্ৰেছ দলৰ নেতৃত্বাধীন। ঠিক তেনেদৰে The Bharatiya Mazdoor Sangha হ'ল ভাৰতৰ তৃতীয় বৃহত্তম শ্ৰমিক সংগঠন। এই সংগঠনটো ভাৰতীয় জনতা দলৰ নেতৃত্বাধীন। ভাৰতৰ সৰ্ববৃহৎ ৰাজনৈতিক দল দুটাৰ অন্তৰ্গত সংগঠন হিচাপে শ্ৰমিক সংগঠন থাকিলেওঁ এওঁলোকে শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰাতকৈ ৰাজহুৱা ক্ষেত্ৰত দলৰ নীতি আদৰ্শক প্ৰচাৰতহে অধিক গুৰুত্ব প্ৰদান কৰে। আকৌ বহু সময়ত এই শ্ৰমিক সংগঠনৰ নেতৃত্ব কোনো উচ্চ বা মধ্যবিত্ত শ্ৰেণীৰ হাতত থকা হেতুকে শ্ৰেণী স্বাৰ্থই বিশেষভাৱে গুৰুত্ব লাভ নকৰে।

এইবোৰৰ উপৰিও সাম্যবাদী আদৰ্শৰ লগত সম্পৰ্ক থকা " The All India Trade Union Congress" ভাৰতৰ আটাইতকৈ পুৰণি শ্ৰমিক সংগঠন যদিওঁ ইয়াৰ প্ৰভাৱ বৰ্তমানো পশ্চিমবংগ, কেৰালা, পঞ্জাব, অন্ধ্ৰপ্ৰদেশতে সীমাবদ্ধ।

অৰ্থাৎ ভাৰতৰ সামাজিক ক্ষেত্ৰত গঢ় লৈ উঠা শ্ৰমিক সংগঠনবোৰৰ প্ৰভাৱ যথেষ্ট সীমিত হোৱা বাবে সেইবোৰৰ প্ৰভাৱ বা কাৰ্যই জনসাধাৰণক স্পৰ্শ কৰিব নোৱাৰাৰ ফলতে শ্ৰেণীগত মানসিকতা আৰু দৃষ্টিভংগীয়ে প্ৰাধান্য বিস্তাৰ কৰিব পৰা নাই।

শ্ৰমিক তথা সমাজৰ নিষ্পেষিত বা দুখীয়া হিচাবে চিনাক্ত কৰা শ্ৰেণীৰ এফালে সু-সংগঠনৰ অভাৱ আনফালে ভাৰতীয় ধনীক শ্ৰেণীৰ, মূলতঃ বৃহৎ ব্যৱসায়ী আৰু পুঁজিপতি সকলৰ স্বাৰ্থতে ৰাষ্ট্ৰ পৰিচালিত হোৱা বাবে শ্ৰেণীগত সংঘাতে ভাৰতৰ ভোটাৰৰ আচৰণক বিশেষ প্ৰভাৱান্বিত কৰিব নোৱাৰিলেও মধ্যবিত্ত শ্ৰেণীৰ ভাৰতৰ ৰাজনীতিত এক

সুকীয়া স্থান আছে। বিশেষ জাতি, ধৰ্ম, ভাষাক প্ৰতিনিধিত্ব নকৰা এই মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ সৰহভাগকে ভোটবেংক হিচাপে কোনো দলে ব্যৱহাৰ কৰিব নোৱাৰাৰ বাবে এইশ্ৰেণীৰ লোকক আকৰ্ষিত কৰাৰ বাবে প্ৰতিটো দলেই বিভিন্ন কৌশল অৱলম্বন কৰিব লগা হয়। ব্যৱসায়িক বা বৃত্তিগত স্বাৰ্থক প্ৰতিনিধিত্ব কৰা এই শ্ৰেণীৰ লোকে প্ৰত্যেকটো নিৰ্বাচনতে এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। যাৰ বাবে সকলো দলেই এই ভোটাৰ সকলক আকৰ্ষিত কৰিব পৰাকৈ বিভিন্ন কাৰ্যসূচী প্ৰস্তুত আৰু ঘোষণা কৰে। সেয়েহে John Harriss এ Class and Politics প্ৰৱন্ধত ৰুডোলফৰ মন্তব্য India does not have class Politics ক সমালোচনা কৰি কৈছে “The Rudolphs argument in their important work on India’s Political economy, that India does not have class politics, only holds in the limited sense in which they use the term class politics,. This is in a way that obscures in particular the central, strategic role that has been played in Indian politics by the middle classes.

ভাৰতৰ ৰাজনীতিত শ্ৰেণীভিত্তিক ৰাজনীতিক প্ৰাধান্য দিয়া দল হৈছে মূলতঃ সাম্যবাদী দলবোৰ। এওঁলোক সমাজৰ কৃষক, বণুৱা স্বাৰ্থকেন্দ্ৰিক ৰাজনীতিক প্ৰাধান্য দিয়া দেখা যায়। সম্ভৱতঃ এই দলৰ শক্তিশালী ভিত্তি পশ্চিমবংগ আৰু কেৰালাত থকা বাবেই এই দুয়োখন ৰাজ্যৰে ভোটাৰসকলৰ আচৰণত শ্ৰেণীগত দিশবোৰে প্ৰভাৱান্বিত কৰে। প্ৰসংগক্ৰমে টাটাৰ নেনো প্ৰকল্পৰ বাবে কৃষকৰ মাটি অধিগ্ৰহণক কেন্দ্ৰ কৰি চিংগুৰত গঢ়ি উঠা আন্দোলন আৰু তাৰ প্ৰতিক্ৰিয়াস্বৰূপে পশ্চিমবংগৰ নিৰ্বাচনত সাম্যবাদী দলৰ পতনৰ বিষয়টো উত্থাপন কৰিব পাৰি। এই দুই ৰাজ্যৰ বাহিৰে ভাৰতৰ অন্য ৰাজ্যত শ্ৰেণীৰ প্ৰভাৱ দুৰ্বল।

অৱশ্যে বিভিন্ন সময়ত চৰকাৰে সমাজৰ দুৰ্বল অথবা দুখীয়া শ্ৰেণীৰ লোকসকলৰ প্ৰতি বিশেষ পৰিকল্পনা ঘোষণাৰে ক্ষমতা লাভ কৰাৰ উদাহৰণ ভাৰতবৰ্ষৰ ৰাজনীতিত আছে। উদাহৰণস্বৰূপে ইন্দিৰা গান্ধীৰ চৰকাৰে ১৯৭১ চনত “গৰিবী হাতাও” শ্লোগানেৰে ৰাজনৈতিক ক্ষমতা লাভ কৰিছিল। ঠিক তেনেদৰে ২০০৯ চনত MGNREGA আঁচনিৰে সমাজৰ দুৰ্বল আৰ্থিক অৱস্থাৰ লোকক নিয়োজনৰ সুবিধা প্ৰদান কৰি UPA চৰকাৰে পুনৰ ক্ষমতা লাভ কৰিছিল। বৰ্তমানৰ NDA চৰকাৰেও সাধাৰণ লোকসকলৰ দুৰ্বল শ্ৰেণীৰ লোকসকলক সংৰক্ষণ প্ৰদান কৰাৰ বাবে ২০১৯ চনত শিক্ষাগ্ৰহণ আৰু কৰ্মক্ষেত্ৰত ১০% সংৰক্ষণ আঁচনি গ্ৰহণেৰে ভোটাৰসকলক শ্ৰেণীভিত্তিত আকৰ্ষণৰ প্ৰয়াস কৰিছে। ইয়াৰ উপৰিও মণ্ডল আয়োগৰ নিৰ্দেশৰ ভিত্তিত প্ৰৱৰ্ত্তন কৰা অন্যান্য পিছপৰা শ্ৰেণী বা ২৭% সংৰক্ষণৰ ব্যৱস্থাই মূলতঃ জাতিভিত্তিক সংৰক্ষণ প্ৰদান কৰিলেও সেই সমূহবোৰৰ আটাইবোৰেই দুৰ্বল অৰ্থনৈতিক অৱস্থা সম্পন্ন।

মুঠতে ভাৰতৰ ৰাজনীতিত প্ৰত্যক্ষভাবে ভোটাৰৰ আচৰণত শ্ৰেণীৰ প্ৰভাৱ মুখ্যৰূপত নাথাকিলেও পৰোক্ষভাৱে ভোটাৰসকলক বৰ্তমানৰ আৰ্থ সামাজিক প্ৰেক্ষাপটৰ প্ৰতি লক্ষ্য ৰাখি ৰাজনৈতিক দলসমূহে প্ৰভাৱ বিস্তাৰৰ প্ৰয়াস কৰিছে। অৱশ্যে সংৰহ সংখ্যক নাগৰিকৰ শ্ৰেণী গাঁথনিৰ জটিল ৰূপ ভাৰতীয় ৰাজনীতিত বোধগম্য নোহোৱাৰ বাবেই শ্ৰেণী এক শক্তিশালী নিৰ্দ্ধাৰক ৰূপে ভোটাৰৰ আচৰণত প্ৰকাশ পোৱা নাই।

**ভোটাৰৰ আচৰণ নিৰ্দ্ধাৰক হিচাপে লিঙ্গ**

ভাৰতীয় সমাজব্যৱস্থাত লিঙ্গ এক সামাজিক স্তৰীকৰণ আহিলা হ'লেও এক সংগঠন হিচাপে ব্যক্তি বা সমাজ লিংগ সচেতন নহয়। পুৰুষ প্ৰধান ভাৰতীয় সমাজ ব্যৱস্থাত ৰাজনৈতিক ক্ষেত্ৰখনতো পুৰুষৰ প্ৰাধান্যই সৰ্বাধিক। ৰাজনৈতিক ক্ষেত্ৰৰ বিভিন্ন স্তৰত মহিলাৰ ভূমিকা বহু পৰিমাণে নিষ্প্ৰভ।

ভাৰতৰ ভোটাৰৰ ভোটাৰৰ আচৰণত লিঙ্গৰ ভূমিকা আন সামাজিক সংগঠনবোৰৰ তুলনাত বহু পৰিমাণে দুৰ্বল। দৰাচলতে আন সামাজিক সংগঠনবোৰৰ ভূমিকা ইমান সবল যে লিঙ্গগত দিশে ভাৰতৰ নিৰ্বাচনী ৰাজনীতিত বিশেষ প্ৰভাৱ পেলোৱাৰ কোনো পৰিসৰ নাথাকে। ভাৰতীয় মহিলাসকলৰ বিভিন্ন স্তৰযুক্ত পৰিচয়সমূহে লিঙ্গগত পৰিচয়ক বাধাদান কৰে। জাতিগত, ধৰ্মগত বা ভাষাগত পৰিচয়সমূহেই এই ক্ষেত্ৰটো প্ৰাধান্য পায়। সেয়েহে ভোটাৰৰ আচৰণ নিৰ্দ্ধাৰণত লিঙ্গক এক স্বতন্ত্ৰ চলক আখ্যা দিব নোৱাৰি।

ভাৰতীয় সমাজ ব্যৱস্থাত লিঙ্গগত বিষয়সমূহে আৰ্থ-ৰাজনৈতিক ক্ষেত্ৰত যথেষ্ট কম গুৰুত্ব লাভ কৰে। পৰিয়ালৰ গুৰুদায়িত্ব আৰু ভালেমান সাংস্কৃতিক বাধা মহিলাৰ ওপৰত অৰ্পণ কৰা হেতু মহিলাৰ ৰাজনৈতিক অংশগ্ৰহণৰ মাত্ৰা কম। বিশ্বৰ বিভিন্ন দেশৰ তুলনামূলক অধ্যয়নত দেখা গৈছে যে মহিলাৰ ৰাজনৈতিক অংশ গ্ৰহণৰ ক্ষেত্ৰত ভাৰতৰ স্থান নিম্নতম বিছটা স্থানৰ ভিতৰত। নিৰ্বাচিত মহিলা প্ৰতিনিধিৰ সংখ্যাৰ হাৰো বিভিন্ন অনুষ্ঠানত তেনেই তাকৰ। মূলতঃ

ভাৰতৰ নিৰ্বাচনী প্ৰেক্ষাপটতো মহিলা প্ৰতিনিধিকো কোনো ৰাজনৈতিক দলেই প্ৰক্ষেপ কৰিব নিবিচাৰে। দলীয় দৃষ্টিভংগীৰে চালে দেখা যায় অতি কম পৰিমাণৰ সমষ্টিতহে মহিলাক নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে ৰাজনৈতিক দলে প্ৰক্ষেপ কৰে আৰু যিবোৰ সমষ্টিত কোনো ৰাজনৈতিক দলৰ জয় হোৱাৰ সম্ভাৱনা কম থাকে সেইবোৰ সমষ্টিতহে মহিলা প্ৰাৰ্থীক অৱতীৰ্ণ কৰোৱাই।

ভাৰতীয় ভোটাৰৰ দৃষ্টিভংগীতো মহিলাসকলক ৰাজনৈতিকভাবে কম দক্ষ হিচাপে বিবেচনা কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষামন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ দপ্তৰ সমূহত মহিলাই নিজৰ পাৰদৰ্শিতা দেখুওৱাৰ পিছতো আৰু বিভিন্ন ৰাজনৈতিক দলক সংখ্যাগতভাবে কম পৰিমাণে হলেও সুনেতৃত্বৰে মহিলাই নেতৃত্ব দিয়াৰ পিছতো ভোটাৰসকল লিঙ্গগত বৈষম্যযুক্ত এনে দৃষ্টিভংগী ভাৰতীয় নিৰ্বাচনী প্ৰেক্ষাপটত দেখা যায়।

বিভিন্ন আৰ্থ সামাজিক ক্ষেত্ৰত ভাৰতৰ প্ৰগতি সাধন হ'লেও বৰ্তমান সময়তো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ভাৰতীয় সমাজত পুৰুষ প্ৰাধান্যতাই বিৰাজ কৰি আছে। সেয়েহে বিভিন্ন অধ্যয়নৰ পোৱা গৈছে যে মহিলাসকলে ভোটদান কৰোতেও, কেনে প্ৰাৰ্থীক ভোটদান কৰিব তাৰ সিদ্ধান্ত স্বামী অথবা পিতৃৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়।

অৱশ্যে সম্প্ৰতি দলসমূহে বিভিন্ন লিঙ্গ সচেতনতাৰ বিষয় সমূহক নিৰ্বাচনৰ প্ৰচাৰৰ বাবে গ্ৰহণ কৰা দেখা যায়। উদাহৰণস্বৰূপে মহিলাৰ আসন সংৰক্ষণৰ বাবে বিধেয়ক উত্থাপন, মুছলমান মহিলাৰ অধিক সুৰক্ষাকাৰী তিলি তালাক বিৰোধী আইন গ্ৰহণ আদিক নিৰ্বাচনী প্ৰচাৰৰ আহিলা হিচাপে ৰাজনৈতিক দলসমূহে ব্যৱহাৰ কৰাটোৱে লিঙ্গগত বিষয়ক নিৰ্বাচনত প্ৰাধান্য প্ৰদান কৰাটোকে সূচায়। অসম চৰকাৰেওঁ মহিলা সবলীকৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু আঁচনি যেনে উজ্জ্বালা আঁচনি, কৰ্মৰত মহিলাৰ আবাস, মাজনী, মামনী আঁচনিসমূহকো নিৰ্বাচনৰ বিষয় হিচাপে ব্যৱহাৰ কৰি লিংগগত বিষয়সমূহক নিৰ্বাচনত প্ৰাধান্য দিছে।

সাম্প্ৰতিক কালত মহিলাসকল পূৰ্বৰ তুলনাত তেওঁলোকৰ অধিকাৰৰ বিষয়ে সচেতন হৈ উঠিছে। মহিলা ভোটাৰে মহিলাৰ অধিকাৰ ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া প্ৰাৰ্থীক ভোটদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সেইদৰে মহিলা প্ৰাৰ্থীৰ সপক্ষেও ভোটদানৰ এক প্ৰৱণতা গা কৰি উঠিছে। অৱশ্যে এয়া স্বীকাৰ কৰিবই লাগিব যে ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত জাতি, ধৰ্ম, ভাষা আৰু আঞ্চলিকতাবাদৰ যি স্থিতি তাৰ তুলনাত লিংগ সচেতনতা যথেষ্ট দুৰ্বল।

**ভোটাৰৰ আচৰণ অধ্যয়ণৰ প্ৰয়োজনীয়তা**

প্ৰত্যেক ৰাজনৈতিক ব্যৱস্থাতে ভোটাৰৰ আচৰণ অধ্যয়ন আৰু বিশ্লেষণৰ এক প্ৰচেষ্টা চলোৱা হয়। ইয়াৰ অন্তৰালত কেইবাটাও অন্তৰ্নিহিত উদ্দেশ্য লুকাই থাকে। বিশিষ্ট চিন্তাবিদ N.G.S. Kini ৰ মতে ভোটাৰৰ আচৰণে

(১) গণতান্ত্ৰিক শাসন ব্যৱস্থাক বৈধতা প্ৰদান কৰে।

(২) ৰাজনৈতিক ব্যৱস্থাটোৰ লগত অংশগ্ৰহণেৰে দলসমূহক ৰাজনৈতিকসমূহৰ লগত একাত্মবোধ প্ৰতিষ্ঠাত সহায় কৰে।

(৩) সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সহায়ক।

(৪) কোনো এক ৰাজনৈতিক সংস্কৃতিত খাপ খোৱাকৈ কাৰ্য পন্থা গ্ৰহণৰ সুবিধা দান।

(৫) প্ৰতিজন নাগৰিকক আনুষ্ঠানিক চৰকাৰৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন।

প্ৰকৃততে ভোটাৰৰ আচৰণ অধ্যয়নে ৰাজনৈতিক ব্যৱস্থা এটাৰ জনসাধাৰণৰ ৰাজনৈতিক মূল্যবোধ তথা সংস্কৃতিৰ দিশটো জনাত সহায় কৰে। লগতে পৰিবৰ্তিত আৰ্থ সামাজিক পৰিবৰ্তনে ভোটাৰসকলৰ চিন্তাধাৰাত কেনেধৰণৰ প্ৰভাৱ পেলাইছে সেই সম্পৰ্কেও জনাত সহায় কৰে। ভোটাৰৰ আচৰণৰ অধ্যয়নে এখন ৰাজনৈতিক সমাজৰ ৰাজনৈতিক বিকাশৰ গতিধাৰাৰ বিষয়েওঁ স্পষ্ট আভাষ দিয়ে।

ব্যৱহাৰিক ক্ষেত্ৰত ভোটাৰৰ আচৰণৰ প্ৰকৃত অধ্যয়নৰ দ্বাৰা ৰাজনৈতিক দলসমূহে নিজৰ সপক্ষে ভোটাৰ সকলক আকৰ্ষণ কৰিব পৰাকৈ আঁচনি বা কাৰ্যপন্থা গ্ৰহণত সহায় কৰে। ভোটাৰৰ আচৰণ অধ্যয়নৰ দ্বাৰা বিশ্লেষক সকলে কোনো ৰাজনৈতিক ব্যৱস্থাৰ নিৰ্বাচনৰ ফলাফলৰ আগতে ফলাফল সম্পৰ্কে ভৱিষ্যৎবাণী কৰিব পাৰে।

*অধ্যায় তৃতীয়*

# আঞ্চলিক প্ৰত্যাশ্যা
# (Regional Aspirations)

আঞ্চলিকতাবাদ হ'ল এক ধাৰণা বা ৰাজনৈতিক আন্দোলন যিয়ে কোনো এক অঞ্চলৰ বিভিন্ন দিশক প্ৰতিষ্ঠা কৰিব বিছাৰে। অৰ্থাৎ আঞ্চলিকতাবাদ হ'ল বিশেষ ভাষা, সংস্কৃতি আদিক লৈ কোনো এটা নিৰ্দিষ্ট অঞ্চলৰ মানুহে প্ৰকাশ কৰা সমূহীয়া ধাৰণা। (Reginalism is the expression of a common sense of identity and purpose by people within a specific geographical area / region, united by its unique language, culture etc.,) সকাৰাত্মক অৰ্থত ই কোনো এটা অঞ্চলৰ মানুহৰ মাজত সহযোগিতা, একতা আৰু ভাতৃত্ববোধৰ সৃষ্টি কৰে আৰু কোনো এটা অঞ্চলৰ বিশেষ পৰিচয় দাঙি ধৰাথ সুৰক্ষিত কৰাত আৰু অঞ্চলটোৰ উন্নতি কৰাত সহায় কৰিব পাৰে। আকৌ নকাৰাত্মক ভাৱে ই কোনো এটা অঞ্চলৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰাৰ ফলত জাতীয় সংহতি আৰু একতাৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। আঞ্চলিকতাবাদৰ ৰাজনৈতিক দিশটো পৰিস্ফুট কৰা উপাদানবোৰ হ'ল — আঞ্চলিক ৰাজনৈতিক দল (Regional Political Party), বিচ্ছিন্নতাৰ দাবী (Demand for secessionism), স্বতন্ত্ৰতাৰ দাবী (Demand for autonomy) ইত্যাদি ইত্যাদি।

আঞ্চলিকতাবাদৰ উপস্থিতি ভাৰতৰ এক অন্যতম বৈশিষ্ট্য। ভাৰতত বিভিন্ন বিভিন্ন জাতি, ধৰ্ম, ভাষা, সংস্কৃতিৰ লোকৰ উপস্থিতি আৰু কোনো এটা নিৰ্দিষ্ট অঞ্চলত একে বৈশিষ্টৰ লোকৰ উপস্থিতিয়ে ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ উত্থানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বহু দশক জুৰি ভাৰত হ'ল বিভিন্ন অঞ্চল, সংস্কৃতি তথা পৰম্পৰা আৰু ভাষাৰ দেশ।

ভাৰতত আঞ্চলিকতাবাদৰ বিকাশৰ প্ৰথা পৰ্য্যায় আৰম্ভ হৈছিল ১৯৫০ আৰু ১৯৬০ৰ দশকত। মূলতঃ হিংসাত্মক ধৰণে এই সময়ছোৱাত বিভিন্ন অঞ্চলত ৰাজ্য গঠনৰ দাবী উত্থাপন হৈছিল। ইয়াৰ পিছত ১৯৭০ আৰু ৮০ৰ দশকত ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিকতাবাদে গা কৰি উঠিছিল। ইয়াৰ প্ৰত্যুত্তৰ হিচাপে কেন্দ্ৰীয় চৰকাৰে বহুকেইখন ৰাজ্যক সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা দিছিল যেনে ঃ অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম ইত্যাদি। ইয়াৰ পিছত ২০০০ চনত আঞ্চলিকতাবাদে এক নতুন ঢৌৰে তিনিখন নতুন ৰাজ্যৰ সৃষ্টি কৰিছিল ঃ ছত্তিছগড়, ঝাৰখণ্ড, উত্তৰাঞ্চল। আৰু একেবাৰে শেহতীয়াকৈ অন্ধ্ৰপ্ৰদেশৰ পৰা বিভাজিত হৈ ওলোৱা টেলেঙ্গানা ৰাজ্যও ৰাজনৈতিক আঞ্চলিকতাবাদৰেই এক উদাহৰণ।

## আঞ্চলিকতাবাদ বনাম জাতীয়তাবাদ

(Regionalism Vs. Nationalisim)

আঞ্চলিকতাবাদ আৰু জাতীয়তাবাদ তথা ৰাষ্ট্ৰীয়তাবাদক সাধাৰণতে দুটা পৃথক দৃষ্টিভংগী বুলিয়েই আলোচনা কৰা হয়। দুয়োটা ধাৰণাই নিজৰ নিজৰ সমৰ্থনত প্ৰয়োজনীয় ধাৰণা আগবঢ়ায়। ভাৰতবৰ্ষতো আঞ্চলিকতাবাদ আৰু জাতীয়তাবাদক লৈ যথেষ্ট বিতৰ্ক থকা দেখা যায়। আঞ্চলিকতাবাদৰ সমৰ্থনকাৰী সকলে আগবঢ়োৱা প্ৰধান যুক্তিবোৰ হ'ল —

1) ভাৰতৰ দৰে বিভিন্নতা আৰু বিচিত্ৰতাপূৰ্ণ এখন ৰাষ্ট্ৰত আঞ্চলিকতাবাদ এক স্বাভাৱিক আৰু বিধিসন্মত ব্যৱস্থা। আচলতে ভাৰতত বিভিন্ন জাতি, ধৰ্ম, ভাষা, সংস্কৃতিৰ লোক পোৱা যায়। অতীজৰে পৰা হোৱা প্ৰব্ৰজন, ভৌগোলিক গাঠনি ইত্যাদিয়ে ভাৰতক এখন বিচিত্ৰতাপূৰ্ণ সমাজৰ প্ৰকৃতি প্ৰদান কৰিছে। এনে অৱস্থাত প্ৰতিটো গোটেই নিজৰ স্বকীয় বৈশিষ্ট অক্ষুন্ন ৰখাৰ বাবে আঞ্চলিকতাবাদৰ প্ৰতি এক স্বাভাৱিক প্ৰৱণতা প্ৰকাশ কৰে। সেয়েহে কেন্দ্ৰীয় চৰকাৰে এইবোৰ জোৰকৈ বন্ধ কৰাৰ বিপৰীতে এই বিভিন্নতাৰ দাবীক সন্মান সহকাৰে গ্ৰহণ কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

2) গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ সদায়ে অনুকৰণীয়। প্ৰাদেশিক চৰকাৰক ক্ষমতা প্ৰদানে বিশেষকৈ নিজৰ অঞ্চলৰ ব্যক্তি সকলৰ বিশেষ বৈশিষ্ট সংৰক্ষণৰ অধিকাৰে চৰকাৰৰ লগত জনসাধাৰণক সহযোগ আৰু অংশগ্ৰহণত উৎসাহিত কৰে। এই ব্যৱস্থা কেতিয়াও গণতন্ত্ৰৰ বাবে ক্ষতিকাৰক হ'ব নোৱাৰে।

3) জাতীয়তাবাদী চিন্তাই যদিও আঞ্চলিকতাবাদত এক বিভেদকামী শক্তি হিচাপে গণ্য কৰে তথাপিও ই কেতিয়াও তেনেকুৱা নহয়, আঞ্চলিকতাবাদী শক্তিয়ে বহু সময়ত অতি কেন্দ্ৰীকৰণক বাধা দিয়া দেখা যায় আৰু ইয়াৰ ফলত ক্ষমতাৰো সুস্থ বা সঠিক ব্যৱহাৰ আৰু বিতৰণ হোৱা দেখা যায়।

4) নৃগোষ্ঠীয় জাতীয়তাবাদ এক বিশ্বব্যাপী পৰিঘটনা। কোনো সমাজ বা চৰকাৰেই এই জাতীয়তাবাদী চেতনাৰ দ্বাৰা প্ৰভাৱ নোহোৱাকৈ থকা নাই। গতিকে এই ধৰণৰ উপ-জাতীয়তাবাদী চেতনাৰ লগত মোকাবিলা প্ৰতিখন ৰাষ্ট্ৰই কৰি আছে আৰু ইয়াৰ ফলত কোনো একতা বা জাতীয় সংহতিৰ প্ৰতি প্ৰত্যাহ্বান বা বিপদ নাহে। বৰঞ্চ এইবোৰে চৰকাৰ এখনক অধিক গণতান্ত্ৰিকহে কৰিব পাৰে। ইয়াৰ বাবে প্ৰতিখন ৰাষ্ট্ৰই সাংবিধানিক ধৰণে হওঁক বা আন উপায়ে হওঁক বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

5) এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত কোনো ব্যক্তিসমষ্টিয়ে ৰাজনৈতিক পদ্ধতিৰ বা কাৰ্যৰ মাজেৰে নিজৰ স্বকীয় বৈশিষ্ট সংৰক্ষণ ব্যৱস্থাৰ যুক্তি যুক্ততা সম্পৰ্কত দৰাচলতে কোনো দ্বিমত থাকিব নালাগে।

6) যেতিয়ালৈকে আঞ্চলিকতাবাদে কোনো এটা ব্যক্তিগোষ্ঠীৰ বিশেষ বৈশিষ্টৰ স্বীকৃতিকৰণ আৰু গোটবোৰ বিকাশৰ লগত জড়িত হৈ থাকে তেতিয়ালৈকে আঞ্চলিকতাবাদ কেতিয়াএ ভুল নহয়। বৰঞ্চ, বহু সময়ত ই কোনো এটা অঞ্চল বা গোটৰ বিকাশৰ এক মাধ্যমহে হ'ব পাৰে।

7) আঞ্চলিকতাবাদে জাতীয়তাবাদৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰে বুলি বহু সময়ত মত প্ৰকাশ কৰা দেখা যায় যদিও এইটোও দেখা যায় যে ই জাতীয় সংহতি সাধনতো সহায় কৰে। এহাতে ই সকলো অঞ্চল আৰু গোটৰ সমতাপূৰ্ণ বিকাশৰ দাবী কৰি সংহতি সাধনৰ কথা কয় আৰু আনহাতে বিভিন্ন সময়ত ই জাতীয় সংহতিলৈ অহা বিপদৰ সময়ত একেলগে থিয় হয়। উদাহৰণ স্বৰূপে, আঞ্চলিকতাবাদৰ প্ৰত্যক্ষ আৰু স্পষ্ট ৰূপ আঞ্চলিক ৰাজনৈতিক দলৰ কথাই কব পাৰি। ভাৰতত ডি.এম.কেৰ জৰিয়তে তামিলনাডুত প্ৰথম আঞ্চলিকতাবাদৰ উত্থান হৈছিল। এই ডি.এম.কেই ১৯৬২ চনৰ চীনা যুদ্ধ, ১৯৬৫ আৰু ১৯৭১ চনৰ পাকিস্তানৰ লগত হোৱা যুদ্ধৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি পূৰ্ণ আৰু সাহসী সমৰ্থন আগবঢ়াই কেন্দ্ৰীয় চৰকাৰৰ মনোবল বৃদ্ধি কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

4) দুই এটা ঘটনাৰ বাহিৰে বেছিভাগ সময়তে দেখা যায় যে আঞ্চলিকতাবাদ আৰু আঞ্চলিক ৰাজনৈতিক দল সমূহে ভাৰত ৰাষ্ট্ৰৰ পৰা বিচ্ছিন্ন হোৱাৰ দাবী উত্থাপন নকৰে। এইবোৰে বিশেষকৈ বিকাশ, সমতা, স্বকীয় বৈশিষ্টৰ সুৰক্ষাৰ দাবীহে উত্থাপন কৰে যি দাবী গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত কেতিয়াও অপ্ৰয়োজনীয় বা বিপদজনক নহয় যদিহে ইয়াক

সঠিক ধৰণে সমাধান কৰা যায়।

ইয়াৰ বিপৰীতে ৰাষ্ট্ৰীয়তাবাদী তথা জাতীয়তাবাদী সকলে আগবঢ়োৱা প্ৰধান যুক্তিবোৰ হ'ল—

1) জাতীয়তাবাদী চিন্তাধাৰাৰ মতে, আঞ্চলিকতাবাদ জাতীয় স্বাৰ্থৰ পৰিপন্থী আৰু অগণতান্ত্ৰিক কাৰণ ই কেৱল কোনো এটা নিৰ্দিষ্ট অঞ্চল আৰু গোটৰ স্বাৰ্থ সুৰক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে আৰু সেই অঞ্চল বা গোটৰ উন্নয়ণৰ দাবীহে উত্থাপন কৰে। এনে ক্ষেত্ৰত আঞ্চলিকতাবাদ জাতীয় সংহতি আৰু জাতীয় স্বাৰ্থৰ পৰিপন্থী।

2) ভাৰতৰ জাতি গঠন প্ৰক্ৰিয়াৰ শক্তিশালীকৰণৰ বাবে আৰু জাতীয় বিকাশৰ বাবে দৰাচলতে এক সবল আৰু একত্ৰীত প্ৰচেষ্টাৰ হে প্ৰয়োজন যাতে ভাৰতীয় নাগৰিকৰ মূল সমস্যাসমূহ সঠিক ধৰণে সমাধান কৰিব পৰা যায় আৰু বিকাশৰ প্ৰক্ৰিয়া ত্বৰান্বিত হয়। আঞ্চলিকতাবাদৰ দৰে বিভাজিত শক্তিয়ে ভাৰতৰ বিকাশৰ পথহে ৰূদ্ধ কৰিব।

3) ভাৰতত বিভিন্ন সময়ত দেখা গৈছে যে বিভিন্ন আঞ্চলিকতাবাদী শক্তিয়ে ভাৰতৰ জাতীয় একতা আৰু সংহতিৰ প্ৰতি বিপদ আৰু প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। উদাহৰণস্বৰূপে পাঞ্জাৱ, অসমত হোৱা আঞ্চলিকতাবাদী আন্দোলনৰ কথাই কব পাৰি। বিশেষকৈ পঞ্জাৱৰ আঞ্চলিকতাবাদী আন্দোলনৰ লগত জড়িত ধৰ্মীয় কাৰণ আৰু সন্ত্ৰাসবাদমূলক কাৰ্যকলাপে ভাৰত ৰাষ্ট্ৰলৈ কঢ়িয়াই অনা প্ৰত্যাহ্বানৰ কথা কব পাৰি। এনেকুৱা প্ৰচেষ্টা বা আঞ্চলিকতাবাদ ভাৰতৰ সংহতিৰ প্ৰতি নিশ্চয়কৈ প্ৰত্যাহ্বান হ'ব পাৰে।

4) আঞ্চলিকতাবাদৰ অন্যতম ভিত্তি হ'ল ভাষিক, সাংস্কৃতিক আৰু ধৰ্মীয় আৱেগ বা ধাৰণা। প্ৰথম অৱস্থাত জাতি নিৰ্মাতা সকলে এইবোৰ সময়ত জাতীয় চিন্তা আৰু আৱেগৰ লগত একনীতি হ'ব বুলি আশা কৰি এইবাৰ সমাধানৰ বাবে কিছু ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু ক্ৰমান্বয়ে দেখা গ'ল যে এইবোৰ বৰ্ত্তমান সময়ত জনসাধাৰণৰ মাজত বিভাজনৰ একো একোটা কাৰণেই হৈ থাকিল।

গতিকে, জাতীয়তাবাদী চিন্তাধাৰাৰ সমৰ্থক সকলৰ মতে আঞ্চলিকতাবাদ সদায়ে বিভেদকামী, বিচ্ছিন্নতাবাদী আৰু প্ৰত্যাহ্বানকাৰী বা বিপদজনক আৰু একপক্ষীয় হয়।

আঞ্চলিকতাবাদ সম্পৰ্কে জাতীয়তাবাদী ধাৰণা তীব্ৰ সমালোচনাত্মক আৰু কঠোৰ হ'লেও কিন্তু এটা কথা সত্য যে আঞ্চলিকতাবাদ সকলো সময়তে বিভাজনকাৰী আৰু সংহতি বা একতাৰ প্ৰতি প্ৰত্যাহ্বানমূলক নহয়। অৱশ্যে সন্ত্ৰাসৰ আৰু হিংসাৰ মাধ্যমত উদ্দেশ্য পূৰণ কৰিব খোজা আঞ্চলিকতাবাদ যে জাতীয় সংহতিৰ প্ৰতি প্ৰত্যাহ্বান সেই সম্পৰ্কে কোনো দ্বি মত থাকিব নোৱাৰে। আকৌ, ভাৰতৰ দৰে ভাষা, সংস্কৃতিৰ ক্ষেত্ৰত ভিন্নতা থকা এখন দেশৰ ক্ষেত্ৰত এইবোৰৰ ভিত্তিত আঞ্চলিকতাবাদ গঢ় লৈ উঠা আৰু এইবোৰে বহু সময়ত বিভাজনকাৰী ভূমিকা পালন কৰাটো একো আচৰিত নহয়। কিন্তু ইয়াৰ অৰ্থ এইটোও নহয় যে সকলো আঞ্চলিকতাবাদেই ধ্বংসাত্মক, বিভাজনকাৰী আৰু সংহতিৰ বিনাশকাৰী। বহু সময়ত আঞ্চলিকতাবাদে কিছুমান অঞ্চলৰ কিছু হলেও উন্নয়ণ সাধন কৰাত, কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাত, নিজৰ অঞ্চলৰ বা গোটৰ জনসাধাৰণক ৰাজনৈতিক ভাৱে সজাগ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। দৰাচলতে জাতীয়তাবাদী ধাৰণা বা চেতনা এনেকুৱা হোৱাও উচিত নহয় যে ই সকলো ধৰণৰ উপ জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদী ধাৰণাক অস্বীকাৰ বা অগ্ৰাহ্য কৰে আৰু গুৰুত্বও প্ৰদান নকৰে। বৰঞ্চ জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদী চিন্তাৰ মাজত বৈষম্য বা বৈপৰীত্য থকাত কৈ সহযোগিতা আৰু বুজা-বুজি থকাৰহে প্ৰয়োজন।

**আঞ্চলিকতাবাদৰ প্ৰকাৰ** (Types of Regionalism) আঞ্চলিকতাবাদ বিভিন্ন ৰূপত ভাৰতত গা কৰি

উঠা দেখা গৈছে। কেইটামান ইয়াৰ ভাগ হ'ল —

**(ক) বিচ্ছিন্নতাবাদ** (Secessionsim) ঃ

বিচ্ছিন্নতাবাদ হ'ল আঞ্চলিকতাবাদৰ সেইটো ৰূপ য'ত হিংসা আৰু সন্ত্ৰাসৰ সহায়ত বিভিন্ন কাৰণত ভাৰত ৰাষ্ট্ৰৰ বাহিৰত এক স্বাধীন সত্বা, প্ৰতিষ্ঠা কৰিব বিছাৰে অৰ্থাৎ ভাৰত ৰাষ্ট্ৰৰ পৰা স্বাধীন হ'ব বিছাৰে। স্বাধীন 'নাগালিম'ৰ বাবে NSCN ৰ দ্বাৰা চলোৱা আন্দোলন, স্বাধীন অসমৰ বাবে আলফাৰ দাবী আৰু হিংসাত্মক কাৰ্যকলাপ ইত্যাদি হ'ল বিচ্ছিন্নতাবাদৰ উদাহৰণ।

**(খ) পৃথক ৰাজ্যৰ দাবী** (Demand for separate statehood) ঃ

আঞ্চলিকতাবাদৰ আন এক ৰূপ হ'ল ভাৰত ৰাষ্ট্ৰৰ আন ৰাজ্যৰ পৰা (ভাষিত, নৃ-গোষ্ঠীক কাৰণত) আতৰি গৈ পৃথক এক ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰা। এনে আঞ্চলিকতাবাদী দাবীক নায্যতা প্ৰদান কৰিছিল ১৯৫৬ চনৰ ৰাজ্য পুনৰগঠন আইনে। বোম্বে, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা, উত্তৰাখণ্ড, ঝাৰখণ্ড, উত্তৰাঞ্চল, তেলেঙ্গানা ৰাজ্যৰ গঠন হ'ল এই ধৰণৰ আঞ্চলিকতাবাদৰ উদাহৰণ। ইয়াৰ লগতে এনেকুৱা ধৰণৰ দাবী এতিয়াও ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত দেখিবলৈ পোৱা যায়। পৃথক বড়োলেণ্ডৰ বাবে অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত বড়ো সকলে এতিয়াও দাবী উত্থাপন কৰি আছে।

**(গ) পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা দাবী** (Demand for full state hood) ঃ

সাধাৰণতে ভাৰতত কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পৰা পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা লাভৰ বাবে দাবী উত্থাপন হৈছে। অৱশ্যে এনেকুৱা বেছি সংখ্যক দাবীয়েই গ্ৰহণ কৰা হৈছে আৰু সেই অনুসৰি পূৰ্বৰ কেন্দ্ৰীয় শাসিত অঞ্চল মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম আদিক সম্পূৰ্ণৰ ৰাজ্যৰ মৰ্য্যাদা পূৰণ কৰা হৈছে। অৱশ্যে দিল্লীৰ পৰা এতিয়াও সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদাৰ দাবী উত্থাপন হৈ আছে।

**(ঘ) স্বতন্ত্ৰতাৰ দাবী** (Demand for Autonomy) ঃ

মূলতঃ ৬০ ৰ দশকৰ পৰা ভাৰতত বিভিন্ন ৰাজ্যৰ পৰা অধিক স্বতন্ত্ৰতাৰ বাবে দাবী উত্থাপন হৈ আহিছে। বিশেষকৈ আঞ্চলিক ৰাজনৈতিক দলৰ উত্থানৰ পৰাই অধিক স্বতন্ত্ৰতাৰ দাবী সঘনাই উত্থাপন হৈ আহিছে। তামিলনাডুত ডি.এম.কে, পঞ্জাৱত আকালি দলে, অন্ধ্ৰপ্ৰদেশত তেলেগু দেশম, অসমত অসম গণ পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অধিক স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰিছিল। প্ৰয়োজন হ'লে এনেকুৱা দলসমূহে সংবিধান সংশোধনৰো দাবী উত্থাপন কৰি আহিছে। প্ৰকৃততে চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ পিছৰ পৰা অৰ্থাৎ ৰাজ্যত অনা কংগ্ৰেছী চৰকাৰৰ গঠনৰ পিছৰ পৰাই ভাৰতত অধিক স্বতন্ত্ৰতাৰে দাবী উত্থাপন হ'বলৈ আৰম্ভ কৰিছিল। এই দাবী বিভিন্ন ৰাজ্যৰ পৰা এতিয়াও অব্যাহত আছে।

**ৰাজ্যৰ ভিতৰতে অধিক আঞ্চলিক স্বতন্ত্ৰতাৰ দাবী** ( Demand for regional autonomy within a state)

ভাৰতৰ বিভিন্ন ৰাজ্যৰ ভিতৰত কোনো এটা বিশেষ অঞ্চলৰ লোকে যেতিয়া নিজৰ বিশেষ পৰিচয় ৰক্ষাৰ বাবে

বিশেষ স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰে সেয়াও আঞ্চলিকতাবাদৰেই এক ৰূপ।

**ভাৰতত আঞ্চলিকতাবাদৰ উত্থানৰ কাৰণ** (Suoriginal Causes for the growth of Regionalism in India)

ভাৰতত বিভিন্ন কাৰণত আঞ্চলিকতাবাদৰ উত্থান হোৱা দেখা যায়। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য কাৰণ হ'ল।

1. **ঐতিহাসিক আৰু ভৌগোলিক** (Historical and Geographic) ঃ আঞ্চলিকতাবাদৰ প্ৰকৃত বিকাশ স্বাধীন ভাৰতত হৈছিল যদিও ইয়াৰ ঐতিহাসিক ভিত্তি সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিব নোৱাৰি। ব্ৰিটিছ শাসনৰ সময়ৰ পৰাই কিছুমান অঞ্চলক বিশেষকৈ ক'লকাতা, বোম্বাই, মাদ্ৰাজ আদিক বিশেষ প্ৰাধান্য প্ৰদান কৰি ঔদ্যোগিকৰণ আৰু উন্নয়ণৰ ওপৰত গুৰুত্ব দিছিল। ইয়াৰ ফলত বাকী অঞ্চল সমূহৰ তুলনাত এই ঠাইবোৰ আগবাঢ়ি গৈছিল। স্বাধীনতাৰ পিছতো বহু পৰিমাণে এনে ধাৰাই প্ৰৱাহিত হোৱা দেখা গৈছিল। ফলস্বৰূপে পিছপৰা অঞ্চলসমূহে নিজৰ বিষয়ে নিজে ভবাটো উচিত বুলি বিবেচনা কৰিবলৈ আৰম্ভ কৰিছিল আৰু আঞ্চলিকতাবাদী ভাৱধাৰাৰ ক্ৰমান্বয়ে উত্থান ঘটিছিল।

ভৌগোলিক কাৰণতো আঞ্চলিতাবাদৰ উত্থান হোৱা দেখা গৈছে। ভাৰতবৰ্ষ কেৱল জনসংখ্যাৰ দিশৰ পৰাই বৈচিত্ৰপূৰ্ণ নহয়, ভৌগলিক দিশৰ পৰাও বৈচিত্ৰপূৰ্ণ। ভৌগলিক পৰিৱেশ অনুসৰিয়ে মানুহৰ আচাৰ-ব্যৱহাৰ, সংস্কৃতি পৃথকতাপূৰ্ণ হয়। আকৌ ইয়াৰ দ্বাৰা আঞ্চলিকতাবাদৰ পথো প্ৰশস্ত হয়। কাৰণ ভাষিক, সাংস্কৃতিক বিভিন্নতা আঞ্চলিকতাবাদৰ এটা গুৰুত্বপূৰ্ণ কাৰণ। ইয়াৰ লগতে দেখা যায় যে কিছুমান অঞ্চল ভৌগোলিক কাৰণত মূল ভাৰতবৰ্ষৰ পৰা কিছু পৃথক স্থানত বা পৃথক ধৰণে অৱস্থিত। এনেকুৱা অৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ নীতি-আচনি সমূহে হয় সেই অঞ্চলবোৰ ঢুকি নাপায়, নহয় এনে অঞ্চলৰ বিশেষ প্ৰয়োজন সমূহ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আচনিৰ দ্বাৰা পূৰণ নহয়। এনে অৱস্থাত এই অঞ্চলবোৰত আঞ্চলিকতাবাদৰ উত্থান কোনো আচৰিত ঘটনা নহয়।

2) **অ-সম অৰ্থনৈতিক উন্নয়ণ** (Inequal economic development) ঃ

ভাৰতৰ বিভিন্ন অঞ্চল তথা ৰাজ্যৰ মাজত দেখা দিয়া অৰ্থনৈতিক উন্নয়ণ, যি মূলতঃ অ-সম, ভাৰতত আঞ্চলিকতাবাদৰ উত্থানৰ আন এটা কাৰণ। ইতিমধ্যে উল্লেখ কৰা হৈছে যে বৃটিছ শাসনৰ সময়ত কিছুমান অঞ্চলক সকলো দিশতে অগ্ৰাধিকাৰ প্ৰদান কৰি আগবঢ়াই লৈ যোৱা হৈছিল যাৰ ফলত কিছুমান অঞ্চল পিছ পৰি ৰৈছিল। স্বাধীন ভাৰতবৰ্ষতো বহু পৰিমাণে তেনেকুৱা ধাৰাই প্ৰৱাহিত হৈ থাকিল। পৰিকল্পনা আয়োগৰ কাম-কাজেই হওঁক, ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ কাম-কাজেই হওঁক বা কৃষিৰ ক্ষেত্ৰত হোৱা সেউজ বিপ্লৱেই হওঁক সকলো দিশতে দেখা গৈছে যে কিছুমান অঞ্চলে অগ্ৰাধিকাৰ লাভ কৰি কিছু উন্নতি লাভ কৰিছে আৰু বেছিভাগেই পিছপৰি আছে। এনে অৱস্থাত নিজৰ অঞ্চলৰ উন্নতিৰ বাবে নিজাকৈ চিন্তা কৰা বা ব্যৱস্থা গ্ৰহণ কৰাটো কোনো অস্বাভাৱিক ঘটনা নহয়।

3) **ভাষিক আৰু সাংস্কৃতিক সুৰক্ষাগত কাৰণত** (For the protection of linguistic and cultural aspect) ঃ

ভাষা, সংস্কৃতি আৰু ধৰ্মীয় বিভিন্নতা ভাৰতীয় সমাজৰ এক বিশেষ বৈশিষ্ট। ভাষা-সংস্কৃতি ইত্যাদি হ'ল ভাৰতীয় মানুহৰ আৱেগৰ লগতে পৰিচয়। গতিকে প্ৰত্যেকে নিজৰ ভাষা-সংস্কৃতিৰ সুৰক্ষাৰ বাবে যথেষ্ট সচেতন হৈ থাকে। ইয়াৰ ফলতেই ভাৰতত বিভিন্ন অঞ্চলত ভাষিক, সাংস্কৃতিক আঞ্চলিকতাবাদী ধাৰা সৃষ্টি হোৱা দেখা গৈছে।

4) **ধৰ্মীয় কাৰণ** (Religions cause) ঃ

ধৰ্মীয় কাৰণতো ভাৰতত আঞ্চলিকতাবাদৰ উত্থান হোৱা দেখা যায়। পঞ্জাৱৰ যি পৃথকতাবাদী আন্দোলন হৈছিল সেয়া ধৰ্মৰ ভিত্তিত হৈছিল। ইয়াৰ লগতে পঞ্জাৱত ধৰ্মীয় আঞ্চলিকতাবাদৰ আন এক স্পষ্ট ৰূপ হ'ল ধৰ্মীয় ভিত্তিত আঞ্চলিক ৰাজনৈতিক দল-আকালি দলৰ গঠন। গতিকে নিশ্চিতভাৱে ভাৰতত ধৰ্মীয় কাৰণে আঞ্চলিকতাবাদৰ উত্থানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

5) **ভাৰতীয় সংবিধানৰ এক কেন্দ্ৰিক প্ৰৱণতা** (Centralising tendency of Indian constitution) ঃ

ভাৰতীয় সংবিধানৰ এককেন্দ্ৰিক বা কেন্দ্ৰীয়কৰণ প্ৰৱণতা আঞ্চলিকতাবাদৰ আন এক কাৰণ। ভাৰতীয় সংবিধানৰ গাঁঠনি যুক্তৰাষ্ট্ৰীয় হলেও প্ৰকৃতাৰ্থত ইয়াত আইন প্ৰণয়ন মূলক, কাৰ্যবাহী বা প্ৰশাসনীয় আৰু বিত্তীয় সকলো দিশতে কেন্দ্ৰীয় চৰকাৰৰ হাতত যথেষ্ট ক্ষমতা প্ৰদান কৰা হৈছে। গুৰুত্বপূৰ্ণ প্ৰায়বোৰ বিষয় সংবিধানে কেন্দ্ৰীয় সূচীৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পণ কৰিছে। আনকি ৰাজ্য চৰকাৰৰ হাঁতত থকা বিষয়ৰ ওপৰতো। বিভিন্ন পৰিস্থিতিত কেন্দ্ৰীয় চৰকাৰে ক্ষমতা প্ৰয়োগ কৰিব পাৰে। সংবিধানৰ এনে কেন্দ্ৰীয়কৰণৰ বিৰুদ্ধে 60 ৰ দশকৰ পৰাই বিভিন্ন ৰাজ্যই প্ৰতিবাদ কৰি আহিছে। এনে প্ৰতিবাদে বিভিন্ন সময়ত আঞ্চলিকতাবাদৰ ৰূপ লোৱা দেখা গৈছে।

6) **আঞ্চলিক ৰাজনৈতিক দলৰ উৎপত্তি** (Growth of Regional Political party) ঃ

বিভিন্ন অঞ্চলৰ ভাষা-সংস্কৃতি পৰম্পৰাৰ সুৰক্ষাৰ বাবে তথা সম্পূৰ্ণ বিকাশৰ বাবে ৰাষ্ট্ৰীয় ৰাজনৈতিক দল আৰু কেন্দ্ৰীয় চৰকাৰৰ অমনোযোগিতাৰ প্ৰতিবাদ স্বৰূপে ভাৰতৰ বিভিন্ন ৰাজ্যত বিভিন্ন আঞ্চলিক দল গঢ় লৈ উঠিছে আৰু আঞ্চলিকতাবাদী আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। এই ৰাজনৈতিক দল সমূহে বিভিন্ন সময়ত ৰাজ্যিক ৰাজনীতিৰ উপৰিও ৰাষ্ট্ৰীয় ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আঞ্চলিকতাবাদৰ ভূমিকা আৰু গুৰুত্ব বৃদ্ধিত বিশেষ অৰিহণা যোগাইছে।

7) **ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক সচেতনতা** (Growing political consciousness) ঃ

ভাৰতীয় জনসাধাৰণৰ ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক সচেতনতা ভাৰতত আঞ্চলিকতাবাদ উত্থানৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ। ইতিমধ্যেই আলোচনা কৰা হৈছে যে স্বাধীনতাৰ বহু সময়ৰ পিছতো ভাৰতৰ বিভিন্ন অঞ্চলৰ সমস্যা সমস্যা হৈয়েই থাকিল। অৰ্থাৎ কিছুমান অঞ্চলৰ বিকাশৰ বিপৰীতে আন কিছুমান অঞ্চলত দাৰিদ্ৰতা, নিৰক্ষৰতা, পুষ্টিহীনতা সমস্যা হৈয়েই থাকিল। আনকি তেওঁলোকৰ সংস্কৃতি-ভাষাও ক্ৰমান্বয়ে সংকটৰ গৰাহলৈহে যাব ধৰিলে। এনে এক পৰিস্থিতিত জনসাধাৰণ লাহে লাহে নিজৰ প্ৰাপ্যৰ প্ৰতি সজাগ হবলৈ ধৰিলে আৰু ক্ৰমান্বয়ে নিজৰ প্ৰাপ্যৰ বাবে বিভিন্ন

উপায়ে দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিলে। অৰ্থাৎ ভাষা-সংস্কৃতিৰ লগতে বিকাশ আৰু আন আন সমস্যাৰ প্ৰতি সচেতনতা আৰু এই বিষয়বোৰৰ ক্ৰমবৰ্দ্ধমান ৰাজনীতিকৰণে ভাৰতৰ বিভিন্ন অঞ্চলত আঞ্চলিকতাবাদৰ উত্থানত অৰিহণা যোগাইছে।

8) **ভূমিপুত্ৰ নীতি** (Son of the soil priciple) ঃ

ভূমিপুত্ৰ নীতি আঞ্চলিকতাবাদৰ আন এটা কাৰণ। ভূমিপুত্ৰ নীতি হ'ল এক নীতি যি নীতিয়ে কোনো এটা অঞ্চলৰ খিলঞ্জীয়া লোকৰ বিশেষ অধিকাৰৰ ওপৰত গুৰুত্ব দিয়ে আৰু অঞ্চলটোৰ বিভিন্ন দিশত এই লোক সকলক অগ্ৰাধিকাৰ দিয়া কাৰ্য্যক সমৰ্থন কৰে।

## বিচ্ছিন্নতাবাদ

(Secessionism)

বিচ্ছিন্নতাবাদ হ'ল আঞ্চলিকতাবাদৰ এক উগ্ৰ ৰূপ। আঞ্চলিকতাবাদৰ এই ধাৰাই কোনো এটা অঞ্চলক ইয়াৰ মূল অংশৰ পৰা পৃথক হৈ স্বাধীনভাৱে আত্মপ্ৰকাশ কৰাৰ ইচ্ছা বা দাবীক বুজায়। বিভিন্ন কাৰণত এই দাবী উত্থাপন হয়। যেনে ঃ ভূমিপুত্ৰ নীতি, ভাষিক আৰু সাংস্কৃতিক স্বকীয়তা ৰক্ষাৰ বাবে, কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনা তথা উপেক্ষাৰ পৰিণাম স্বৰূপে ইত্যাদি। ভাৰতত এতিয়ালৈকে বহুকেইখন ৰাজ্যৰ পৰা বিচ্ছিন্নতাবাদৰ দাবী উত্থাপন হৈছে। যেনে ঃ পৃথক তামিলনাডুৰ দাবী, পঞ্জাৱৰ বিচ্ছিন্নতাবাদ, নাগালেণ্ড, মিজোৰামৰ পৃথকতাৰ দাবী ইত্যাদি। বিচ্ছিন্নতাবাদৰ দাবী সংগঠিতভাৱে তামিলনাডুতে প্ৰথমে আৰম্ভ হৈছিল যদিও উত্তৰ পূৰ্বাঞ্চলতো ইয়াৰ যথেষ্ট গভীৰতা দেখা যায়। অৱশ্যে বৰ্তমান সময়ত এই দাবী যথেষ্ট প্ৰশমিত হোৱা দেখা যায়। তামিলনাডু, পাঞ্জাৱ নাগালেণ্ড, মিজোৰাম আদি ৰাজ্যত এতিয়া বিচ্ছিন্নতাৰ সলনি অধিক স্বতন্ত্ৰতাৰ দাবীহে উত্থাপন হৈ আছে।

৬০ৰ দশকত তামিলনাডুত বিচ্ছিন্নতাবাদৰ দাবী উত্থাপন হৈছিল। ১৯৬০ চনত তামিলনাডুত দ্ৰাবিড় মুন্নেত্ৰ কাজাগাম (DMK) আৰু নাম তামিল (Nam Tamil ) এ তেতিয়াৰ মাদ্ৰাজত এখন পৃথক আৰু সাৰ্বভৌম তামিলনাডুৰ দাবী উত্থাপন কৰি তামিলনাডুত বিচ্ছিন্নতাবাদৰ আৰম্ভণি ঘটাইছিল। ভাৰতীয় মানচিত্ৰত থকা তামিলনাডুক পৃথক কৰি তেওঁলোকে ভাৰতীয় মানচিত্ৰখনকেই দাহ কৰিছিল আৰু আন্দোলনক এক উত্তেজনা প্ৰদান কৰিছিল। ইয়াৰ পিছত ডি.এম.কে. ই মাদ্ৰাজা, কেৰালা আৰু অন্ধ্ৰপ্ৰদেশক লৈ এখন পৃথক আৰু স্বাধীন তামিলনাডু গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু ডি.এম.কে.ৰ এই প্ৰস্তাৱ মাদ্ৰাজ ৰাজ্যৰ বাহিৰত বিশেষ জনপ্ৰিয় নহল। ইয়াৰ মাজতে ১৯৬১ চনত ডি.এম.কেৰ কিছু সদস্যই লগ হৈ এক নতুন দল 'তামিল নেশ্বনেল পাটি' গঠন কৰিছিল। ইয়াৰ নেতৃত্ব বহন কৰিছিল সাংসদ ই.ভি.কে সম্পথ (E.V.K Sampath)এ। দলটোৱে কিন্তু তাৎক্ষণিক ভাৱে তামিলনাডুৰ ভাৰত ৰাষ্ট্ৰৰ পৰা পৃথকীকৰণক সমৰ্থন নকৰি তাৰ সলনি ৰাজ্য সমূহক অধিক স্বতন্ত্ৰতা প্ৰদান কৰিবলৈ ভাৰতীয় সংবিধানৰ প্ৰয়োজনীয় সংশোধনৰ দাবী উত্থাপন কৰিছিল। ইয়াৰ লগতে এই দলে ভাষিক ভিত্তিত ৰাজ্য পুনৰ গঠনৰ দাবী উত্থাপন কৰিছিল। অৱশ্যে এই দলে মত প্ৰকাশ কৰিছিল যে কোনো ৰাজ্যই যদি ভাৰতৰ পৰা বিলগ্ন হ'ব বিচাৰে তেনেহ'লে সেই সুযোগ প্ৰদান কৰা উচিত। যি সকল ব্যক্তিয়ে ভাৰতৰাষ্ট্ৰৰ পৰা তামিলনাডুৰ বিলগ্ন হোৱাৰ তাৎক্ষণিক দিশক সমৰ্থন কৰা নাছিল তেওঁলোকে

ডি.এম.কেৰ পৰিৱৰ্ত্তে এই নতুন দললৈহে সমৰ্থন আগবঢ়াবলৈ ধৰিছিল। ইয়াৰ বিপৰীতে ডি.এম.কে দলে ইয়াৰ পূৰ্বৰ দাবী অৰ্থাৎ পৃথক তামিলনাডুৰ দাবী অক্ষুন্ন ৰাখিছিল আৰু জনসাধাৰণৰ মাজতো ক্ৰমান্বয়ে জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰিছিল। লগে লগে ই নিৰ্বাচনী সফলতাও লাভ কৰিছিল। দ্বিতীয় সাধাৰণ নিৰ্বাচনত ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত মাত্ৰ ১৫ খন আসন লাভ কৰা ডি.এম.কে.ই তৃতীয় সাধাৰণ নিৰ্বাচনত মুঠ ৫০ খন আসন লাভ কৰি নিজৰ জনপ্ৰিয়তা প্ৰমাণ কৰিছিল। ঠিক একেদৰে ১৯৫৭ চনৰ লোকসভা নিৰ্বাচনত মাত্ৰ ২ খন আসন লাভ কৰা ডি.এম.কে ই ১৯৬৭ চনত ৭ খন আসন লাভ কৰি ইয়াৰ উত্থানৰ ইঙ্গিত দিছিল। চি.এন.আন্নাডুৰাইয়ে ৰাজহুৱাকৈ এই সময়ত মত প্ৰকাশ কৰিছিল যে বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে উদ্দেশ্যে প্ৰণোদিত ভাৱে দক্ষিণৰ অঞ্চলক উপেক্ষা কৰি আহিছে। তেওঁ আকৌ মত প্ৰকাশ কৰিছিল যে উত্তৰ ভাৰতৰ লোকসকলতকৈ দক্ষিণ ভাৰতৰ লোকসকল যথেষ্ট পৃথক। সেয়েহে তেওঁলোকৰ পৃথকতাৰ দাবী হ'ল এক নায্য দাবী। আন্নাডুৰাইৰ এই মতৰ বিপৰীতে তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহাৰলাল নেহুৰুৱে মত প্ৰকাশ কৰিছিল যে ভাৰতৰ ভৌগলিক অখণ্ডতাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা সকলো দাবীয়েই ধ্বংস কৰা হ'ব। অৰ্থাৎ, ভাৰতৰ ভৌগোলিক অখণ্ডতা ভংগৰ কাকোৱেই অনুমতি দিয়া নহয়। ইয়াৰ লগে লগে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় সংবিধানৰ ১৬তম সংশোধনী প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই সংশোধনৰ দ্বাৰা মূলতঃ দুটা নতুন ধাৰা গ্ৰহণ কৰা হৈছিল —

1) ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰা যিকোনো ব্যক্তিক শাস্তি প্ৰদান কৰিব পৰা আইন প্ৰণয়নৰ বাবে সংসদক কৰ্তৃত্ব প্ৰদান।

2) সংসদ আৰু ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনৰ অংশ লোৱা প্ৰাৰ্থীৰ ভাৰতীয় সংবিধানৰ প্ৰতি আনুগত্যতা আৰু ভাৰতৰ ভৌগলিক অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ শপত গ্ৰহণ।

এই সংশোধনৰ দ্বাৰা ডি.এম.কেৰ প্ৰাৰ্থী সকলৰ সন্মুখত দুটা বিকল্প ৰখা হৈছিল হয় পৃথকতাৰ দাবী পৰিহাৰ কৰা নহয় নিৰ্বাচনত অৱতীৰ্ণ নোহোৱা। অৱধাৰিত ভাৱে ডি.এম.কেই প্ৰথম বিকল্প গ্ৰহণ কৰিছিল আৰু পৃথকতাৰ দাবী পৰিত্যাগ কৰিছিল। লগে লগে এই দলে এক নতুন দাবী উত্থাপন কৰিছিল। সেয়া হ'ল মাদ্ৰাজক, অন্ধ্ৰ প্ৰদেশ, কেৰালাক লৈ ভাৰতীয় সংবিধানৰ গাঁথনিক ভিতৰত এখন দ্ৰাবিড় ইউনিয়ন (Dravida Union) গঠন কৰা। লগতে এই ইউনিয়নৰ বাবে প্ৰয়োজনীয় স্বতন্ত্ৰতাও এই দলে দাবী কৰিছিল। স্বতন্ত্ৰতাৰ লগতে অধিক বিত্তীয় ক্ষমতাও এই দলে দাবী কৰিছিল। কিন্তু ইয়াৰ লগে লগে ভাৰত ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এই দাবী যথেষ্ট সজোৰে তেওঁলোকে উত্থাপন কৰিছিল। আন্নাডুৰাইয়ে আনকি মত প্ৰকাশ কৰিছিল যে যদি কেন্দ্ৰীয় চৰকাৰে দলৰ দাবী বেছি দিনলৈ অগ্ৰাহ্য কৰি থাকে তেনেহ'লে তেওঁলোকৰ বাবে তামিলনাডুৰ পৃথকতাৰ দাবীৰ বাহিৰে আন কোনো বিকল্প নাথাকিব। তেওঁ মত প্ৰকাশ কৰিছিল যে সংবিধান সংশোধন কৰি ৰাজ্যক স্বতন্ত্ৰতা প্ৰদান নকৰালৈকে ৰাজ্যসমূহে সদায় কেন্দ্ৰ-মুখাপেক্ষী হৈ থাকিব লাগিব। সেয়েহে ৰাজ্যত প্ৰয়োজনীয় স্বতন্ত্ৰতা প্ৰদানৰ বাবে সংবিধান সংশোধন কৰাটো অতি প্ৰয়োজনীয়। কিন্তু কেন্দ্ৰীয় চৰকাৰে এই দাবী নস্যাৎ কৰি মত প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ প্ৰেক্ষাপটত সংবিধান সংশোধনৰ কোনো সম্ভাৱনা নাই। ডি.এম.কে দলে এই দাবী উত্থাপন কৰাৰ সময়তে এই দলত হঠাত বিভাজন ঘটিছিল আৰু এম জি ৰামাচন্দ্ৰনে এ.আই.এ.ডি.এম.কে (AIADMK) নামৰ এটা নতুন দল গঠন কৰিছিল। ৰামাচন্দ্ৰনে গঠন কৰা এই দলেও তামিলনাডুৰ ৰাজনীতিত বহু দিনলৈ প্ৰতিষ্ঠিত হৈ আছিল। ইয়াৰ পিছত তামিলনাডুৰ ৰাজনীতিত কৰুণানিধিৰ নেতৃত্বত ডি.এম.কে (DMK) আৰু ৰামাচন্দ্ৰনৰ নেতৃত্বত এ.আই.এ.ডি.এম.কে ই সলনা সলনি কৈ চৰকাৰ গঠন কৰি আছে যদিও দুয়োটা দলেই পৃথকতাৰ সলনি অধিক স্বতন্ত্ৰতাৰ

দাবীহে উত্থাপন কৰি আহিছে। আনকি জয়াললিতাৰ নেতৃত্বত গঠন হোৱা AIADMKৰ চৰকাৰেও ৰামাচন্দ্রনৰ অধিক স্বতন্ত্রতাৰ দাবীয়েই উত্থাপন কৰি আহিছিল। এইদৰেই তামিলনাডুৰ পৃথকতাৰ দাবী লাহে লাহে প্রশমিত হৈছিল। কিন্তু অধিক ৰাজ্যিক স্বতন্ত্রতাৰ দাবী উত্থাপন কৰা ৰাজ্যসমূহৰ বাবে তামিলনাডু পথ প্রদর্শক হৈ পৰিছিল।

## পঞ্জাৱত বিচ্ছিন্নতাৰ দাবী

(Secessionist Demand in Punjab)

পঞ্জাৱৰ শিখ সকলে প্রথম অৱস্থাত তাৰা সিংৰ নেতৃত্বত খালিস্তান নামেৰে এখন পৃথক আৰু স্বাধীন ৰাজ্যৰ দাবী উত্থাপন কৰিছিল। স্বাধীনতাৰ সময়তে এই দাবী উত্থাপন হৈছিল আৰু স্বাধীনতাৰ পিছত ই ক্রমান্বয়ে তীব্রতৰ ৰূপ লৈছিল। দৰাচলতে বিভাজন আৰু শাসন (Divide and Rule) নীতিৰ সমর্থক ইংৰাজসকলেই পঞ্জাৱত এই দাবীৰ সূত্রপাত ঘটাইছিল। ইংৰাজসকলে শিখসকলক এক পৃথক ব্যৱস্থা প্রদান কৰিছিল। আনকি পঞ্জাৱ বিধানসভাত ১৯১৯ আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি শিখ সকলক পৃথক আসন প্রদান কৰিছিল। আকৌ বিভিন্ন ভাৰতীয় সমস্যাৰ অধ্যয়নৰ বাবে অহা ব্রিটিছ কমিছন সমূহেও পৃথককৈ শিখ সম্প্রদায়ৰ লোকক আলোচনাৰ বাবে আমন্ত্রণ জনাইছিল। এনেকুৱা পৰিপ্রেক্ষিততেই পঞ্জাৱত স্বাধীনতাৰ পিছত পৃথক খালিস্তানৰ দাবী উত্থাপন হৈছিল। এই দাবীৰ মূল হোতা তাৰা সিং এ মন্তব্য কৰিছিল যে পঞ্জাৱৰ হিন্দু সম্প্রদায় লোক সকল বহু পৰিমাণে সাম্প্রদায়িক আৰু সেয়েহে তেওঁলোকৰ লগত থাকিলে শিখসকলে কেতিয়াও ন্যায় লাভ কৰিব নোৱাৰে। ১৯৫৬ চনৰ ৰাজ্য পুনৰগঠন আয়োগেও পঞ্জাৱক পৃথক ৰাজ্য হিচাপে প্রতিষ্ঠাৰ পৰামর্শ দিয়া নাছিল। কিন্তু এই আয়োগে ইয়াৰ প্রতিবেদনত উল্লেখ কৰিছিল যে পঞ্জাৱ এখন দ্বি-ভাষিক ৰাজ্য য'ত হিন্দী আৰু পাঞ্জাৱী দুয়োটা ভাষাৰে বিকাশৰ সমান সুযোগ বা সুবিধা থকা উচিত। লগে লগে শিখ সকলে পাঞ্জাৱী ভাষী এখন পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰিবলৈ ধৰিলে য'ত তেওঁলোকৰ ভাষা আৰু সংস্কৃতিৰ বিকাশৰ সুযোগ থাকিব। ক্রমান্বয়ে তেওঁলোকৰ দাবী তীব্রতৰ হ'বলৈ আৰম্ভ কৰিছিল। শেষত কেন্দ্রীয় চৰকাৰে ১৯৬৬ চনত এখন পৃথক ৰাজ্য হিচাপে পঞ্জাৱক স্বীকৃতি দিছিল। কিন্তু এই ব্যৱস্থাইও শিখ সকলক বিশেষ সন্তুষ্টি প্রদান নকৰিলে। ফটেহ সিংৰ নেতৃত্বত বিচ্ছিন্নতাৰ দাবী আকৌ শিখসকলৰ মূল দাবী হৈ পৰিল। ফটেহ সিং গোটৰ এজন সাধাৰণ সম্পাদক ড° জগজিত সিংএ শিখিস্তানৰ দাবী জনপ্রিয়কৰণৰ বাবে বিভিন্ন দেশ ভ্রমণ কৰিছিল আৰু দলৰ মুখ্য কার্যালয় গুৰু নানকৰ জন্মস্থান 'নানকানা চাহিব' (পাকিস্তানত অৱস্থিত)ত প্রতিষ্ঠাৰ বাবে প্রস্তুতি চলাইছিল। জগজিত সিংৰ এই কার্যই ফটেহ সিংক বিতুষ্ট কৰিছিল আৰু তেওঁৰ মতে এই কার্যই জগজিত সিংক মূল উদ্দেশ্যৰ পৰা যথেষ্ট আতৰাই নিছিল। সেয়েহে ফটেহ সিঙে, ড° জগজিত সিংক দলৰ পৰা বহিস্কাৰ কৰিছিল। ক্রমান্বয়ে আকালি দলৰ নেতৃত্বই অনুধাৱন কৰিব পাৰিছিল যে ভাৰত ৰাষ্ট্রৰ পৰা বিচ্ছিন্ন হৈ স্বাধীন ৰাষ্ট্র গঠন কৰাটো সম্ভৱ নহয়। সেয়েহে তেওঁলোকে ক্রমান্বয়ে বিচ্ছিন্নতাৰ সলনি তামিলনাডুৰ দৰে অধিক স্বতন্ত্রতাৰহে দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিছিল। অৱশ্যে সংবিধানৰ ১৬তম সংশোধনেও ইয়াত যথেষ্ট অৰিহণা যোগাইছিল। ইয়াৰ পিছত ১৯৭৩ চনত আকালি দলে তেওঁলোকৰ দাবী সম্বলিত এক প্রস্তাৱ গ্রহণ কৰিছিল, যি প্রস্তাৱক আনন্দপুৰ চাহিব প্রস্তাৱ বুলি জনা যায়। এই প্রস্তাৱত তেওঁলোকে উল্লেখ কৰিছিল যে পঞ্জাৱৰ যি বিলাক অঞ্চল উদ্দেশ্য প্রণোদিত ভাৱে আতৰাই ৰখা হৈছে সেই সকলোবোৰ এক প্রশাসনীয় গোট হিচাপে পঞ্জাৱত অন্তর্ভুক্ত কৰিব লাগে আৰু এই নতুনকৈ গঠন হোৱা পঞ্জাৱত প্রতিৰক্ষা, বৈদেশিক পৰিক্রমা, মুদ্রা, ৰেলৱে আদিৰ বাহিৰে অন্য দিশত কেন্দ্রীয় চৰকাৰৰ হস্তক্ষেপ থাকিব নালাগে। ইয়াৰ পিছত ১৯৮১ আৰু

১৯৮২ চনতো পুনৰ দুটা আনন্দপুৰ চাহিব প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই দুয়োটা প্ৰস্তাৱেই পঞ্জাৱৰ অধিক স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰিছিল। ১৯৮২ চনৰ প্ৰস্তাৱে পৰামৰ্শ আগবঢ়াইছিল যে সকলো পাঞ্জাৱী ভাষী লোক থকা অঞ্চলক এক প্ৰশাসনীয় গোটৰ অন্তৰ্ভুক্ত কৰিব লাগে য'ত শিখ সকলৰ স্বাৰ্থ আৰু ভাষা, সংস্কৃতি সুৰক্ষিত হয়। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰা কেইটামান গুৰুত্বপূৰ্ণ ধৰ্মীয় দাবী আছিল— i) হৰিদ্বাৰ, কাশীৰ দৰে অমৃতসৰক পৱিত্ৰ চহৰ হিচাপে ঘোষণা, ii) কীৰ্তন প্ৰচাৰৰ বাবে গোল্ডেন টেম্পল (স্বৰ্ণ মন্দিৰ)ত ৰেডিঅ' স্থাপন iii) শিখসকলৰ পৰম্পৰাগত অস্ত্ৰ 'কিৰপান' সহ ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমানত পৰিৱহনৰ সুবিধা iv) এক সৰ্বভাৰতীয় গুৰুদ্বাৰ আইনৰ প্ৰৱৰ্তন। ইয়াৰ উপৰিও ৰবি আৰু বিয়াছ নদীৰ পানীৰ ভাগ বিতৰণ, 'চাৰিসীমা সম্পৰ্কীয় কিছুমান দাবীও তেওঁলোকে উত্থাপন কৰিছিল। আনন্দপুৰ চাহিব প্ৰস্তাৱ অনুসৰি আকালি দলে প্ৰকাশ কৰিছিল যে ৰাজ্যৰ প্ৰগতিয়েহে ৰাষ্ট্ৰৰ তথা কেন্দ্ৰৰ উন্নতি কৰে। সেয়েহে ৰাজ্যসমূহক প্ৰয়োজনীয় স্বতন্ত্ৰতা প্ৰদানৰ বাবে ভাৰতীয় সংবিধানৰ সংশোধন কৰা দৰকাৰ। আকালি দলৰ এই দাবীসমূহ লাভৰ পিছতেই ১৯৮১ চনত ভাৰতৰ সেই সময়ৰ প্ৰধানমন্ত্ৰীয়ে দলৰ প্ৰতিনিধিক আলোচনাৰ মেজলৈ নিমন্ত্ৰণ জনাইছিল। ইয়াৰ পিছতো বহু কেইবাৰ আকালি দলৰ প্ৰতিনিধি আৰু চৰকাৰৰ মাজত আলোচনা চলিছিল। লগতে চৰকাৰে দলৰ বহুকেইটা দাবীও মানি লৈছিল। উদাহৰণস্বৰূপে, আকালী দলে অমৃতসৰ পৱিত্ৰ চহৰ ঘোষণাৰ দাবী সম্পৰ্কত চৰকাৰে স্পষ্ট কৰিছিল যে হৰিদ্বাৰ, কাশী আদি অঞ্চলক আনুষ্ঠানিক ভাৱে পবিত্ৰ চহৰ ঘোষণা কৰা নাই। গতিকে অমৃতসৰৰ ক্ষেত্ৰত এই দাবী প্ৰযোজ্য নহয়। তথাপিও স্বৰ্ণ মন্দিৰৰ এক নিৰ্দিষ্ট এলেকাত সুৰা, মাংস আৰু আন ৰাগীয়াল দ্ৰব্যৰ বিক্ৰী নিষিদ্ধ কৰা হৈছিল। পৰম্পৰাগত অস্ত্ৰ 'কিৰপান' কিছু নিষেধাজ্ঞাসহ ঘৰুৱা বিমানত লগত ৰখাৰো অনুমতি দিয়া হৈছিল আৰু জলন্ধৰ ষ্টেচনৰ পৰা স্বৰ্ণ মন্দিৰত কীৰ্তন প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছিল। আকৌ কেন্দ্ৰৰাজ্যৰ সম্পৰ্কত আকালি দলৰ দাবী সম্পৰ্কত ১৯৮৩ চনত ন্যায়াধীশ ৰঞ্জিত সিং চৰকাৰিয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এখন আয়োগ গঠন কৰিছিল কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্কক পুনৰীক্ষণ কৰিবলৈ। কিন্তু এই ব্যৱস্থাবোৰেও আকালি দলক প্ৰয়োজনীয় সন্তুষ্টি প্ৰদান কৰিব পৰা নাছিল। ৮০ৰ দশকৰ পৰাই খালিস্তানৰ দাবীয়ে হিংসাত্মক ৰূপ লৈছিল। এটা গোটে আনকি তেওঁলোকৰ দাবী সমৰ্থনৰ নকৰা লোকৰ হত্যাৰ দৰে কাৰ্যও ৰূপায়ন কৰিছিল। এনে চিন্তাৰ ফলতে আধ্যাত্মিক গুৰু বাবা গুৰুচৰণ সিং, সাংবাদিক লালা জগত নাৰায়ণ আদিক হত্যা কৰা হৈছিল কাৰণ তেওঁলোকে সন্ত্ৰাসবাদ মূলক কাৰ্যৰ সমালোচনা আৰু বিৰোধিতা কৰিছিল। এই হত্যাৰ সতে সংযোগ থকা সন্দেহত ভিন্দেৰৱা লক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ইয়াৰ কিছুদিন পিছতেই কিছু শিখ সন্ত্ৰাসবাদীয়ে ইণ্ডিয়ান এয়াৰলাইনছ্‌ৰ এখন এৰোপ্লেন অপহৰণ কৰি লাহোৰলৈ নিছিল। আকালি দলৰ নিয়ন্ত্ৰণ এই সন্ত্ৰাসবাদী গোট সমূহৰ ওপৰত লাহে লাহে কমি আহিছিল আৰু সন্ত্ৰাসবাদী গোটটোয়েহে এই দাবীৰ অন্যতম কাৰ্যকৰ্তা হৈ পৰিছিল। ভিন্দেৰৱালাৰ ৰেহাইৰ পিছত তেওঁ আৰু তেওঁৰ সহযোগীসকলে তেওঁলোকৰ মুখ্য কাৰ্যালয় স্বৰ্ণ মন্দিৰ প্ৰাঙ্গনলৈ স্থানান্তৰ কৰিছিল। ইয়াৰ দ্বাৰাই সন্ত্ৰাসবাদী গোটতোৰ কাম-কাজ নিয়ন্ত্ৰণ হ'বলৈ আৰম্ভ কৰিছিল। ক্ৰমান্বয়ে এই গোটটোৰ শক্তি বৃদ্ধি হৈছিল কাৰণ ইয়াত যোগ দিছিল আৰু বহুতো নতুন সন্ত্ৰাসবাদী গোটে। তেনেকুৱা এটা গোট আছিল ডাল খালছা (Dal Khalsa)। ১৯৭৮ চনত গঠন হোৱা এই গোটটোৰ মূল উদ্দেশ্য আছিল এখন সাৰ্বভৌম আৰু স্বাধীন শিখ ৰাষ্ট্ৰৰ গঠন। এই দাবী পূৰণৰ বাবে এই গোটে মূলতঃ হিংসা আৰু সন্ত্ৰাসৰ ওপৰত গুৰুত্ব দিছিল। আন এটা সন্ত্ৰাসবাদী গোট খালিস্তান ৰাষ্ট্ৰীয় পৰিষদ (National Council of Khalistan) ও ভিন্দেৰৱালাল সন্ত্ৰাসবাদী গোটৰ লগত যোগ দিছিল। ১৯৭১ চনত লণ্ডনত হোৱা এখন সংবাদ মেলত এই গোটৰ স্ব-ঘোষিত নেতা জগজিত সিং চৌহানে খালিস্তানৰ শ্লোগান দিছিল। আকালি দলৰ

সন্ত্ৰাসবাদী গোটৰ লগত যোগ দিয়া তৃতীয় সন্ত্ৰাসবাদী গোটটো আছিল বাবৰ খালছা (Babar Khalsa) আৰু অখণ্ড কিৰ্তানী যাথা (Akhanda Kirtani Jatha)। যাথা মূলতঃ এটা ধৰ্ম্মীয় গোট আৰু বাবাৰ খালছা আছিল ইয়াৰ ৰাজনৈতিখ শাখা বা গোট। বাবাৰ খালছাই পাকিস্তানক প্ৰস্তাৱিত খালিস্তান বা শিখিস্তানৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক চুবুৰীয়া হিচাপে গণ্য কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে পাকিস্তানে এই নতুন ৰাষ্ট্ৰক প্ৰয়োজনীয় সহায় আগবঢ়াব।

এইবোৰৰ লগতে সদৌ ভাৰতীয় শিখ ছাত্ৰ সংঘ (All India Sikh Students Fedration) ও এই আন্দোলনত যোগ দিছিল। ১৯৮৩ চন মানৰ পৰা প্ৰায় সকলো ধৰ্মীয় অনুষ্ঠানৰ প্ৰাঙ্গনেই এই সন্ত্ৰাসবাদী গোটটোয়ে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। ধৰ্মীয় অনুষ্ঠান সমূহ অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ আৰু সন্ত্ৰাসবাদী কাৰ্য কলাপৰ ঘাটি হৈ পৰিছিল। এনে পৰিস্থিতিত কেন্দ্ৰীয় চৰকাৰৰ বাবে এই সন্ত্ৰাসবাদী কাৰ্য কলাপ নিয়ন্ত্ৰণ কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছিল। চৰকাৰে প্ৰথমতে ডাল-খালছা আৰু খালিস্তান ৰাষ্ট্ৰীয় পৰিষদক বে-আইনী ঘোষণা কৰিছিল আৰু পিছলৈ ইয়াক নিষিদ্ধ কৰিছিল। সশস্ত্ৰ বাহিনীৰ বিশেষ অধিকাৰ আইন, (Armed Forces Special Power Act.) ৰাষ্ট্ৰীয় সুৰক্ষা আইন (National Security Act), আদি তীব্ৰ কৰি তোলা হৈছিল আৰু পাঞ্জাৱক এক অশান্ত অঞ্চল (Disturubed Area) ঘোষণা কৰা হৈছিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সামৰিক বাহিনী প্ৰেৰণ কৰিছিল। ইয়াৰ পিছত ১৯৮৪ চনৰ জুন মাহত ভাৰতীয় সামৰিক বাহিনীয়ে ‘অপাৰেশ্বন ব্লু ষ্টাৰ’ (Operation Blue Star) আৰম্ভ কৰিছিল আৰু সন্ত্ৰাসবাদী সকলক উৎখাত কৰি নিয়ন্ত্ৰণলৈ আনিছিল। সন্ত্ৰাসবাদী সকলক হয় হত্যা কৰা হৈছিল নহয় গ্ৰেপ্তাৰ কৰা হৈছিল। এই অপাৰেশ্বনৰ পিছত পাঞ্জাৱৰ পৰিস্থিতি লক্ষণীয়ভাৱে উন্নত হৈছিল যদিও বহুতো শিখ লোকে এই অপাৰেশ্বনক তেওঁলোকৰ স্বাভিমানত এক আঘাত হিচাপে গণ্য কৰিছিল। সামৰিক বাহিনীৰ অপাৰেশ্বনৰ পৰা পলাই যাবলৈ সক্ষম হোৱা কিছু সন্ত্ৰাসবাদীয়ে তেওঁলোকৰ কাৰ্য-কলাপ পুনৰ আৰম্ভ কৰিছিল যদিও বিশেষ সফল হ’ব পৰা নাছিল। আকালি দলৰ কিছু নেতাই স্বৰ্ণ মন্দিৰকে ধৰি আন ধমীয় অনুষ্ঠানৰ পৰা নিৰাপত্তাবাহিনীৰ নিয়ন্ত্ৰণ নাইকিয়া কৰাৰ দাবী উত্থাপন কৰিছিল যদিও এই ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণ কঠোৰ আছিল আৰু কোনোপধ্যেই পাঞ্জাৱত পুনৰ সন্ত্ৰাসবাদী কাৰ্য কলাপক সুযোগ দিয়াৰ পক্ষত নাছিল কাৰণ ইয়াৰ পূৰ্বে ভাৰতৰ ভিতৰৰ পৰাই ইমান ভয়ানক ধৰণে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি প্ৰত্যাহ্বান অহা নাছিল।

অপাৰেশ্বন ব্লু ষ্টাৰৰ প্ৰতিশোধস্বৰূপে ১৯৮৪ চনৰ ৩১ অক্টোবৰ তাৰিখে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক তেওঁৰে শিখ দেহৰক্ষী দুজনে গুলীয়াই হত্যা কৰিছিল। পুণৰ দেশৰ পৰিস্থিতি উত্তপ্ত হৈ পৰিছিল। ইয়াৰ লগে লগে চৰকাৰে আকালি দলৰ নৰমপন্থী নেতাসকলৰ সৈতে আলোচনা আৰম্ভ কৰিছিল আৰু ফলস্বৰূপে 1985 চনৰ 25 জুলাইত ৰাজীৱ গান্ধী আৰু আকালি দলৰ নেতা হৰছান্দ সিং লোঙৱালাৰ মাজত স্বাক্ষৰ হৈছিল ঐতিহাসকি পাঞ্জাৱ চুক্তি (Punjab Accord) ইয়াৰ ফলস্বৰূপে ছণ্ডীগড় পঞ্জাৱলৈ হস্তান্তৰ কৰা হৈছিল আৰু পঞ্জাৱৰ কিছু হিন্দী ভাষী অঞ্চল হাৰিয়ানালৈ হস্তান্তৰ কৰা হৈছিল। ১৯৮৫ৰ চেপ্তেম্বৰ মাহত পাঞ্জাৱৰ বিধান সভা নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু এই নিৰ্বাচনত আকালি দলে সুৰজিত সিংৰ নেতৃত্বত ক্ষমতা হস্তগত কৰিছিল। কিন্তু ইয়াৰ পিছতো কিছু সংখ্যক সন্ত্ৰাসবাদীয়ে পুনৰ সন্ত্ৰাসমূলক কাম-কাজ আৰম্ভ কৰিছিল আৰু স্বৰ্ণ মন্দিৰক পুনৰ ইয়াৰ কেন্দ্ৰ কৰি লৈছিল। লগে লগে সামৰিক বাহিনীয়ে ‘Operation search’ আৰম্ভ কৰিছিল। কেইঘন্টামান জুৰি চলা এই অপাৰেশ্বনে পৰিস্থিতি নিয়ন্ত্ৰনলৈ আনিছিল আৰু স্বৰ্ণ মন্দিৰ পুনৰ সন্ত্ৰাস মুক্ত কৰিছিল। ইয়াৰ পিছত কিন্তু পঞ্জাৱ বিধানসভাত সমস্যাৰ সৃষ্টি হৈছিল কাৰণ বহুকেইজন নেতাই চৰকাৰ আৰু

দলৰ পৰা ওলাই গৈ এটা পৃথক গোট গঠন কৰিছিল। প্ৰতিষ্ঠিত চৰকাৰ সংখ্যালঘুত পৰিণত হৈ বিৰোধীৰ সহায় লব লগা হৈছিল। বিভিন্ন সন্ত্ৰাসবাদী গোটেই ইয়াৰ পিছতো এক লগ হৈ বিদেশী ৰাষ্ট্ৰৰ সহযোগত পৃথক খালিস্তানৰ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিছিল। ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত কংগ্ৰেছৰ বিন্ট সিংৰ নেতৃত্বত চৰকাৰ গঠন হৈছিল আৰু বিন্ট সিংৰ লগতে ৰাজ্যিক আৰক্ষী সঞ্চালক প্ৰধান কে.পি.এছ. গিলে কৌশলপূৰ্ণ ভাৱে পাঞ্জাৱৰ সন্ত্ৰাসবাদী সমস্যাক নিয়ন্ত্ৰনলৈ আনি ৰাজ্যখনত এক সুস্থিৰ বাতাবৰণ প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে ১৯৯৫ চনত মুখ্যমন্ত্ৰী বিন্ট সিংক সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰিছিল। ইয়াৰ পিছত পঞ্জাৱ কেতিয়াও পূৰ্বৰ দৰে অশান্ত হৈ উঠা নাই আৰু বিচ্ছিন্নতাৰ দাবীৰ বিপৰীতে ই ৰাজ্যৰ বাবে এতিয়া অধিক ক্ষমতাহে দাবী কৰে।

**উত্তৰ পূৰ্বাঞ্চলত বিচ্ছিন্নতাবাদ** (Secessionism in North East)—

সাতখন (বৰ্ত্তমান আঠখন) ৰাজ্যৰে গঠিত উত্তৰ পূৰ্বাঞ্চলক সাত ভনীৰ দেশ (Land of seven sisters) বুলি জনা যায়। এই অঞ্চলটো। ভৌগোলিক ভাৱে ভাৰতৰ আন অঞ্চলতকৈ কিছু পৃথক। মূল ভাৰতৰ লগত ই এটা ঠেক অঞ্চলৰে সংলগ্ন। উত্তৰ পূৰ্বাঞ্চল অৰ্থনৈতিক দিশতো যথেষ্ট পিছপৰা। উত্তৰ পূৰ্বাঞ্চলৰ বহুকেইখন ৰাজ্যত যেনে- মিজোৰাম, নাগালেণ্ড, অসমত বিচ্ছিন্নতাবাদৰ দাবী উত্থাপন হোৱা দেখা যায়। বৰ্ত্তমান সময়ত এই দাবীবোৰ বহু পৰিমানে নিয়ন্ত্ৰিত যদিও একেবাৰে নোহোৱা হোৱা বুলিও ক'ব নোৱাৰি। অৱশ্যে মিজোৰামত এতিয়া তেনেকুৱা কোনো দাবী দেখা নাযায়। তলত এই তিনিখন ৰাজ্যৰ বিচ্ছিন্নতাবাদী আন্দোলনৰ বিষয়ে আলোচনা কৰা হ'ল—

**মিজোৰাম** (Mizoram)—

মিজোৰামত বিচ্ছিন্নতাবাদী আন্দোলন আৰম্ভ হোৱাৰ সময়ত ই এখন জিলা হিচাপে অসমৰ অন্তৰ্গত আছিল। মিজোৰামৰ জনসাধাৰণে অসমৰ পৰাই নহয় ভাৰতৰ পৰা পৃথক এখন নতুন ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠাৰ দাবী উত্থাপন কৰিছিল। বাৰ্মা, পূব পাকিস্তানৰ মিজো সকলক লৈ তেওঁলোকে এখন স্বাধীন মিজো ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰিছিল। সংগঠিত ভাৱে এই দাবী আগবঢ়াই নিবৰ বাবে তেওঁলোকে মিজো নেশ্বনেল ফ্ৰন্ট (Mizo National Front- MNF) নামৰ এটা সংগঠন প্ৰতিষ্ঠা কৰিছিল। অৱধাৰিতভাৱে কেন্দ্ৰীয় চৰকাৰে এই দাবী আগ্ৰাহ্য কৰিছিল আৰু ইয়াৰ দমনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। লগে লগে মিজো সকলে সশস্ত্ৰ বিদ্ৰোহ আৰু গৰিলা যুদ্ধ আৰম্ভ কৰিছিল। ১৯৬২ চনৰ চীনা আক্ৰমনৰ সময়ত MNFক বেআইনী ঘোষণা কৰি চৰকাৰে নিষিদ্ধ কৰিছিল। কিন্তু ইয়াৰ বিপৰীতে মিজো নেশ্বনেল ফ্ৰন্টৰ কাম কাজ সম্প্ৰসাৰিতহে হৈছিল। মিজো সংগঠনৰ কাম কাজত নাগা আৰু চীনাসকলে সহায় কৰা বুলিও সন্দেহ উঠিছিল। ১৯৭১ চনত কেইজনমান মিজো নেতাই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰিছিল আৰু প্ৰকাশ কৰিছিল যে মিজোসকলৰ বিচ্ছিনতাৰ দাবীৰ মূল কাৰণ হ'ল অৰ্থনৈতিক অনগ্ৰসৰতা, অসম চৰকাৰৰ ভুলৰ বাবে হোৱা ৰাজনৈতিক অস্থিৰতা আৰু ব্ৰিটিছ শাসনৰ দ্বাৰা মিজোসকলৰ গৃহভূমিত অনা বিভাজন। ১৯৭১ চনৰ এই এই স্মাৰক পত্ৰত মিজো সকলে পৃথক ৰাষ্ট্ৰৰ সলনি সম্পূৰ্ণ ৰাজ্যৰহে দাবী উত্থাপন কৰিছিল। তেওঁলোকক সন্তুষ্ট কৰিবলৈ মিজোৰামক ৰাজ্যৰ সলনি কেন্দ্ৰীয় শাসিত অঞ্চলৰ মৰ্য্যাদা দিয়া হৈছিল আৰু ১৯৭২ চনৰ জানুৱাৰী মাহত ইন্দিৰা গান্ধীয়ে নিজে ইয়াক উদ্বোধন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে মিজো লোক সকলৰ উন্নতিৰ বাবে যথেষ্ট টকা খৰছ কৰিছিল যদিও মিজোসকলৰ সমস্যা সমাধানত সম্পূৰ্ণ সফল হ'ব পৰা নাছিল। আনকি MNFৰ সন্ত্ৰাসমূলক কাৰ্যও লালডেঙ্গাৰ নেতৃত্বত চলিয়েই আছিল। আনকি এই সংগঠনৰ বহুতো সদস্যই চীনত গৈ অস্ত্ৰ-শস্ত্ৰ আৰু গৰিলা যুদ্ধৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছিল। ইয়াৰ

মাজতে ১৯৭৩, ১৯৭৪ চনত মিজো নেশ্বনেল ফ্ৰন্টৰ কিছুমান নেতাৰ লগত কেন্দ্ৰীয় চৰকাৰে অনানুষ্ঠানিক ভাৱে আলোচনা কৰিছিল যদিও কোনো লাভ হোৱা নাছিল। ইয়াৰ বিপৰীতে পৰিস্থিতি শোচনীয়হে হৈছিল। সংগঠনৰ দুজন সদস্যই আনকি আৰক্ষীৰ পোছাকত গৈ তিনিজন শীৰ্ষ আৰক্ষী বিষয়াক গুলীয়াই হত্যা কৰিছিল। এই ঘটনাৰ পিছত কেন্দ্ৰীয় চৰকাৰ যথেষ্ট কঠোৰ হৈছিল আৰু সন্ত্ৰাস বিসৰ্জন নিদিয়া পৰ্যন্ত সন্ত্ৰাসবাদী গোটৰ লগত কোনো আলোচনা সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিছিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে 1975 চনত আভ্যন্তৰীণ নিৰাপত্তা নিশ্চিতকৰণ আইন (Maintenance of Internal Security Act– MISA) প্ৰয়োগ কৰিছিল। ইয়াৰ ফলতো কিন্তু বিশেষ লাভ হোৱা নাছিল। মিজো সংগঠনবোৰে মত প্ৰকাশ কৰিছিল যে চৰকাৰ আৰু চৰকাৰী নিৰাপত্তা কাহিনীৰ আতিশয্যই অধিক লোককহে বিচ্ছিন্নতাবাদৰ দাবীৰ প্ৰতি সমৰ্থক কৰি তুলিছিল। কিন্তু ইয়াৰ এবছৰ পিছতে অৰ্থাৎ ১৯৭৬ চনত MNFএ অস্ত্ৰ ত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি বিচ্ছিন্নতাৰ দাবী পৰিহাৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু সাংবিধানিক গাঠনিৰ ভিতৰত মিজো সমস্যা সমাধানৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল। সেই অনুসৰি ইয়াৰ প্ৰতিনিধিৰ লগত আলোচনাৰ পিছত ১৯৭৬ চনৰ ১১ জুলাইত কেন্দ্ৰীয় চৰকাৰ আৰু লালডেঙ্গাৰ মাজত শান্তি চুক্তি (Peace Accord) স্বাক্ষৰ হৈছিল। লালডেঙ্গাই মিজোৰামক ভাৰতৰ অভিন্ন অঙ্গ বুলি স্বীকাৰ কৰি সন্ত্ৰাস পৰিহাৰ কৰাৰ আৰু শান্তি পূৰ্ণ উপায়েৰে সকলো সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল। তেওঁ আনকি তেওঁৰ অনুগামী সকলক মূলসুতীলৈ ঘূৰাই অনাৰ আৰু সকলো অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু আশ্চৰ্যজনকভাৱে কিছুদিন পিছতেই লালডেঙ্গাৰ নেতৃত্বতেই MNFত নতুন সদস্য ভৰ্ত্তি আৰু সদস্যৰ গৰিলা যুদ্ধৰ প্ৰশিক্ষণৰ বাবে চীন লৈ প্ৰেৰণ কাৰ্য আৰম্ভ হৈছিল। ১৯৭৭ চনত মিজোৰামৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে তাত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে মিজো সন্ত্ৰাস শেষ কৰিবলৈ উঠি পৰি লাগিছিল কিন্তু সম্পূৰ্ণৰূপে এই আন্দোলন ধ্বংস কৰিব পৰা নাছিল। ১৯৭৯ চনৰ জুলাই মাহত নতুন প্ৰযুক্তিৰে প্ৰশিক্ষিত মিজো সন্ত্ৰাসবাদী সকলে আত্মপ্ৰকাশ কৰিছিল আৰু মিজোৰামৰ আৰক্ষী কাৰ্যালয়, ৰেডিঅ'ৰ কাৰ্য্যালয়ত আক্ৰমণ কৰিছিল। ইয়াৰ লগে লগে MNFৰ আন কিছুমান ভয়ংকৰ পৰিকল্পনাও ফাদিল হৈছিল। লগে লগে সামৰিক অভিযান তীব্ৰতৰ কৰি তোলা হৈছিল। কেন্দ্ৰত শাসনত থকা জনতা চৰকাৰে ঘোষণা কৰিছিল যে যেতিয়ালৈকে MNFএ অস্ত্ৰ প্ৰত্যাহাৰ নকৰে তেতিয়ালৈকে কোনো আলোচনা নহয়। আকৌ MNFৰ নেতা লালডেঙ্গাক কোৱা হৈছিল যে কেন্দ্ৰই মিজোৰামক সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা প্ৰদান কৰিব কিন্তু তাৰ আগতে তেওঁলোকে সশস্ত্ৰ বিদ্ৰোহ বন্ধ কৰিব লাগিব। ইয়াৰ পিছত কি চৰ্তত MNF আলোচনালৈ আহিব বা সন্ত্ৰাস বন্ধ কৰিব সেই সম্পৰ্কে লালডেঙ্গাই মত প্ৰকাশ কৰি কৈছিল যে মিজোৰামক নাগালেণ্ড আৰু কাশ্মীৰৰ দৰে বিশেষ মৰ্য্যাদা প্ৰদান কৰিলে, জংঘলত থকা কোনো ব্যক্তিৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰিলে আৰু তেওঁৰ ওপৰত থকা হত্যাৰ অভিযোগবোৰ মাফ হ'লে, তেওঁলোকে মিজোৰামৰ ৰাজনৈতিক সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত বহিব। কেন্দ্ৰীয় চৰকাৰে লালভেঙ্গাৰ এই প্ৰস্তাৱ নাকচ কৰিছিল আৰু ইয়াৰ লগে লগে MNFৰ সদস্য সকলে পুনৰ সন্ত্ৰাসৰ আশ্ৰয় লৈছিল। ১৯৮০ চনত ইন্দিৰা গান্ধী শাসনলৈ অহাৰ পিছত মিজো নেশ্বনেল ফ্ৰন্টে আলোচনাৰ প্ৰস্তাৱ আগবঢ়াইছিল। লালভেঙ্গাই মিজোৰামৰ সন্ত্ৰাসবাদী সমস্যাৰ সমাধানৰ বাবে এক কাৰ্য আচনি আগবঢ়াইছিল। ফলস্বৰূপে ঘোষণা হৈছিল যুদ্ধ বিৰতি ইয়াৰ দ্বাৰা কেৱল সন্ত্ৰাসমূলক কাৰ্যই বন্ধ হোৱা নাছিল, নতুন সদস্যৰ ভৰ্তিকৰণ, অ-মিজো সকলৰ বহিস্কাৰকৰণ, ধন দাবী আদিও বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল মিজো নেশ্বনেল ফন্টে। লগতে চৰকাৰেও সকলো

সামৰিক অভিযান বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এই যুদ্ধ বিৰতি আৰম্ভ হোৱাৰ পিছতে এক আলোচনাৰ পৰিৱেশ ৰচনা হৈছিল। কিন্তু এই শান্তিৰ পৰিৱেশ বেছিদিন নিটিকিল লালডেঙ্গাৰ দুইতৰপীয়া কাৰ্যৰ বাবে। এফালে তেওঁ সহযোগী কিছুমানক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল যে ভাৰতৰ লগতহে মিজোৰামৰ ভাগ্য সংলগ্ন হৈ আছে আৰু ভাৰত চৰকাৰকো নিশ্চয়তা দিছিল যে তেওঁ ভাৰতীয় সংবিধানৰ গাঠনিৰ ভিতৰতহে মিজো সমস্যা সমাধান সম্ভৱ বুলি বিশ্বাস কৰে আৰু আনফালে তেওঁ MNFৰ সশস্ত্ৰ বাহিনী Mizo National Armyক সন্ত্ৰাসমূলক কাৰ্য অব্যাহত ৰাখিব দিছিল। ফলস্বৰূপে নিৰাপত্তা বাহিনী আৰু সামৰিক অভিযানৰ শিথিলতাৰ সুযোগ লৈ MNFএ তেওঁলোকৰ শক্তি পুনৰুদ্ধাৰ কৰাত, ধন সংগ্ৰহ কৰাত, আন সন্ত্ৰাসবাদী গোটৰ লগত সংযোগ স্থাপন কৰাত, অস্ত্ৰ-শস্ত্ৰৰ ভেটি মজবুত কৰাত দুগুণ উৎসাহেৰে লাগি গৈছিল। এইদৰে MNFএ শান্তিৰ সলনি যুদ্ধৰ পৰিৱেশহে সৃষ্টি কৰিছিল।

১৯৮১ চনৰ মাৰ্চ মাহত লালডেঙ্গাই ইন্দিৰা গান্ধীৰ সন্মুখত পুনৰ আলোচনাৰ প্ৰস্তাৱ ৰাখিছিল। প্ৰধানমন্ত্ৰীয়ে তেওঁক সহযোগী সকলৰ লগত আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে বাৰ্মাত থকা MNFৰ মুখ্য কাৰ্য্যালয়লৈ অহাৰ অনুমতি প্ৰদান কৰিছিল। এই আলোচনাৰ পিছত লালডেঙ্গাই ঘোষণা কৰিছিল যে MNFএ এখন বৃহত্তৰ মিজোৰাম বিছাৰে য'ত অসম, ত্ৰিপুৰা আৰু মণিপুৰৰ বৃহত্তৰ অংশ অন্তভুক্ত হ'ব। তেওঁ লগতে মিজো লোকসকলৰ পৃথক নৃগোষ্ঠীয় আৰু ধৰ্মীয় বৈশিষ্ট্য সুৰক্ষাৰ বাবে মিজোৰামক কিছু স্বতন্ত্ৰতা প্ৰদানৰ দাবী উত্থাপন কৰিছিল। এইদৰে MNFএ প্ৰকৃততে আলোচনাৰ পৰিপন্থী এক উদাহৰণহে দাঙি ধৰিছিল আৰু নিজৰ সন্ত্ৰাসমূলক কাৰ্য চলাই গৈছিল। লালডেঙ্গাই আনকি শাসনাধিষ্ঠ মুখ্যমন্ত্ৰীজনৰ সলনি নিজকে সেই পদত অধিষ্ঠিত কৰাৰ দৰে দাবীও উত্থাপন কৰিছিল। গতিকে মিজো সমস্যা চলিয়েই আছিল। আন্দোলনৰ দৈৰ্ঘতাই ইয়াৰ জনপ্ৰিয়তাও কিছু হ্ৰাস কৰিছিল। মিজো সমাজৰ বিভিন্ন প্ৰান্তৰ পৰা আলোচনাৰ দাবী উত্থাপন হ'বলৈ আৰম্ভ কৰিছিল। ফলস্বৰূপে লালডেঙ্গাইও আলোচনাৰ মেজলৈ পুনৰ আহিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। অৱশেষত ১৯৮৫ চনৰ ৩০ অক্টোৱৰ তাৰিখে এক নতুন ইতিহাস সৃষ্টি হৈছিল আৰু মিজো চুক্তি স্বাক্ষৰ হৈছিল। MNFএ অস্ত্ৰ ত্যাগ কৰিছিল আৰু কংগ্ৰেছৰ লগত ই সন্মিলিত চৰকাৰ গঠন কৰিছিল। চৰকাৰৰ নেতৃত্ব বহনেৰে লালডেঙ্গা মুখ্যমন্ত্ৰী হৈছিল। ইয়াৰ পিছত ১৯৮৫ চনত ৰাজ্যিক বিধানসভাৰ ৪০ খন আসনৰ বাবে হোৱা নিৰ্বাচনত MNFএ ২৫ খন আসন লাভ কৰি লালডেঙ্গাৰ নেতৃত্বত চৰকাৰ গঠন কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰাজীৱ গান্ধীয়ে এই নতুন ৰাজ্যখনক সহযোগিতাৰ প্ৰতিশ্ৰুতি দিছিল আৰু লালডেঙ্গাইও কেন্দ্ৰীয় চৰকাৰক সহযোগিতাৰ নিশ্চিতি দিছিল। এইদৰে মিজোৰাম ৰাজ্যৰ গঠনেৰে মিজো বিচ্ছিন্নতাবাদৰ অৱসান ঘটিছিল।

## নাগালেণ্ড

(Nagaland)

নাগালেণ্ডত জাপো ফিজোৰ নেতৃত্বত পঞ্চাশৰ দশকত এক স্বাধীন তথা সাৰ্বভৌম নাগালেণ্ডৰ দাবী উত্থাপন হৈছিল। জাপো ফিজো এ নাগা আন্দোলনৰ বাবে নাগা নেশ্বনেল কাউন্সিল নামে এটা সংস্থা গঠন কৰিছিল। আনকি ফিজোৱে ১৯৫০ চনৰ ফেব্ৰুৱাৰী মাহত এক গনভোট অনুষ্ঠিত কৰিছিল। এই গণভোটত প্ৰায় ৯৯ শতাংশ নাগালোকেই স্বাধীন নাগালেণ্ডৰ সপক্ষে ভোট প্ৰদান কৰিছিল। ১৯৫২ চনত দেশত যেতিয়া প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল তেতিয়া জাপো ফিজোৰ আহ্বানত নাগাসকলে এই নিৰ্বাচনো বৰ্জন কৰিছিল। ১৯৫৫ চনৰ আশে পাশে নাগা নেশ্বনেল

কাউন্সিলে বিভিন্ন হিংসাত্মক কাৰ্য সম্পাদন কৰিছিল। এই হিংসাত্মক কাৰ্য নিয়ন্ত্ৰণৰ বাবে চৰকাৰে সামৰিক বাহিনী নিয়োগ কৰিছিল। ১৯৫৬ চনত নাগা নেশ্বনেল কাউন্সিলৰ কেইজনমান সদস্যই জাপো ফিজোৰ বিপৰীতে গৈ প্ৰধানমন্ত্ৰী নেহৰুক লগ ধৰি সকলো নাগা অঞ্চলৰ একত্ৰীকৰণ আৰু এক প্ৰশাসনীয় গোটৰ অন্তৰ্ভূক্তিকৰণৰ প্ৰস্তাৱ আগবঢ়াইছিল। নেহৰুৱে তেওঁলোকক নিশ্চিতি দিছিল যে নাগালোকসকলৰ এই দাবী সাংবিধানিক পৰিসীমাৰ ভিতৰত নিশ্চয় আলোচনা কৰা হ'ব আৰু সমাধানৰ চেষ্টা কৰা যাব। অসম চৰকাৰে ইয়াৰ পিছতে জাপো ফিজোৰ লগতে তেওঁৰ সহযোগীৰ অনুসন্ধান দিয়া লোকৰ বাবে পুৰস্কাৰ ঘোষণা কৰিছিল। ১৯৫৭ চনৰ আগষ্ট মাহত নৰমপন্থী কিছুমান নাগা নেতাৰ নেতৃত্বত এক অধিবেশন হৈছিল আৰু এই অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে সকলো নাগা অঞ্চলক লৈ এক প্ৰশাসনীয় গোট গঠন কৰিব লাগে যাৰ প্ৰশাসন ভাৰতৰ ৰাষ্ট্ৰপতিৰ হৈ অসম চৰকাৰৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ লগতে আৰু এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে নাগা সকলৰ উন্নতিৰ বাবে হিংসাৰ আশ্ৰয় লৈ থকা বিদ্ৰোহী গোটবোৰে হিংসা পৰিত্যাগ কৰিব আৰু চৰকাৰৰ লগত সহযোগিতাৰে কাম কৰিব। এই দুয়োটা প্ৰস্তাৱেই নাগা আন্দোলনৰ লক্ষ্যৰ পৰিৱৰ্তনৰ ইঙ্গিত বহন কৰিছিল। ভাৰত চৰকাৰে এই দুয়োটা প্ৰস্তাৱক স্বাগতম জনাইছিল আৰু ১৯৬০ চনত নাগা নেতা আৰু ভাৰত চৰকাৰৰ মাজত এক চুক্তি হৈছিল। ইয়াৰ মাজতে ১৯৬১ চনত এক অন্তৰ্বৰ্তীকালীন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল নাগালেণ্ড গঠনৰ পূৰ্বে এই অঞ্চলক পৰিচালনা কৰাৰ বাবে ১৯৬২ চনত নেহৰুৱে লোকসভাত নাগালেণ্ড বিল উত্থাপন কৰিছিল আৰু অনুমোদনৰ পিছত ১৯৭২ চনৰ চেপ্তেম্বৰত নাগালেণ্ডক এখন সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা প্ৰদান কৰা হৈছিল। ১৯৬৩ চনত ৰাষ্ট্ৰপতিয়ে এই ৰাজ্য উদ্বোধন কৰিছিল। ১৯৬৪ চনত ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ইয়াত নাগা নেশ্বনেলিষ্ট দলৰ নেতা ড° স্বিলু আও মুখ্যমন্ত্ৰী হৈছিল। ইয়াৰ পিছতো কিন্তু কিছু নাগা বিদ্ৰোহীয়ে হিংসা পৰিত্যাগ কৰা নাছিল। বৰঞ্চ পূৰ্বতকৈ বেছি হিংসাত্মক হৈ পৰিছিল। আনকি এই বিদ্ৰোহী গোটটোৱে মুখ্যমন্ত্ৰী আও কো হত্যা কৰিছিল। এই সময়তে ফিজোৱে লণ্ডন ভ্ৰমণ কৰিছিল আৰু নিজৰ পক্ষত সমৰ্থন আদায়াৰ চেষ্টা কৰিছিল। ফিজোৱে আনকি পাকিস্তান আৰু চীনৰো সমৰ্থন লাভ কৰাৰ চেষ্টা চলাইছিল আৰু বহু পৰিমাণে সফলো হৈছিল। এই দুয়োখন দেশৰ পৰাই ফিজোৱে যথেষ্ট অস্ত্ৰ-শস্ত্ৰ আহৰণ কৰিবলৈ সক্ষম হৈছিল। এই দুয়োখন ৰাষ্ট্ৰই আনকি বিদ্ৰোহী সকলক অস্ত্ৰ-শস্ত্ৰ চালনাৰ আৰু গৰিলা যুদ্ধৰ প্ৰশিক্ষণ দিছিল। ৭০ৰ দশকত সেয়েহে নাগা বিদ্ৰোহী সকলৰ কাম কাজে চূড়ান্ত সীমাত প্ৰৱেশ কৰিছিল। ভাৰত চৰকাৰো অৱশ্যে বহি থকা নাছিল। যথেষ্ট কঠোৰ হাতেৰে বিদ্ৰোহীসকলক দমন কৰাৰ বাবে চৰকাৰে চেষ্টা কৰিছিল। বিদ্ৰোহী সংগঠন বোৰক বেআইনী ঘোষণা কৰি নিষিদ্ধ কৰা হৈছিল।

ইয়াৰ পিছত ১৯৭৫ চনত নাগালেণ্ডৰ ৰাজ্যপালে বহুকেইজন বিদ্ৰোহী নাগা নেতাৰ সৈতে শ্বিলঙত এক চুক্তি স্বাক্ষৰ কৰিছিল। এই চুক্তিত নাগা বিদ্ৰোহী সকলে চৰ্তহীন ভাৱে ভাৰতীয় সংবিধান মানি লোৱাৰ আৰু হিংসাত্মক কাৰ্য কলাপ বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু ইয়াৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে আভ্যন্তৰীন নিৰাপত্তা নিশ্চিতকৰণ আইন উঠাই লোৱাৰ প্ৰতিশ্ৰুতি দিছিল। লগতে চৰকাৰে বন্দী হৈ থকা বিভিন্ন বিদ্ৰোহী নেতাক জেলৰ পৰা মুকলি কৰি দিয়াৰো প্ৰতিশ্ৰুতি দিছিল। কিন্তু কিছুমান নাগা বিদ্ৰোহী নেতাই পুণৰ এই শ্বিলং চুক্তিক অগ্ৰাহ্য কৰিছিল আৰু হিংসাত্মক কাৰ্য পুনৰ আৰম্ভ কৰিছিল। ১৯৮০ চনৰ মাজভাগত শান্তি কামী নাগা সংগঠন নাগালেণ্ড শান্তি পৰিষদ (Nagalend Peace Council) সাংবিধানিক গাঠনিৰ ভিতৰত নাগা সমস্যা সমাধানৰ বাবে কহিমাত নাগা গণ সন্মিলন (Naga Peace Conference) অনুষ্ঠিত কৰিছিল। ইয়াত নাগা সকলৰ বিভিন্ন জনগোষ্ঠীৰ প্ৰতিনিধি সকলে অংশ গ্ৰহণ কৰিছিল। এই

সন্মিলনত শ্বিলঙ চুক্তিক ভিত্তি হিচাপে লৈ নাগা সমস্যা সমাধানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই সন্মিলনৰ অন্যতম বিফলতা আছিল যে ইয়াত বিদ্ৰোহী সংগঠনৰ কোনো শীৰ্ষ নেতাই অংশগ্ৰহণ কৰা নাছিল। এই সন্মিলনৰ পিছতেই দুজন বিদ্ৰোহী নেতা ইচ্যাক চি চি চ্যু আৰু থুইংলাংগেং মুইভাই এক নতুন সংগঠন NSCN অৰ্থাৎ National Socialist Council of Nagaland গঠন কৰিছিল আৰু নাগা বিদ্ৰোহী কাৰ্য কলাপ পুণৰ নতুন দিশেৰে সূচনা কৰিছিল। পিছলৈ এই সংগঠনৰ নীতিৰ প্ৰতি নাগা জনসাধাৰণৰ এক গৰিষ্ঠ সংখ্যক আকৰ্ষিতও হৈছিল। বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে এই সমস্যা সমাধানৰ বাবে NSCN ৰ নেতৃবৃন্দৰ লগত আলোচনা চলাইছিল যদিও বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। কিন্তু ৯০ৰ দশকৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত NSCNৰ আলোচনাই এক নতুন ৰূপ লৈছিল আৰু NSCNএ বিভিন্ন সময়ত যুদ্ধবিৰতি ঘোষাণাৰে আলোচনা প্ৰক্ৰিয়াক এক নতুন গতি প্ৰদান কৰিছিল। এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে নাগা জনসাধাৰণৰ বিকাশৰ বাবে বিভিন্ন নীতি আৰু আচনি গ্ৰহণ কৰি নাগা লোকসকলক শান্তিপূৰ্ণ আৰু সাংবিধানিক ব্যৱস্থাৰ প্ৰতি আস্থাবান কৰি তুলিবলৈ চেষ্টা কৰিছিল। দীঘলীয়া আলোচনা প্ৰক্ৰিয়া, নাগালেণ্ডৰ উন্নয়ণৰ পৰিকল্পনা, নাগালেণ্ডলৈ বিশেষ সুবিধা ইত্যাদিয়ে লাহে লাহে নাগা আন্দোলনৰ উত্তেজনা কমাই আনিছিল। ফলস্বৰূপে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে NSCNৰ লগত শান্তি চুক্তি স্বাক্ষৰ কৰিছিল। কিন্তু ইয়াৰ পিছতো NSCNৰ খাপলাং গোটটোৱে এই চুক্তি গ্ৰহণ নকৰে বুলি মত প্ৰকাশ কৰিছিল। তথাপিও এটা কথা নিশ্চিত যে নাগালেণ্ডৰ বিচ্ছন্নতাবাদী আন্দোলনে পূৰ্বৰ তীব্ৰতা হেৰুৱাই পেলাইছে। নাগা লোক সকলেও সাংবিধানিক ব্যৱস্থাৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰিছে। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত নাগালেণ্ডৰ জনসাধাৰণে সৰ্বোচ্চ অংশগ্ৰহণেৰে সাংবিধানিক ব্যৱস্থাৰ প্ৰতি থকা আস্থা প্ৰমাণ কৰিছিল।

বিভিন্ন জটিলতা আৰু সমস্যাৰ সন্মুখীন হোৱাৰ পিছতো নাগা আন্দোলনক এক সংগঠিত আৰু একত্ৰীত আন্দোলন বুলিয়েই কব পাৰি। এই আন্দোলনে বিভিন্ন পৰ্য্যায়ত বিভিন্ন নেতাৰ নেতৃত্বত আনকি আদৰ্শগত পাৰ্থক্যৰ দ্বাৰাও পৰিচালিত হৈছে। আচলতে যিকোনো এটা দীঘলীয়া আন্দোলনেই আদৰ্শগত বা আন দিশত পৰিৱৰ্তনৰ সন্মুখীন হোৱাটো স্বাভাৱিক। গতিকে দীঘলীয়া সময় জুৰি চলা নাগা আন্দোলনো ইয়াৰ ব্যতিক্ৰম নহয়। পৰিৱৰ্তিত আৰ্থসামাজিক পৰিস্থিতিৰ প্ৰেক্ষাপটত নিজক ঢাল খোৱাব নোৱাৰাটো আৰু স্বাধীনতাৰ পিছতো তেওঁলোকৰ বিশেষ নৃগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয় ভাৰত চৰকাৰে স্বীকৃতি নিদিয়াত নাগাসকলৰ মাজত অসন্তুষ্টি তীব্ৰতৰ হৈ উঠিছিল। দৰাচলতে তেওঁলোকে পৰিচয়ক শংকাত (Identity Crisis) ভুগিছিল। গতিকে নাগা আন্দোলনক কেতিয়াও এক সম্পূৰ্ণ ৰাজনৈতিক দিশৰ পৰা পৰ্য্যালোচনা কৰা উচিত নহয়। এয়া ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বিচ্ছিন্নতাবাদী আন্দোলন নাছিল। ই আছিল মূলতঃ নৃ-গোষ্ঠীয় আৰু সাংস্কৃতিক (Ethnocultural)। নাগা আন্দোলনে প্ৰথম অৱস্থাত তেওঁলোকৰ পৰম্পৰাগত প্ৰথা, জীৱনশৈলী, সংস্কৃতি আদিৰ সুৰক্ষাৰ বাবেহে আন্দোলন আৰম্ভ কৰিছিল। নাগাসকলে ভাবিছিল যে ভাৰতৰ আন অঞ্চলৰ লগত ইয়াৰ একত্ৰীকৰণে তেওঁলোকৰ বিশেষ সামাজিক-সাংস্কৃতিক অধিকাৰ তথা পৰিচয় নিঃশেষ কৰিব। এই শংকা যে স্বাধীনতাৰ পিছতহে আৰম্ভ হৈছিল তেনেকুৱা নহয়, বৰঞ্চ ইংৰাজ শাসনৰ সময়ত আৰম্ভ হৈছিল। ১৯১৮ চনত কহিমাত নাগা ক্লাব (Naga Club)ৰ গঠনে এই কথাক প্ৰমান কৰে। এই নাগা ক্লাবেই আছিল প্ৰথম সংগঠন যিটো নাগা পাহাৰৰ প্ৰায় সকলো জনগোষ্ঠীকে একত্ৰীত কৰিছিল। নাগা ক্লাবে আনকি ভাৰতলৈ ১৯২৯ চনত অহা চাইমন কমিছনক লগ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল আৰু ইয়াত দাবী উত্থাপন কৰিছিল যে প্ৰস্তাৱিত সংশোধনৰ পৰা নাগা পাহাৰক বাহিৰত ৰাখিব লাগে

আৰু ব্ৰিটিছৰ প্ৰত্যক্ষ তথা পূৰ্বৰ নীতি অনুসৰিয়ে নাগা পাহাৰৰ প্ৰশাসন পৰিচালিত হ'ব লাগে। অৱশ্যে ১৯৪৫ চনত গঠন হোৱা Naga Hills District Tribal Council (যি ১৯৪৬ চনত Naga National Council হিচাপে পৰিছিত হৈছিল)ক নেতৃত্বতহে আধুনিক ৰাজনৈতিক নাগা বিচ্ছিন্নতাবাদী আন্দোলন প্ৰকৃতাৰ্থত আৰম্ভ হৈছিল। NNCৰ নেতৃত্বতেই একত্ৰীত ভাবে পৃথক আৰু স্বাধীন নাগাৰাষ্ট্ৰৰ দাবী উত্থাপন হৈছিল। NNCৰ নেতৃত্বৰ প্ৰথম কেইবছৰত এই আন্দোলন বিশেষ হিংসাত্মক হৈ উঠা নাছিল কিন্তু পিছলৈ ই ক্ৰমান্বয়ে হিংসাত্মক হৈ পৰিছিল। ১৯৭৫ চনৰ শ্বিলঙ চুক্তিয়ে নাগা আন্দোলনক কিছু শান্ত কৰিছিল যদিও এয়াও বেছি দীঘলীয়া ন'হল। ৯০ৰ দশকৰ পৰা কিন্তু এই আন্দোলন স্তিমিত হৈ পৰিছিল। ইয়াৰ মূল কাৰণ হ'ল নাগালেণ্ডৰ গীৰ্জাৰ মুৰব্বী সকলৰ শান্তি স্থাপনৰ ক্ৰমাগত প্ৰচেষ্টা, শান্তি সংগঠনৰ প্ৰচেষ্টা, ভাৰত চৰকাৰৰ প্ৰচেষ্টা তথা আৰ্থ সামাজিক বিকাশৰ ওপৰত আৰোপ কৰা গুৰুত্ব, হিংসাৰ প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ ওপৰত নৱপ্ৰজন্মৰ মাজত অহা প্ৰশ্ন ইত্যাদি। ইতিমধ্যেই উল্লেখ কৰা হৈছে ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনৰ সৰ্বোচ্চ অংশগ্ৰহণেৰে নাগা লোক সকলে কিদৰে সাংবিধানিক ব্যৱস্থাৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰি হিংসা ত্যাগৰ সংকেত দিছিল। তাৰ ফলস্বৰূপেই ২০১৫ চনত স্বাক্ষৰ হৈছিল ঐতিহাসিক নাগা চুক্তি। অৱশ্যে ইয়াৰ সৰ্বগ্ৰহণযোগ্যতা সম্পৰ্কত যথেষ্ট বিৰ্তকও হোৱা দেখা যায়।

এতিয়া যদি এই আন্দোলনৰ ফলাফল বা তাৎপৰ্য বিশ্লেষণ কৰা যায় তেনেহ'লে নিশ্চয়কৈ কব লাগিব যে এই আন্দোলনে নাগা লোক সকলৰ মনত সজাগতা তথা সচেতনতা আৰু একত্ৰীকৰণৰ ভাৱ দৃঢ় কৰি তুলিছিল। পোন প্ৰথমবাৰৰ বাবে নাগাসকলে সংগঠিত ভাৱে নিজৰ পৃথক সামাজিক আৰু সাংস্কৃতিক তথা পৰম্পৰাগত অধিকাৰৰ দাবী উত্থাপন কৰি নিজৰ সজাগতাৰ উমান দিছিল। তেওঁলোকৰ এই দাবী বহুপৰিমাণে সফলো হৈছিল। নাগা আন্দোলনৰ এক প্ৰত্যক্ষ ৰাজনৈতিক ফলাফল হ'ল নাগালেণ্ডক এক সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা প্ৰদান। এই আন্দোলনৰ জৰিয়তেই নাগালেণ্ড আৰু নাগালেণ্ডৰ জনসাধাৰণে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। নাগা আন্দোলনৰ বাবেই কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ আৰ্থ সামাজিক বিকাশৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। এই সকলো বোৰৰ দ্বাৰা লাভান্বিত হৈছিল নাগা জনসাধাৰণ আৰু তেওঁলোকৰ সন্তুষ্টি আৰু আস্থাই ভাৰতৰাষ্ট্ৰৰ একতাক সুৰক্ষিত কৰাত সহায় কৰিছে কাৰণ বিচ্ছিন্নতাৰ দাবীয়ে ভাৰতৰ দৰে ৰাষ্ট্ৰৰ এহাতে একতা আৰু অখণ্ডতাৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰে আৰু আনহাতে আৰ্থ সামাজিক বিকাশৰ পথো ৰুদ্ধ কৰে।

## **অসম** (Assam)

উত্তৰ পূৰ্বাঞ্চলৰ এখন গুৰুত্বপূৰ্ণ ৰাজ্য হ'ল অসম। এই ৰাজ্যৰ মূল ভাষা হ'ল অসমীয়া। অসমত ইয়াৰ খিলঞ্জীয়া লোক সকল, বাংলাদেশৰ পৰা অহা মৈমনসিঙীয়া লোকসকল আৰু চাহ বাগিছাৰ লোকসকল বাস কৰে। অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসস্থান। বড়ো সকল হ'ল অসমৰ সৰ্ববৃহৎ জনগোষ্ঠী। মিছিং, ডিমাছা আদিও অসমৰ অন্যতম জনগোষ্ঠী।

অসমত ৬০ ৰ দশকৰ শেষৰ পৰাই অন্য ৰাজ্যৰ পৰা অহা আৰু অসমৰ বাণিজ্যত আধিপত্য বিৰাজ কৰা লোকৰ বিৰুদ্ধে লাচিত সেনা নামৰ এটা সংগঠনে প্ৰতিবাদ আৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত পোষ্টাৰ, প্ৰচাৰ, আদিৰ মাজতেই এই বিৰোধ সীমাবদ্ধ আছিল যদিও পিছলৈ ই কিছু কঠোৰ হৈ পৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত অসম চৰকাৰে এই প্ৰতিবাদ অতি কম সময়ৰ ভিতৰতে নিয়ন্ত্ৰণ কৰিছিল। ইয়াৰ পিছত ৭০ৰ দশকৰ শেষৰ ফালেহে অসমত অনুপ্ৰবেশকাৰীৰ

বিৰুদ্ধে আন্দোলন আৰম্ভ হৈছিল। সদৌ অসম গণ সংগ্ৰাম পৰিষদ আৰু সদৌ অসম ছাত্ৰ সন্থাই ভোটাৰ তালিকাত যথেষ্ট সংখ্যক অবৈধ ভোটাৰৰ নাম থকাৰ অভিযোগ উত্থাপন কৰি আন্দোলন আৰম্ভ কৰিছিল। এই দুয়োটা সংস্থাই অভিযোগ কৰিছিল যে ষাঠিৰ দশকৰ মাজভাগৰ পৰা ১৯৭১ চনলৈ বাংলাদেশ গঠনৰ সময়ত প্ৰায় ১০ লাখ মান মানুহ অসমত প্ৰৱেশ কৰিছিল আৰু তেওঁলোকৰ মাজৰ পৰা এক বুজনসংখ্যকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভূক্ত হৈছিল। দুয়োটা সংগঠনে দাবী উত্থাপন কৰিছিল যে অসমত থকা সকলোবোৰ বিদেশীক চিনাক্ত কৰিব লাগে, তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তন কৰিব লাগে আৰু তেওঁলোকক বহিস্কাৰ কৰিব লাগে। এই বিষয়ে আছু আৰু গনসংগ্ৰাম পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত বহিছিল যদিও কোনো লাভ হোৱা নাছিল। প্ৰতিবাদ চলি থকাৰ মাজতেই ১৯৮৩ চনত অসম বিধানসভাৰ নিৰ্বাচন ঘোষণা হৈছিল। আছু আৰু গণসংগ্ৰাম পৰিষদে শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত নোহোৱাৰ ভিত্তিত এই নিৰ্বাচন বৰ্জনৰ আহ্বান জনাইছিল। চৰকাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বদ্ধ পৰিকৰ আছিল আৰু বিভিন্ন প্ৰতিবাদৰ মাজতেই নিৰ্বাচন অনুষ্ঠিত হৈছিল। অৱশ্যে খুব কম সংখ্যক অসমবাসীয়েহে ইয়াত ভোটদান কৰিছিল। নিৰ্বাচনৰ পিছত গঠন হোৱা কংগ্ৰেছ চৰকাৰৰ নেতৃত্ব বহন কৰিছিল হিতেশ্বৰ শইকীয়াই। বহু প্ৰতিবাদ, হিংসা আৰু বিতৰ্কৰ পিছত ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰ হৈছিল ১৯৭১ চনক ভিত্তি বৰ্ষ হিচাপে লৈ। আন্দোলনৰ এই সময়ছোৱাতে ১৯৭৯ চনৰ পৰা অসমত সন্ত্ৰাসৰ আশ্ৰয় লোৱা বা লব বিছৰা এক সংগঠনৰ জন্ম হৈছিল যি এফালে কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি উদাসীনতাক প্ৰত্যহ্বান জনাইছিল। ১৯৭৯ চনত গঠন হোৱা এই গোটটো হ'ল 'সংযুক্ত মুক্তি বাহিনী অসম' (United Liberation Front of Assam, ULFA)। অসম চুক্তিৰ পিছত অসম আন্দোলনৰ নেতৃত্বৰ মাজৰ পৰাই গঠন হোৱা ৰাজনৈতিক দল অসম গণ পৰিষদে অসমৰ জনসাধাৰণৰ পৰা বিপুল সহাৰি লাভ কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। এই সময়ছোৱাত আলফাই ইয়াৰ মূল লক্ষ্যও কিছু পৰিবৰ্তন কৰিছিল আৰু ঘোষণা কৰিছিল যে ভাৰতৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ পৰা মুক্ত হৈ এখন স্বাধীন আৰু সাৰ্বভৌম অসম প্ৰতিষ্ঠা কৰিব লাগে। এই লক্ষ্যক পূৰণ কৰিবলৈ আলফাই হিংসাত্মক কাৰ্যৰ সূচনা কৰিছিল। অসমৰ বহু ডেকা ল'ৰা-ছোৱালীয়ে আলফাৰ আহ্বানত সহাৰি দি ইয়াত যোগদান কৰিছিল আৰু আলফাৰ শক্তি বৃদ্ধি কৰিছিল। লগে লগে কেন্দ্ৰীয় চৰকাৰে আলফাৰ আন্দোলন মষীমূৰ কৰিবলৈ সেনাবাহিনী নিয়োগ কৰিছিল। সেনা অপাৰেশ্বনত বহুতো সন্ত্ৰাস সৃষ্টিকাৰী আটক হৈছিল বা মৃত্যুমুখত পৰিছিল। তথাপিও আলফাৰ আন্দোলন স্তিমিত হোৱা নাছিল। আলফাই ৮০ দশকত ভূটানত ইয়াৰ মূল ঘাটি প্ৰতিষ্ঠা কৰিছিল আৰু তাৰপৰাই সন্ত্ৰাসমূলক কাম-কাজ অব্যাহত ৰাখিছিল ২০০৩ চনত ভাৰত আৰু ভূটান চৰকাৰৰ যৌথ অভিযানত আলফাৰ ভূটানত থকা শিবিৰ উৎখাত কৰা হৈছিল আৰু ইয়াৰ ফলত যথেষ্ট অস্ত্ৰ-শস্ত্ৰৰ ক্ষতিৰে সংগঠনটো বহু পৰিমাণে দুৰ্বল হৈ পৰিছিল। ইয়াৰ পিছত বাংলাদেশ আলফাৰ ঘাটিত পৰিণত হৈছিল। কিন্তু ২০০৪ চনত বাংলাদেশত শ্বেখ হাছিনাৰ চৰকাৰ গঠন হোৱাৰ পিছতে আলফাৰ সংকট আহিছিল। শ্বেখ হাছিনা চৰকাৰে আলফাৰ নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰক সহায় আগবঢ়াইছিল আৰু বহুকেইজন বাংলাদেশত থকা শীৰ্ষস্থানীয় আলফা নেতাক গ্ৰেপ্তাৰ কৰি ভাৰতলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ পিছৰ পৰাই আলফাৰ শক্তি অসমত স্তিমিত হোৱা দেখা গৈছে।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে আলফাই এক সাৰ্বভৌম আৰু স্বাধীন অসমৰ দাবী উত্থাপন কৰিছিল। তেওঁলোকে ভাৰতৰাষ্ট্ৰক সাম্ৰাজ্যবাদী শাসক হিচাপেহে গণ্য কৰিছিল আৰু মত প্ৰকাশ কৰিছিল বা প্ৰাকৃতিক সম্পদত চহকী অসমৰ পৰা ভাৰত ৰাষ্ট্ৰই সম্পদসমূহ শোষণ কৰে কিন্তু ইয়াৰ বিনিময়ত অসমে পাবলগীয়াখিনি নাপায়। সেয়েহে অসমত বিকাশৰ সলনি অৰ্থনৈতিক অনগ্ৰসৰতাহে গা কৰি উঠিছে। গতিকে অসমৰ জনসাধাৰণৰ বাবে একে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ

লগত থকা কথাটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। ১৯৭৯ চনৰ ৭ এপ্ৰিলত ৰংঘৰৰ বাকৰিত জন্মলাভ কৰা সংযুক্ত মুক্তি বাহিনী অসমৰ প্ৰতি প্ৰথম অৱস্থাত অসমীয়া জনসাধাৰণৰো যথেষ্ট সমৰ্থন আছিল। কিন্তু বিভিন্ন সময়ত এই সংগঠনটোৱে কৰা কিছুমান কাৰ্যই অসমীয়া জনসাধাৰণক বিতুষ্ট কৰিছিল। যেনে- ২০০৪ চনৰ ধেমাজিৰ বোমা বিস্ফোৰণ, য'ত বহুকেইজন শিশুৱে প্ৰাণ হেৰুৱাব লগা হৈছিল, সমাজকৰ্মী সঞ্জয় ঘোষৰ হত্যা ইত্যাদি। সংগঠনটোৰ আন কিছুমান সদস্যইও বিভিন্ন সময়ত ধন দাবী বা তেনেকুৱা কামেৰে সংগঠনটোক অসমীয়া জনসাধাৰণৰ মনৰ পৰা আতৰাই লৈ গৈছিল।

১৯৯০ চনত অপাৰেশ্বন বজৰংৰ দ্বাৰা প্ৰথমবাৰৰ বাবে ভাৰত চৰকাৰে সংযুক্ত মুক্তি বাহিনীক আক্ৰমণ কৰিছিল। ইয়াৰ পিছতে ই মুখ্য কাৰ্য্যালয় ভূটানলৈ স্থানান্তৰ কৰিছিল। ইয়াৰ পিছত বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে আলফাক নিয়ন্ত্ৰণলৈ আনিবলৈ বিভিন্ন প্ৰচেষ্টা বা অভিযান চলাইছিল। ইয়াৰ লগে লগে কিন্তু আলোচনা প্ৰক্ৰিয়াও চলি আছিল। বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে আলফা নেতৃবৃন্দক আলোচনাৰ বাবে আহ্বান কৰিছিল। আলোচনা প্ৰক্ৰিয়া ১৯৯০ চনৰ অপাৰেশ্বন বজৰংৰ পিছৰ পৰাই আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত আলফাৰ হৈ নেতা অৰবিন্দ ৰাজখোৱা সহিতে কেইজনমানে অংশগ্ৰহণ কৰিছিল। কিন্তু মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ নিৰ্দেশত তেওঁলোক বহুকেইবাৰ আলোচনা সমাপ্ত নকৰাকৈয়ে সামৰিব লগা হৈছিল।

২০০৩ চনত যেতিয়া ভূটানত সংগঠনটোৰ বিৰুদ্ধে যৌথ অভিযান চলোৱা হৈছিল তাৰ পিছত সংগঠনৰ পৰা পুনৰ চৰকাৰৰ লগত আলোচনাৰ প্ৰস্তাৱ আহিছিল। পৰেশ বৰুৱাই কিন্তু শান্তি প্ৰস্তাৱৰ লগত 'অসমৰ সাৰ্বভৌমত্ব' আৰু 'তৃতীয় ৰাষ্ট্ৰত আলোচনা'ৰ চৰ্ত্ত ৰাখিছিল। আলফাৰ এই আলোচনাৰ প্ৰস্তাৱ গ্ৰহণত কিন্তু কেন্দ্ৰীয় চৰকাৰ সাৱধান আছিল। অসমৰ বিখ্যাত সাহিত্যিক মামনি ৰয়ছম গোস্বামীয়েও কেন্দ্ৰীয় চৰকাৰক আলোচনালৈ আহিবলৈ আহ্বান জনাইছিল। বিভিন্ন পক্ষৰ প্ৰচেষ্টাৰ পিছতো কেন্দ্ৰীয় চৰকাৰে সাৰ্বভোমত্বৰ বিষয়টোত আলোচনা কৰিবলৈ সন্মত নহ'ল। পৰেশ বৰুৱাই এই কাৰ্যক সাম্ৰাজ্যবাদৰেই নীতি আখ্য দিছিল। ইয়াৰ পিছত ২০০৫ চনত মামনি ৰয়ছম গোস্বামীয়ে পুনৰ আলফা আৰু চৰকাৰৰ আলোচনাৰ পথ প্ৰশস্ত কৰাৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিংক লগ কৰিছিল। এই সময়তে আলফাই প্ৰথমবাৰৰ বাবে নাগৰিক সমাজক আলোচনাত আগভাগ লোৱাৰ আহ্বান জনাই ১১ জনীয়া এটা দল (People's Consultative Group– PCG) গঠন কৰিছিল। এই দলত সাহিত্যিক, বুদ্ধিজীৱি তথা নাগৰিকক অন্তৰ্ভূক্ত কৰি চৰকাৰৰ লগত আলোচনাৰ বাবে আহ্বান জনাইছিল। এই দলটোৱে ২০০৫ চনৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰীৰ লগত আলোচনাত মিলিত হৈছিল। আলোচনা যথেষ্ট ধনাত্মক বুলি দলটোৱে পিছত মন্তব্য কৰিছিল। এই আলোচনা হঠাৎ বন্ধ হৈছিল যেতিয়া দুয়োপক্ষই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ আশ্ৰয় লৈছিল। বিশেষকৈ ২০০৫ চনত ডিব্ৰু-চৌখোৱাত হোৱা সামৰিক অভিযান এই আলোচনা ব্যৰ্থ কৰিবলৈ যথেষ্ট আছিল। ইয়াৰ পিছতেই আলফাই আক্ৰমণৰ লক্ষ্য কৰি লৈছিল হিন্দী ভাষী লোকসকলক। পৰিস্থিতি পুনৰ উত্তপ্ত হৈছিল। ইয়াৰ পিছতো কিন্তু চৰকাৰে আলোচনাৰ পথ একেবাৰে ৰুদ্ধ কৰা নাই। লাহে লাহে আলোচনাৰ বিষয়ক লৈ আলফা নেতৃত্বৰ মাজতো দ্বি-মত হ'বলৈ ধৰিছিল। ফলস্বৰূপে কিছুমানে সাৰ্বভৌমত্বৰ বিষয়টো বাহিৰত ৰাখি আলোচনা কৰিবলৈ সাজু হৈছে বা কৰিছেও। কিন্তু এই গোটটোৰ কাম-কাজক এতিয়া পৰেশ বৰুৱাই আলফাৰ মূল দাবীৰ পৰা পৃথক বুলি ঘোষণা কৰি এই আলোচনা গ্ৰহণযোগ্য নহয় বুলি ঘোষণা কৰি আহিছে। কিন্তু এটা কথা নিশ্চিত যে আলফাৰ শক্তি পূৰ্বতকৈ যথেষ্ট হ্ৰাস পাইছে।

## অসমৰ বড়োসকলৰ পৃথক ৰাজ্যৰ দাবী

(Demand for separate state by the Bodos of Assam)

অসমৰ অন্যতম জনগোষ্ঠী বড়ো সকলৰ মাজতো পৃথকতাৰ দাবী উত্থাপন হৈছিল। বড়োসকল হ'ল অসমৰ অন্যতম প্ৰাচীনতম জনগোষ্ঠী। কছাৰী ৰাজ্য ব্ৰিটিছে অধিগ্ৰহ কৰাৰ পিছত বড়োসকলৰ ৰাজনৈতিক আত্মনিৰ্দ্ধাৰণৰ অধিকাৰ লোপ পাইছিল। স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত জাতি গঠন প্ৰক্ৰিয়াত পাহাৰীয়া জনজাতিৰ বাবে ষষ্ঠ অনুসূচীৰ আধাৰত পৃথক ব্যৱস্থা ৰাখিলেও ভৈয়ামৰ জনজাতি লোকৰ বাবে কোনো পৃথক ব্যৱস্থা কৰা হোৱা নাছিল। আন আন অঞ্চলৰ দৰে এক জাতীয়তাৰ নীতিৰ দ্বাৰা ভৈয়ামৰ জনজাতীয় লোকসকলক সামৰি লোৱাত স্বাভাৱিকতে এই লোকসকল অসন্তুষ্ট হৈছিল আৰু উত্তৰ পূৰ্বাঞ্চলৰ ভৈয়ামৰ অন্যতম জনজাতিটোৱে আপেক্ষিক বৈষম্যতা (Relative Deprivation)ৰ বলি হোৱা যেন অনুভৱ কৰিছিল। ১৯৬৭ চনত ইন্দিৰা গান্ধীয়ে যুক্তৰাষ্ট্ৰ আৰ্হিত উত্তৰ পূৰ্বাঞ্চলক পুনৰ গঠনৰ আশ্বাস দিয়াত বড়োসকলেও তাৰ সুফল পাবলৈ PTCA অৰ্থাৎ Plain Tribal Council of Assam নামৰ এক সংগঠন গঠন কৰে।

## অসমৰ বড়োসকলৰ পৃথক ৰাজ্যৰ দাবী

(Demand for separate state by the Bodos of Assam)

অসমৰ অন্যতম জনগোষ্ঠী বড়ো সকলৰ মাজতো পৃথকতাৰ দাবী উত্থাপন হৈছিল। বড়োসকল হ'ল অসমৰ প্ৰাচীনতম জনগোষ্ঠী। কছাৰী ৰাজ্য ব্ৰিটিছে অধিস্থান কৰাৰ পিছত বড়োসকলৰ ৰাজনৈতিক আত্মনিৰ্দ্ধাৰণৰ অধিকাৰ লোপ পাইছিল। স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত জাতি গঠন প্ৰক্ৰিয়াত পাহাৰীয়া জনজাতিৰ বাবে ষষ্ঠ অনুসূচীৰ আধাৰত পৃথক ব্যৱস্থা ৰাখিলেও ভৈয়ামৰ জনজাতি লোকৰ বাবে কোনো পৃথক ব্যৱস্থা কৰা হোৱা নাছিল। আন আন অঞ্চলৰ দৰে এক জাতীয়তাৰ নীতিৰ দ্বাৰা ভৈয়ামৰ জনজাতীয় লোকসকলক সামৰি লোৱাত স্বাভাৱিকতে এই লোকসকল অসন্তুষ্ট হৈছিল আৰু উত্তৰ পূৰ্বাঞ্চলৰ ভৈয়ামৰ অন্যতম জনজাতিটোৱে আপেক্ষিক বৈষম্যতা (Relative Deprivation)ৰ বলি হোৱা যেন অনুভৱ কৰিছিল। ১৯৬৭ চনত ইন্দিৰা গান্ধীয়ে যুক্তৰাষ্ট্ৰ আৰ্হিত উত্তৰ পূৰ্বাঞ্চলক পুনৰ গঠনৰ আশ্বাস দিয়াত বড়োসকলেও তাৰ সুফল পাবলৈ PTCA অৰ্থাৎ Plain Tribal Council of Assam নামৰ এক সংগঠন গঠন কৰে। PTCAৰ নেতৃত্বতে 'উদয়াচল' নামেৰে এক পৃথক ৰাজ্যৰ দাবীত আন্দোলন আৰম্ভ হয়। ১৯৭৯ চনৰ পৰা অসম আন্দোলনৰ প্ৰসংগই অসমৰ ৰাজনীতিত ঠাই পোৱাৰ লগে লগেই বিদেশী বহিস্কাৰ আন্দোলনত বড়ো সকলেও জপিয়াই পৰে। জনজাতীয় লোকৰ সম্পূৰ্ণ সমৰ্থন সত্বেও অসম আন্দোলনৰ শেষৰ ফালে একাংশ বড়ো ছাত্ৰ নেতাই অনুভৱ কৰিছিল যে আন্দোলনে জনজাতীয় লোকৰ স্বাৰ্থক কোনো গুৰুত্ব প্ৰদান কৰা নাই। ফলত তেওঁলোক অসমীয়া জাতিয়তাৰ প্ৰতি সন্ধিহান হৈ উঠিছিল। এনে অৱস্থাত বড়ো আন্দোলনে পুণৰ অসমৰ ৰাজনীতিত ভূমুকি মাৰিছিল। নিখিল বড়ো ছাত্ৰ সন্থা (ABSU– ALL Bodo Student Union)ৰ নেতৃত্বত গঢ়ি উঠা এই আন্দোলনে বড়ো গণ সমাজৰ সমৰ্থন লাভ কৰে। পৃথক ৰাজ্যৰ দাবীত গঢ়ি উঠা আন্দোলনে তীব্ৰতৰ ৰূপ ধাৰণ কৰাৰ সময়তে একাংশ উগ্ৰবাদী বড়ো যুৱকৰ নেতৃত্বত Bodo Security Force নামে এক উগ্ৰপন্থী গোট গঠন হৈছিল। বড়ো আন্দোলনৰ তীব্ৰতা আৰু ভয়াবহতা উ পলব্ধি কৰি সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই বড়ো সমস্যা সমাধানৰ বাবে স্বায়ত্ব শাসিত পৰিষদৰ এক আৰ্হি বড়ো নেতৃত্বৰ ওচৰত দাঙি ধৰিছিল। বড়ো নেতৃত্বই এনে প্ৰস্তাৱত সন্মতি দি আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। তাৰ

ভিত্তিতে ১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰীত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ লগত বড়ো নেতৃবৰ্গই এক Memorendum of Settlement (MOS)ত স্বাক্ষৰ কৰে। ইয়াৰ ভিত্তিতে Bodoland Autonomous Council (BAC) শীৰ্ষক এক স্বায়ত্ব শাসন ব্যৱস্থা গঢ়ি তোলা হয়। বড়ো আন্দোলনৰ নেতৃত্ব প্ৰদানকাৰী লোক সকলে স্বায়ত্ব পৰিষদ পৰিচালনাৰ বাবে Bodoland People's Party– BPP নামেৰে এক ৰাজনৈতিক দলৰ জন্ম দিয়ে। এই দলেই স্বায়ত্ব শাসিত পৰিষদৰ দায়িত্ব গ্ৰহণ কৰে। বিত্ত যোগানত খেলি মেলি, ক্ষমতা বন্টনৰ সঠিক প্ৰক্ৰিয়াৰ অভাৱৰ বাবে পিছত এই পৰিষদৰ পতন ঘটে। ABSU আৰু সহযোগী সংগঠনবোৰে বড়ো চুক্তি প্ৰত্যাখ্যান কৰে আৰু পুনৰ আন্দোলনৰ পথলৈ উভতি যায়। Bodo Security Force পুনৰ সংগঠিত হয় আৰু National Democratic Front of Bodoland (NDFB) নামেৰে পৰিচিত হয়। লগে লগেই আন্দোলন অধিক হিংসাত্মক হৈ পৰে। NDFBৰ সমান্তৰালকৈ বড়ো ভূমিত আন এক সশস্ত্ৰ সংগঠন Bodo Liberation Tiger – BLT নামেৰে প্ৰতিষ্ঠা হয়। উভয় সংগঠনৰ কাম-কাজে বড়োভূমি ৰক্তাক্ত কৰি তোলে। আন্দোলন তীব্ৰতৰ হৈ অহাত কেন্দ্ৰীয় চৰকাৰে ইয়াৰ এক স্থায়ী সমাধান বিছাৰে। এই সময়তে অৰ্থাৎ ১৯৯৯ চনৰ জুলাই মাহত BLTএ একপক্ষীয় যুদ্ধ বিৰতি ঘোষণা কৰে। ২০০১ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু BLTৰ মাজত ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হয়, ৰাজ্যিক চৰকাৰ আৰু BLTৰ মাজত ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হয়। আলোচনাৰ সিদ্ধান্ত মৰ্মে পূৰ্বৰ BAC অৰ্থাৎ বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ ভংগ কৰি তাৰ ঠাইত সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত Bodoland Territorial Council গঠনৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তক বাস্তৱায়িত কৰি ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে Bodoland Territorial Council অৰ্থাৎ BTC পূৰ্বৰ BAC ৰ ঠাইত গঠন কৰা হয়। এই নতুনকৈ গঠন কৰা BTC পূৰ্বৰ BAC ৰ তুলনাত ভৌগোলিক ভাৱে অধিক সুসংগঠিত আৰু ৰাজনৈতিক ভাৱেও অধিক ক্ষমতা সম্পন্ন। অসমৰ জিলাবোৰৰ সীমাৰ কিছু পৰিৱৰ্তন কৰি চিৰাং, বাক্সা আৰু ওডালগুৰি নামেৰে তিনিখন নতুন জিলা সৃষ্টি কৰি আৰু পূৰ্বৰ কোকৰাঝাৰ জিলাক সামৰি Bodoland Territorial Area Disttric (BTAD) নামেৰে ভৌগোলিক সীমা নিৰ্দ্ধাৰণ কৰা হয়। এনেদৰে বড়ো সকলৰ শ্বশাসনৰ এক স্বপ্ন পূৰণ হ'ল। BTAD গঠনৰ পিছতো বড়ো সকলৰ ৰাজনৈতিক সংগ্ৰামৰ ওৰ পৰা নাই। BTC গঠনৰ সময়ৰ পৰাই NDFB এ ইয়াৰ বিৰোধিতা কৰি আহিছে। তেওঁলোকে স্বায়ত্ব শাসনৰ পৰিৱৰ্তে স্বাধীন BTAD ত সামৰি লোৱা অঞ্চল বিলাকৰ অজনজাতীয় আৰু অন্যান্য জনজাতিৰ লোকে তেওঁলোকৰ বিৰুদ্ধে অন্যায়ৰ দাবী তুলি BTAD ভংগৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে।

## কাশ্মীৰত বিচ্ছিন্নতাৰ দাবী
## (Secessionist Demand in Kashmir)

বিভিন্নতাক প্ৰতিনিধিত্ব কৰা এক জীৱন্ত উদাহৰণ হ'ল জন্মু আৰু কাশ্মীৰ। ধৰ্মীয়, সাংস্কৃতিক, ভাষিক, নৃ-গোষ্ঠীয় ইত্যাদি সকলো ধৰণৰ বিভিন্নতাৰ উপস্থিতি দেখা যায় ভাৰতৰ অন্যতম অঞ্চল জন্মু আৰু কাশ্মীৰত।

অঞ্চল হিচাপে জন্মু কাশ্মীৰ তিনিটা ভাগত বিভক্ত — জন্ম, কাশ্মীৰ আৰু লাডাখ। কাশ্মীৰ উপত্যকা এই অঞ্চলৰ মূল। ইয়াৰ বেছি সংখ্যক জনসংখ্যাই ইছলাম ধৰ্মাৱলম্বী আৰু কাশ্মীৰী ভাষী। অৱশ্যে মুষ্টিমেয় সংখ্যক হিন্দু ধৰ্মাৱলম্বী লোকো ইয়াৰ বাসিন্দা। জন্মুত হিন্দু, মছুলমান আৰু শিখ ধৰ্মাৱলম্বী লোকৰ উপস্থিতি দেখা যায়। আকৌ লাডাখ অঞ্চল হ'ল এক পাৰ্বত্য অঞ্চল য'ত বৌদ্ধ ধৰ্মী আৰু মুছলমান লোকৰ উপস্থিতি দেখা যায়।

কাশ্মীৰ কেৱল ভাৰত আৰু পাকিস্তানৰ মাজৰেই এক বিতৰ্কিত বিষয় নহয়, ইয়াৰ আভ্যন্তৰীণ, ৰাজনৈতিক

সমস্যাও যথেষ্ট। কাশ্মীৰীয়ত (Kashmiriyat)ৰ দাবীয়ে এই অঞ্চলক বহু সময়ত সমস্যাজনক কৰি ৰাখিছিল। কাশ্মিৰীয়ত হ'ল কাশ্মীৰী লোক সকলে নিজৰ পৃথক পৰিচয় বা সত্বা প্ৰকাশ কৰাৰ বাবে ব্যৱহাৰ কৰা এক ধাৰণা।

জম্মু কাশ্মীৰৰ আভ্যন্তৰীণ ৰাজনৈতিক সমস্যাৰ আৰম্ভণি হৈছিল ভাৰতৰ স্বাধীনতাৰ লগে লগেই। স্বাধীনতাৰ পূৰ্বে ই এক দেশীয় ৰাজ্য আছিল। বৃটিছ সকলে দেশীয় ৰাজ্যসমূহক স্বতন্ত্ৰতা প্ৰদান কৰিছিল। এইবোৰে হয় ভাৰত বা পাকিস্তানৰ লগত যোগদান কৰিব পাৰে, নহয় স্বতন্ত্ৰভাৱে থাকিব পাৰে। সেই সময়ৰ কাশ্মীৰৰ ৰজা হৰি সিঙে (যি এজন হিন্দু শাসক আছিল) ভাৰত আৰু পাকিস্তান কোনো এখনৰ লগতে যোগদান নকৰাকৈ স্বাধীনভাৱে থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল। যিহেতু কাশ্মীৰৰ বেছি সংখ্যক জনসংখ্যাই ইছলাম ধৰ্মাৱলম্বী আছিল সেয়েহে পাকিস্তানে ভাবিছিল যে কাশ্মীৰ পাকিস্তানৰ অংশ হ'ব। কিন্তু কাশ্মীৰৰ জনসাধাৰণেও স্বাধীনভাৱে থকাৰহে পোষকতা কৰিছিল। শ্বেইখ আব্দুলাৰ নেতৃত্বত এই ক্ষেত্ৰত এক জনপ্ৰিয় আন্দোলনেই আৰম্ভ হৈছিল যি আন্দোলনে কাশ্মীৰী লোক সকলৰ নিজৰ কাশ্মীৰী পৰিচয়হে সুৰক্ষিত কৰাৰ পোষকতা কৰিছিল। কিন্তু ১৯৪৭ চনৰ অক্টোবৰ মাহত কিছুমান পাকিস্তানী জনজাতীয় লোকে কাশ্মীৰ আক্ৰমণ কৰিছিল আৰু জম্মু কাশ্মীৰৰ মহাৰজা হৰি সিঙে এই আক্ৰমণ প্ৰতিৰোধ কৰিব নোৱাৰি ভাৰত চৰকাৰৰ পৰা সহায় বিচাৰিছিল। ভাৰত চৰকাৰে সামৰিক সহায় আগবঢ়োৱাৰ বিনিময়ত অন্তৰ্ভুক্তিৰ চুক্তি (Instrument of Accession) স্বাক্ষৰ কৰিছিল। সেই অনুসৰি জম্মু-কাশ্মীৰ ভাৰতৰ অংগ হৈ পৰিছিল। লগতে এইটোও নিশ্চিত কৰা হৈছিল যে পৰিস্থিতি সাধাৰণ হ'লেই জম্ম-কাশ্মীৰৰ জনসাধাৰণৰ সুনিশ্চিত ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু জনসাধাৰণকো মতামত প্ৰকাশৰ বাবে প্ৰয়োজনীয় সুবিধা প্ৰদান কৰা হ'ব। ১৯৪৮ চনত শ্বেইখ আব্দুল্লাক জম্মু আৰু কাশ্মীৰৰ প্ৰধানমন্ত্ৰী ঘোষণা কৰা হৈছিল। ভাৰত চৰকাৰেও জম্মু-কাশ্মীৰৰ স্বতন্ত্ৰতা ৰক্ষাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল।

ইয়াৰ পিছৰ পৰাই জম্মু-কাশ্মীৰৰ ৰাজনীতি বাহ্যিক আৰু আভ্যন্তীৰণ দুয়োটা দিশৰ পৰাই সমস্যাৰ মাজত সোমাই পৰিছিল। বাহ্যিক দিশৰ পৰা পাকিস্তানৰ কাশ্মীৰৰ দাবী আৰু পাকিস্তানে অধিগ্ৰহণ কৰা কাশ্মীৰৰ অঞ্চলটো যিটো অঞ্চলক পাকিস্তানে 'আজাদ কাশ্মীৰ' আখ্যা দিয়ে, সেয়া ভাৰতে সদায় দাবী কৰি আহিছে আৰু সেই অংশক ভাৰতৰ অংগ আখ্যা দিয়ে। এইদৰে জম্মু-কাশ্মীৰৰ বাহ্যিক সমস্যা দুয়োখন দেশৰ লগত জড়িত। আভ্যন্তৰীণভাৱে ভাৰত ৰাষ্ট্ৰৰ ভিতৰক অংগ হিচাপে জম্মু-কাশ্মীৰৰ স্থান বা মৰ্য্যাদা সম্পৰ্কত যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈছে। ইতিমধ্যেই সকলোৰে জ্ঞাত যে ভাৰতীয় সংবিধানে ৩৭০ নং অনুচ্ছেদৰ জৰিয়তে জম্মু আৰু কাশ্মীৰক বিশেষ মৰ্য্যাদা প্ৰদান কৰিছিল। সেই অনুসৰি জম্মু-কাশ্মীৰৰ নিজা সংবিধান আৰু নিজা পতাকা আছে আৰু ভাৰতীয় সংসদে প্ৰণয়ন কৰা সকলো আইনো ইয়াত প্ৰযোজ্য নহয়। জম্মু-কাশ্মীৰৰ বিধানসভাৰ সন্মতিত হে ভাৰতীয় সংসদৰ সাধাৰণ আইনবোৰ ইয়াত প্ৰযোজ্য হ'ব পাৰে। জম্মু-কাশ্মীৰৰ বাহিৰত অৱশ্যে এই ব্যৱস্থাক লৈ যথেষ্ট বিতৰ্ক হোৱা দেখা যায়। এটা শ্ৰেণীৰ মতে, এই বিশেষ ব্যৱস্থাই জম্মু-কাশ্মীৰক পৃথক কৈ ৰাখি ভাৰতৰ অভিন্ন অংগ হোৱাত বাধা দিছে। সেয়েহে এই বিশেষ মৰ্য্যাদাৰ ব্যৱস্থা বিলোপ কৰিব লাগে। আকৌ আন এচাম বিশেষকৈ জম্মু-কাশ্মীৰৰ লোক সকলে এই স্বতন্ত্ৰতা যথেষ্ট নহয় বুলি অসন্তোষ প্ৰকাশ কৰে। তেওঁলোকে মূলতঃ তিনিটা দিশত বা কাৰণত অসন্তুষ্টি প্ৰকাশ কৰে প্ৰথম, অধিগ্ৰহণ চুক্তিৰ সময়ত প্ৰদান কৰা আশ্বাস য'ত জম্মু-কাশ্মীৰৰ জনসাধাৰণক ইচ্ছা প্ৰকাশ কৰাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা আছিল সেয়া ফলৱতী নোহোৱাটো। সেয়েহে তেওঁলোকে বহু সময়ত গণভোটৰ দাবী উত্থাপন কৰি আহিছে। দ্বিতীয়, ৩৭০ নং অনুচ্ছেদে প্ৰদান কৰা বিশেষ মৰ্য্যাদা ব্যস্তৱায়িত নোহোৱা বুলি তেওঁলোকে অভিযোগ কৰে। তৃতীয়, ভাৰতৰ আন ৰাজ্যত প্ৰচলিত হৈ থকা গণতান্ত্ৰিক

ব্যৱস্থা জন্মু-কাশ্মীৰত বাস্তৱত দেখা নাযায় বুলি তেওঁলোকে অভিযোগ কৰে।

১৯৪৮ চনত শ্বেইখ আব্দুলা প্ৰধানমন্ত্ৰী হোৱাৰ পিছত তেওঁ ভূমি সংস্কাৰ আৰু অন্যান্য বিভিন্ন ব্যৱস্থাৰে কাশ্মীৰী জনসাধাৰণৰ আস্থা লাভ কৰিছিল। কিন্তু, কাস্মীৰৰ স্থিতিক লৈ লাহে লাহে তেওঁৰ কেন্দ্ৰীয় চৰকাৰৰ লগত মতানৈক্য হ'বলৈ আৰম্ভ কৰিছিল। ইয়াৰ পৰিণতিস্বৰূপে ১৯৫৩ চনত তেওঁক কেন্দ্ৰীয় চৰকাৰে ক্ষমতাচ্যুত কৰি বন্দী কৰি ৰাখিছিল। ইয়াৰ পিছত কাশ্মীৰৰ ৰাজনীতিত কংগ্ৰেছৰ আধিপত্য বৃদ্ধি হৈছিল আৰু কাশ্মীৰত নেশ্বনেল কনফাৰেন্সৰ (শ্বেইখ আব্দুলা বিহীন) এটা পৃথক গোটে চৰকাৰ গঠন কৰিছিল। পিছত এই গোটটোৱে কংগ্ৰেছৰ লগতেই যোগদান কৰিছিল। এই সময়ছোৱাতে কিন্তু শ্বেইখ আব্দুলা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত বুজাবুজি প্ৰতিষ্ঠাৰ চেষ্টা অব্যাহত আছিল। ফলস্বৰূপে ১৯৭৪ চনত ইন্দিৰা গান্ধীয়ে শ্বেইখ আব্দুলাৰ লগত এখন চুক্তি কৰিছিল আৰু শ্বেইখ আব্দুলাক পুনৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পাতিছিল। ক্ষমতা লাভৰ পিছতেই আব্দুলাই তেওঁৰ দল নেশ্বনেল কনফাৰেন্সক পুনৰউজ্জিৱীত কৰিছিল আৰু ১৯৭৭ চনৰ ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত জয়লাভ কৰি নিজৰ জনপ্ৰিয়তা প্ৰতিষ্ঠা কৰিছিল। ১৯৮২ চনত শ্বেইখ আব্দুল্লাৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ ফাৰুক আব্দুলাৰ হাতলৈ নেতৃত্ব হস্তান্তৰ হৈছিল আৰু তেওঁ মুখ্যমন্ত্ৰী হৈছিল। কিন্তু কিছুদিনৰ ভিতৰতেই তেওঁক কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰাজ্যপালে বৰ্খাস্ত কৰিছিল। এই কাৰ্যক জন্মু-কাশ্মীৰৰ বেছিসংখ্যক জন সাধাৰণৰ লগতে নেশ্বনেল কনফাৰেন্সেও কাশ্মীৰৰ প্ৰতি এক অপমান গণ্য কৰিছিল। লগে লগে ইন্দিৰা গান্ধী আৰু শ্বেইখ আব্দুলাৰ মাজত সম্পাদিত হোৱা চুক্তিখনৰ প্ৰতিও প্ৰশ্নৰ উত্থাপন হৈছিল। এই সময়ত নেশ্বনেল কনফাৰেন্স আৰু কংগ্ৰেছৰ মাজত মিত্ৰতা হৈছিল। ইয়ে প্ৰমাণ কৰিছিল জন্মু-কাশ্মীৰৰ ৰাজনীতিত কেন্দ্ৰৰ হস্তক্ষেপক। ইয়াৰ পিছত ১৯৮৭ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ আৰু নেশ্বনেল কমফাৰেন্সৰ মিত্ৰজোটে চৰকাৰ গঠনৰ সুবিধা লাভ কৰিছিল। ফাৰুক আব্দুলা পুনৰ মুখ্যমন্ত্ৰীৰ পদত অধিস্থিত হৈছিল। কিন্তু এই চৰকাৰে জনসাধাৰণৰ আস্থা মুঠেও লাভ কৰিব পৰা নাছিল। ইতিমধ্যে কাশ্মীৰৰ জনসাধাৰণে কেন্দ্ৰৰ সদিচ্ছাৰ ওপৰত সন্দীহান হৈ আছিল। এনে একে পৰিৱেশেই কাশ্মীৰত সন্ত্ৰাসবাদৰ উত্থানত সহায় কৰিলে। লাহে লাহে এই সন্ত্ৰাসবাদে এক স্বাধীন কাশ্মীৰৰ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিলে। কাশ্মীৰৰ স্বাধীনতাৰ বাবে আৰম্ভ হোৱা সন্ত্ৰাসবাদী আন্দোলনে পাকিস্তানৰ পৰা সকলো ধৰণৰ সমৰ্থন লাভ কৰি শক্তিশালী হৈ উঠিছিল। ইয়াৰ পিছৰ সময়ছোৱাত কাশ্মীৰৰ ৰাজনৈতিক পৰিৱেশ অস্থিৰ হৈ পৰিছিল। ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন, সশস্ত্ৰ বাহিনীৰ বিশেষ অধিকাৰ আইন আদিয়ে কাশ্মীৰক যেন পংগু কৰি পেলাইছিল। জন্মু-কাশ্মীৰৰ জনসাধাৰণ দুই ধৰণৰ সন্ত্ৰাসৰ সন্মুখীন হ'ব লগীয়া হৈছিল — সন্ত্ৰাসবাদী সংগঠনৰ সন্ত্ৰাস আৰু এই সন্ত্ৰাস নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰয়োগ কৰা সশস্ত্ৰ বাহিনীৰ দ্বাৰা চলোৱা সন্ত্ৰাস। ইয়াৰ পিছত ১৯৯৬ চনতহে জন্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুস্থিত হৈছিল য'ত কাশ্মীৰৰ অধিক স্বতন্ত্ৰতাৰ দাবীসহ ফাৰুক আব্দুলাৰ নেতৃত্বত নেশ্বনেল কনফাৰেন্সৰ চৰকাৰ গঠন হৈছিল। ইয়াৰ পিছত কাশ্মীৰৰ শাসনৰ ক্ষমতা অৱশ্যে আন দলৰ হাতলৈও গৈছে। ১৯৮০ৰ দশকৰ শেষৰ ফালে কাশ্মীৰত যি বিচ্ছিন্নতাৰ দাবী উত্থাপন হৈছিল সেয়া বহু পৰিমাণে বিভাজিত বুলি কব পাৰি। কোনোবাই যদি সম্পূৰ্ণ স্বাধীন আৰু পৃথক কাশ্মীৰৰ দাবী উত্থাপন কৰে তেনেহ'লে কোনোটোৱে আকৌ অধিক স্বতন্ত্ৰতাৰ দাবীহে উত্থাপন কৰে। আকৌ কাশ্মীৰৰ তুলনাত জম্মু আৰু লাডাখে অধিক বঞ্চিত বুলি কিছুমানে আকৌ এই দুটা অঞ্চলৰ বাবেও স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰি আহিছিল।

জম্মু-কাশ্মীৰৰ বিচ্ছিন্নতাবাদী আন্দোলনে কিন্তু বহু সময়ত ইয়াৰ জনসাধাৰণৰ পৰাও সমৰ্থন লাভ কৰি আহিছিল।

ফলস্বৰূপে সন্ত্ৰাসমূলক কাম-কাজৰ পথ যথেষ্ট মসৃন হৈ পৰিছিল। কিন্তু ইয়াৰ লগে লগে কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টাও অব্যাহত আছিল। বিশেষকৈ হুৰিয়ত কনফাৰেন্সৰ নেতাৰ লগত কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ বাবে যথেষ্ট চেষ্টা কৰিছিল। কিন্তু পাকিস্তানৰ আৰ্শীৰ্বাদপুষ্ট সন্ত্ৰাসবাদী সংগঠনবোৰে সন্ত্ৰাস কম কৰাৰ সলনি বৃদ্ধিহে কৰিছিল। শেহতীয়াকৈ দেখা গৈছিল যে বিভিন্ন সন্ত্ৰাসবাদী নেতাৰ মৃত্যুতে কাশ্মীৰৰ জনসাধাৰণেও চৰকাৰক দোষাৰোপ কৰিবলৈ আৰম্ভ কৰিছিল। এচাম কাশ্মিৰী জনতাই গণতন্ত্ৰ, শান্তি, শিক্ষা আদিক বিকাশৰ পথ হিচাপে গ্ৰহণ কৰাৰ বিপৰীতে আন এচামে পাকিস্তানৰ প্ৰৰোচনাতেই হওঁক বা পাকিস্তানী সমৰ্থন পুষ্ট সন্ত্ৰাসবাদী সংগঠন আৰু জনতাৰ প্ৰৰোচনাতেই হওঁক হিংসাত্মক কাৰ্যক সমৰ্থন কৰি কাশ্মীৰৰ পৰিৱেশ যথেষ্ট উত্তেজনাপূৰ্ণ কৰি তুলিছিল। দৰাচলতে ৯০ৰ দশকৰ প্ৰায় মাজ ভাগমানৰ পৰা কাশ্মীৰৰ  বিচ্ছিন্নতাবাদৰ আৰম্ভণিৰ লগত জড়িত সংগঠন জম্মু আৰু কাশ্মীৰ লিবাৰেশ্বন ফ্ৰন্ট অৰ্থাৎ JKLFৰ ভূমিকা নমনীয় তথা দুৰ্বল হোৱাৰ পিছত ইয়াত হিজবুল মুজাহিদীনৰ প্ৰভাৱ বৃদ্ধি হ'বলৈ আৰম্ভ কৰে আৰু হিংসাত্মক ঘটনাৰ প্ৰকাশ বৃদ্ধি পাবলৈ ধৰে। ১৯৭৭ চনত প্ৰতিষ্ঠা হোৱা JKLF প্ৰথমতে এটা ৰাজনৈতিক সংগঠন আছিল যিয়ে কাশ্মীৰত গণ ভোটৰ সমৰ্থন কৰিছিল। JKLFএ এক স্বাধীন আৰু সাৰ্বভৌম কাশ্মীৰৰ দাবীৰ সমৰ্থনত কাৰ্য সম্পাদন কৰিছিল। ই পাকিস্তান আৰু ভাৰত কোনোখন দেশৰ লগতেই থকাটো বিছৰা নাছিল। কিন্তু ইয়াৰ পিছত সক্ৰিয় হৈ উঠা হিজবুল মুজাহীদীন হ'ল পাকিস্তানৰ প্ৰতি আনুগত্যতা থকা এটা সংগঠন। ইয়াৰ লগতে কাশ্মীৰত পৃথকতাৰ দাবী উত্থাপন কৰি আহিছে হুৰিয়ত কনফাৰেন্সে। হুৰিয়ত কনফাৰেন্স হ'ল বহুকেইটা ৰাজনৈতিক, ধৰ্মীয় আৰু সমাজিক সংঠনৰ সমষ্টি যি ১৯৯৩ চনত গঠন হৈছিল। হুৰিয়ত কনফাৰেন্সৰ প্ৰতিও পাকিস্তানৰ সমৰ্থন দেখা যায় কাৰণ ই কাশ্মীৰৰ ওপৰত থকা ভাৰত চৰকাৰৰ ক্ষমতাৰ বৈধতাক প্ৰশ্ন কৰে।

২০১৯ চনৰ অক্টোবৰৰ পিছত কাশ্মীৰৰ ৰাজনৈতিক পৰিস্থিতি যথেষ্ট সলনি হৈছে। কেন্দ্ৰীয় সংসদে কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ ধাৰা উঠাই লৈছে আৰু জন্মু-কাশ্মীৰক দুখন কেন্দ্ৰীয় শাসিত অঞ্চললৈ ৰূপান্তৰিত কৰিছে। সেয়া হ'ল — জন্মু-কাশ্মীৰ (বিধানসভা সহ) আৰু লাডাখ (বিধান সভা বিহীন)। ইয়াৰ পিছৰ পৰিস্থিতি কি হয় বা ইয়াৰ পৃথকতাবাদী দাবীয়ে কি ৰূপ লয় সেয়া সময়হে ক'ব। কিন্তু এই অঞ্চলৰ শান্তি আৰু বিকাশ এই অঞ্চলৰ জনসাধাৰণৰ বাবে অতি প্ৰয়োজনীয়।

**ভাৰতত সমায়োজন ব্যৱস্থা** (Accomodative Measures in India)

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্বাধীনতা লাভ কৰা এছিয়া, আফ্ৰিকাৰ দেশ সমূহৰ সম্মুখত দেখা দিয়া আটাইতকৈ ডাঙৰ প্ৰত্যহ্বান আছিল জাতি নিৰ্মাণ। জাতি নিৰ্মাণ এই ৰাষ্ট্ৰবোৰৰ কাৰণে প্ৰত্যাহ্বানজনক হোৱাৰ প্ৰধান কাৰণ আছিল যে ইয়াত পশ্চিমীয়া ৰাষ্ট্ৰৰ দৰে এই প্ৰক্ৰিয়া স্বতঃস্ফুৰ্ত বা স্বাভাৱিক বিকাশৰ ফল নাছিল। এই ৰাষ্ট্ৰসমূহত জাতি নিৰ্মাণ কাৰ্য উদ্দেশ্য প্ৰণোদিতভাৱে ৰাষ্ট্ৰ নেতা সকলে সম্পাদন কৰিব লগীয়া হৈছিল। আকৌ জাতি নিৰ্মাণ কাৰ্যও এনেকুৱা এটা পৰিৱেশত কৰিবলগীয়া হৈছিল যি বহুপৰিমাণে সমস্যাজনক আছিল আৰু য'ত আনকি বহু সময়ত সীমাৰো সমস্যা আছিল। উদাহৰণস্বৰূপে ভাৰতৰ কথাই কব পাৰি। ইংৰাজে সমস্যাজনক ভাৱে বিভাজন কৰি থৈ যোৱা দেশখনত এফালে বিভাজনৰ পিছৰ মানৱীয় সমস্যাৰ লগতে অমীমাংসিত সীমা সমস্যা আৰু আনফালে ইংৰাজে উচটাই থৈ যোৱা দেশীয় ৰাজ্য কিছুমানৰ আকোৰগোজ স্থিতি ইত্যাদিয়ে এক সমস্যাজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। লগতে ৰুগ্ন অৰ্থনীতি, সাম্প্ৰদায়িকতাৰ বীজ ইত্যাদিয়েও প্ৰত্যাহ্বান হিচাপে ঠিয় দিছিল। গতিকে কব পাৰি যে, এই দেশ সমূহত জাতি নিৰ্মাণ এক সহজ আৰু স্বতঃস্ফুৰ্ত প্ৰক্ৰিয়া হৈ থকা নাছিল। কিছুমান ব্যক্তিয়ে ইয়াৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিব লগা

হৈছিল। বহু সাংস্কৃতিক দেশ এখনত সাধাৰণতে জাতি নিৰ্মাণৰ ক্ষেত্ৰত দুটা পদ্ধতি গ্ৰহণ কৰা হয়। সেয়া হ'ল— সমন্বয় (Assimilation) আৰু সমাযোজন (Accomodation)। সমন্বয় হ'ল এক প্ৰক্ৰিয়া যিয়ে বিশ্বাস কৰে যে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে কিছু পৰিমাণৰ সমৰূপতাৰ প্ৰয়োজন। এই ব্যৱস্থাত সাধাৰণতে সমাজ এখনৰ প্ৰভাৱশালী আৰু শক্তিশালী গোটৰ সমাজনীতি, সংস্কৃতি, পৰম্পৰা আদিকে ৰাষ্ট্ৰৰ মূল সংস্কৃতি হিচাপে গ্ৰহণ কৰা হয়। এই ব্যৱস্থাত সংখ্যালঘু লোক বা শ্ৰেণীৰ মাজত সাধাৰণতে অসন্তুষ্টিৰ সৃষ্টি হয়। ফলত এনে সমাজত বিভিন্ন সংঘাতে দেখা দিয়ে। ইয়াৰ বিপৰীতে সমাযোজন হ'ল এক ব্যৱস্থা যিয়ে বিশ্বাস কৰে যে জাতি নিৰ্মাণ হ'ল এক মানসিক আৰু আৱেগিক প্ৰক্ৰিয়া। ই সাংস্কৃতিক আৰু ভিন্ন দিশৰ সমন্বয়ৰ বিপৰীতে বিশ্বাস কৰে পাৰস্পাৰিক বিশ্বাস, আস্থা আৰু সহনশীলতা তথা সহৱস্থানৰ ওপৰত। ইয়াত বিভিন্ন ধৰণৰ পাৰ্থক্যক গ্ৰহণ কৰা হয় আৰু সমাজৰ সকলো গোট বা শ্ৰেণীৰ মাজত সহযোগিতা, শ্ৰদ্ধা, ভাতৃত্ব আৰু নিৰাপত্তাৰ ভাৱ সৃষ্টিৰ বাবে নীতি গ্ৰহণ কৰা হয়।

ভাৰত হ'ল বিশ্বৰ ভিতৰতে এখন বিচিত্ৰতাপূৰ্ণ দেশ। ইয়াত জাতি, ধৰ্ম, ভাষা, সংস্কৃতি ইত্যাদি দিশবোৰত যথেষ্ট পাৰ্থক্য দেখা যায়। ধৰ্মীয় দিশত ভাৰতত হিন্দু সংখ্যাগৰিষ্ঠৰ ধৰ্ম হ'লেও ইয়াত ইছলাম, খ্ৰিষ্টীয়ান, বৌদ্ধ আৰু শিখ ধৰ্মৰো সক্ৰিয় উপস্থিতি দেখা যায়। হিন্দু ধৰ্মৰ ভিতৰতো আকৌ-জাতিৰ ভিত্তিত বিভিন্ন ধৰণৰ বিভাজন দেখা যায়। অঞ্চলৰ ভৌগোলিক তথা প্ৰাকৃতিক দিশৰ পৰাও ই পাৰ্থক্যযুক্ত। আঞ্চলিক বিভাজনো আকৌ কেৱল অঞ্চল ভিত্তিকে নহয়; জাতি, ধৰ্ম, ভাষা, সংস্কৃতি ভিত্তিকো। ভাৰতীয় সংবিধানে এতিয়ালৈ ২২টা ভাষাক সাংবিধানিক ভাষা হিচাপে স্বীকৃতি দিয়া কাৰ্যই প্ৰমাণ কৰে ভাৰতৰ ভাষিক ভিন্নতাক। গতিকে ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ বাবে এই ভিন্নতাক আওঁকান কৰাটো কোনো কাৰণতে সম্ভৱপৰ নাছিল। আঞ্চলিকতাবাদ ভাৰতৰ এক বিশেষ বৈশিষ্ট। ভাৰতত আঞ্চলিকতাবাদৰ ভিত্তি ইয়াৰ ভাষিক, সাংস্কৃতিক, ধৰ্মীয়, ভৌগোলিক বিভিন্নতাৰ মাজতেই সোমাই আছে। ইয়াৰ লগত যোগ হৈছিল আঞ্চলিক, অৰ্থনৈতিক বৈষম্য। ক্ৰমাগত ৰাজনৈতিক সচেতনতাও আঞ্চলিকতাবাদৰ উত্থানৰ এক কাৰণ। ভাৰতবৰ্ষত আঞ্চলিকতাবাদ যে সদায় যোগাত্মক ধৰণে উদ্ভৱ হৈছে তেনেকুৱা নহয়, বহু সময়ত ই ঋণাত্মক আৰু ভাৰতীয় জাতি নিৰ্মাণ প্ৰক্ৰিয়াৰ প্ৰত্যাহ্বান হিচাপেও থিয় দিছে। বিচ্ছিন্নতাবাদৰ দাবী ইয়াৰ এক সঠিক উদাহৰণ। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা বিচ্ছন্নতাবাদৰ দাবী উত্থাপন হৈছে। বহু সময়ত ই ভাৰতৰ অখণ্ডতা আৰু একতাৰ উপৰিও আভ্যন্তৰীণ নিৰাপত্তাৰ প্ৰতিও প্ৰত্যাহ্বান হিচাপে থিয় দিছে।

যিবিলাক দেশত বিভিন্ন জাতি, ধৰ্ম, ভাষা, সংস্কৃতিৰ লোক আছে তেনেকুৱা দেশৰ বাবে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই উত্তম কিয়নো ইয়াত বহুপৰিমাণে বিভিন্নতাক আকোৱালি লোৱাৰ সুবিধা প্ৰদান কৰা হয়। বিভিন্নতাপূৰ্ণ দেশত ক্ষমতাৰ বিতৰণ, সংলগ্ন অঞ্চলৰ বাবে স্বতন্ত্ৰতাৰ ব্যৱস্থা ইত্যাদিৰ প্ৰয়োজন। এই সুবিধা যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাইহে প্ৰদান কৰিব পাৰে। সেয়েহে ভাৰতবৰ্ষই এক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা গ্ৰহণ কৰি বিভিন্নতাক স্বীকৃতি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। সেই অনুসৰি সংবিধানে এখন কেন্দ্ৰীয় চৰকাৰ আৰু আৰু ৰাজ্যসমূহত ৰাজ্যিক চৰকাৰৰ দ্বাৰা বিভিন্নতাক স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিছিল। দৰাচলতে, ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰীয় আৰ্হিৰ চৰকাৰ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি ইংৰাজ চৰকাৰেই প্ৰৱৰ্তন কৰিছিল। ভাৰতীয় বিভিন্নতাৰ পৰিচালনাৰ বাবেই ইংৰাজ সকলে ভাৰতত যুক্তৰাষ্ট্ৰীয় চৰকাৰ প্ৰৱৰ্তন কৰিছিল। সেই উদ্দেশ্যেই স্বাধীন ভাৰতৰ সংবিধানেও ১ নং অনুচ্ছেদত 'ভাৰত ৰাজ্যসমূহৰ এক সংঘ' বুলি ঘোষণা কৰি এক সংবিধানৰ বিভিন্ন ব্যৱস্থাৰ দ্বাৰাও বিভিন্নতাক পৰিচালনা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল কাৰণ ভাৰতৰ বিভিন্নতাক কেৱল

যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই সামৰি লব নোৱাৰে।

এই কথা সত্য যে ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন সময়ত গা কৰি উঠা বিচ্ছিন্নতাৰ দাবীক দখল কৰিবলৈ ভাৰত ৰাষ্ট্ৰই সামৰিক আৰু হিংসাত্মক উপায় গ্ৰহণ কৰিছে তথাপিও বিভিন্ন সময়ত সাংবিধানিক ব্যৱস্থাৰ দ্বাৰাই হওঁক বা সংবিধানৰ সংশোধনৰ দ্বাৰাই হওঁক বা আন উপায়ে হওঁক এইবোৰ সমাধানৰ দ্বাৰা ৰাষ্ট্ৰৰ একতা আৰু অখণ্ডতাক অক্ষুন্ন ৰাখি জাতি নিৰ্মাণ প্ৰক্ৰিয়াক সঠিক দিশত আগুৱাই নিছে।

**ভাৰতত বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহ** (Accomodative Measures taken in India ) ঃ আগতেই উল্লেখ কৰা হৈছে ভাৰতত বিভিন্ন সময়ত বিভিন্ন প্ৰান্তত আঞ্চলিকতাবাদে হিংসাত্মক ৰূপো গ্ৰহণ কৰিছে আৰু ভাৰতৰ আভ্যন্তৰীণ নিৰাপত্তা আৰু অখণ্ডতাৰ প্ৰতিও প্ৰত্যাহ্বান সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে পঞ্জাৱ, নাগালেণ্ড, অসম, মিজোৰাম, জম্মু কাশ্মীৰ ইত্যাদিত বিভিন্ন সময়ত হোৱা বিচ্ছিন্নতাবাদী আন্দোলন সমূহৰ কথা কব পাৰি। কিন্তু ইয়াৰ লগে লগে উল্লেখনীয় কথাটো হ'ল এই সকলোবোৰ সমস্যা বা প্ৰত্যাহবান চৰকাৰে সমাধান কৰি ভাৰতৰ একতা আৰু অখণ্ডতা অক্ষুন্ন ৰাখিছে। এইটো সত্য যে বিভিন্ন সময়ত চৰকাৰে এইবোৰ কঠোৰ হাতেৰে দমন কৰিছে। কিন্তু লগতে এইটোও সত্য যে আঞ্চলিকতাবাদৰ সন্ত্ৰাসমূলক চৰিত্ৰহে কঠোৰ হাতেৰে দমন কৰা হৈছে। লগতে বিভিন্ন সাংবিধানিক বা আইনগত ব্যৱস্থাৰ দ্বাৰা এই আন্দোলন সমূহৰ বৈধ দাবী সমূহ পূৰণৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বহু সাংস্কৃতিক দেশ ভাৰতবৰ্ষই সেয়েহে এতিয়াও ইয়াৰ বহুসাংস্কৃতিক বৈশিষ্ট অক্ষুন্ন ৰাখিব পৰিছে। তলত ভাৰতত বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

**সাংবিধানিক ব্যৱস্থা** (Constitutional Measures ) ঃ ভাৰতীয় সংবিধানখনেই হ'ল বিভিন্নতাক সন্মান কৰা মূল ব্যৱস্থা। সংবিধানে বিভিন্নতাৰ দ্বাৰা উদ্ভৱ হোৱা সমস্যাবোৰক বিভিন্ন উপায়ে সমাধান কৰাৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থাবোৰক দুটা দিশত ভাগ কৰিব পাৰি—

1) **ভৌগোলিক ব্যৱস্থা** (Territorial Measures) ঃ ভৌগোলিক ব্যৱস্থাৰ অন্তৰ্গত সাংবিধানিক ব্যৱস্থাবোৰৰ ভিতৰত প্ৰধান হ'ল—

ক) **ৰাজ্য গঠনৰ ব্যৱস্থা** (Measures for Statehood) ঃ সংবিধানৰ 1 নং অনুচ্ছেদ ভাৰতক 'ৰাজ্য সমূহৰ এক সংঘ' আখ্যা দিয়ে। অৱশ্যে সংবিধানত ৰাজ্যৰ সংখ্যা নিৰ্দিষ্ট কৰি যোৱা নাই। বিভিন্ন সময়ত এই সংখ্যা সলনি হৈ আছে। ভাৰতৰ বিভিন্ন অঞ্চলৰ ভাষিক, সাংস্কৃতিক, ধৰ্মীয় পাৰ্থক্যক স্বীকৃতি দিবলৈ ভাৰতৰাষ্ট্ৰই গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাই ভাৰতত ৰাজ্যৰ সংখ্যাক পৰিৱৰ্তনশীল কৰিছে। সংবিধানৰ ৩ আৰু ৪ নং অনুচ্ছেদ অনুসৰি লোকসভা আৰু ৰাজ্যসভাই ৰাজ্য পুণৰ গঠন বা ৰাজ্যৰ সীমা পুনৰনিৰ্দ্ধাৰণ সম্পৰ্কীয় আইন প্ৰণয়ন কৰিব পাৰে, সংসদে কোনো এখন ৰাজ্যৰ পৰা আন এখন নতুন ৰাজ্যৰ সৃষ্টি সম্পৰ্কীয় আইন প্ৰণয়ন কৰিব পাৰে, কোনো ৰাজ্যৰ সীমা বৃদ্ধি কৰিব পাৰে বা হ্ৰাস কৰিব পাৰে, কোনো ৰাজ্যৰ চাৰিসীমা পৰিৱৰ্তন কৰিব পাৰে বা কোনো ৰাজ্যৰ নাম সলনি কৰিব পাৰে। সাধাৰণ সংখ্যাগৰিষ্ঠতা আৰু সাধাৰণ আইন প্ৰণয়ন প্ৰক্ৰিয়াৰেই সংসদে এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। এতিয়ালৈকে ভাৰতীয় সংসদে বহুকেইবাৰ তেনেকুৱা আইন প্ৰণয়ন কৰিছে আৰু বহুকেইখন অঞ্চলৰ পৰা অহা আঞ্চলিকতাবাদৰ প্ৰত্যাহ্বান মোকাবিলা কৰিবলৈ ভাৰতীয় সংসদে বহুকেইখন নতুন ৰাজ্য সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে অসমৰ পৰা সৃষ্টি হোৱা নাগালেণ্ড, মিজোৰাম, উত্তৰ প্ৰদেশৰ পৰা উত্তৰাখণ্ড, বিহাৰৰ পৰা ঝাৰখণ্ড আৰু শেহতীয়াকৈ অন্ধ্ৰ প্ৰদেশৰ পৰা তেলেংগানাৰ দৰে

ভাৰতত বিভিন্ন সময়ত আঞ্চলিকতাবাদী হেঁচা মোকাবিলা কৰিবলৈ বিভিন্ন ৰাজ্য গঠন কৰা হৈছে। এই বিষয়ে আগত আলোচনা কৰা হৈছে কিদৰে নাগালেণ্ড, মিজোৰাম আদিত পৃথক ৰাজ্য গঠনৰ বাবে হিংসাত্মক আন্দোলন সংঘটিত হৈছিল। বিভিন্ন সময়ত আনকি ভাষাৰ ভিত্তিতো ৰাজ্য পুনৰ গঠন কৰিব লগা হৈছে। যেনেঃ বিভিন্ন ৰাজ্যৰ পৰা অহা এনে দাবী পৰীক্ষাৰ বাবেই ১৯৫৩ চনৰ ৰাজ্য পুনৰ গঠন আইন অনুসৰি ১৯৫৬ চনত ৰাজ্য পুনৰ গঠন আয়োগ গঠন কৰিব লগা হৈছিল। গতিকে কব পাৰি যে ৰাজ্য পুনৰ গঠনৰ ব্যৱস্থা ভাৰতীয় সংবিধানে গঠন কৰা এক অন্যতম ভৌগোলিক ব্যৱস্থা যাৰ জৰিয়তে ভাৰতত বিভিন্নতাৰ দাবীক আকোৱালি লোৱাৰ ব্যৱস্থা কৰা হৈছে।

খ) **সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচী** (Fifth and Sixth Schedule of constitution)ঃ ভাৰতীয় সংবিধানে ৰাজ্য গঠনৰ ওপৰিও আৰু বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে যিবোৰৰ দ্বাৰা ভাৰতৰ জনগোষ্ঠীয় লোক সকলৰ পৰম্পৰাগত শাসন ব্যৱস্থাক আৰু স্বকীয়তাক ৰক্ষা কৰিব পাৰি। ইয়াৰ ভিতৰত অন্যতম হ'ল সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচী। সংবিধান প্ৰণেতা সকলে অনেক বিতৰ্ক আৰু আলোচনাৰ শেষত ভাৰতৰ বিভিন্ন অংশত বাস কৰা কেইবা নিযুত জনজাতীয় লোকৰ সাংস্কৃতিক স্বাধীনতা অটুত ৰখাৰ বাবে আইনগত সুৰক্ষাৰ ব্যৱস্থা কৰিছিল। এনে আইনগত সুৰক্ষাৰ অন্তৰ্গত দুই প্ৰধান ব্যৱস্থাৱলী হ'ল সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচী। ভাৰতীয় সংবিধানৰ ২৪৪ নং অনুচ্ছেদে অঞ্চল আৰু জনজাতীয় অঞ্চল সমূহৰ প্ৰশাসনৰ বিষয়ে উল্লেখ কৰিছে। ইয়াৰ পঞ্চম অনুসূচীত অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ বাহিৰে সকলো ৰাজ্যৰ জনজাতীয় আৰু অনুসূচীত অঞ্চলক সামৰি লোৱা হৈছে আৰু ষষ্ঠ অনুসূচীয়ে কেৱল উত্তৰ পূৰ্বাঞ্চলক মেঘালয়, অসম, ত্ৰিপুৰা আৰু মিজোৰামৰ জন জাতীয় অঞ্চলক সামৰি লৈছে। সংবিধানৰ ২৪৪ (১) নং অনুচ্ছেদত পঞ্চম অনুসূচীৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। সংবিধানে অনুসূচীত ক্ষেত্ৰ সমূহক দেশৰ আন ক্ষেত্ৰৰ পৰা পৃথক ভাৱে যত্ন লোৱাৰ প্ৰয়াস কৰিছে কিয়নো অনুসূচীত ক্ষেত্ৰ সমূহৰ বাসিন্দাবোৰ হ'ল দেশৰ 'আদিম অধিবাসী আৰু আৰ্থ সামাজিক ক্ষেত্ৰত এওঁলোক তেনেই পিছপৰা। সেয়েহে এই লোকৰ অঞ্চল সমূহ চিনাক্ত কৰি, সেই অঞ্চল আৰু লোকৰ বাবে কাম কৰাটো কেন্দ্ৰীয় চৰকাৰৰ বৃহৎ দায়িত্ব। সংবিধান অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে কোনো অঞ্চলক 'অনুসূচীত ক্ষেত্ৰ' ঘোষণা কৰিব পাৰে। তেওঁ এনে ক্ষেত্ৰৰ পৰিসীমা বৃদ্ধি বা হ্ৰাস কৰিব পাৰে। এই অঞ্চলৰ কল্যানৰ বাবে ৰাষ্ট্ৰপতিয়ে এখন জনজাতি মন্ত্ৰনা পৰিষদ গঠন কৰিব পাৰে। এই জনজাতি মন্ত্ৰণা পৰিষদে অনুসূচীত জাতিৰ লোকৰ কল্যাণ আৰু প্ৰগতিৰ বাবে ৰাজপালক পৰামৰ্শ প্ৰদান কৰে। সম্প্ৰতি ভাৰতবৰ্ষৰ ১০ খন ৰাজ্যক পঞ্চম অনুসূচীয়ে সামৰি লৈছে। এই ৰাজ্য কেইখন হৈছে— ছত্তিশগড়, গুজৰাট, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, উৰিষ্যা, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু তেলেংগানা।

আকৌ, ভাৰতীয় সংবিধানৰ ২৪৪ (২) আৰু (১) নং অনুচ্ছেদ অনুসৰি ষষ্ঠ অনুসূচী গঠিত। ভাৰতৰ কেৱল মাত্ৰ চাৰিখন ৰাজ্যৰ জনজাতি সকলক ষষ্ঠ অনুসূচীৰ অধীনত বিশেষ ক্ষমতা দিয়াৰ মূল কাৰণটো হৈছে ভাৰতৰ অন্যান্য প্ৰান্তৰ জনজাতি সকলৰ সৰহ সংখ্যকৰে তেওঁলোকে বাস কৰা অঞ্চলৰ সংখ্যাগৰিষ্ঠ লোক সকলৰ লগত সমিলমিল ঘটিছে। তেওঁলোকে পৃথকভাৱে নিজস্ব জীৱনধাৰা বা সংস্কৃতি বৰ্তাই ৰখা নাই। তাৰ পৰিৱৰ্তে উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা জনজাতি লোক সকলে সম্পূৰ্ণৰূপে এক পৃথক সত্বা বজাই ৰাখিছে। সেয়েহে এওঁলোকৰ প্ৰতি সন্মান জনাই এওঁলোকক বিশেষ সুবিধা প্ৰদানৰ আৰু বিকাশৰ বাবে ষষ্ঠ অনুসূচীৰ দৰে পৃথক ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছিল। অসমৰ উত্তৰ কাছাৰ পাৰ্বত্য জিলা, কাৰ্বি আংলঙ জিলা, বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্ৰিক্ট অৰ্থাৎ BTAD ষষ্ঠ অনুসূচীৰ

অন্তৰ্গত। ষষ্ঠ অনুসূচী অনুসৰি প্ৰত্যেক স্বায়ত্ব জিলাত একোখন স্বায়ত্ব জিলা পৰিষদ থাকিব। এই পৰিষদৰ যথেষ্ট পৰিমাণৰ বিধায়িনী আৰু প্ৰশাসনিক ক্ষমতা থাকে। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ আইন এনে অঞ্চলত কাৰ্যকৰী হ'বলৈ হ'লে পৰিষদৰ সন্মতিৰ প্ৰয়োজন। প্ৰতিটো পৰিষদৰ এখনকৈ কাৰ্যকৰী সমিতি থাকে। কাৰ্যকৰী সমিতিৰ মূল কাম হৈছে বিভিন্ন নীতি-নিয়ম আৰু বিকাশৰ কাৰ্যসূচী ৰূপায়ন কৰা, নীতি নিৰ্দেৰ্শনা ৰচনা কৰা আৰু বাজেট প্ৰস্তুত কৰা।

এইদৰে পঞ্চম আৰু ষষ্ঠ অনুসূচীৰ জৰিয়তে ভাৰতত অতীজৰে পৰা বসবাস কৰি থকা স্বাধীন মনোভাৱাপন্ন অনুসূচীত জনজাতি সকলক তেওঁলোকৰ স্বাধীনতা বহু পৰিমাণে সংৰক্ষণ কৰি বৃহৎ ভাৰতীয় জাতি গঠন প্ৰক্ৰিয়া কাৰ্যকৰী কৰা হৈছিল। এনে ব্যৱস্থা অবিহনে এই লোকসকলক ভাৰতীয় জাতি গঠন প্ৰক্ৰিয়াৰ মাজত সামৰি লোৱাত সমস্যাৰ উদ্ভৱ হ'লহেতেন।

গ) **স্বায়ত্ব শাসিত পৰিষদ গঠন** (Formation of Autonomous Council) ঃ ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীয়ে মূল সূতীৰ চৰকাৰৰ বিৰুদ্ধে বঞ্চনা তথা অমনযোগিতাৰ অভিযোগ উত্থাপন কৰি নিজৰ স্বকীয় সংস্কৃতি আৰু বৈশিষ্ট পৰিচালনাৰ বাবে বিশেষ ব্যৱস্থাৰ দাবী উত্থাপন কৰি আহিছে। কেতিয়াবা এই দাবী যথেষ্ট তীব্ৰ হৈ পৰা দেখা যায়। সেয়েহে ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন জনগোষ্ঠীৰ বাবে কিছুমান স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছে। ষষ্ঠ অনুসূচীৰ অধীনত গঠন কৰা স্বায়ত্ব পৰিষদ সমূহৰ বাহিৰেও আন কিছুমান স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছে যিবোৰ বিধানমণ্ডলৰ আইন অনুসৰি গঠিত। অসমৰ বড়োলেঁণ্ড টেৰিটৰিমেল কাউন্সিল (ওদালগুৰি, বাক্সা, চিৰাং, কোকৰাঝাৰ জিলাক লৈ ২০০৩ চনত গঠিত), উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদ, কাৰ্বি আংলঙ স্বায়ত্ব শাসিত পৰিষদ,মেঘালয়ৰ খাচী পাৰ্বত্য জিলা পৰিষদ, জয়ন্তীয়া পাৰ্বত্য জিলা পৰিষদ, গাৰো পাৰ্বত্য জিলা পৰিষদ, মিজোৰামৰ চাকমা স্বায়ত্ব জিলা পৰিষদ, মাৰ স্বায়ত্ব জিলা পৰিষদ, লাই স্বায়ত্ব জিলা পৰিষদ, ত্ৰিপুৰাৰ জনজাতীয় এলেকা জিলা স্বায়ত্ব পৰিষদ। কিন্তু এইবোৰৰ বাহিৰেও বিধানমণ্ডলে বিভিন্ন সময়ত বিভিন্ন আইন প্ৰণয়ণেৰে বিভিন্ন স্বায়ত্ব শাসিত পৰিষদ গঠন কৰিবলৈ বাধ্য হ'ব লগা হৈছে। অসম আৰু মণিপুৰত এনেকুৱা বিধিগত স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা দেখা যায়। অসমৰ ৰাভা হাছাং স্বায়ত্ব শাসিত পৰিষদ, লালুং স্বায়ত্ব শাসিত পৰিষদ, মিছিং স্বায়ত্ব শাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, দেউৰী স্বায়ত্ব শাসিত পৰিষদ ইত্যাদি হ'ল বিধান সভাৰ আইন অনুসৰি গঠিত স্বায়ত্ব পৰিষদ। ঠিক একেদৰে মণিপুৰৰ সদৰ পাৰ্বত্য জিলা স্বায়ত্ব পৰিষদ, উখ্রুল জিলা স্বায়ত্ব পৰিষদ, টামেংলা জিলা স্বায়ত্ব পৰিষদ ইত্যাদি হ'ল বিধানসভাৰ আইন অনুসৰি গঠিত স্বায়ত্ব পৰিষদ।

গতিকে কব পাৰি যে উত্তৰ পূৰ্বাঞ্চলৰ কিছুসংখ্যক ৰাজ্যৰ বাবে দুই ধৰণৰ স্বায়ত্ব শাসিত পৰিষদ আছে— ষষ্ঠ অনুসূচীৰ অন্তৰ্গত আৰু ষষ্ঠ অনুসূচীৰ বাহিৰৰ কিন্তু আইনগত বা বিধানমণ্ডলৰ আইন অনুসৰি প্ৰয়োজনৰ ভিত্তিত গঠিত স্বায়ত্ব শাসিত পৰিষদ। ষষ্ঠ অনুসূচীৰ ভিতৰত অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামত সৰ্বমুঠ ১০ খন স্বায়ত্ব শাসিত পৰিষদ আছে।

**অনাভৌগোলিক সাংবিধানিক ব্যৱস্থা** (Non Territorial comatiturtional Measures)ঃ সংবিধানৰ ভৌগোলিক ব্যৱস্থাৰ বাহিৰেও আন কিছুমান ব্যৱস্থাৰ দ্বাৰাও ভাৰতৰ বিভিন্নতাক স্বীকৃতি দিছিল। এইবোৰৰ ভিতৰত অন্যতম হ'ল —

ক) **বিভিন্ন ভাষাক সাংবিধানিক স্বীকৃতি** (Constitutional Recognition to various language) ঃ ভাৰতীয়

সংবিধানৰ অষ্টম অনুসূচী ভাষাৰ লগত জড়িত। এই অনুসূচীয়ে ভাষিক বিভিন্নতাক স্বীকৃতি দিয়াৰ বাবে কিছুমান ভাষাক সাংবিধানিক স্বীকৃতি দিয়ে আৰু এইবোৰক চৰকাৰী ভাষা হিচাপে গণ্য কৰিছে। এই অনুসূচীয়ে বৰ্তমানলৈ ২২ টা ভাষাক চৰকাৰী ভাষাৰ মৰ্য্যাদা প্ৰদান কৰিছে। অসমৰ অসমীয়া আৰু বড়ো ভাষাই এই সাংবিধানিক স্বীকৃতি লাভ কৰিছে। দৰাচলতে সংবিধানৰ দ্বাৰা এই ভাষা সমূহৰ স্বীকৃতি অতি তাৎপৰ্যপূৰ্ণ কাৰণ ইয়াৰ অৰ্থ কেৱল চৰকাৰী ভাষা হিচাপে ব্যৱহাৰৰ স্বীকৃতিয়েই নহয়, চৰকাৰে এই ভাষাৰ সঠিক বিকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৰ্থাৎ সাংবিধানিক স্বীকৃতিয়ে ভাষা এটাৰ ব্যৱহাৰ আৰু বিকাশ দুয়োতাই নিশ্চিত কৰে।

**খ) সাংস্কৃতিক আৰু শিক্ষা বিষয়ক অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি** (Recognition of cultural and Educational Rights as Fundamental Rights) ঃ ভাৰতবৰ্ষৰ ভিন্নতাৰ বা বিচিত্ৰতাৰ ভিত্তি হ'ল জাতি, ধৰ্ম, ভাষা, সংস্কৃতি ইত্যাদি। ইয়াত কোনো গোট যদি সংখ্যাগৰিষ্ঠ, কোনো আকৌ সংখ্যালঘিষ্ঠ। এনে পৰিস্থিতিত সংখ্যাগৰিষ্ঠৰ দ্বাৰা সংখ্যালঘুৰ ভাষা- সংস্কৃতি, ধৰ্ম, পৰম্পৰা ইত্যাদি অৱদমিত হোৱাৰ সম্ভাৱনা থাকে। এনে সম্ভাৱনা নাইকিয়া কৰি প্ৰকৃত অৰ্থত এখন বহুসাংস্কৃতিক ৰাষ্ট্ৰ হিচাপে সকলো জাতি জনগোষ্ঠীৰ সংস্কৃতিৰ সুৰক্ষাৰ বাবে ভাৰতীয় সংবিধানে ২৯ আৰু ৩০ নং অনুচ্ছেদৰ জৰিয়তে সকলো নাগৰিককে ভাষা, সংস্কৃতিৰ সমান অধিকাৰ প্ৰদান কৰিছিল আৰু এইবোৰৰ ক্ষেত্ৰত চৰকাৰক বৈষম্যমূলক আচৰণ প্ৰদৰ্শন কৰিব নোৱাৰিব বুলি ঘোষণা কৰিছিল। সংবিধানৰ ২৯ নং অনুচ্ছেদ অনুসৰি ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ নাগৰিকে নিজৰ নিজৰ ভাষা সংস্কৃতি সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। আকৌ সংবিধানৰ ৩০ নং অনুচ্ছেদ অনুসৰি প্ৰত্যেক ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু লোকে নিজৰ প্ৰয়োজন অনুসৰি শিক্ষানুষ্ঠান স্থাপন কৰিব পাৰিব আৰু ৰাষ্ট্ৰই এইবোৰৰ প্ৰতি কোনো বৈষম্য প্ৰকাশ বা প্ৰদৰ্শন কৰিব নোৱাৰিব। ইয়াৰ দ্বাৰা দৰাচলতে সংখ্যালঘু লোক সকলৰ মনত এক ধৰণৰ নিৰাপত্তাৰ ভাৱ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছিল। বাস্তৱত এই চেষ্টাক বহু পৰিমাণে সফল আখ্যা দিব পাৰি।

**গ) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ প্ৰদানৰ দ্বাৰা** (By giving Right to Religion) ঃ ভাৰতবৰ্ষৰ বিচিত্ৰতা কেৱল ভাষা, সংস্কৃতিগত দিশতেই যে আছে তেনেকুৱা নহয়, ধৰ্মীয় দিশতো ই বিচিত্ৰ। ভাৰতত হিন্দু সংখ্যাগৰিষ্ঠৰ ধৰ্ম হ'লে ইয়াত ইছলাম, খ্ৰিষ্টীয়ান, বৌদ্ধ, শিখ ইত্যাদি ধৰ্মৰ লোকৰো উপস্থিতি আছে। এনে অৱস্থাত সংখ্যাত কম হোৱা বাবেই যাতে কোনেও ধৰ্মীয় শোষণৰ বলি নহয় আৰু সকলোৱে যাতে ধৰ্ম পালন আৰু প্ৰচাৰৰ ক্ষেত্ৰত সম অধিকাৰ লাভ কৰে তাৰ বাবে মৌলিক অধিকাৰ হিচাপে সংবিধানৰ ২৫ৰ পৰা ২৮ নং অনুচ্ছেদ লৈ ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ প্ৰদান কৰা হৈছে। অৱশ্যে ৪২ নং সংশোধনৰ জৰিয়তে প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' শব্দৰ অন্তৰ্ভূক্তিৰ দ্বাৰাও ধৰ্মীয় সংখ্যালঘুৰ মনত নিৰাপত্তাৰ ভাৱ সৃষ্টি কৰিবলৈ প্ৰচেষ্টা লোৱা হৈছিল।

**অন্যান্য সাংবিধানিক ব্যৱস্থা** (Other Constitutional Measure) ঃ ভৌগোলিক আৰু অনাভৌগোলিক ব্যৱস্থাৰ উপৰিও ভাৰতীয় সংবিধানে কিছুমান ৰাজ্যৰ প্ৰতি বিশেষ ব্যৱস্থা গ্ৰহণ কৰি সেই ৰাজ্য সমূহক কিছুমান ৰাজ্যৰ প্ৰতি বিশেষ ব্যৱস্থা গ্ৰহণ কৰি সেই ৰাজ্যসমূহক বিশেষ ৰাজ্যৰ মৰ্য্যাদা প্ৰদান কৰি সেই ৰাজ্য সমূহক কিছুমান বিশেষ সুবিধা প্ৰদান কৰিছিল। যেনেঃ নাগালেণ্ড, জম্মু কাশ্মীৰ ইত্যাদি। ৩৭০ নং অনুচ্ছেদ অনুসৰি পূৰ্বৰ ৰাজ্য কাশ্মীৰক আৰু ৩৭১ নং অনুচ্ছেদ অনুসৰি নাগালেণ্ডক বিশেষ ৰাজ্যৰ মৰ্য্যাদা প্ৰদান কৰা হৈছিল। ৩৭০ নং অনুচ্ছেদ অনুসৰি জম্মু-কাশ্মীৰৰ নিজা সংবিধান আৰু নিজা পতাকা আছিল। এই ৰাজ্যত ভাৰতীয় সংসদৰ সকলো আইন জম্মু কাশ্মীৰত

প্ৰযোজ্য নহয় আৰু প্ৰযোজ্য হ'বলৈ হ'লে এই ৰাজ্যৰ বিধানসভাৰ সন্মতিৰ প্ৰয়োজন। অৱশ্যে এই ব্যৱস্থাক লৈ বেছিভাগ জম্মু কাশ্মীৰৰ জনসাধাৰণেই সন্তুষ্ট নাছিল আৰু তেওঁলোকে অধিক স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰি আহিছিল। শেহতীয়াকৈ অৱশ্যে কেন্দ্ৰীয় চৰকাৰে এই ৩৭০ ধাৰা বাতিল কৰি জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত বেলেগ প্ৰশাসনীয় গাঠনিৰ ব্যৱস্থা কৰিছে। আকৌ ৩৭১ (A) নং অনুচ্ছেদে নাগালেণ্ডক তেওঁলোকৰ পৰম্পৰাগত আইন অনুসৰি ভূমিৰ স্বত্বাধিকাৰ আৰু হস্তান্তৰৰ সুবিধা প্ৰদান কৰিছিল আৰু তেওঁলোকৰ পৰম্পৰাগত জীৱনশৈলী বা সংস্কৃতিক স্বীকৃতি দিছিল।

**সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধন** (73 rd and 74th Amendment of the Constitution) ঃ ভাৰতীয় সংবিধানৰ **৭৩** আৰু **৭৪** তম সংবিধান সংশোধনী আইনৰ এক বিশেষ ধাৰাকো সমাযোজনৰ এক বিশেষ আহিলা আখ্যা দিব পাৰি। এই সংশোধনে স্থানীয় চৰকাৰ ব্যৱস্থা যেনেঃ পঞ্চায়ত আৰু পৌৰ নিগমত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণ কৰি ক্ষমতাৰ প্ৰকৃত বিকেন্দ্ৰীকৰণ কৰাৰ লগতে এই জাতি জনজাতিৰ লোককো প্ৰতিনিধিত্ব প্ৰদান কৰি ৰাজনৈতিক ব্যৱস্থাত এওঁলোকক অন্তৰ্ভূক্ত কৰিছিল।

**সংবিধানৰ ৩৩০ আৰু ৩৩২ নং অনুচ্ছেদ** (Article 330 and 332 of the Consitution) ঃ সংখ্যাগৰিষ্ঠতাৰ নীতি গ্ৰহণ কৰা ভাৰতীয় সংবিধানে সংসদ আৰু বিধানসভাত অনুসূচিত জাতি-জনজাতিৰ লোক যাতে সংখ্যাৰ কাৰণত পিছপৰি ৰব লগা নহয় বা প্ৰতিনিধিত্বৰ পৰা বঞ্চিত হ'ব লগা নহয় তাৰ বাবে ৩৩০ নং অনুচ্ছেদে লোক সভাত আৰু ৩৩২ নং অনুচ্ছেদ ৰাজ্যিক বিধানসভাত তেওঁলোকৰ বাবে কিছুমান আসন সংৰক্ষণ কৰি তেওঁলোকৰ প্ৰতিনিধিত্ব সুনিশ্চিত কৰিছিল আৰু নীতি-নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত তেওঁলোকক অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰিছিল।

এইদৰে ভাৰতীয় সংবিধান, আইনগত ব্যৱস্থা ইত্যাদিয়ে ভাৰতবৰ্ষৰ বিচিত্ৰতা তথা বিভিন্নতাক সামৰি লোৱাৰ এক চেষ্টা কৰিছে। এই চেষ্টা এক সফল চেষ্টা বুলি কোৱাটো নিশ্চয়কৈ সমিচীন হ'ব। দৰাচলতে ভাৰতবৰ্ষই গ্ৰহণ কৰা অ-সম প্ৰকৃতিৰ যুক্তৰাষ্ট্ৰীয় গাঁথনি (Assymetrical Federalism)য়ে ভাৰতৰ বিভিন্নতাৰ সমাযোজনৰ মূল ভিত্তি।

*<u>অধ্যায় চতুৰ্থ</u>*

# ধৰ্ম আৰু ৰাজনীতি
# (Religion and Politics)

**ধৰ্মনিৰপেক্ষতাৰ ধাৰণা আৰু বিতৰ্ক ঃ (Concept of Secularism and its debate)**

ধৰ্মনিৰপেক্ষতাৰ ধাৰণা ৰাজনৈতিক আলোচনাবোৰত আনুপাতিকভাৱে এক নতুন ধাৰণা। পাশ্চাত্যৰ ৰাজনৈতিক চিন্তাধাৰাৰ বোকোচাতে ইয়াৰ জন্ম। এক ধাৰণা হিচাপে ‘Secularism’ শব্দটো ১৮৫১ চনত ব্যৱহাৰ কৰিছিল George Jackob Holyoake নামৰ ইংৰাজ চিন্তাবিদজনে। অৱশ্যে ইয়াৰ অন্তৰ্নিহিত ভাৱধাৰা সম্পৰ্কীয় বিতৰ্ক অতি প্ৰাচীন কালৰ পৰাই চলি আহিছে। বুৎপত্তিগতভাৱে ‘Secular’ শব্দটো লেটিন ‘Sacularis’ শব্দটোৰ পৰা উদ্ভৱ হোৱা যাৰ অৰ্থ হৈছে ‘Living aside regulation of church’ অৰ্থাৎ ‘গীৰ্জা বা ধৰ্মীয় নীতি নিয়মৰ পৰা আতৰি থকা।’ এই ফালৰ পৰাই ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটোক ধৰ্মৰ পৰা নিৰপেক্ষতা অৱলম্বন কৰাটোকে মানি লোৱা হয়। অৱশ্যে ধৰ্মনিৰপেক্ষতা ধাৰণটোৰ সম্পৰ্কত যথেষ্ট বিতৰ্ক গঢ়ি উঠিছে। মূলতঃ এই বিতৰ্কসমূহক দুটা গোষ্ঠীত বিভক্ত কৰা হয়–

ক) পাশ্চাত্যৰ ধৰ্মনিৰপেক্ষতা সম্পৰ্কীয় ধাৰণা।

খ) ভাৰতীয় ধৰ্মনিৰপেক্ষতা সম্পৰ্কীয় ধাৰণা।

পাশ্চাত্যৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো আমেৰিকাকেন্দ্ৰীক। অৱশ্যে ইউৰোপৰ আন ভালেমান দেশে আকোৱালি লোৱা ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটোক আমেৰিকাৰ আৰ্হিত গঢ়ি তুলিলেও নিজ নিজ ব্যৱস্থাত খাপ খোৱাকৈ ইয়াৰ কিছু পৰিৱৰ্তন সাধন কৰিছে। পাশ্চাত্যৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাৰ ভেটি হ’ল গীৰ্জা আৰু ৰাষ্ট্ৰৰ সংঘাত। মধ্যযুগত ৰাষ্ট্ৰ সম্পৰ্কীয় সকলো নীতি-নিয়ম ৰচনা আৰু পৰিচালনা হৈছিল গীৰ্জা অৰ্থাৎ ধৰ্মীয় পৰিৱেশৰ মাজত। লাহে লাহে আধুনিক জ্ঞান বিজ্ঞানৰ প্ৰসাৰ সাধন, বিজ্ঞান আৰু যুক্তিবাদী চিন্তাধাৰণাৰ প্ৰসাৰণ, তথা আধুনিক জাতি ৰাষ্ট্ৰৰ ধাৰণাৰ উৎপত্তিয়ে ৰাজনৈতিক ক্ষেত্ৰ আৰু ধৰ্মীয় ক্ষেত্ৰৰ মাজত এক দেৱাল তৈয়াৰ কৰিলে। ফলত ৰাষ্ট্ৰ আৰু ধৰ্মক পৃথক সত্বা হিচাবে গঢ়ি তোলাৰ বাবে ৰাষ্ট্ৰীয় কাম কাজক ধৰ্মমুক্ত কৰাৰ ব্যৱস্থা কৰা হ’ল। এই ধৰ্মমুক্ত ৰাষ্ট্ৰ ব্যৱস্থা গঢ়ি তোলাৰ আদৰ্শকে পাশ্চাত্য দৰ্শনত ধৰ্ম নিৰপেক্ষতা আখ্যা দিয়া হ’ল। এই ক্ষেত্ৰত ১৭৯১ চনৰ ২৫ ডিচেম্বৰৰ আমেৰিকাৰ সংবিধানৰ প্ৰথমটো সংশোধনী অত্যন্ত গুৰুত্বপূৰ্ণ। মাৰ্কিন সংবিধানৰ এই গুৰুত্বপূৰ্ণ সংশোধনীত দুটা গুৰুত্বপূৰ্ণ কথা কোৱা হৈছে–

ক) যুক্তৰাষ্ট্ৰৰ সংসদ অৰ্থাৎ কংগ্ৰেছে কোনো জাতীয় ধৰ্ম প্ৰতিষ্ঠা কৰিব নোৱাৰে।

খ) চৰকাৰে কোনো ধৰ্মক আন ধৰ্মতকৈ গুৰুত্ব দিব নোৱাৰিব।[১]

সংবিধান সংশোধনৰ এই ধাৰাই স্পষ্টভাৱে ৰাষ্ট্ৰৰ ধৰ্মৰ ক্ষেত্ৰত হস্তক্ষেপত প্ৰতিৱন্ধকতা আনিছে। সেয়েহে মাৰ্কিন ৰাষ্ট্ৰপতি থমাচ জেফাৰচনে কৈছিল “ৰাষ্ট্ৰ আৰু ধৰ্মৰ মাজত এখনি বৃহৎ প্ৰাচীৰ আছে।”[২] জেফাৰচনৰ উক্তি আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সংবিধান সংশোধনৰ মাজতে পাশ্চাত্যৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো প্ৰতিস্ফুট হৈ আছে। অৰ্থাৎ পাশ্চাত্যৰ ধৰ্মনিৰপেক্ষতাৰ অৰ্থ হ’ল ৰাষ্ট্ৰ আৰু ধৰ্মৰ মাজত এখন প্ৰাচীৰ থিয় কৰোৱা, য’ত ৰাষ্ট্ৰই ধৰ্মীয় ৰীতি-নীতি, কাম-কাজত কোনো হস্তক্ষেপ নকৰে আৰু ধৰ্মইও ৰাষ্ট্ৰৰ কাম-কাজক প্ৰভাম্বিত নকৰে। ধৰ্ম আৰু ৰাজনীতিৰ উভয়ৰ কৰ্মক্ষেত্ৰ পৃথক পৃথক আৰু উভয়ে উভয়ক প্ৰভাৱাম্বিত কৰাৰ পৰা বিৰত থাকিব। আনকি ৰাষ্ট্ৰই ধৰ্মীয় সংস্কাৰ সাধনৰ ওপৰতো গুৰুত্ব প্ৰদান নকৰে।

মুঠতে ধৰ্মনিৰপেক্ষতাৰ পশ্চিমীয়া আৰ্হিটোৱে ৰাষ্ট্ৰক ধৰ্মীয় সকলো দিশৰ পৰা উৰ্দ্ধত ৰাখিছে। যিহেতু পশ্চিমীয়া দেশসমূহৰ মাজত ধৰ্মীয় ভিন্নতা যথেষ্ট কম সেয়ে আন্তঃ ধৰ্মীয় সংঘাতৰ পৰিমাণো কম। (এনে দেশসমূহত আন্তঃ ধৰ্মীয় সংঘাতৰ পৰিৱৰ্তে অন্তঃ ধৰ্মীয় অৱদমনহে দেখা যায়।) যাৰ ফলত পাশ্চাত্যৰ সমাজত ধৰ্মক ৰাষ্ট্ৰৰ পৰা পৃথক সত্বা হিচাপে গ্ৰহণ কৰাৰ যথেষ্ট সুবিধাও থাকে।

পশ্চিমীয়া ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটোতকৈ ভাৰতীয় ধৰ্মনিৰপেক্ষ আৰ্হি ভালেমান ক্ষেত্ৰত পৃথক। ইয়াৰ মূল কাৰণ হ’ল ঐতিহাসিকভাৱে ভাৰতৰ আৰ্থ সামাজিক জীৱনৰ সকলোবোৰ দিশেই ধৰ্মীয় সংবেদনশীলতাই বেৰি ৰাখিছে। ভাৰতীয় সমাজ ব্যৱস্থাত ধৰ্মক জীৱনৰ এক পথ হিচাপে গ্ৰহণ কৰা হয়। দৰাচলতে ভাৰতীয় সমাজ ব্যৱস্থাৰ কোনো

ক্ষেত্ৰত ধৰ্মক এৰাই চলিব পৰা নাযায়। এনে প্ৰেক্ষাপটত স্বাধীনোত্তৰ কালত সংবিধান তথা জাতি নিৰ্মাণৰ পুৰোধা ব্যক্তিসকলে ভাৰতৰ ৰাজনৈতিক ভৱিষ্যত নিৰ্ণয়ৰ ক্ষেত্ৰত ধৰ্মনিৰপেক্ষতাক কিদৰে গ্ৰহণ কৰিব সেয়া এক প্ৰত্যাহ্বানৰ সৃষ্টি হৈছিল। জেকব ডি ৰোভাৰৰ মতে 'যেতিয়া ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল তেতিয়া সৰহভাগ জাতীয় কংগ্ৰেছৰ নেতাই ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব বিচাৰিছিল। কাৰণ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰইহে হিন্দু আৰু মুছলিম সম্প্ৰদায়ৰ লোকৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান প্ৰতিষ্ঠা কৰিব পাৰিব।' অৱশ্যে স্বাধীনতাৰ ঠিক পিছতে আৰু আগৰ সময়ছোৱাত হিন্দু-মুছলমানৰ মাজত সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষ নাইকীয়া কৰাটোৱে আছিল নেতা সকলৰ প্ৰথম প্ৰত্যাহ্বান। নেহেৰুৱে সেয়েহে কৈছিল 'ধৰ্মনিৰপেক্ষতাৰ অবিহনে কোনো ৰাষ্ট্ৰই সভ্য হ'ব নোৱাৰে।'[৪] ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰটো দুটা ভিন্ন মত গা কৰি উঠিছিল। এটা মত গঢ়ি উঠিছিল গান্ধীৰ 'সৰ্ব ধৰ্ম সমভাৱ' ধাৰণাক কেন্দ্ৰ কৰি। স্বাধীনতা আন্দোলনৰ সময়ছোৱাত ভাৰতৰ প্ৰায় সকলো অঞ্চলতে ঘুৰি ফুৰি গান্ধীজীয়ে অনুভৱ কৰিছিল যে ভাৰতৰ সমাজ সংস্কৃতিত ধৰ্মৰ প্ৰভাৱ অত্যন্ত শক্তিশালী। কোনো প্ৰেক্ষাপটতে ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰৰ পৰা ধৰ্মক বিতাড়ন কৰিব নোৱাৰি, তাৰ পৰিৱৰ্তে সহযোগীতা আৰু সহনশীলতাৰ মাধ্যমেৰে সকলো ধৰ্মৰ প্ৰতি সমভাৱ প্ৰদান কৰি ধৰ্মীয় সহিষ্ণুতাৰ এক সমাজহে ভাৰতৰ আদৰ্শ সমাজ। গান্ধীৰ এই ধাৰণা নেহেৰুৰ বাবে গ্ৰহণযোগ্য নাছিল। পাশ্চাত্য শিক্ষাৰ দ্বাৰা শিক্ষিত জৱহাৰলাল নেহৰু বহু পৰিমাণে পাশ্চাত্য দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত। তেওঁৰ বাবে ধৰ্মনিৰপেক্ষতাৰ অৰ্থ ৰাষ্ট্ৰৰ কাৰ্য কলাপ আৰু আচনি গ্ৰহণ তথা প্ৰণয়নত ধৰ্মৰ দ্বাৰা প্ৰভাবান্বিত নোহোৱা। বিশিষ্ট ঐতিহ্যবিদ বিপান চন্দ্ৰাৰ মতে নেহেৰুৰ ধৰ্মনিৰপেক্ষতা চাৰিগুণ বিশিষ্ট। প্ৰথমে তেওঁ ধৰ্মনিৰপেক্ষতাৰ দ্বাৰা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা সাংস্কৃতিক জীৱনৰ পৰা ধৰ্মক বিতাড়ন কৰা। দ্বিতীয়তে, ৰাষ্ট্ৰৰ পৰা ধৰ্মৰ সংযোগ বিচ্ছিন্ন কৰা, তৃতীয়তে সকলো ধৰ্মকে সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰা আৰু সকলো ধৰ্মৰ প্ৰতি সহিষ্ণুতা প্ৰকাশ কৰা, চতুৰ্থতে, ধৰ্ম অনুশীলন কৰা সকলোৰে প্ৰতি সমভাৱ পোষণ কৰা আৰু ধৰ্ম ভিত্তিত পক্ষপাতমূলক আচৰণ নকৰা"[৫] নেহেৰুৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা বহু পৰিমাণে উদাৰ গনতান্ত্ৰিক নীতিৰ দ্বাৰা পৰিৱেষ্টিত। জৱহাৰলাল নেহেৰুৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাক পৰৱৰ্তী সময়ত আশীষ নন্দীয়ে 'An Anti secularist Manifesto' ত সমালোচনা কৰি কৈছে যে পশ্চিমীয়া কৃষ্টিত আধাৰিত ধৰ্ম নিৰপেক্ষতাৰ ধাৰণাই সমাজত সাম্প্ৰদায়িকতা তথা মৌলবাদী চৰিত্ৰৰ উত্থানত অৰিহণা যোগাব। ভাৰতীয় সমাজত ধৰ্মই ৰাজনীতিক পৰিমাৰ্জিত কৰি ৰাখে। নন্দীৰ যুক্তি বহু পৰিমাণে ইতিহাস সমৃদ্ধও। ভাৰতৰ ইতিহাসত মহামতী অশোক, আকবৰ তথা মহাত্মা গান্ধীয়ে ৰাজনীতিক ধৰ্মৰে সংপৃক্ত কৰি এক আদৰ্শ ধৰ্মসহিষ্ণু সমাজ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। আশীষ নন্দীৰ দৰে T.N. Madan য়েওঁ 'Secularism in its place' প্ৰবন্ধত নেহেৰুৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা দক্ষিণ এছিয়াত অকাৰ্যকৰী হিচাপে আখ্যা দিছে। তাৰ পৰিৱৰ্তে গান্ধীৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাইহে ভিন্ন ধৰ্মাৱালম্বী লোকৰ মাজত মিলাপ্ৰীতিৰ পৰিৱেশ গঢ়ি তুলিব পাৰে বুলি মন্তব্য কৰিছে। নেহেৰু আৰু গান্ধীৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাৰ সমিল-মিল ঘটাই ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ভেটি তৈয়াৰ কৰা হৈছে। ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ পি.বি. গজেন্দ্ৰ গড়কাৰে ধৰ্মনিৰপেক্ষতাৰ ধাৰণা বাখ্যা কৰি কৈছে- (ক) কোনো ধৰ্মৰ প্ৰতি ৰাষ্ট্ৰই আনুগত্য প্ৰদৰ্শন নকৰা (খ) ই ধৰ্মবিৰোধী বা ধৰ্মহীনতাক নুবুজায় (গ) সকলো ধৰ্মক সম স্বাধীনতা প্ৰদান কৰা (ঘ) ধৰ্মৰ পালন কৰাৰ লগত আৰ্থ সামাজিক সমস্যাৰ সম্পৰ্ক নথকা। অৰ্থাৎ গান্ধীৰ সৰ্ব ধৰ্ম সমভাৱক মান্যতা প্ৰদান কৰাৰ লগতে ধৰ্ম আৰু সাংবিধানিক প্ৰমূল্যৰ মাজত এক ভাৰসাম্যতা ৰক্ষাৰ ওপৰত ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা গঢ়ি উঠিছে। ভাৰত ৰাষ্ট্ৰই সকলো ধৰ্মকে সমগুৰুত্ব প্ৰদান কৰাৰ লগতে প্ৰয়োজন বশতঃ ধৰ্মীয় ৰীতি-নীতি বা আচাৰ অনুষ্ঠানৰ ওপৰত হস্তক্ষেপ কৰাৰ কৰ্তৃত্ব লাভ কৰিছে। ৰাজীৱ ভাৰ্গৱে প্ৰচলিত ধৰ্মনিৰপেক্ষতাৰ প্ৰকৃতি বাখ্যা কৰিবলৈ তিনিধৰণৰ আৰ্হিৰ বিষয়ে উল্লেখ কৰিছে। ভাৰ্গৱে প্ৰথমটো ধৰ্মনিৰপেক্ষতাৰ আৰ্হিক অতি বাস্তৱবাদী (hyper substantive) ধৰ্মনিৰপেক্ষতাৰ আৰ্হি আখ্যা দিছে। এই ধৰণৰ ব্যৱস্থাত ধৰ্ম আৰু ৰাজনীতিক সম্পূৰ্ণ পৃথক সত্বা হিচাপে বিবেচনা কৰা হ'ব এই ধৰণৰ ব্যৱস্থাত স্বাধীনতা, ধৰ্ম, যুক্তিবাদ আদিৰ দৰে কিছুমান বাস্তৱিক মূল্যবোধৰ ভিত্তিত ৰাজনীতিৰ পৰা ধৰ্মক আতৰাই ৰখা হয়। ধৰ্মনিৰপেক্ষতাৰ দ্বিতীয়টো আৰ্হি হ'ল চৰম পদ্ধতিগত (Ultra procedural) ধৰ্মনিৰপেক্ষতা। এই ব্যৱস্থাত সম্পূৰ্ণ নৈৰ্ব্যক্তিক (impersonal) মূল্যবোধযুক্ত, যুক্তিগত নীতি আৰু পদ্ধতিৰ নামত ধৰ্মক ৰাজনীতিৰ পৰা আতৰাই ৰখা হয়। ধৰ্মনিৰপেক্ষতাৰ তৃতীয়টো আৰ্হি হ'ল প্ৰাসঙ্গিক (Contexual) ধৰ্মনিৰপেক্ষতা। ভাৰ্গৱৰ দৃষ্টিত ধৰ্মনিৰপেক্ষতাৰ আন দিশ দুটাৰ তুলনাত এই আৰ্হিটো অধিক গ্ৰহণযোগ্য। এই আৰ্হিয়ে ৰাষ্ট্ৰ আৰু ধৰ্মক সম্পূৰ্ণ পৃথক সত্বা হিচাবে বিবেচনা কৰাৰ পৰিৱৰ্তে বাস্তৱবাদী মূল্যবোধ আৰু পদ্ধতিৰ সংমিশ্ৰণ ঘটাই অধিক কাৰ্যক্ষম ধাৰণা

হিচাপে পৰিগণিত কৰিছে। ভাৰতৰ সংবিধানত উল্লিখিত ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো ভাৰ্গৱৰ তৃতীয় আৰ্হিটোৰ লগত সাদৃশ্যযুক্ত। কিয়নো সংবিধানে কেতবোৰ ক্ষেত্ৰত ৰাষ্ট্ৰক ধৰ্মীয় ক্ষেত্ৰৰ পৰা আতৰাই ৰাখিছে। যেনে ধৰ্মভিত্তিক প্ৰতিনিধিত্বৰ ব্যৱস্থা। আকৌ কেতবোৰ ক্ষেত্ৰত ধৰ্মক ৰাষ্ট্ৰৰ কৰ্ম পৰিসৰৰ আওটালৈ আনিছে যেনে ৰাষ্ট্ৰই বিভিন্ন ধৰ্মৰ ব্যক্তিগত আইন (Personal Law) সমূহক মান্যতা প্ৰদান কৰিছে।[৬] অৰ্মত্য সেনৰ মতেও ধৰ্মনিৰপেক্ষতাৰ প্ৰকৃত অৰ্থ হ'ল ভিন্নতাক মান্যতা প্ৰদান কৰা (Recognising the heterogeneity)। বিভিন্ন আলোচনাৰ প্ৰেক্ষাপটৰ শেষত কোৱা হয় যে ভাৰতৰ ধৰ্মনিৰপেক্ষতাক এক স্থৱিৰ অৱধাৰণা হিচাপে মানি লোৱা নহয় বৰঞ্চ ইয়াক এক গতিশীল প্ৰপঞ্চ হিচাপেহে আখ্যা দিয়া হয়। পৰিৱৰ্তিত পৰিস্থিতিত গণতন্ত্ৰ, স্বাধীনতা আৰু সমতাৰ মূল্যবোধক ভিত্তি হিচাপে লৈ সকলো ধৰ্মাৱলম্বী লোকক মান্যতা প্ৰদান কৰাটোৱে ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ মূল বিষয়।

ভাৰতৰ সংবিধানৰ বিভিন্ন ধাৰা আৰু অংশসমূহলৈ লক্ষ্য কৰিলেই ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ বিকশিত চৰিত্ৰ প্ৰতিস্ফুত হয়। সংবিধান ৰচনা কালত হোৱা বিতৰ্কসমূহত ধৰ্মনিৰপেক্ষতাৰ ওপৰতো বিশদ আলোচনা হৈছিল। সৰ্বাঙ্গীন ক্ষেত্ৰতে ধৰ্মৰ ব্যাপক প্ৰভাৱ থকা ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতাক কিদৰে কাৰ্যকৰী কৰা হ'ব তাক লৈ যথেষ্ট বিতৰ্ক হৈছিল। আম্বেদকাৰে বিতৰ্কত অংশ লৈ কৈছিল– " The religious conception in this country are so vast that they cover every aspect of life from birth to death. There is nothing which is not religion and if personal law is to be saved I am sure about it that in social matters we will come to a stand still. There is nothing extraordinary in saying that we ought to strive hereafter to limit the defination of religion in such a manner that we shall not extend it beyond beliefs and such rituals as may be connected with ceremonials which are essentialy relogious "[৭] অৱশ্যে সংবিধানৰ প্ৰস্তাৱনাত ধৰ্মনিৰপেক্ষ শব্দটো স্থান দিয়া হোৱা নাছিল। আম্বেদকাৰে এই প্ৰসঙ্গত যুক্তি দৰ্শাই কৈছিল যে যিহেতু সমগ্ৰ সংবিধানৰ মাজতে ধৰ্মনিৰপেক্ষতাৰ ধাৰা প্ৰবাহিত হৈ আছে সেয়ে প্ৰস্তাৱনাত এই ধাৰণা উল্লেখ কৰাৰ প্ৰয়োজনীয়তা নাই।[৮] অৱশ্যে ১৯৭৬ চনৰ ৪২ তম সংশোধনীৰ জৰিয়তে ইন্দিৰা গান্ধী নেতৃত্বধীন কংগ্ৰেছ চৰকাৰে সংবিধানৰ প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' ধাৰণাটো অন্তৰ্ভূক্ত কৰে। এই প্ৰসঙ্গত সংবিধান বিশেষজ্ঞ সুভাষ চি কাশ্যপে মন্তব্য কৰিছিল "The word 'Secular' was obviously meant for minorities in the context of the birth control programmes of the emergency period. It was not as if the constitution was not secular or socialist before the words were added. India has been secular before the 42nd amendment and continue to be secular after it. It was merely palying politics"[৭] ১৯৭৩ চনৰ কেশৱানন্দ ভাৰতী বনাম কেৰালা ৰাজ্য গোচৰটো মহামান্য উচ্চতম ন্যায়ালয়ে ধৰ্মনিৰপেক্ষতাক ভাৰতীয় সংবিধানৰ মূল গাথনিৰ অন্তৰ্ভূক্ত বুলি ঘোষণা কৰিছে। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিবিষ্ট মৌলিক অধিকাৰৰ ভালেমান ধাৰাত ধৰ্মনিৰপেক্ষতাৰ বাণী প্ৰতিস্ফুত হৈছে। সমতাৰ অধিকাৰৰ অন্তৰ্গত ১৪, ১৫ আৰু ১৬ নং অনুচ্ছেদত ৰাষ্ট্ৰক সকলোৰে প্ৰতি সমদৃষ্টি লগতে চৰকাৰী বা ৰাজহুৱা সুবিধা আৰু সম্পদবোৰ ভোগৰ ক্ষেত্ৰত ধৰ্মগত বৈষম্যমূলক আচৰণ প্ৰদৰ্শনত ৰাষ্ট্ৰক বাধা প্ৰদান কৰিছে। ইয়াৰ উপৰিও মৌলিক অধিকাৰৰ ভিতৰতে ব্যক্তিক ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ নামেৰে ভালেমান অধিকাৰ ঘোষণা কৰি ধৰ্মনিৰপেক্ষতাৰ এক অন্যতম নিদৰ্শন দাঙি ধৰিছে। সংবিধানৰ ২৫ নং অনুচ্ছেদ অনুসৰি ভাৰতবৰ্ষত বাস কৰা সকলো মানুহে নিজৰ অভিৰুচিমতে যিকোনো ধৰ্ম গ্ৰহণ, ধৰ্ম চৰ্চা আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰে। ২৬ নং অনুচ্ছেদত ভাৰতীয় নাগৰিকসকলক ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠাৰ অধিকাৰ প্ৰদান কৰিছে। যাৰ বাবে ধৰ্মীয় লোকে স্থাৱৰ, অস্থাৱৰ সম্পত্তি গ্ৰহণৰো অধিকাৰ দিছে। ২৭ নং অনুচ্ছেদে বাধ্যতামূলকভাৱে ধৰ্মৰ নামত ৰাজহ সংগ্ৰহত বাধা প্ৰদান কৰিছে আকৌ ২৮ নং অনুচ্ছেদত চৰকাৰী অৰ্থৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা প্ৰদানত বাধা প্ৰদান কৰা হৈছে। ধৰ্মীয় স্বাধীনতাৰ এই অধিকাৰসমূহে ব্যক্তিক ধৰ্ম গ্ৰহণ, ধৰ্ম চৰ্চা আৰু ধৰ্ম প্ৰচাৰৰ স্বাধীনতা প্ৰদান কৰিলেও তাক অবাধ হিচাপে ঘোষণা কৰা নাই। অৰ্থাৎ ধৰ্মীয় স্বাধীনতাৰ নামত আইন শৃংখলামূলক পৰিস্থিতি বা ভাৰতীয় নৈতিক মূল্যবোধক আঘাত কৰিলে ৰাষ্ট্ৰই তাত বাধা প্ৰদান কৰিব পাৰে। অৰ্থাৎ শৃংখলামূলক আৰু সুপৰিমিত সমাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰাষ্ট্ৰ প্ৰতিশ্ৰুতিবদ্ধ। সকলো ধৰ্মকে সমস্বাধীনতা প্ৰদান কৰাৰ লগতে সংখ্যালঘু ধৰ্মীয় গোষ্ঠীৰ অধিকাৰৰ প্ৰতিও ভাৰতৰ সংবিধান সতৰ্ক। সংখ্যালঘু ধৰ্ম গোষ্ঠীবোৰৰ জীয়াই থকাৰ অধিকাৰ গণতান্ত্ৰিক দেশ

এখনত সংখ্যাগুৰু লোকসকলৰ সমানে মান্যতা দিয়া হয়। ইয়াৰ বাবেই ভাৰত ৰাষ্ট্ৰই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সংবিধানৰ ২৯ নং অনুচ্ছেদত কোৱা হৈছে যে ভাৰতৰ সকলোবোৰ নাগৰিকে নিজৰ নিজৰ ভাষা সংস্কৃতি ৰক্ষা কৰিব পাৰিব। ইয়াৰ ফলত কোনো সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত আনৰ সংস্কৃতি জাপি দিব নোৱাৰিব। ৩০ নং অনুচ্ছেদ অনুসৰি ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলে নিজৰ ৰুচি অনুযায়ী শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰিব। শিক্ষানুষ্ঠানবোৰক অনুদান দিয়াৰ সময়ত ভাষা বা ধৰ্মৰ ভিত্তিত চৰকাৰে বৈষম্য আচৰণ কৰিব নোৱাৰিব। ২৯ আৰু ৩০ নং অনুচ্ছেদত ভাৰতৰ ধৰ্মীয় বা আন সংখ্যালঘুসকলক নিজৰ ৰীতি নীতি তথা পৰম্পৰা সংস্কৃতি সুৰক্ষাৰ যি ব্যৱস্থা ভাৰতীয় সংবিধানত কৰিছে সেয়াই ধৰ্মনিৰপেক্ষতাৰ সাংবিধানিক ভেটিটো অধিক শক্তিশালী কৰাত সহায় কৰিছে। ভাৰতীয় সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ ভেটিটোৰ আন এক গুৰুত্বপূৰ্ণ লাইখুতা হ'ল নিৰ্দেশাত্মক নীতিৰ অন্তৰ্গত ৪৪ নং অনুচ্ছেটো। এই অনুচ্ছেদত উল্লেখ আছে যে ৰাষ্ট্ৰই সমগ্ৰ ভাৰতবৰ্ষৰ বাবে সমৰূপ দেৱানী বিধি প্ৰৱৰ্ত্তন কৰিব। সমৰূপ দেৱানী বিধিয়ে বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ ভিত্তিত প্ৰচলিত বিবাহ, বিবাহ বিচ্ছেদ, সম্পত্তিৰ হস্তান্তৰণৰ ক্ষেত্ৰত থকা পাৰ্থক্য আতৰাই সকলো ধৰ্ম নিৰ্বিশেষে এক ধৰণৰ নীতি প্ৰৱৰ্ত্তনত গুৰুত্ব প্ৰদান কৰে। অৱশ্যে ভালেমান সমালোচকে সংবিধানৰ এই ধাৰাই ধৰ্মনিৰপেক্ষতাৰ ভাৰতীয় আৰ্হিৰ পৰিৱৰ্তে পশ্চিমীয়া পন্থাটোকহে সমৰ্থন কৰা বুলি দাবী উত্থাপন কৰি কয় যে ই ভাৰতীয় সংখ্যালঘু ধৰ্মাৱলম্বী লোকসকলৰ ৰীতি পৰিপন্থী হোৱাৰ অধিক সম্ভাৱনাৰ বীজ বহন কৰে। অৱশ্যে নাৰীবাদী চিন্তাবিদসকল আৰু ভাৰতৰ সৰহভাগ মহিলা আন্দোলনৰ মুল দাবী আছিল সমৰূপ দেৱানী আইনৰ প্ৰৱৰ্ত্তন কৰা। নাৰীবাদী চিন্তাবিদসকলৰ মতে ধৰ্মীয় ব্যক্তিগত আইনৰ নামত প্ৰচলিত ৰীতি-নীতি আৰু পৰম্পৰাবোৰ বহু পৰিমাণেই অন্তঃধৰ্মীয় অৱদমনক সমৰ্থন কৰে আৰু ইয়াৰ প্ৰধান ভুক্তভোগী হ'ব লাগে নাৰীসকল। এনে ভিন্ন বিতৰ্কৰ মাজতো আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে ভাৰতৰ সংবিধানখন নিসন্দেহে এক ধৰ্মনিৰপেক্ষতাৰ দলীল। সংবিধান প্ৰণেতা সকলে ভাৰতত বসবাস কৰা সকলো ধৰ্মালম্বী লোকসকলক আশ্বাস আৰু বিশ্বাস প্ৰদানৰ বাবে বিভিন্ন সংখ্যালঘু সাপেক্ষ চৰ্তাৱলী সংবিধানত অন্তৰ্ভূক্ত কৰিছে। এনেদৰে ভাৰতৰ সংবিধানখন ধৰ্মীয় বিচিত্ৰতাৰ মাজত একতাৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

তত্বগতভাৱে এক নিদৰ্শন ভাৰতীয় ধৰ্মনিৰপেক্ষতাই বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'লেও গণতান্ত্ৰিক ৰাষ্ট্ৰত ভোট বেংকৰ কুটীল ৰাজনৈতিক পাকচক্ৰৰ পৰা ভাৰতীয় সমাজো মুক্ত হ'ব পৰা নাই। ৰাজনৈতিক নেতাসকলে বিভিন্ন সময়ত একমাত্ৰ ক্ষমতা লাভৰ স্বাৰ্থত কোনো ক্ষেত্ৰত সংখ্যাগৰিষ্ঠতাৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে আন কোনো ক্ষেত্ৰত সংখ্যালঘুসকলৰ বাবে তোষামোদকাৰী নীতি প্ৰণয়ন কৰিছে। ৰাজনৈতিক প্ৰৰোচনা আৰু নেতাসকলৰ ভুল সিদ্ধান্তৰ বাবে বিভিন্ন সময়ত ধৰ্মীয় ক্ষেত্ৰত বিভেদকামী শক্তিবোৰে মূৰ দাঙি থিয় হৈ সাম্প্ৰদায়িক বিষবাম্পৰে সমাজ কলুষিত কৰাৰ লগতে ভাৰতৰ ধৰ্ম নিৰপেক্ষতাক প্ৰত্যাহ্বান জনাইছে আৰু সমগ্ৰ বিশ্বৰ ওচৰত লজ্জানত কৰিছে।

ধৰ্মনিৰপেক্ষতাৰ আৰ্হিক ৰাজনৈতিক নেতাসকলে ক্ষমতা আহৰণৰ ক্ষেত্ৰত প্ৰয়োগ কৰি ধৰ্মনিৰপেক্ষতাৰ নামত সাম্প্ৰদায়িকতাবাদৰহে সূচনা কৰিছে। ভাৰতীয় ঐতিহ্যক বিভিন্ন ভ্ৰান্ত তথ্যৰ দ্বাৰা জনসাধাৰণক বিভ্ৰান্তি কৰি ইতিহাসৰ ভুল বাখ্যাৰ দ্বাৰা ধৰ্মীয় মেৰুকৰণৰ পৰিৱেশ সৃষ্টি কৰিছে। কোনো কোনো সংগঠনে ধৰ্মৰ ভিত্তিত জাতি গঢ়াৰ পৰিকল্পনাৰে উগ্ৰ জাতীয়তাবাদী চিন্তাধাৰা পোষণ কৰাৰ ফলত আন ধৰ্মালম্বী লোকসকলেওঁ নিজ ধৰ্মৰ প্ৰতি অধিক সচেতন হৈ ধৰ্মভিত্তিত একত্ৰিতকৰণ হোৱাৰ প্ৰয়াস কৰিছে। ধৰ্মীয় মেৰুকৰণৰ এই পৰিৱেশে ধৰ্মনিৰপেক্ষতাৰ আদৰ্শক মষিমূৰ কৰাই নহয় অনেক ব্যক্তিৰ জীৱন জীৱিকাৰ প্ৰতিও সংশয় নমায় আনিছে। ভাৰতৰ ৰাজনীতিত ধৰ্মনিৰপেক্ষতাৰ এনে বিতৰ্ক সূচনাৰ অন্তৰালত কেতবোৰ পৰিঘটনাই সহায় কৰিছে। ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ প্ৰতি প্ৰশ্নচিহ্ন সূচনা কৰা ঘটনাৰাজিবোৰৰ অন্যতম হ'ল শ্বাহবানু গোচৰ আৰু ইয়াৰ পৰৱৰ্ত্তী ঘটনাৰাজি। ১৯৭৮ চনত ৬২ বছৰীয়া শ্বাহবানু নামৰ মহিলাগৰাকীক তেওঁৰ স্বামী মহম্মদ আহমদ খানে প্ৰচলিত মুছলিম পৰম্পৰাৰ ভিত্তিত তিনি তালাক নিয়মেৰে বিবাহ বিচ্ছেদ কৰায়। ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ভিন্ন ধৰ্মক নিজ নিজ ব্যক্তিগত আইনৰ ভিত্তিত বিবাহ, বিবাহ বিচ্ছেদ, সম্পত্তিৰ হস্তান্তৰ কৰণৰ অধিকাৰ প্ৰদান কৰে। ফলত শ্বাহবানু নামৰ মহিলাগৰাকী মুছলিম ব্যক্তিগত আইনৰ আধাৰত বিবাহ বিচ্ছেদৰ পিছত কোনো খোৰাকী লাভ কৰাৰ ব্যৱস্থা নাছিল। উপায়হীন হৈ তেওঁ নিজৰ প্ৰয়োজনীয় খৰচৰ বাবে ন্যায়ালয়ৰ কাষ চাপে। ন্যায়ালয়ে শ্বাহবানুৰ সপক্ষে ৰায়দান কৰি তেওঁৰ স্বামীক প্ৰয়োজনীয় খৰচৰ যোগান ধৰিবলৈ নিৰ্দ্দেশনা দিয়ে। শ্বাহবানু গোচৰে ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ভিতৰত অন্তঃধৰ্মীয় অৱদমনৰ সুযোগ প্ৰদানৰ বিষয়টো পোহৰলৈ আনে লগতে ন্যায়পালিকাই প্ৰদান কৰা ৰায়ে প্ৰচলিত ধৰ্মনিৰপেক্ষতাৰ ধাৰণাৰ প্ৰতিও এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰে।

কিয়নো ভাৰতৰ ধৰ্মনিৰপেক্ষতাই ধৰ্মীয় ৰীতি-পৰম্পৰাত হস্তক্ষেপ নকৰাক সূচায়। ন্যায়ালয়ৰ এই ৰায়ে সমৰূপ দেৱানী আইন প্ৰৱৰ্তনৰ বিষয়টোক পুনৰ উত্থানত সহায় কৰে। অৱশ্যে সেই সময়ৰ গোড়া মুছলিম সমাজে ন্যায়ালয়ৰ এই ৰায়ৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলে। মুছলিম ব্যক্তিগত আইনক ন্যায়ালয়ে অপমান কৰাৰ অভিযোগ তুলি চৰকাৰৰ ওপৰত হেচা প্ৰয়োগৰ বাবে আন্দোলন তীব্ৰতৰ কৰি তোলে। প্ৰথম অৱস্থাত ৰাজীৱ গান্ধীৰ চৰকাৰে ন্যায়ালয়ৰ ৰায়ক আদৰণি জনাইছিল যদিও ভোট বেংকৰ স্বাৰ্থতে হয়তো ন্যায়ালয়ৰ ৰায় নাকচ কৰিবৰ বাবে এক বিশেষ আইন Muslim women (Protection of Rights and Divorce) Act 1986 প্ৰণয়ন কৰিলে। ৰাজীৱ গান্ধী চৰকাৰৰ এই পদক্ষেপক সংখ্যালঘু মুছলিমসকলৰ প্ৰতি তোষামোদকাৰী নীতি হিচাপেই সমালোচকসকলে আখ্যা দিয়ে। এই নীতিয়ে প্ৰমাণ কৰিলে ভাৰতৰ ৰাজনীতিত কেৱল ক্ষমতাৰ লালসাত চৰকাৰে যিকোনো পদক্ষেপকেই গ্ৰহণ কৰিব পাৰে। উদাৰপন্থী মুছলিম মহিলা সংগঠন তথা অনেক নাগৰিক সমাজৰ লোকে এই পৰিঘটনাক ভাৰতৰ প্ৰকৃত ধৰ্মনিৰপেক্ষ স্থিতিত মোক্ষম আঘাত হিচাপে অভিযোগ উত্থাপন কৰিছিল। ভাৰতৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰত কালিমা সনা আন এক পৰিঘটনা হ'ল অযোধ্যা বিবাদ আৰু বাবৰি মছজিদ ধ্বংস। পূৰ্বতেই উল্লেখ কৰা হৈছে যে ভাৰতৰ ৰাজনৈতিক নেতাসকল আৰু একাংশ দল সংগঠনে ইতিহাসৰ ভুল বাখ্যাৰ দ্বাৰাই সমাজক বিভ্ৰান্ত কৰি নিজে ক্ষমতাৰ অংশীদাৰ হোৱাৰ ভালেমান উদাহৰণ আছে। অযোধ্যা বিবাদো কিছু সত্যৰ আলমত গঢ়ি তোলা ৰূপকথাৰ ভিত্তিত সৃষ্ট এক পৰিঘটনা। ভগৱানৰ ৰামৰ জন্মস্থান অযোধ্যাত হেনো সম্ৰাট বাবৰৰ সেনাধ্যক্ষ মিৰ বাকীয়ে এটি মন্দিৰ ভাঙি বাবৰি মছজিদ তৈয়াৰ কৰিছিল। এনে কথাৰ আলম লৈয়ে কট্টৰ হিন্দুপন্থী একাংশ সংগঠনে সেই ঠাইতে পুনৰ ৰামক পূজা কৰাৰ বাবে আদালতত অনুমতি বিচাৰিছিল। এনেদৰে অযোধ্যাৰ সেই ঠাইটুকুৰা এক সংঘাতৰ পৃষ্ঠভূমিলৈ ৰূপান্তৰিত হ'ল। ভাৰতীয় জনতা দলে ৰাম মন্দিৰ নিৰ্মাণক এক নিৰ্বাচনী বিষয় হিচাপে প্ৰতিষ্ঠা কৰি জনসমৰ্থনো বিচাৰিলে আৰু ঘটনা এনেদৰে আগবাঢ়ি ১৯৯২ চনৰ ৬ ডিচেম্বৰত একাংশ কট্টৰ পন্থীয়ে বাবৰি মছজিদ ধ্বংস কৰে। ইয়াৰ পৰৱৰ্তী প্ৰক্ৰিয়া স্বৰূপে হিন্দু-মুছলমানৰ মাজত সম্প্ৰদায়িক সংঘৰ্ষই ভয়াৱহ ৰূপ গ্ৰহণ কৰে। এনে সাম্প্ৰদায়িক বিবাদে ভাৰতৰ অন্য ঠাইলৈ কেৱল সম্প্ৰসাৰিত হৈয়ে ক্ষান্ত নাথাকি ই প্ৰায় তিনি দশক জুৰি এক সাম্প্ৰদায়িক পৰিঘটনাৰ প্ৰেৰণাদায়ক হৈ থাকিল। পৰৱৰ্তী সময়ত ন্যায়ালয়ৰ বিষয়টো বিচৰাধীন হৈ থাকিলে আৰু ২০১৯ চনৰ ৯ নৱেম্বৰ তাৰিখে মহামান্য উচ্চতম ন্যায়ালয়ে ৰামৰ জন্মস্থান অৰ্থাৎ বিতৰ্ক যুক্ত ভূমিখণ্ডত ৰাম মন্দিৰ আৰু এটুকুৰা ৫ একৰ ভূমি অধিগ্ৰহনেৰে মছজিদ নিৰ্মাণৰ ৰায় প্ৰদান কৰে। ন্যায়ালয়ৰ ৰায়ে ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ভাৱমুৰ্ত্তিক প্ৰতিস্থিত কৰিলেও শক্তিশালী ৰাজ্য প্ৰশাসন থকাৰ পিছতো প্ৰায় দুই লাখ মানুহ সমবেত হৈ এক ঐতিহ্যপূৰ্ণ মছজিদ ধ্বংস কিদৰে কৰিব পাৰিলে সেয়া নিশ্চয় সকলো সময়ৰ লোকৰ মনতে প্ৰশ্নৰ অৱতাৰণা কৰিব। এই পৰিঘটনাক সেই সময়ৰ উচ্চতম ন্যায়ালয় মুখ্য ন্যায়ধীশ ভেংকটচালায়া আৰু ন্যায়াধীশ জি এন ৰয়ে ভাৰতৰ জাতীয় জীৱনৰ ধৰ্মনিৰপেক্ষ ভেটিটোক আঘাত হানিব পৰা ভালেমান প্ৰশ্নৰ উত্থাপনকাৰী হিচাপে অভিহিত কৰিছে।

এনে পৰিঘটনাৰ উপৰিও ১৯৮৪ চনৰ ইন্দিৰা গান্ধীৰ হত্যাক কেন্দ্ৰ কৰি শিখ সম্প্ৰদায়ৰ লোকৰ ওপৰত হত্যাযজ্ঞ, ২০০২ চনত গোধৰাত সবৰমতী ৰেলত অগ্নিসংযোগক কেন্দ্ৰ কৰি হোৱা সাম্প্ৰদায়িক পৰিঘটনা, কাশ্মীৰত কাশ্মীৰি পণ্ডিতসকলক কাশ্মীৰৰ পৰা বিতাড়ন আদি ঘটনাক্ৰমে ভাৰতৰ সংবিধানে প্ৰদান কৰা ধৰ্মনিৰপেক্ষতাৰ গাথনিটোক বাৰুকৈয়ে প্ৰত্যাহ্বান জনাইছে। এই প্ৰতিটো পৰিঘটনাৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে প্ৰতিটো ঘটনাৰ অন্তৰালত থকা একাশ দল-সংগঠনৰ ৰাজনৈতিক অভিসন্ধি। ভাৰতীয় জীৱনৰ সকলো ক্ষেত্ৰতে সংপৃক্ত হৈ থকা ধৰ্মক ঢাল হিচাপে ব্যৱহাৰ কৰাটো সুবিধাবাদী দল সংগঠনৰ বাবে তেনেই সহজ। কিয়নো বিজ্ঞান আৰু প্ৰযুক্তি বহুদূৰ আগবঢ়াই লৈ আহিলেও ভাৰতীয় সমাজ জীৱনৰ এক অভিন্ন অংগ ধৰ্মীয় ৰীতি-নীতিবোৰ, সেয়ে হয়তো চিকিৎসা মহাবিদ্যালয়, বৈজ্ঞানিক গৱেষণাসমূহতো চিকিৎসক, বিজ্ঞানীৰ দৰে আধুনিক জ্ঞানপুষ্ট লোকসকলেও ধৰ্মীয় আচাৰ মানি চলা দেখা যায়। অৰ্থাৎ ধৰ্ম ভাৰতীয় মানুহৰ বাবে আবেগৰ উৎস। সুবিধাবাদী বা কু-চক্ৰান্তকাৰী সকলে এনে সুযোগ লৈয়ে নিজৰ ন্যস্ত স্বাৰ্থ পুৰণৰ বাবে ধৰ্মক আহিলা হিচাপে ব্যৱহাৰ কৰি সমাজক বিপথে পৰিচালিত কৰে।

ভাৰতৰ ৰাজনীতিত সংঘটিত বিভিন্ন সাম্প্ৰদায়িক পৰিঘটনা তথা ব্যক্তি, সমাজ, ৰাজহুৱা জীৱনৰ লগত ধৰ্মৰ এৰাব নোৱাৰা সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি সমালোচকসকলে ক'ব খোজে যে ধৰ্মনিৰপেক্ষতাবাদ ভাৰতৰ বাবে এক অসফল আৰু অবাস্তৱ কছৰৎ। তেওঁলোকৰ মতে ভাৰত ৰাষ্ট্ৰই নিজকে ধৰ্মৰ পৰা সম্পূৰ্ণভাৱে পৃথকো কৰিব খোজা নাই আৰু কোনো ধৰ্মৰ সৈতে সম্পৰ্কও স্থাপন কৰিব খোজা নাই। ভাৰতে গ্ৰহণ কৰা মধ্যম পন্থাৰে দৰাচলতে ধৰ্মনিৰপেক্ষ প্ৰতিষ্ঠা

কৰিব পৰা নাযায়।[১০] সমালোচকসকলৰ এনে ধাৰণা সম্পূৰ্ণৰূপে নস্যাৎ কৰিব নোৱাৰি যদিও দকৈ চিন্তা কৰিলে দেখা যায় ধৰ্মৰ লগত সংপৃক্ত হৈওঁ নিৰপেক্ষ দৃষ্টিভংগী প্ৰদৰ্শন কৰাটোৱেই ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ চৰিত্ৰ। সমাজত ভিন্নপন্থী বা ভিন্ন আদৰ্শ সহাৱস্থান কৰিলে তাত সংঘাত সৃষ্টি হোৱাটো স্বাভাৱিক। কেৱল ধৰ্মই নহয়, ভাষা, সংস্কৃতি, লিংগৰ পাৰ্থক্যও সমাজত সংঘাতৰ সৃষ্টি কৰে। সেয়ে সংঘাটৰ দৃষ্টিভংগীৰে ভাৰতৰ ধৰ্মনিৰপেক্ষতা বিচাৰ কৰাৰ পৰিৱৰ্তে সহাৱস্থানৰ পটভূমি ব্যাখ্যা কৰাটো প্ৰয়োজনীয়। সদ্যঘোষিত অযোধ্যা গোচৰৰ ৰায়দানৰ পিছতো হিন্দু-মুছলমানৰ মাজত সৌহাদ্যপূৰ্ণ সম্পৰ্ক, মুছলিম সংগঠনে ৰামমন্দিৰ নিৰ্মাণত সাহাৰ্য্য প্ৰদানৰ ঘোষণা, সংখ্যালঘু ধৰ্মৱালম্বী লোককো ৰাজনৈতিক সৰ্ব্বোচ্চ পদত অধিষ্ঠিত কৰোৱা, বিভিন্ন ধৰ্মীয় উৎসৱত বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ মাজত সহযোগীতা ভাৰতৰ ধৰ্মনিৰপেক্ষতা চৰিত্ৰৰ অন্যতম নিদৰ্শন। ভাৰতৰ ৰাজনীতিক ধৰ্মৰ নৈতিকতাৰে পৰিমাৰ্জিত কৰাৰ যি ব্যৱস্থাপনা তথা অনুশীলন অতি প্ৰাচীন কালৰ পৰা বৰ্ত্তি আছে সেয়াই সমগ্ৰ বিশ্বৰ সন্মুখত ধৰ্মনিৰপেক্ষতাৰ এক স্বকীয় আৰু সুস্থ আৰ্হি তৈয়াৰ কৰাত ভাৰতবাসী সফল হৈছে।

**সাম্প্ৰদায়িকতাবাদ ঃ (Communalism)**

ভাৰত এখন বহু ধৰ্মীয় ৰাষ্ট্ৰ। অতিজৰে পৰা ভিন্ন ধৰ্মালম্বী লোকে ভিন ভিন সময়ত ভাৰতত প্ৰবেশ কৰি বসবাস কৰি আহিছে। বিশ্বৰ চাৰিটা বৃহৎ ধৰ্মৰ জন্ম ভাৰততে হৈছিল—হিন্দু, বৌদ্ধ, জৈন আৰু শিখ। সকলো ধৰ্মৰ লোকে নিজ ধৰ্ম প্ৰচাৰ আৰু পালনৰ সুবিধা ভাৰতবৰ্ষত পাই আহিছে। ২০১১ চনৰ লোক পিয়ল অনুসৰি ভাৰতত ৭৯.৮% লোক হিন্দু ধৰ্মালম্বী, ১৪.২% লোক ইছলাম ধৰ্মালম্বী,২.৩% লোক বৌদ্ধ ধৰ্মালম্বী, ০.৪% লোক জৈন ধৰ্মালম্বী ,০.৭% লোক অন্য ধৰ্মালম্বী। বিশ্বৰ প্ৰায় আটাইবোৰ ধৰ্মৰ লোকেই ভাৰতত বাস কৰি আহিছে সংবিধানেওঁ ভাৰতত কোনো ধৰ্মকে ৰাষ্ট্ৰ ধৰ্মৰ স্বীকৃতি প্ৰদান কৰা নাই বৰঞ্চ সাংবিধানিক ব্যৱস্থাৱলীৰ মাজেৰে সকলো ধৰ্মকে জীয়াই ৰখাৰ এক বাতাবৰণ সুনিশ্চিত কৰিছে। এনে ব্যৱস্থাবলীৰ বাবে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতক সকলো ধৰ্মৰ মিলনভূমি আখ্যা দিয়া হয়।

সকলো ধৰ্মৰ মিলনভূমি এই ভাৰতবৰ্ষতে সময়ে সময়ে বিভিন্ন দুস্কৃতিকাৰীৰ প্ৰভাৱত ধৰ্মীয় সংঘাটৰ সূচনা হোৱাৰ প্ৰমাণ ইতিহাসে বহন কৰি আহিছে। ধৰ্মীয় সংঘাটে কোনো কোনো পৰ্যায়ত বিচ্ছিন্নতাবাদী চিন্তাধাৰাকো প্ৰশ্ৰয় দিছে, যাৰ ফলত ভাৰত বিভাজনৰ দৰে পৰিঘটনাওঁ সূচনাও হৈছে। ধৰ্মীয় সংঘাটৰ পটভূমি কিন্তু কোনো ধৰ্মীয় ৰীতি নীতিত উল্লেখ নাই অৰ্থাৎ কোনো ধৰ্মীয় গ্ৰন্থতে ধৰ্মীয় সংঘাটক উদ্‌গনি প্ৰকাশ কৰা দেখা নাযায় তাৰ পৰিবৰ্ত্তে সকলো ধৰ্মৰে মূল বাণী হৈছে সহিষ্ণুতা, পৰোপকাৰ, সদ্ভাব আৰু সমিলমিলেৰে মানৱ সমাজক আগুৱাই নিয়া। অৰ্থাৎ ধৰ্মীয় সংঘাতৰ বীজ ধৰ্মৰ মাজত দেখা পোৱা নাযায় তাৰ পৰিবৰ্ত্তে ন্যস্ত স্বাৰ্থ জড়িত কোনো ব্যক্তি সমষ্টিৰ কুঅভিপ্ৰায়ৰ ফলতে ধৰ্মীয় সংঘাতৰ সূচনা হয়। অনেক সময়তে ন্যস্ত স্বাৰ্থৰ ধাৰণাটো ক্ষমতা লাভৰ লগত সংপৃক্ত হৈ থকা দেখা যায়। ক্ষমতা কেন্দ্ৰীক এই ধৰ্মীয় সংঘাটক আলোচনা কৰাৰ বাবে ৰাজনীতি বিজ্ঞানত সাম্প্ৰদায়িকতাবাদ আদৰ্শৰ আশ্ৰয় লোৱা হয়।

সাম্প্ৰদায়িকতাবাদ এক ৰাজনৈতিক আদৰ্শ বা প্ৰপঞ্চ। আধুনিক জাতি ৰাষ্ট্ৰৰ বোকোচাত ইয়াৰ জন্ম। অবশ্যে পশ্চিমীয়া আৰু প্ৰাশ্চ্যৰ সমাজ ব্যৱস্থাভেদে এই আদৰ্শৰ ব্যাখ্যা ভিন্ন ধৰনে দাঙি ধৰা হয়।

পশ্চিমীয় সমাজব্যৱস্থাৰ পটভূমিত মোৰি বুকচিন (Murray Bookchin) যে সাম্প্ৰদায়িকতাবাদক স্বতন্ত্ৰ সম্প্ৰদায় সমূহে সংঘব্যৱস্থাত অংশ গ্ৰহণ কৰা প্ৰাশ্যসনৰ এক ব্যৱস্থা বা তত্ব হিচাবে আখ্যা দিছে। (A theory or system of government in which independent communities participate in federation) পশ্চিমীয়া দৰ্শনত সাম্প্ৰদায়িকতাবাদৰ এক ৰাজনৈতিক দৰ্শন হিচাপে বিবেচনা কৰা হয়, যিয়ে বজাৰ আৰু মুদ্ৰাৰ পৰিবৰ্ত্তে ভূমি আৰু উদ্যোগ ব্যৱস্থাক সম্প্ৰদায়ৰ হাতত অৰ্পন কৰিব বিচাৰে। অৰ্থাৎ পশ্চিমীয়া চিন্তাধাৰাত সাম্প্ৰদয়িকতাবাদক এটা অতি নেতিবাচক ধাৰণা হিচাপে বিবেচনা কৰা নহয় তাৰ পৰিবৰ্ত্তে সামূহিক স্বাৰ্থ সংৰক্ষণৰ এক প্ৰচেষ্টা হিচাবেহে বিবেচনা কৰা হয়। সাম্প্ৰদায়িকতাবাদৰ এনে ধাৰণা আধুনিক ৰাজনৈতিক বিশ্লেষনত তেনে জনপ্ৰিয় বা প্ৰাসংগিক নহয়। সাম্প্ৰদায়িকতাবাদৰ জনপ্ৰিয় ধাৰণাটো সৃষ্টি হৈছিল আফ্ৰিকাৰ সমাজ ব্যৱস্থাত। এই সমাজ ব্যৱস্থাত ভিন্ন সাংস্কৃতিক সমূহ বিলাকে নিজ নিজ সম্প্ৰদায়ৰ প্ৰতি অতিসচেতন হৈ আন সাংস্কৃতিক সম্প্ৰদায়ৰ পৰা পৃথকভাবে থকাৰ প্ৰচেষ্টা কৰিছিল। সম্প্ৰদায় সমূহৰ এনে বিৰোধ ভাবপূৰ্ণ মনোভাবে আফ্ৰিকাৰ অৰ্থনৈতিক বিকাশ তথা আন ক্ষেত্ৰবোৰতো প্ৰগতিৰ বাধা হিচাপে থিয় দিছিল। সম্প্ৰদায়বোৰৰ এই বিৰোধপূৰ্ণ চিন্তা ধাৰা তথা নিজ সম্প্ৰদায়ৰ প্ৰতি অধিক সচেতনতা

বাখ্যা কৰাৰ বাবে সাম্প্ৰদায়িকতাবাদ ধাৰণা ব্যৱহাৰ কৰিছিল। আফ্ৰিকাত গঢ়ি উঠা সাম্প্ৰদায়িকতাবাদৰ ধাৰণাকে দক্ষিণ এচিয়া অঞ্চলতো ব্যাপক ভাবে প্ৰচলিত। দক্ষিণ এচিয়া অৰ্থাৎ ভাৰতক কেন্দ্ৰ কৰি থকা এই ভৌগলিক এলেকাত বিশেষকৈ ধৰ্মভিত্তিক সম্প্ৰদায়ৰ মাজৰ  যি বিবাদ তাক ব্যাখ্যা কৰাৰ বাবে সাম্প্ৰদায়িকতাবাদ ধাৰণা ব্যৱহাৰ কৰা হয়।

দক্ষিণ এচিয়া প্ৰেক্ষাপটত সাম্প্ৰদায়িকতাবাদৰ ধাৰণা বাখ্যা কৰাৰ ক্ষেত্ৰত বিশিষ্ট ইতিহাসবিদ বিপান চন্দ্ৰই দিয়া বাখ্যা উল্লেখনীয় বিপান চন্দ্ৰৰ মতে সাম্প্ৰদায়িকতাবাদ আদৰ্শই মূলতঃ তিনিটা ধাৰণাক সামৰি লয়।

১) ই এক চিন্তাধাৰাক বুজায় যত একে ধৰ্মালম্বীলোক সকলে অনুভব কৰে যে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থবোৰ একে প্ৰকৃতিৰ।

২) ই এক ধাৰণা য'ত প্ৰতিটো ধৰ্মৰ লোকে অনুভৱ কৰে যে আন ধৰ্মৰ লোকৰ তুলনাত তেওঁলোকৰ সাধাৰণ স্বাৰ্থবোৰ (ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক) পৃথক।

৩) প্ৰতিটো ধৰ্মাবলম্বী লোকে লাহে লাহে আন ধৰ্মালম্বীৰ লোক সকলক শত্ৰুহিচাপে বিবেচনা কৰে আৰু প্ৰতিটো ধৰ্মীয় সম্প্ৰদায়ে আন  সম্প্ৰদায়ৰ প্ৰতি ঘৃণাৰ মনোভাব পোষন কৰে।

বিপান চন্দ্ৰই আগবঢ়োৱা সাম্প্ৰদায়িকতাবাদৰ ধাৰণাটো ভাৰতীয় সমাজব্যৱস্থা প্ৰেক্ষাপটত আলোচিত কৰা। বিপান চন্দ্ৰৰ মতে প্ৰথম উপাদানটো সাম্প্ৰদায়িকতাবাদৰ প্ৰথম স্তৰ। ধৰ্মভিত্তিক সম্প্ৰদায়ৰ ধাৰণাটো জাতিৰ জনক মহাত্মাগান্ধীৰ পৰা  বিশিষ্ট সাম্যবাদী নেতা ই এম এচ নাম্বদিৰাপাদৰ দৰে ব্যক্তিয়েও সমৰ্থন কৰিছিল। এই স্তৰত সাম্প্ৰদায়িকতাবাদৰ বিশেষ লক্ষন নাথাকিলেও প্ৰকৃততে ই  ধৰ্মভিত্তিক এক সচেতনাৰ সৃষ্টি কৰে। প্ৰকৃত সাম্প্ৰদায়িকতাবাদ আৰম্ভ হয় দ্বিতীয় উপাদানৰ পৰাহে।  বিপান চন্দ্ৰ মতে উদাৰতাবাদী সাম্প্ৰদায়িকতাবাদী সকলে অনুভৱ কৰে যে প্ৰতিটো ধৰ্ম যিহেতু  পৃথক সেয়ে সিহতৰ সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক স্বাৰ্থৰো পাৰ্থক্য থাকিব। অৱশ্যে এই পাৰ্থক্য সমূহ বিভিন্ন চাপ বা সমাযোজনৰ দ্বাৰা আতৰ কৰিব পাৰি। এই চিন্তাগোষ্ঠীৰ মতে বৃহৎ বৃহৎ আৰ্থ সামাজিক প্ৰয়োজনীয়তাবোৰ একে। এই একতাৰ ভিত্তিত ধৰ্ম ভিত্তিক সম্প্ৰদায়বোৰৰ পাৰ্থক্যবোৰ আতৰ কৰি বৃহৎ জাতি গঠন সম্ভব। স্বাধীনতা আন্দোলনৰ কালছোৱাত সেয়েহে আৰম্ভণিতে ভিন্ন ধৰ্মাবলম্বী লোক সকলে বৃহৎ সামুহিক স্বাৰ্থত ভাৰতীয় জাতীয় কংগ্ৰেচৰ নেতৃত্বত থাকি নিজ নিজ ধৰ্মৰ আৰ্থ সামাজিক স্বাৰ্থবোৰো পূৰণ কৰিছিল। বিপান চন্দ্ৰই আগবঢ়োৱা তৃতীয় উপাদানটোৱে সমাজত সংঘাত বা বিবাদৰ সূচনা কৰে।  ভাৰতৰ স্বাধীনতা আন্দোলনৰ পিছৰছোৱা কালত মুছলীম লীগ, হিন্দু মহাসভা আদিয়ে প্ৰদৰ্শন কৰা দৃষ্টিভংগী আছিল এনে ধৰণৰ। যাৰ বাবে আলি  জিন্নাই দাবী কৰিছিল যে ভাৰতত দুটা পৃথক জাতি আছে আৰু দুখন পৃথক  ৰাষ্ট্ৰৰ প্ৰয়োজন। আকৌ হিন্দু মহাসভা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই ভাৰতক এখন হিন্দু ৰাষ্ট্ৰ গঠনৰ পোষকতা কৰিছিল। এনে সম্পূৰ্ণ বিপৰীতমুখী চিন্তাধাৰাৰ মাজত সাম্প্ৰদায়িকতাবাদে সফল ভাবে নিজৰ ফলাফল দেখুৱাবলৈ সক্ষম হয়।

প্ৰসিদ্ধ ইতিহাসবিদ হৰ্বনচ মুখিয়াৰ মতে সাম্প্ৰদায়িকতাবাদ হ'ল বিভিন্ন ধৰ্মীয় সমূহৰ মাজৰ মতবিৰোধ, উদ্বেগ আৰু সংঘাতক প্ৰতিফলিত কৰা প্ৰপঞ্চ। মুখীয়াৰ মতে ভিন্ন ধৰ্ম সমূহবোৰে একেলগে বসবাস কৰি ৰাজনৈতিক, অৰ্থনৈতিক তথা আপুৰুগীয়া সম্পদবোৰৰ সাধাৰণ অংশীদাৰিত্ব লাভ কৰিলে সংঘাটত উপনীত হয়।

বিশিষ্ট চিন্তাবিদ ৰাম আহজাৰ মতে সাম্প্ৰদায়িকতাবাদ হ'ল এক বিশ্বাস যিয়ে এটা সম্প্ৰদায়ৰ সদস্যক আন এটা সম্প্ৰদায়ৰ প্ৰতি বিৰোধপূৰ্ণ মনোভাৱ গঢ়ি তোলে। কোনো কোনো ক্ষেত্ৰত বিৰোধপূৰ্ণ মনোভাৱে আন সম্প্ৰদায়ৰ প্ৰতি হিংসা বা অপমানসূচক দৃষ্টিভংগী পোষণ কৰিবলৈ কুণ্ঠবোধ নকৰে আৰু চূড়ান্ত পৰ্য্যায়ত মহিলাক অসন্মান বা হত্যাৰো পোষকতা কৰে। আহুজাৰ মতে সাম্প্ৰদায়িকতাবাদ এক আদৰ্শ হ'লে সাম্প্ৰদায়িক সংঘৰ্ষ হ'ল ইয়াৰ মূৰ্ত্ত প্ৰকাশ। সাম্প্ৰদায়িক ব্যক্তিসকলে ধৰ্মৰ ভিত্তিত ৰাজনৈতিক কাৰ্য সমাধা কৰে। এওঁলোকে ভগৱান আৰু ধৰ্মক ৰাজনৈতিক স্বাৰ্থ পূৰণৰ আহিলা হিচাপে ব্যৱহাৰ কৰে। ই এক প্ৰাচীন সমাজৰ ব্যৱস্থা য'ত ৰজা আৰু ধৰ্মীয় যাজকবোৰে নিজৰ বিলাসিতাপূৰ্ণ জীৱন কটোৱাৰ বাবে ধৰ্মক আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। এনে পৰম্পৰা আধুনিক জাতি ৰাষ্ট্ৰৰ সমাজতো দেখা পোৱা যায়।

জেনাব বানুৰ মতে সাম্প্ৰদায়িকতাবাদ হ'ল এক আদৰ্শ য'ত সংখ্যালঘু ব্যক্তি এজনে সংখ্যাগুৰুৰ পৰা অসন্মান মৰ্য্যাদা লাভ কৰে ধৰ্ম, সংস্কৃতি তথা  নৃগোষ্ঠীয় বৈশিষ্টৰ ভিত্তিত। ই এক বিচিত্ৰতাপূৰ্ণ সমাজত প্ৰচলিত হৈ থকা এক জটিল প্ৰপঞ্চ।

সাম্প্ৰদায়িকতাবাদৰ ভিন্ন চিন্তাধাৰাৰ দিশ সমূহ আলোচনা কৰিবলৈ ইয়াৰ কিছু সাধাৰণ বৈশিষ্ট দেখিবলৈ

পোৱা যায়-

১। সাম্প্ৰদায়িকতাবাদ এক আদৰ্শ। এই আদৰ্শই ধৰ্ম ভিত্তিত সম্প্ৰদায়বোৰৰ মাজত এক বিভাজনৰ সূচনা কৰে।

২। সাম্প্ৰদায়িকতাবাদৰ লগত অসহিষ্ণুতা জড়িত হৈ থাকে। য'ত এটা ধৰ্মীয় সম্প্ৰদায়ে আন এটি ধৰ্মীয় সম্প্ৰদায়ৰ প্ৰতি ঘৃণা বা অপমানসূচক দৃষ্টিভংগী পোষণ কৰে।

৩। সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰাত নিজৰ ধৰ্মটোক সকলোতকৈ উচ্চ আৰু আন ধৰ্মৰ প্ৰতি নিচাত্মক মনোভাব পোষণ কৰা দেখা যায়।

৪। সাম্প্ৰদায়িকতাবাদৰ অন্তৰালত ক্ষমতাকেন্দ্ৰীক স্বাৰ্থ জড়িত থাকে। দৰাচলতে সাম্প্ৰদায়িকতাবাদী মনোভাৰৰ প্ৰসাৰণ ঘটায় এচাম লোকে ন্যস্ত স্বাৰ্থ পূৰণ কৰিব বিচাৰে।

৫। সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰাৰ আধাৰ হ'ল একে ধৰ্মাৱলম্বী লোকসকলৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক স্বাৰ্থবোৰৰ সাদৃশ্য। আন ধৰ্মৰ পৰা সেইবোৰ পৃথক।

৬। সাম্প্ৰদায়িকতাবাদৰ পোষণ কৰা সকলৰ মতে জাতীয় স্বাৰ্থতকৈ সাম্প্ৰদায়িক স্বাৰ্থ উৰ্দ্ধত। নিজ ধৰ্মৰ স্বাৰ্থ পূৰণৰ দ্বাৰাহে প্ৰগতি সম্ভৱ।

৭। সাম্প্ৰদায়িক সংঘাত হ'ল সাম্প্ৰদায়িকতাবাদৰ চূড়ান্ত প্ৰতিফলন। সাম্প্ৰদায়িকতা চিন্তাধাৰাৰ চূড়ান্ত পৰ্য্যায়ত সাম্প্ৰদায়িক সংঘাতে গা কৰি উঠে।

অৰ্থাৎ সাম্প্ৰদায়িকতাবাদ হ'ল এটা আদৰ্শ যিয়ে ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিতভাৱে ধৰ্মক আহিলা হিচাপে ব্যৱহাৰ কৰি ধৰ্ম ভিত্তিক সাম্প্ৰদায়ৰ মাজত বিভেদৰ বীজ ৰোপণ কৰে। সাম্প্ৰদায়িকবাদ ৰাষ্ট্ৰীয় অখণ্ডতা, ধৰ্ম নিৰপেক্ষতা আৰু মানৱতাবাদৰ প্ৰতি বন্ধক স্বৰূপ। ইয়ে ৰাজনৈতিক স্বাৰ্থত ধৰ্মৰ দৰে আহিলাক ব্যৱহাৰ কৰি মানুহৰ মাজত সন্দেহৰ বীজ ৰোপণ কৰে কালক্ৰমত সন্দেহ গৈ ঘৃণা আৰু শেষত সংঘাতত পৰিণত হয়। দৰাচলতে সাম্প্ৰদায়িকতাবাদত ধৰ্মীয় আদৰ্শ দয়া, ক্ষমা, মানৱতাবোধক সম্পূৰ্ণৰূপে উলাই কৰা হয় সেয়ে ই ধৰ্মবিৰোধীও। কেৱল ৰাজনৈতিক স্বাৰ্থ পূৰণেই হ'ল ইয়াৰ মূল লক্ষ্য। দক্ষিণ এছীয় দেশসমূহৰ সমাজত ধৰ্মীয় নীতিবোৰ সামাজিক বান্ধোনৰ সৈতে সংপৃক্ত হৈ থকা আৰু ধৰ্মৰ গাথঁনি শক্তিশালীভাৱে শিপাই থকা বাবে স্বাৰ্থন্বেষী ৰাজনৈতিক একাংশ নেতাই ধৰ্মক আহিলা হিচাপে আশ্ৰয় কৰি নিজ স্বাৰ্থ পূৰণৰ এক দীৰ্ঘম্যাদি পৰিকল্পনা ৰচনা কৰে। প্ৰথমতে ধৰ্মীয় সচেতনতা সৃষ্টি, পৰৱৰ্ত্তী পৰ্য্যায়ত আন ধৰ্মৰ লগত পাৰ্থক্য প্ৰতিষ্ঠা শেষত ধৰ্মীয় গোষ্ঠীৰ সাধাৰণ লোকৰ মাজত সংঘাতৰ সূচনা কৰি নিজৰ ক্ষমতাৰ ভেটি নেতাসকলে শক্তিশালী কৰে। বাহ্যিক দৃষ্টিত সাধাৰণ লোকসকল এনে সংঘাতত অৱতীৰ্ণ হ'লেও বাস্তৱিকতে সাম্প্ৰদায়িকতাবাদৰ বাবে নেতাসকলেহে দায়ী। অথচ সমাজত এই নেতাসকলক সন্মানৰ মৰ্যাদা প্ৰদান কৰা বাবে ভাৰতীয় সমাজত সাম্প্ৰদায়িকতাই অধিক শক্তিশালী ৰূপ ধাৰণ কৰিবলৈ লৈছে।

অনেক সময়ত আকৌ সাম্প্ৰদায়িকতাবাদ আৰু মৌলবাদক সমাৰ্থক অৰ্থত প্ৰয়োগ কৰা হয়। বাস্তৱিকতে দুয়োটা আদৰ্শই ধৰ্মক আহিলা হিচাপে ব্যৱহাৰ কৰে যদিও বাস্তৱ ক্ষেত্ৰত দুয়োটাৰ মাজত মৌলিক পাৰ্থক্য আছে। মৌলবাদে কোনো ধৰ্মৰ মূল নীতি, পৰম্পৰা বা ধৰ্মীয় গ্ৰন্থৰ একেবাৰে মৌলিক গ্ৰন্থবোৰৰ উল্লেখিত নীতিসমূহ প্ৰতিষ্ঠা বা পুনৰুত্থানৰ বাবে গঢ়ি উঠা আন্দোলন বা আদৰ্শক সূচায় কিন্তু সাম্প্ৰদায়িকতাবাদ মৌলিক ধৰ্ম গ্ৰন্থৰ লগত জড়িত নহয়। সাম্প্ৰদায়িকতাবাদৰ মূল লক্ষ্য হৈছে ক্ষমতা লাভ। ৰাজনৈতিক ক্ষমতা লাভৰ বাবে সৃষ্টি কৰা এক বাতাবৰণে সাম্প্ৰদায়িকতাবাদ। মৌলবাদৰ লগত ৰাজনৈতিকক ক্ষমতা আহৰণ প্ৰত্যক্ষভাৱে জড়িত নহয়। মৌলবাদৰ প্ৰৱক্তাসকলৰ মতে মানৱ জীৱনৰ সমস্ত দিশ ধৰ্মীয় নীতিৰ দ্বাৰা পৰিচালিত সমাজত প্ৰচলিত আইনবোৰো ধৰ্মীয় পৌৰাণিক পৰম্পৰাৰ দ্বাৰা পৰিচালিত কৰিব বিচাৰে কিন্তু সাম্প্ৰদায়িকতাবাদে আধুনিক জাতি ৰাষ্ট্ৰৰ ধাৰণাক স্বীকাৰ কৰে। ৰাষ্ট্ৰৰ প্ৰচলিত আইনক মান্যতা দিয়ে কেৱল ধৰ্মক ক্ষমতা লাভৰ আহিলা হিচাপে প্ৰয়োগ কৰে। মৌলবাদ সম্পূৰ্ণৰূপে ৰক্ষণশীল ইয়াত আধুনিক চিন্তাধাৰাৰ কোনো স্থান নাই তাৰ পৰিৱৰ্ত্তে সাম্প্ৰদায়িকতাবাদ উদাৰ।

**ভাৰতত সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰৰ বিকাশ ঃ** পৰম্পৰাগতভাৱেই ভাৰতীয় সমাজ ধৰ্মনিৰপেক্ষ। ভাৰতীয় সমাজ ব্যৱস্থাত অতিজৰে পৰা ধৰ্মীয় ক্ষেত্ৰত সম্প্ৰীতি থকা দেখা যায়। মধ্যযুগৰ আগৰ কালছোৱাত ভাৰতীয় সংস্কৃতি গা কৰি উঠিছিল সনাতন ধৰ্মৰ বোকোচাত। সনাতন ধৰ্মৰ মূল বাণী আছিল 'বসুধৈব কুটুম্বকম' অৰ্থাৎ সমগ্ৰ বিশ্ববাসীয়ে আপোন। এনে চিন্তাধাৰাৰ মাজেদিয়ে ৰজাসকলে ৰাজকাৰ্য চলাইছিল। ৰজাৰ শাসনত ধৰ্মীয় হস্তক্ষেপ আছিল

একেবাৰে নগণ্য। মধ্যযুগত মোগল শাসকৰ আগমনে ভাৰতীয় শাসনতন্ত্ৰ ভাৰতীয় ৰজাৰ হাতৰ পৰা মোগলৰ অধীনলৈ যায়। ভালেমান ইতিহাসবিদে মোগলৰ আমোলত হোৱা যুদ্ধৰ বৰ্ণনা ধৰ্মীয় আধাৰত বাখ্যা কৰে যদিও দৰাচলতে সেই যুদ্ধৰ বাস্তৱিক পৰিস্থিতি অধ্যয়ন কৰিলে দেখা যায় যে মধ্যযুগত বিভিন্ন সময়ত হোৱা যুদ্ধবোৰ আছিল ৰাজনৈতিক ক্ষমতা সম্প্ৰসাৰণ তথা অৰ্থনৈতিক সম্পত্তি আহৰণৰ স্বাৰ্থতহে। ভাৰতৰ ভূখণ্ডত বৰ্তমানলৈকে কেৱল মহাৰাজ অশোকৰ বাহিৰে কোনো ৰজাই ৰাজ্য খণ্ড সম্প্ৰসাৰণৰ লগে লগে ধৰ্ম প্ৰচাৰৰ প্ৰচেষ্টা হাতত লোৱা নাছিল। মহাৰাজ অশোকেহে ৰাজধৰ্ম পালনৰ লগে লগে বৌদ্ধ ধৰ্ম সম্প্ৰসাৰণৰ প্ৰচেষ্টা চলাইছিল। ধৰ্ম সম্প্ৰসাৰণৰ বাবে অশোকে মানৱতাবাদ প্ৰেম আৰু অহিংসা নীতিহে ব্যৱহাৰ কৰিছিল। অশোকৰ পৰৱৰ্ত্তী সময়ত ভাৰতবৰ্ষৰ ইতিহাসত বিশেষকৈ মোগল শাসনৰ কালত হোৱা সকলোবোৰ যুদ্ধই আছিল ৰাজনৈতিক ক্ষমতা লাভ আৰু অৰ্থনৈতিক সম্পত্তিৰ লালসাৰ বাবে। এই ক্ষেত্ৰত দুটা উদাহৰণ বিশেষ উল্লেখনীয়। মহাৰাজ শিৱাজী আৰু আফজাল খানৰ মাজৰ যি সংঘাত, সেয়া ধৰ্মীয় সংঘাত নাছিল। কিয়নো আফজাল খানৰ ব্যক্তিগত সচিব আছিল কৃষ্ণজী ভাস্কৰ কুলকাৰ্ণী। এই সচীবজনে আফজাল খানক হত্যা কৰাৰ পিছত মহাৰাজ শিৱাজীক আক্ৰমন কৰিছিল। কুলকাৰ্ণী আছিল এজন নৈষ্ঠিক হিন্দু সম্প্ৰদায়ৰ লোক। আকৌ আফজাল খানে শিৱাজীক হত্যা কৰাৰ যি গোপণ অভিসন্ধি ৰচনা কৰিছিল তাক শিৱাজীৰ ওচৰত ব্যক্ত কৰা ব্যক্তিজন আছিল ৰুষ্টুমে জামাল আৰু মৌলনা হাইদৰ আলী। এই দুয়োজন ব্যক্তিয়ে শিৱাজীৰ নিৰাপত্তাৰ দিশটো ছোৱাচিতা কৰিছিল। দুয়োজন ব্যক্তিয়ে আছিল ইছলাম ধৰ্মৰ লোক। অৰ্থাৎ শিৱাজী আৰু আফজাল খানৰ সংঘাত ধৰ্মীয় দিশৰ পৰা আলোচনা কৰাটো অমূলক।

এনে আন এক পৰিঘটনা ইতিহাসত ভুল ব্যাখ্যা কৰি অহা হৈছে, সেয়া হ'ল মহামতী আকবৰ আৰু ৰাণা প্ৰতাপৰ মাজত হোৱা যুদ্ধ। ৰাজস্থানৰ হলদিঘাটত হোৱা এই যুদ্ধৰো ভিত্তি ধৰ্ম নাছিল, আছিল সাম্ৰাজ্য সুৰক্ষা, সম্প্ৰসাৰণৰ যুদ্ধ। আকবৰৰ ৰাজসভালৈ লক্ষ্য কৰিলে দেখা যায় তেওঁক মন্ত্ৰণা দিয়াৰ বাবে নজন বিশিষ্ট পণ্ডিতেৰে গঠিত নৱৰত্নক নিযুক্তি দিয়া হৈছিল। এই নৱৰত্নৰ অন্যতম আছিল বীৰবল আৰু টোদৰ মল। দুয়োজনেই হিন্দু ধৰ্মাৱালম্বী। বাৰীবল মূল মন্ত্ৰণাদাতা আৰু টৌদৰ মল আছিল ৰাজহ মন্ত্ৰী। ৰাজস্থানৰ হলধিঘাটৰ যুদ্ধওঁ আকবৰে এওঁলোকৰ মন্ত্ৰণাতে আগবাঢ়িছিল। আকৌ আকবৰৰ প্ৰধান সেনাপতিজন যিজনে হলধিঘাট যুদ্ধৰ নেতৃত্ব দিছিল তেওঁৰ নাম আছিল মানসিং। আনফালে ৰাণা প্ৰতাপক এই যুদ্ধত সহায় কৰা এজন মূল সেনাপতি আছিল হাকীম খান সুৰষ এওঁ ইছলাম ধৰ্মাৱলম্বী। এই দুয়োটা পৰিঘটনাকে একাংশ ইতিহাসবিদে সাম্প্ৰদায়িক আবৰণেৰে আবৃত্ত কৰা দেখা যায়। আকবৰ আছিল বহু পৰিমাণে এজন ধৰ্মনিৰপেক্ষ লোক। তেওঁ সকলো ধৰ্মকে মান্যতা দিয়াৰ বাবে 'দীন ইলাহী' ধৰ্মৰ প্ৰৱৰ্ত্তন কৰিছিল। এনে মহানুভৱতাৰ বাবে নৱেল বঁটা প্ৰাপ্ত চিন্তাবিদে অৰ্মত্য খান ভাৰতীয় ইতিহাসৰ দুজন শ্ৰেষ্ঠ ব্যক্তি হিচাপে আকবৰ আৰু অশোকক মান্যতা দিছে। অৰ্থাৎ মধ্য যুগৰ সময়লৈকে ভাৰতৰ ইতিহাস আছিল সাম্প্ৰদায়িক ধাৰণাৰ পৰা মুক্ত।

ভাৰতত সাম্প্ৰদায়িক চিন্তাধাৰাৰ উদ্ভৱ হয় বৃটিছ শাসন কালৰ পৰা। কেৱল অৰ্থনৈতিক স্বাৰ্থতে ভাৰতত বাণিজ্য কৰিবলৈ অহা বৃটিছে ভাৰতীয় শাসকৰ দুৰ্বলতাৰ সুযোগ লৈ এটাৰ পিছত আনটো অঞ্চল দখল কৰি ৰাজনৈতিক ক্ষমতা হস্তগত কৰিছিল। ৰাজনৈতিক ক্ষমতা দখলেৰে ভাৰতৰ ভিন্ন প্ৰান্তৰ পৰা অৰ্থনৈতিক সম্পদ আহৰণ কৰি ইংলেণ্ডলৈ পঠিয়াইছিল। ক্ৰমাৎ নিগাজিকৈ নিজৰ শাসন আৰু শোষণ প্ৰতিষ্ঠা হ'বলৈ লওঁতেই ভাৰতত আৰম্ভ হৈছিল চিপাহী বিদ্ৰোহ। চিপাহী বিদ্ৰোহে ইংৰাজ শাসনৰ ভেটি কপায় তোলে। ফলত যিকোনো প্ৰকাৰে ভাৰতীয় লোকৰ মাজত জাগি উঠা বিদ্ৰোহ দুৰ্বল কৰাৰ লক্ষ্যৰে তেওঁলোকে কাৰ্য পদ্ধতি গ্ৰহণ কৰিবলৈ লয়। এনে কাৰ্য্য পদ্ধতিৰ আহিলা হিচাপে গ্ৰহণ কৰিছিল ভাৰতীয় সমাজত থকা সামাজিক সংগঠন যেনে– জাতি, ধৰ্ম আদি। 'বিভাজনৰ মাধ্যমেদি শাসন' নীতিৰ ফলশ্ৰুতিতে ভাৰতত লাহে লাহে সাম্প্ৰদায়িকতাবাদৰ চেতনা হ'বলৈ ধৰে। বিভাজন আৰু শাসন নীতিৰ অংশ হিচাপে বৃটিছে গ্ৰহণ কৰা কাৰ্য্য ব্যৱস্থাৰ অংশ আছিল এনেধৰণৰ–

১। ভাৰতৰ বুৰঞ্জীক সাম্প্ৰদায়িক ৰূপত উপস্থাপন কৰা।

২। ভিন ভিন ধৰ্মীয় সমূহৰ বাবে তোষামোদকাৰী নীতি গ্ৰহণ।

ইয়াৰে প্ৰথম কাৰ্য্য ব্যৱস্থা ৰূপায়ণৰ বাবে ইতিহাসবিদ সকলৰ দ্বাৰা ভাৰতৰ ইতিহাসক সাম্প্ৰদায়িক ৰূপত উপস্থাপনৰ যত্ন কৰিছিল। ইংৰাজৰ সাহাৰ্য্যপুষ্ট ইতিহাসবিদসকলে ভাৰতৰ ইতিহাসক হিন্দু ৰাজত্বকালৰ ইতিহাস, মুছলিম ৰাজত্বকালৰ ইতিহাস হিচাপে ৰূপৰেখা তৈয়াৰ কৰি আলোচনা কৰিছিল। ৰজাৰ ধৰ্মৰ ভিত্তিত ইতিহাসক নামাকৰণৰ চৰিত্ৰ ভাৰতত আজিওঁ বহু পৰিমাণে কাৰ্য্যকৰী হৈ আছে। ইয়াৰ লগে লগে ইতিহাসত ঘটা বিভিন্ন সংঘাত বা আক্ৰমণক

ধৰ্মীয় ৰঙেৰে বোলাই মুছলমানৰ দ্বাৰা হিন্দুক আক্ৰমণ অথবা হিন্দুৰ দ্বাৰা মুছলমানক আক্ৰমণৰ পৰিঘটনা হিচাপে ব্যাখ্যা কৰি বহু কাললৈকে হিন্দু মুছলমানৰ মাজত সন্দেহ, হিংসাৰ মনোভাৱৰ কঠিয়াতলি ৰোপণ কৰিছিল। এই প্ৰচেষ্টাত বৃটিছ সকল সম্পূৰ্ণ সফলো হৈছিল।

দ্বিতীয় ব্যৱস্থাৰ অংশ হিচাপে হিন্দু আৰু মুছলমানসকলৰ মাজত বিভেদ সৃষ্টি কৰাৰ বাবে দুয়োটা পক্ষৰ প্ৰতিয়ে তোষামোদকাৰী নীতি গ্ৰহণ কৰিছিল। ১৯০৫ চনৰ বংগ বিভাজন নীতি আছিল এই প্ৰচেষ্টাৰ উল্লেখনীয় নিদৰ্শন। ইয়াৰ দ্বাৰা মুছলিম গৰিষ্ঠতা থকা প্ৰদেশ সৃষ্টি কৰি জাতিয়তাবাদী ভাৱধাৰাক ম্লান কৰিব বিচৰা হৈছিল। গুৰুমুখ নিহাল সিংৰ মতে ইয়াৰ উদ্দেশ্য আছিল সম্প্ৰদায়বোৰৰ মাজত দূৰত্ব বৃদ্ধি কৰা। বংগ বিভাজনৰ প্ৰাকমুহূৰ্ত্তত লৰ্ড কাৰ্জনে এনে ভাৱ প্ৰদৰ্শনৰ চেষ্টা কৰিছিল যে ইংৰাজসকলে মুছলমান সকলক তেওঁলোকৰ প্ৰিয় সন্তানৰ দৰে আচৰণ কৰে আৰু তেওঁলোকে মুছলমান সম্প্ৰদায়ৰ উন্নতিৰ হকে কাম কৰে।

ধৰ্মীয় বিভাজন নীতিৰ আন এক নিদৰ্শন আছিল ১৯০৯ চনৰ মৰ্লে মিন্টো সংস্কাৰ আইন। এই আইনৰ দ্বাৰা পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত সাম্প্ৰদায়িক ভোটাধিকাৰৰ সৃষ্টি কৰি ভাৰতীয় সমাজত ধৰ্মভিত্তিত ৰাজনৈতিক বিভাজন আনিছিল। পৰৱৰ্ত্তী কালত মুছলীম লীগে দাবী কৰা দ্বি-জাতিতত্বৰ আধাৰ হিচাপে এই আইনকে আঙুলিয়াব পাৰি।

বৃটিছ চৰকাৰৰ ধৰ্ম ভিত্তিত বিভাজন নীতিৰ আন এক উল্লেখনীয় নিদৰ্শন আছিল ১৯৩২ চনত বৃটিছ প্ৰধান মন্ত্ৰী মেকডেনোল্ডে ঘোষণা কৰা সাম্প্ৰদায়িক বাটোৱাৰ (Communal Award) নীতি। এই নীতিৰ দ্বাৰা সকলো ধৰণৰ সংখ্যালঘু লোককে পৃথক পৃথক ভোটাধিকাৰ দিয়াৰ ঘোষণা কৰিছিল।

বৃটিছ সকলৰ এই বিভাজন নীতি পুৰামাত্ৰাই সফলভাৱে কাম কৰিছিল। ইয়াৰ ফলতে ভাৰতীয় সমাজত ধৰ্ম ভিত্তিক বিভাজন স্পষ্ট হৈ এটা সময়ত ভাৰত বিভাজনৰ দৰে সাম্প্ৰদায়িকতাৰ চূড়ান্ত ফলাফললৈ গতি কৰিছিল। সাম্প্ৰদায়িকতাৰ এই চূড়ান্ত ফল কোনো এটা নিৰ্দিষ্ট দিন বা পৰিঘটনাৰ ফল নহয়। ই লাহে লাহে জন্ম পোৱা এডাল বিষবৃক্ষৰ ফল।

বৃটিছসকলে ভাৰত শাসনভাৰ মূলতঃ মুছলমান শাসকৰ পৰা আহৰণ কৰিছিল। সেয়েহে প্ৰাথমিক পৰ্য্যায়ত তেওঁলোকে হিন্দু ধৰ্মী লোকৰ প্ৰতিয়ে তোষামোদকাৰী নীতি গ্ৰহণ কৰিছিল। ১৭৯৩ চনত বৃটিছে গ্ৰহণ কৰা চিৰস্থায়ী বন্দোবস্তই হিন্দু কালেক্টৰসকলৰ স্থান উন্নত কৰিছিল, যিসকল গুৰুত্বহীন পদত আছিল, সেইসকলক ওপৰৰ ভূস্বামী বা জমিদাৰ পদলৈ উন্নীত হৈছিল, মুছলমান সকলৰ ওপৰত থকা সন্দেহৰ বাবেই ইংৰাজসকলে মুছলমান সকলক অসামৰিক পদত নিয়োগ কৰা নাছিল। এনে পৰিপ্ৰেক্ষিতত ভাৰতৰ মুছলিম সম্প্ৰদায় অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰত পিছ পৰি ৰৈছিল। চিপাহী বিদ্ৰোহৰ আৰম্ভণিতে বৃটিছে মুছলমান সকলৰ প্ৰতি দমন নীতি গ্ৰহণ কৰিছিল আৰু ভালেমান লোকক অত্যাচাৰ কৰি হত্যাও কৰিছিল। অৱশ্যে ১৮৭১ চনত উইলিয়াম উইলচন হান্টাৰে লিখা 'The Indian Muslim' নামৰ গ্ৰন্থখন প্ৰকাশ হোৱাৰ পিছৰ পৰা বৃটিছসকলৰ দৃষ্টিভংগীৰ পৰিৱৰ্ত্তন ঘটে। হান্টাৰে উল্লেখ কৰিছিল যে মুছলমান সকল ইমানেই দুৰ্বল যে তেওলোকে বিদ্ৰোহ কৰাৰ সামৰ্থ নাই আৰু সেয়েহে তেওঁলোকৰ লগত মিত্ৰতা কৰাটোহে সুবিধাজনক হ'ব।

ইয়াৰ পৰৱৰ্ত্তী সময়ত বৃটিছে মুছলমানৰ সপক্ষে কিছু কাম কৰিবলৈ লয়। এই ক্ষেত্ৰত চাৰ চৈয়দ আহমদ খানে সক্ৰিয় ভূমিকা লৈছিল। তেওঁ মুছলমান সকলক পতিয়ন নিয়াইছিল যে মুছলমান সম্প্ৰদায়ৰ উন্নতিৰ পথ মুক্ত কৰিবলৈ হ'লে চৰকাৰক সমৰ্থন কৰিবই লাগিব। আহমদ খানে কংগ্ৰেছৰ অধীনত থাকি ভাৰতৰ সৰ্বস্তৰৰ লোকৰ উন্নতি সাধন কৰাৰ পৰিৱৰ্ত্তে মুছলমান সকলক পৃথকভাৱে নিজৰ অধিকাৰৰ দাবী উত্থাপন কৰিবলৈ কৈছিল। এনে প্ৰচেষ্টাৰ ফলস্বৰূপে ১৯০৬ চনত মুছলীম লীগ প্ৰতিষ্ঠা হয়। ১৯০৬ চনত গঠন হোৱা লীগৰ মূল উদ্দেশ্য আছিল চৰকাৰী নীতিক সমৰ্থন কৰি জাতীয় কংগ্ৰেছৰ বৰ্দ্ধিত প্ৰভাৱ ৰোধ কৰা। এনেদৰে আৰম্ভণিৰ পৰা মুছলীম লীগে অকল মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থ আৰু ৰাজনৈতিক অধিকাৰ লাভৰ বাবে একে সাম্প্ৰদায়িক শক্তি হিচাপে কাম কৰিছিল।

মুছলিম সাম্প্ৰদায়িক শক্তিৰ সামান্তৰালকৈ ১৯০৯ চনত পাঞ্জাৱ হিন্দু সভা প্ৰতিষ্ঠা হয়। এই সভাইও কংগ্ৰেছৰ সকলো ধৰ্মকে এখন মঞ্চৰ নেতৃত্বত আন্দোলন কৰাৰ নীতিৰ বিৰোধীতা কৰে। এই সভাৰ অন্যতম সদস্য লাই চান্দে মন্তব্য কৰিছিল যে 'মই প্ৰথমে এজন হিন্দু পিছতহে ভাৰতীয়'। পৰৱৰ্ত্তী সময়ত অৰ্থাৎ ১৯১৫ চনত হিন্দু সাম্প্ৰদায়িকতাবাদক কেন্দ্ৰ কৰি সৰ্বভাৰতীয় হিন্দু মহাসভা প্ৰতিষ্ঠা হয়। এই সভাই ইয়াৰ ষষ্ঠ সন্মিলনী অৰ্থাৎ ১৯২১ চনত অখিল ভাৰতীয়

হিন্দু মহাসভা নামেৰে নামাকৰণ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ এক সমান্তৰাল অনুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰে। বিনায়ক দামোদৰ চাভাৰকাৰৰ নেতৃত্বই এই সংগঠনটো অধিক হিন্দুত্ববাদৰ দৰ্শনেৰে পৰিচালিত হয়। ১৯২৫ চনত কেশৱ বলিৰাম হেডগোৱাৰে এই সংগঠনৰ পৰা ওলাই গৈ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ নামেৰে আন এক হিন্দুত্ববাদী সংগঠন প্ৰতিষ্ঠা কৰে। হিন্দু মহাসভা আৰু মুছলীম লীগৰ এনে সাম্প্ৰদায়িক নীতিৰ বিপৰীতে জাতীয় কংগ্ৰেছে ধৰ্মনিৰপেক্ষ চাৰিত্ৰৰে সকলোকে এক কৰি ৰখাৰ যত্ন কৰিছিল যদিওঁ সেয়া সাময়িক সফলতাহে আছিল। ১৯৩০ চনত এসময়ত "চাৰে জাহা চে আচ্ছা হিন্দুস্তান হামাৰা" মতপোষণ কৰা ইকবালে মুচলমান সকলৰ বাবে পৃথক ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰে। পৰৱৰ্ত্তী সময়ত ১৯৪০ চনৰ লাহোৰ অধিৱেশনত মুছলীম লীগে মুছলমানৰ বাবে পৃথক ৰাষ্ট্ৰৰ দাবী আনুষ্ঠানিকভাৱে উত্থাপন কৰে। এই পৃথক ৰাষ্ট্ৰৰ দাবীত সৰৱ হৈছিল জাতীয় কংগ্ৰেছৰ লক্ষ্ণৌ অধিৱেশনত সৰোজনী নাইডুৱে হিন্দু মুছলমানৰ মাজত একতাৰ প্ৰতিক হিচাবে আখ্যা দিয়া মহম্মদ আলী জিন্না। শেষত ধৰ্মৰ ভিত্তিতে ভাৰত দ্বি-খণ্ডিত হয়। স্বাধীনতাৰ কালৰ সময়ছোৱা আছিল সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়াবহ প্ৰকাশ। ১৯৪৬ চনৰ ১৬ আগষ্টত কলিকতা চহৰত হিন্দু মুছলমানৰ মাজত যথেষ্ট সাম্প্ৰদায়িক সংঘৰ্ষ হয়। ইয়াৰ উপৰিও স্বাধীনতাৰ সময়ছোৱাত বংগদেশ আৰু পাঞ্জাৱত যথেষ্ট সাম্প্ৰদায়িক সংঘৰ্ষৰ মাজেৰে অতিবাহিত হৈছিল।

স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত পাকিস্তানক এখন ইছলাম ধৰ্মাৱালম্বী ৰাষ্ট্ৰ ঘোষণা কৰাৰ বিপৰীতে ভাৰতৰ সংবিধান প্ৰণেতা সকলে ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰূপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছিল। জাতীয় কংগ্ৰেছৰ নেতৃত্বত ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ গঢ়াৰ প্ৰযত্ন কৰাৰ পিছতো স্বাধীনতাৰ ঠিক পিছৰ পৰাই সাম্প্ৰদায়িক শক্তিসমূহে দুৰ্বল অৱস্থাৰে হ'লেও তেওঁলোকৰ কু-অভিপ্ৰায় চলায়ে আছিল। এই ক্ষেত্ৰত সেই সময়ৰ ভাৰতৰ আৰ্থ সামাজিক পৰিৱেশেওঁ সাম্প্ৰদায়িকতাবাদ সৃষ্টিত অৰিহণা যোগাইছিল। বিপান চন্দ্ৰৰ ভাষাত— "For several generations now the Indian people have been loosing their old world without gaining the new. Old traditional social istitutions and solidarities of caste, joint family, village and urban neighbourhood have been rapidly breaking down, but no new institutions and solidarities of caste and trade unions, kisan sabhas, plitical parties, and other voluntary associations have been taking their place. Simultancously, old values, and social mores, which cemented together different segment of society and kept their relation at human and civilized level, have been dirapearing under the hammer blows of the profit motive and the philosophy of winner takes all and the devil take care of the hind-most. The result has been a moral and cultural vacuum which is so conducive to ideologies and movements based on fear and hate."

আৰ্থ সামাজিক ক্ষেত্ৰত দেখা দিয়া গামনিশত এই শূন্যতাই সমাজত ধৰ্মৰ প্ৰভাৱ বৃদ্ধি কৰিবলৈ ললে। যদিওবা ধৰ্মৰ প্ৰভাৱ বৃদ্ধিয়েই সাম্প্ৰদায়িকতা হব নোৱাৰে তথাপি উভয়ৰে পৃষ্ঠভূমি একেতাই। পৰবৰ্তী সময়ত এই পৃষ্ঠভূমিৰ আধাৰতে দশ সংগঠন তথা বিভিন্ন প্ৰভাৱগোষ্ঠীয়ে নিজৰ স্বাৰ্থ পূৰণৰ বাবে ধৰ্মীয় গোষ্ঠীসমূহৰ মাজত বিভিন্নতাবাদ বিভাজনমুখিতা আৰু ঘৃনাৰ মনোভাব পোষন কৰি সাম্প্ৰদায়িক চিন্তাধাৰৰ ভেটিটো জীপাল কৰি আজিও ৰাখিবলৈ সক্ষম হৈছে।

**ভাৰতত সাম্প্ৰদায়িকতাবাদৰ উত্থানৰ কাৰণ** ঃ-

ভাৰতত সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰাৰ বিকাশত ইতিমধ্যে সাম্প্ৰদায়িক ৰাজনীতিৰ উত্থানৰ বিভিন্ন কাৰকৰ বিষয়ে আলোচনা কৰা হৈছে। তথাপি চমুকৈ ইয়াত আলোচনা কৰা হ'ল।

**১। বৃটিছৰ বিভাজনৰ ৰাজনীতি** ঃ- ভাৰতত সাম্প্ৰদায়িকতাবাদৰ উত্থান ঘটিছিল বৃটিছ সাম্ৰাজ্যবাদৰ সময়ৰ পৰা। বৃটিছসকলে নিজৰ শাসন আৰু শোষণ অব্যাহত ৰখাৰ স্বাৰ্থত ভাৰতত প্ৰতিষ্ঠিত সামাজিক বান্ধোনসমূহক ব্যৱহাৰ কৰিছিল। ভাৰতত প্ৰচলিত থকা জাতি ব্যৱস্থা আৰু ধৰ্ম আছিল মূল আহিলা। জাতিবাদৰ নামত ব্ৰাহ্মনসকলৰ বিৰুদ্ধে অব্ৰাহ্মন সকলক উচতাইছিল আকৌ ধৰ্মৰ ক্ষেত্ৰত বিশেষকৈ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহে বৃটিছ প্ৰশাসনৰ ৰাজহাড় কপাই তোলাৰ পিছত বাৰুকৈয়ে বৃটিছসকলে অনুভৱ কৰিছিল যে ভাৰতীয় জাতীয়তাবাদক বিভাজন কৰিব নোৱাৰিলে কেতিয়াওঁ শাসন ক্ষমতা দীৰ্ঘম্যাদি কৰিব নোৱাৰি। সেয়েহে ১৮৫৭ চনৰ পিছৰ পৰাই বৃটিছ বিভাজন আৰু শাসন নীতি স্পষ্ট হৈছিল। ভাৰতৰ হিন্দু আৰু মুছলমান ধৰ্মৰ মাজত বিভাজন আনিবলৈ ১৯০৯ চনত সাম্প্ৰদায়িক প্ৰতিনিধিত্ব আৰু

১৯৩২ চনত সাম্প্ৰদায়িক বাটোৱাৰাৰ ব্যৱস্থা কৰিছিল। বৃটিছৰ এনে উচতনিত সঁচাকৈয়ে ভাৰতত হিন্দু আৰু মুছলমান ধৰ্মৰ একাংশ লোকৰ মাজত সাম্প্ৰদায়িকতাৰ মনোভাৱে গজালি মেলিছিল। ফলত জন্ম হৈছেল মুছলিম লীগ, হিন্দু মহাসভা, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংস্থা। এই সংস্থাবোৰৰ তত্বাৱধানতে হিন্দু আৰু মুছলমান ধৰ্মক লৈ ৰাজনীতি আৰম্ভ হৈছিল আৰু সেই সাম্প্ৰদায়িকতাবাদৰ ধাৰা আজিও অটুত আছে।

**২। ভাৰতৰ বুৰঞ্জীক ধৰ্মীয়কৰণ** ঃ- ভাৰতত বৰ্ত্তমান সময়ত সংঘটিত হৈ থকা অনেক সাম্প্ৰদায়িক পৰিঘটনাৰ প্ৰাসংগিকতা স্থাপন কৰা হয় ধৰ্মীয়কৰণৰ দ্বাৰা ব্যাখ্যা কৰা বুৰঞ্জীৰ ঘটনাৱাজিৰ লগত। দুৰ্ভাগ্যবশতঃ সেয়া নিৰপেক্ষ ভাৰতৰ বুৰঞ্জীৰ ঘটনা নহয়। সাম্প্ৰদায়িকতাবাদী বৃটিছ শক্তিয়ে ভাৰতীয় মানুহৰ মাজত একতাৰ এনাজৰিডাল দুৰ্বল কৰিবলৈ এচাম ইতিহাসবিদৰ দ্বাৰা ভাৰতৰ বুৰঞ্জীক সাম্প্ৰদায়িক ভিত্তিত প্ৰতিষ্ঠিত কৰিছিল। ভাৰতৰ ইতিহাসক হিন্দু শাসনকাল, মুছলিম শাসনকাল, মাৰাঠা শাসনকাল হিচাপে চিহ্নিত কৰাই নহয় বিভিন্ন ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ পুষ্ট সংঘাট বা আক্ৰমণক সাম্প্ৰদায়িকতাৰ ৰোলেৰে আৱৰণ দিছে। বৃটিছৰ শাসন সমাপ্তিৰ পিছত ভাৰত বুৰঞ্জীক নিৰপেক্ষভাৱে উপস্থাপন কৰাৰ প্ৰয়াস কোনো চৰকাৰৰ মাজতে দেখা নগ'ল বৰং বৰ্ত্তমান সময়তো অনেক মুক্তিযুজাৰুক হিন্দুনেতা, মুছলিমনেতা, শিখনেতা হিচাপে অভিহিত কৰা দেখা যায়।

**৩। স্বাধীনতাৰ পৰৱৰ্ত্তী কালত সৃষ্টি হোৱা আৰ্থ সামাজিক শূণ্যতা** ঃ- বিপান চন্দ্ৰ মতে স্বাধীনতাৰ ঠিক পিছতে ভাৰতৰ আৰ্থ সামাজিক ক্ষেত্ৰত সৃষ্টি হোৱা গাথনিগত শূণ্যতাওঁ সাম্প্ৰদায়িকতাবাদৰ এক অন্যতম কাৰণ। স্বাধীনতাৰ পিছতে ভাৰতৰ অৰ্থনৈতিক লেহেম উন্নয়নে দেশৰ দৰিদ্ৰতা, নিবনুৱা বা অসমতাক আঁতৰ কৰাৰ ক্ষেত্ৰত সফল হোৱা নাছিল। জনসাধাৰণৰ মাজত হতাশা আৰু উদ্বিগ্নতাই গা কৰি উঠিছিল। তাকৰ সম্পদ আৰু সুবিধা লাভৰ বাবে জনসাধাৰণৰ মাজত এক অস্বাস্থ্যকৰ প্ৰতিযোগীতা চলিছিল। আনফালে পূৰ্বৰ সামাজিক বান্ধোন যেনে জাতি ব্যৱস্থা, যৌথ পৰিয়াল, গ্ৰাম্য গাথনি ক্ৰমে ভাগি যাবলৈ, ধৰিছিল এই অনুষ্ঠানবোৰৰ বিকল্প স্বৰূপে বাণিজ্যিক সংগঠন, কিষান সভা, শ্ৰেণী ব্যৱস্থাওঁ শক্তিশালী হোৱা নাছিল। এনে প্ৰেক্ষাপটত ধৰ্মীয় অনুভূতিবোৰৰ দ্বাৰাই মানুহ পৰিচালিত হ'বলৈ ধৰিছিল আৰু ইয়ে সাম্প্ৰদায়িক শক্তিক জাগ্ৰত কৰাত সহায় কৰিছিল।

**৪। সক্ৰিয় ৰাষ্ট্ৰৰ পদক্ষেপৰ অভাৱ** ঃ- বিশিষ্ট ইতিহাসবিদ বিপান চন্দ্ৰৰ মতে ভাৰতৰ কোনো চৰকাৰে (পশ্চিমবংগৰ মাৰ্ক্সীয় সাম্যবাদী চৰকাৰৰ বাহিৰে) সাম্প্ৰদায়িকতাবাদ নিৰ্মূলৰ বাবে সক্ৰিয় আৰু সঠিক পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে সাম্প্ৰদায়িকতাবাদে শক্তিশালী ৰূপ ধাৰণ কৰিছে। তেওঁৰ মতে ক্ষমতাৰ স্বাৰ্থত প্ৰতিটো ৰাজনৈতিক দলে সাম্প্ৰদায়িক শক্তিৰ সৈতে হাত মিলাই চৰকাৰ চালাইছে। এনে ৰাজনৈতিক সুবিধাবাদৰ চৰিত্ৰই সাম্প্ৰদায়িক শক্তিক ইন্ধন যোগাইছে, লগতে বহু পৰিমাণে বৈধতাওঁ প্ৰদান কৰিছে। চৰকাৰে সাম্প্ৰদায়িক সংঘাটৰ সময়তহে কিছু সক্ৰিয়তাৰে কাম কৰে কিন্তু সাম্প্ৰদায়িক সংঘাট হৈছে সাম্প্ৰদায়িকতাবাদৰ চূড়ান্ত ৰূপ। প্ৰকৃততে সাম্প্ৰদায়িকতাবাদ আঁতৰ কৰণৰ প্ৰস্তুতি এক দীৰ্ঘম্যাদি পৰিকল্পনাৰেহে সম্ভৱ। এনে পদক্ষেপ কোনো চৰকাৰেই গ্ৰহণ কৰা নাই।

**৫। সাম্প্ৰদায়িক দল সংগঠন আৰু নেতৃত্ব** ঃ- ভাৰতত সাম্প্ৰতিক সময়তো ভালেমান সাম্প্ৰদায়িক দল সংগঠনৰ উপস্থিতি দেখিবলৈ পোৱা যায়। যদিওঁবা প্ৰতিটো দল সংগঠনে নিজকে ধৰ্মনিৰপেক্ষ হিচাপে উপস্থাপন কৰিবলৈ প্ৰয়াস কৰে কিন্তু বাস্তৱ কাৰ্য পদ্ধতিত এই দল সংগঠনৰ সাম্প্ৰদায়িক চৰিত্ৰ প্ৰতিফলিত হয়। এই দল সংগঠনবোৰ ধৰ্মৰ ভিত্তিত ৰাজনৈতিক মেৰুকৰণৰ প্ৰয়াস কৰি সাম্প্ৰদায়িক চিন্তা ধাৰাত ইন্ধন যোগায়। আকৌ বিভিন্ন ধৰ্মত থকা একাংশ ধৰ্মগুৰুওঁ সাম্প্ৰদায়িকবাদৰে পৃষ্ঠপোষক। এই ধৰ্মগুৰু বা মৌলবী সকলে ধৰ্ম প্ৰচাৰৰ নামত ধৰ্মীয় গোড়ামী তথা সংকীৰ্ণতাৰ বাণী প্ৰচাৰ কৰি বিভিন্ন ধৰ্মাৱালম্বী লোকৰ মাজত ঘৃণা আৰু সন্দেহ জাগ্ৰত কৰাত সহায় কৰে। বৰ্তমান ভাৰতৰ প্ৰেক্ষাপটত সাম্প্ৰদায়িক শক্তি হিচাবে এই দল, সংগঠন আৰু নেতাৰ ভূমিকা বিশেষ উল্লেখনীয়।

**৬। বিদেশী ৰাষ্ট্ৰৰ ভূমিকা** ঃ- ভাৰতৰ সন্ত্ৰাসবাদী শক্তিক জাগ্ৰত কৰি ৰখাত প্ৰতিবেশী ৰাষ্ট্ৰসমূহৰো এক ভূমিকা আছে। বিশেষকৈ পাকিস্তানে ভাৰতৰ যিকোনো সংঘাটকে এক সাম্প্ৰদায়িক দৃষ্টিকোনেৰে ব্যাখ্যা কৰি সাম্প্ৰদায়িক শক্তিবোৰক উদগনি দিয়া পৰিলক্ষিত হৈছে। বহু সময়ত পাকিস্তানৰ প্ৰবোচনাতে একাংশ সংগঠন সাম্প্ৰদায়িক সংঘাটত অৱতীৰ্ণ হোৱা দেখা যায়।

**৭। গণ মাধ্যমসমূহৰ ভূমিকা** ঃ- ভাৰতত সাম্প্ৰদায়িক শক্তিক জাগ্ৰত কৰাৰ ক্ষেত্ৰত গণ মাধ্যমসমূহৰো এক শক্তিশালী স্থান আছে। বৈদ্যুতিন গণ মাধ্যম আৰু সামাজিক গণ মাধ্যমসমূহৰ এই ক্ষেত্ৰত ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। বৈদ্যুতিন গণ মাধ্যমসমূহেওঁ বিভিন্ন সময়ত নিজৰ প্ৰদৰ্শনৰ সূচকাংক উন্নত কৰাৰ স্বাৰ্থত বিভিন্ন সংঘাতক ধৰ্মগোষ্ঠীৰ সংঘাত ৰূপে

অতিৰঞ্জিতভাৱে প্ৰকাশ কৰে। কোনো ঠাইত ক্ষুদ্ৰ সাম্প্ৰদায়িক সংঘাতক বাৰে বাৰে প্ৰচাৰ কৰি থকাৰ ফলত সেই সংঘাতে অধিক প্ৰসাৰতা লাভ কৰি গোটেই দেশতে বিস্তাৰিত হোৱাৰ উদাহৰণ আছে। সামাজিক গণ মাধ্যম যেনে ফেচবুক, হোৱাটচএপ, টুইটাৰ আদিৰ যোগেদি আকৌ একাংশ চক্ৰান্তকাৰীয়ে কিছুমান উৰাবাতৰি প্ৰচাৰ কৰি ধৰ্মীয় সংঘাটৰ সূচনা কৰে।

ভাৰতত প্ৰধানকৈ এই কাৰকবোৰেই সাম্প্ৰদায়িকতাবাদ জাগ্ৰত কৰা আৰু প্ৰসাৰণ কাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অৱশ্যে এইবোৰৰ উপৰিও বহু সময়ত হিন্দু আধিপত্যবাদ, সংখ্যালঘু লোকৰ ওপৰত অত্যাচাৰেওঁ তৎকালীন কাৰক হিচাবে সাম্প্ৰদায়িকতাবাদক উচতনি যোগায়।

**সাম্প্ৰদায়িকতাবাদ প্ৰতিহত কৰাৰ উপায়** ঃ- সাম্প্ৰদায়িকতাবাদ ভাৰতৰ সংহতিৰ প্ৰতিৰন্ধক। ই বিকাশৰ পৰিকাঠামোত বাধাৰ সৃষ্টি কৰে। জনসাধাৰণৰ মাজত ঘৃণা সন্দেহৰ ভাব উদ্ৰেক কৰি সামাজিক বান্ধোনক দুৰ্বল কৰে। সেয়ে এখন যুক্তিপূৰ্ণ, বিকশিত সমাজৰ স্বাৰ্থত সাম্প্ৰদায়িকতাবাদক বাধা প্ৰদান কৰাটো অত্যন্ত আৱশ্যক। সাম্প্ৰদায়িকতাবাদক প্ৰতিহত কৰাৰ বাবে কেইটামান গুৰুত্বপূৰ্ণ কৌশল হ'ল—

**১। সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে এক শক্তিশালী বিকল্প আদৰ্শাত্মক আন্দোলন গঢ়ি তোলা** ঃ- বিপান চন্দ্ৰৰ মতে ভাৰতত সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰা প্ৰচলিত হৈ থকাৰ মূল কাৰণ হৈছে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে কোনো শক্তিশালী আন্দোলন গঢ়ি নোতোলা বাবে। যিহেতু সাম্প্ৰদায়িকতাবাদ এক আদৰ্শ গতিকে ইয়াক নাইকীয়া কৰাৰ বাবে শক্তিশালী ধৰ্মনিৰপেক্ষ আন্দোলন গঢ়ি তুলিব লাগিব। এই আন্দোলন একেবাৰে তৃনমূল পৰ্য্যায়ৰ পৰা সকলো স্তৰৰ জনসাধাৰণৰ মাজত গঢ়ি তুলিব লাগিব। বিপান চন্দ্ৰৰ ভাষাত— “The need to develop a powerful campaing or movement against communalism. Moreover, the campaign has to reach out to all sections of the people, that is not only to the communal minded and supporters of the communal parties but also to those who are secular and who support secular parties.”

**২। ৰাষ্ট্ৰৰ সক্ৰিয় ভূমিকা** ঃ- সাম্প্ৰদায়িকতাবাদ নিৰ্মূল কৰণৰ বাবে ৰাষ্ট্ৰৰ সক্ৰিয় ভূমিকা অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰৰ নিৰপেক্ষ আৰু সক্ৰিয় অভিযানে সাম্প্ৰদায়িকতাবাদ নিৰ্মূল কৰণ বা সাম্প্ৰদায়িকতাবাদী সংঘৰ্ষ মষিমূৰ কৰিব পাৰে। বিপান চন্দ্ৰৰ মতে-“State inactivity, for whatever reason, in the face of communal violance in Punjab as also parts of India. On the other hand, the example of CPI(M) run west Bengal shows that effective and immediate administrative action can successfully scotch communal violance”

**৩। শিক্ষা ব্যৱস্থাৰ সংস্কাৰ** ঃ- সাম্প্ৰদায়িকতাবাদ নিৰ্মূলৰ এক দীৰ্ঘম্যাদী আহিলা হ'ল শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা। শিশু কালৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ মনত ধৰ্মনিৰপেক্ষ মনোভাৱৰ চিন্তাধাৰা সঞ্চাৰ কৰাৰ বাবে পাঠ্যক্ৰমত পাঠ্যসূচী অন্তৰ্ভূক্ত কৰিব লাগে। ভিন্ন ধৰ্মীয় অনুষ্ঠানসমূহ সামূহিকভাৱে পালনৰ ব্যৱস্থা কৰিব লাগে।

**৪। সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে কঠোৰ কাৰ্য্যব্যৱস্থা** ঃ- সাম্প্ৰদায়িকতাবাদ ৰোধৰ এক অন্যতম উপায় হৈছে সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ। সাধাৰণ পৰিপ্ৰেক্ষিতত সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে লোৱা চৰকাৰী পদক্ষেপত জনসাধাৰণকহে (যিবোৰ সাম্প্ৰদায়িক শক্তিৰ কু-অভিপ্ৰায়ত জড়িত হয়) শাস্তি প্ৰদান কৰে কিন্তু বাস্তৱত সাম্প্ৰদায়িক শক্তিৰ অন্তৰালত থকা নেতৃত্বৰ বিৰুদ্ধেহে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। দুৰ্ভাগ্যৱশতঃ এই নেতাসকলক সমাজতো সন্মান প্ৰদৰ্শন কৰা হয় আৰু চৰকাৰী পক্ষইওঁ ক্ষমতাৰ স্বাৰ্থত হাত মিলাই চলে।

**৫। অৰ্থনৈতিক ব্যৱস্থাৰ উন্নতি সাধন** ঃ- সমাজ ব্যৱস্থাত অৰ্থনৈতিক উন্নতি সাধনৰ দ্বাৰা দৰিদ্ৰতা, নিবনুৱা সমস্যাবোৰ আঁতৰ কৰিব পাৰিলেওঁ সাম্প্ৰদায়িক শক্তি কিছু দুৰ্বল হ'ব। কিয়নো উন্নত অৰ্থনৈতিক ব্যৱস্থাই কিছু নতুন সামাজিক গাথনি যে শ্ৰেণী ব্যৱস্থা, কিষান সভা, বাণিজ্য সংঘ গঠন কৰিব। এনে সংস্থাসমূহে সাম্প্ৰদায়িকতাবাদৰ বিকল্প হিচাবে জনজীৱনত প্ৰৱেশ কৰিব।

**৬। গণমাধ্যমসমূহৰ সকৰাত্মক ভূমিকা** ঃ- গণমাধ্যমসমূহে এক গঠনাত্মক কাৰ্য্যব্যৱস্থা গ্ৰহণৰ দ্বাৰা সাম্প্ৰদায়িকতাবাদক মষিমূৰ কৰিব পাৰে। গৱেষণাধৰ্মী বাতৰি পৰিৱেশনেৰে সাম্প্ৰদায়িক শক্তিৰ মূল উৎস তথা তেওঁলোকৰ গোপন উদ্দেশ্য জনমানসত দাঙি ধৰিব পাৰিলেই সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টি হ'ব। আকৌ কোনো কোনো সাম্প্ৰদায়িক

পৰিঘটনাক বৃহৎ জনস্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পৰিৱেশন কৰোতে অতি সাৱধনতা অৱলম্বন কৰিব লাগে যাতে ই জনমানসত নকৰাত্মক প্ৰভাৱ সৃষ্টি কৰিব নোৱাৰে। এনে পৰিঘটনা বাৰে বাৰে পৰিৱেশন কৰাৰ পৰিৱৰ্তে ধৰ্মীয় সমিল-মিলতাৰে গ্ৰহণ কৰা কাৰ্য্যসূচীকহে অধিক প্ৰচাৰ কৰিব লাগে। সামাজিক গণমাধ্যমসমূহ ব্যৱহাৰ কৰোতেওঁ যথেষ্ট সাৱধনতা অৱলম্বন কৰা দৰকাৰ। কোনো বাতৰি দেখিলেই আনলৈ প্ৰেৰণ কৰাৰ পৰিৱৰ্তে সত্যাসত্য নিৰূপণতহে গুৰুত্ব লাগে। লগতে গণমাধ্যমৰ কৰ্তৃপক্ষইওঁ এই ক্ষেত্ৰত তিক্ষ্ণ নজৰ দিব লাগে। চৰকাৰে উৰাবাতৰি প্ৰচাৰ কৰা লোকৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

মুঠতে সাম্প্ৰদায়িকতাবাদ যে সমাজৰ শান্তিৰ, প্ৰগতিৰ ভাবুকি তাক সকলোজন লোকে হৃদয়ংগম কৰিব লাগিব। কোনো প্ৰেক্ষাপটতে সাম্প্ৰদায়িক শক্তিক স্থান দিব নালাগে। কিন্তু অনেক সময়ত দেখা যায় যে গণতান্ত্ৰিক ব্যৱস্থাত সংখ্যাগুৰু ধৰ্মৰ ভোটবেংকৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সংখ্যাগুৰু ধৰ্মীয় লোকক আঁচনি কাৰ্যকৰী কৰণত অধিক প্ৰধান্য দিয়া দেখা যায়। যাৰ ফলত সংখ্যালঘু ধৰ্মীয় লোকৰ মাজত এক সচেতনতাৰ মনোভাৱ জাগ্ৰত হৈ পৰৱৰ্ত্তী সময়ত ইয়ে সাম্প্ৰদায়িক শক্তিত ৰূপান্তৰিত কৰে। দৰাচলতে সাম্প্ৰদায়িক শক্তিৰ কোনো সংখ্যাগুৰু বা সংখ্যালঘু গোষ্ঠী নাথাকে। সাম্প্ৰদায়িকতাবাদে কোনো গোষ্ঠীৰে দীৰ্ঘম্যাদি উন্নতি সাধন কৰিব নোৱাৰে। ই মাত্ৰ সেই শক্তিক প্ৰতিনিধিত্ব কৰা এচাম লোকৰহে ক্ষমতাৰ চকী সুৰক্ষিত কৰে। সেয়েহে সাম্প্ৰদায়িক শক্তিক উৎসাহ যোগোৱাৰ পৰিৱৰ্তে চৰকাৰে কোনো নিৰ্দিষ্ট ধৰ্মৰ সপক্ষে বা বিপক্ষে সিদ্ধান্ত গ্ৰহণ কৰিলে যুক্তিসহকাৰে বিবেচনা কৰি সেয়াই ধৰ্মীয় বিভাজনৰ সূচনা কৰাৰ উমান পালে সৰ্বস্তৰৰ জনসাধাৰণে বিৰোধ কৰা উচিত। জনসাধাৰণৰ মাজত এনে সচেতনতা অনাৰ বাবে সমাজৰ নাগৰিক সমাজ, বুদ্ধিজীৱি, ধৰ্মনিৰপেক্ষ সকলো সংগঠন আৰু গণমাধ্যমৰ ব্যক্তিসকলে সক্ৰিয় ভূমিকা লোৱাটো বাঞ্চনীয়।

**সংখ্যালঘিষ্ঠ আৰু সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদ ঃ (Minority & Majority Communalism)**

ভাৰত বিভাজন ঘটিছিল সাম্প্ৰদায়িকতাবাদৰ চূড়ান্ত প্ৰতিফলনস্বৰূপে। ফলত স্বাধীন ভাৰত ৰাষ্ট্ৰৰ নিৰ্মাতাসকলে ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। কিন্তু এই ক্ষেত্ৰত বাধাস্বৰূপে থিয় দিছিল বৃটিছৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বশৱৰ্তী হৈ জন্ম পোৱা সাম্প্ৰদায়িক দল সংগঠনসমূহৰ ভূমিকা আৰু কাৰ্যকলাপবোৰে। স্বাধীনতাৰ ঠিক পিছতে সাম্প্ৰদায়িক শক্তিসমূহক দুৰ্বল কৰি ধৰ্মনিৰপেক্ষতাৰ মুৰ্ত্ত স্বৰূপ হিচাপে ভাৰতীয় কংগ্ৰেছে জনসাধাৰণক আকৃষ্ট কৰিব পাৰিছিল। কিন্তু লাহে লাহে সাম্প্ৰদায়িক শক্তিসমূহে ভিন ভিন অঞ্চললৈ শিপাই এক শক্তিশালী ৰূপ ধাৰণ কৰিবলৈ ললে। সাধাৰণ জনসাধাৰণৰ মাজত সাম্প্ৰদায়িকতাবাদ, ধৰ্মীয় নৈতিকতাবাদ, জতীয়তাবাদক সমাৰ্থক হিচাপে প্ৰতিষ্ঠা কৰাত কিছু পৰিমাণে সমৰ্থওঁ হ'ল। ফলত ক্ষমতাৰ ৰাজনীতিত পূৰ্বৰ ধৰ্মনিৰপেক্ষ শক্তি হিচাপে প্ৰতিষ্ঠিত জাতীয় কংগ্ৰেছৰ দৰে দল সংগঠনবোৰেওঁ সাম্প্ৰদায়িক ৰাজনীতিৰ আশ্ৰয় ল'বলৈ ধৰিলে। তাৰ ফলশ্ৰুতিতে ভালেমান সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিঘটনা ভাৰতৰ পৃষ্ঠভূমিত আৰম্ভ হ'বলৈ ধৰিলে আৰু দেশৰ ধৰ্মনিৰপেক্ষ ভাৱমূৰ্ত্তিৰ প্ৰতিও প্ৰশ্নচিহ্নৰ সূচনা হ'বলৈ ধৰিলে।

যিহেতু ভাৰতৰ সাম্প্ৰদায়িকতাৰ আধাৰ হিচাপে ধৰ্মক ব্যৱহাৰ কৰা হয় সেয়েহে ধৰ্মীয় গোটৰ সংখ্যাক প্ৰতিনিধিত্ব কৰিয়েই সাম্প্ৰদায়িকতাবাদৰ সংখ্যাগৰিষ্ঠ বা সংখ্যালঘিষ্ঠ গোষ্ঠী বিভাজন কৰা হয়। ফলত হিন্দু ধৰ্মক কেন্দ্ৰ কৰি গঢ়ি উঠা সাম্প্ৰদায়িকতবাদী শক্তিক সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতবাদ আৰু সংখ্যালঘু ধৰ্ম যেনে ইছলাম, শিখ আদি ধৰ্মক কেন্দ্ৰ কৰি যি সাম্প্ৰদায়িকতাবাদী শক্তিৰ আৱিৰ্ভাৱ ঘটিছে তাক সংখ্যালঘিষ্ঠ সাম্প্ৰদায়িকতাবাদ আখ্যা দিয়া হয়।

সাম্প্ৰদায়িকতাবাদ যি ধৰণেৰে নহওঁক কিয় ইয়াৰ ফলাফল দেশৰ অখণ্ডতা, বিকাশ, শান্তি তথা ঐক্যৰ প্ৰতি ধ্বংসাত্মক। বিপান চন্দ্ৰৰ মতে "সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদে ফেচীবাদৰ জন্ম দিয়ে আকৌ সংখ্যালঘিষ্ঠ সাম্প্ৰদায়িকতাবাদে বিছন্নতাবাদ বা বিচ্ছিন্নতাবাদী ভাৱধাৰা প্ৰতিষ্ঠা কৰে।"[১] (Majority communalism inevitably leads to facism while minority communalism leads to separatism and separatist sentiment)

**সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদ ঃ (Majority Communalism)**

সংখ্যাগৰিষ্ঠতা সাম্প্ৰদায়িকতাবাদৰ ধাৰণা ভাৰতবৰ্ষত পোষণ হৈছিল বৃটিছ সাম্ৰাজ্যৰ কালতে। বৃটিছে গ্ৰহণ কৰা মুছলিম তোষামোদ নীতিৰ বিৰুদ্ধেই ১৯০৯ চনত হিন্দু সভা নামাকৰণৰ এক সংস্থা গঠন হয়, পৰৱৰ্ত্তী সময়ত অৰ্থাৎ ১৯১৫ চনত সৰ্বভাৰতীয় হিন্দু মহাসভা গঠন হয়। বিভিন্ন কাৰণ আৰু কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত হৈ হিন্দু সংগঠন, ৰাষ্ট্ৰীয়

স্বয়ং সেৱক সংস্থা ১৯২৫ চনত প্ৰতিষ্ঠা হয়। ১৯২৩ চনৰ কট্টৰ হিন্দুবাদী নেতা চাভাৰকাৰে Hindutva : who is hindu নামৰ এক ৰচনা প্ৰকাশ কৰে। এই ৰচনাৰ দ্বাৰা চাভাৰকাৰে হিন্দুত্বক এক নৃগোষ্ঠীয়, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিচয় হিচাপে বাখ্যা কৰি এক হিন্দু ৰাষ্ট্ৰৰ সপোন দাঙি ধৰিছিল। তেওঁৰ বাখ্য অনুসৰি ভাৰতীয় মূলৰ সকলো সংস্কৃতি আৰু ধৰ্মই হিন্দুত্বৰ অন্তৰ্গত। এই চিন্তাধাৰাৰ আত ধৰিয়েই এচাম সমালোচকে ক'ব বিচাৰে যে চাভাৰকাৰৰ হিন্দুত্ব ধাৰণাৰ ইছলাম আৰু খ্ৰীষ্টান বৰ্হিভূত। কিয়নো ভাৰতত প্ৰচলিত আনবোৰ ধৰ্ম যেনে জৈন, শিখ, বৌদ্ধ ধৰ্ম ভাৰততে জন্ম হোৱা। চাভাৰকাৰৰ এই হিন্দুত্বৰ ওপৰতে পৰৱৰ্তী সময়ত হিন্দু সাম্প্ৰদায়িকতাবাদী শক্তিবোৰ গা কৰি উঠা বুলি সমালোচকসকলে মন্তব্য কৰে। অৱশ্যে এই হিন্দু সাম্প্ৰদায়িকতাবাদী চিন্তাধাৰা স্বাধীনতাৰ আগত আৰু স্বাধীনোত্তৰ কালৰ প্ৰথম সময়ছোৱাত বিশেষ শক্তিশালী আছিল। বিপান চন্দ্ৰৰ ভাষাত "A hindu communalism and its political organizations such as hindu Mahasabha, RSS, Jana Sangha and BJP remained a marginal force in Indian politics both before independence and during the first 30 years after independence. They flared up for a short time during the partition riots (1946-47) but were pushed back immediatly after". 1948 চনত কট্টৰপন্থী এজন হিন্দুনেতা নাথুৰাম গডছে গান্ধীক হত্যা কৰাৰ পিছত ৰাষ্ট্ৰীয় স্বয়ঃসেৱক সংস্থাক অবৈধ স্বীকৃতি দিয়া আৰু জাতীয় কংগ্ৰেছৰ ধৰ্মনিৰপেক্ষ ভাৱমূৰ্ত্তিৰ ওচৰত এনে সাম্প্ৰদায়িকতাবাদী শক্তি দুৰ্বল হৈ পৰিছিল।

অৱশ্যে ১৯৫১ চনত হিন্দুত্ববাদী সংগঠনৰে এক ৰাজনৈতিক দল হিচাপে জনসংঘ প্ৰতিষ্ঠা হোৱাৰ পিছৰ পৰাই বিভিন্ন সামাজিক ক্ষেত্ৰত ইয়াৰ শাখা সম্প্ৰসাৰণ হ'বলৈ ধৰে। হিন্দুত্ববাদী এই সংগঠনবিলাকে নেহেৰুৱে আগবঢ়োৱা ধৰ্মনিৰপেক্ষতাৰ ধাৰণাক সমালোচনা কৰি মন্তব্য কৰিছিল যে নেহেৰুৰ ধৰ্মনিৰপেক্ষ ধাৰণাই ৰাষ্ট্ৰক হিন্দু-মুছলমানৰ মাজত অসমান ব্যৱহাৰৰ পোষকতা কৰে আৰু এই ধাৰণাই মুছলিম সকলৰ প্ৰতি তোষামোদকাৰী হোৱাৰ লগত হিন্দু ধৰ্মাৱলম্বী সকলৰ প্ৰতি বৈষম্যৰ আচৰণক আশ্ৰয় দিয়ে। ফলত এওঁলোকে এনে নীতিৰ বিৰুদ্ধাচাৰণ কৰি সংখ্যাগৰিষ্ঠ লোকক অগ্ৰাধিকাৰ দিয়াৰ বাবে মত পোষণ কৰে। এওঁলোকৰ দৃষ্টিত ভাৰতবৰ্ষৰ চিনাকী হ'ল "হিন্দী-হিন্দু-হিন্দুস্থান।" জনসংঘই ৰাজনৈতিক ক্ষমতা লাভৰ স্বাৰ্থত পুৰণি ভাৰতীয় সংস্কৃতিৰ উত্থানৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ ধৰে। উদাহৰণস্বৰূপে গো ৰক্ষা, ভাৰতীয় জাতি ব্যৱস্থাক সংৰক্ষণ, পুৰণি আয়ুৰ্বেদৰ চৰ্চা আদি। জনসংঘৰ এই প্ৰচেষ্টাবোৰেও এক শক্তিশালী গণভিত্তি প্ৰতিষ্ঠাত সফল হোৱা নাছিল।

ভাৰতৰ সমাজ ব্যৱস্থাত সাম্প্ৰদায়িকতাবাদী শক্তিসমূহে মূৰ দাঙি উঠে ১৯৭৭ চনৰ পিছত। ১৯৭৭ চনৰ ইন্দিৰা গান্ধীৰ জৰুৰীকালীন অৱস্থাৰ সুবিধা গ্ৰহণ কৰিয়েই গঠন হোৱা ভিন্ন দলৰ সংমিশ্ৰণত জনতা দলৰ জনসংঘ অংশীদাৰ হৈ পৰে আৰু শাসন ক্ষমতা হস্তগত কৰে। পৰৱৰ্তী সময়ত জনসংঘৰ পৰাই এচাম নেতাই আন এক হিন্দুত্ববাদী ৰাজনৈতিক দল ভাৰতীয় জনতা দল গঠন কৰে।

ভাৰতীয় সমাজ জীৱনত হিন্দু সাম্প্ৰদায়িকতাবাদে তিনিটা বিষয়ত বিশেষ সফলতাৰে নিজৰ কাৰ্য্য ব্যৱস্থা ৰূপায়িত কৰিবলৈ পাৰিছিল– প্ৰথমতে তেওঁলোকে হিন্দু সাম্প্ৰদায়িকতাবাদক ৰাম জন্মভূমি প্ৰতিষ্ঠাৰ লগত সংপৃক্ত কৰি সফলভাৱে ধৰ্মৰ লগত সাম্প্ৰদায়িকতাবাদক সাঙুৰি লৈছিল। দ্বিতীয়তে ভাৰতীয় ধৰ্মনিৰপেক্ষ ধাৰণাক সংখ্যালঘিষ্ঠ প্ৰীতি (Minorityism) হিচাপে প্ৰতিষ্ঠা কৰা তৃতীয়তে হিন্দু সাম্প্ৰদায়িকতাবাদকে জাতীয়তাবাদ বা দেশপ্ৰেমবাদ হিচাবে প্ৰতিষ্ঠা কৰা। হিন্দু সাম্প্ৰদায়িক শক্তিসমূহৰ এই তিনিটি ধৰণৰ কাৰ্য্য ব্যৱস্থাৰ দ্বাৰা হিন্দু অধিপত্যশীল এক সমাজ প্ৰতিষ্ঠাৰ লক্ষ্যৰে কাম কৰি থকা দেখা যায় আৰু আন আন ধৰ্মীয় লোকক দেশৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাবে প্ৰতিষ্ঠা কৰিব বিচাৰে। হিন্দু সাম্প্ৰদায়িকতাবাদৰ এনে চৰিত্ৰই স্বাভাবিকতে অন্য ধৰ্মাৱলম্বী লোকসকলৰ ওপৰত আক্ৰমণ নিপিড়ন বৃদ্ধি কৰিবলৈ লৈছে। ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰত দেখা পোৱা হিন্দু সাম্প্ৰদায়িকতাবাৰ কেতবোৰ পৰিঘটনা উল্লেখ কৰা হ'ল–

বাবৰি মছজিদ ধ্বংসৰ পৰিঘটনাটো ভাৰতৰ সংখ্যাগৰিষ্ঠ তথা হিন্দু সাম্প্ৰদায়িকতাবাদৰ চূড়ান্ত প্ৰতিফলন। ১৯৯০ চনৰ চেপ্তেম্বৰ মাহত ভাৰতীয় জনতা দলৰ সভাপতি লালুকৃষ্ণ আদৱানি ৰাম মন্দিৰ অযোধ্যাত প্ৰতিষ্ঠাৰ সমৰ্থনত ৰথ যাত্ৰা আৰম্ভ কৰিছিল। এই ৰথ যাত্ৰাৰ সময়ছোৱাতে ভিন্ন প্ৰদেশত হিন্দু-মুছলিম সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ আৰম্ভ হৈছিল। দৰাচলতে বাবৰি মছজিদ প্ৰতিষ্ঠা হৈ থকা অযোধ্যাৰ সেই বিশেষ ঠাইখিনিতে হিন্দুৰ উপাস্য দেৱতা ৰামৰ জন্মভূমি হিচাপে বিশ্বাস কৰিছিল। অযোধ্যাৰ সেই বিতৰ্কিত ঠাইটুকুৰাৰ ওপৰত ন্যায়ালয়ৰ বিচাৰ চলি থকা সময়তে

১৯৯২ চনৰ ৬ ডিচেম্বৰ তাৰিখে ভাৰতীয় জনতা দল আৰু বিশ্ব হিন্দু পৰিষদৰ সমাৱেশত একাংশ কৰ্মকৰ্ত্তাই নেতাৰ উচতনিত গৈ বাবৰি মছজিদ ভাঙি পেলায়। এই পৰিঘটনাৰ ফলত সমগ্ৰ দেশতে সংখ্যালঘু মুছলিমসকল সন্ত্ৰাসিত হৈ পৰিছিল। ফলত বিভিন্ন অঞ্চলত হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূচনা হৈছিল। উল্লেখনীয় যে ভাৰতীয় জনতা দলে ১৯৮২ চনৰ পৰাই ৰাম জন্মভূমিৰ নামত প্ৰচাৰ চলাই ক্ৰমে ৰাজনৈতিক ভেটি শক্তিশালী কৰি তুলিছিল। একমাত্ৰ ৰাম মন্দিৰ প্ৰতিষ্ঠাকে প্ৰচাৰৰ আহিলা হিচাপে লৈ এক শক্তিশালী স্থিতিত উপনীত হোৱাটোৱে ভাৰতীয় সমাজ ক্ৰমাৎ ধৰ্মীয় ৰাজনীতিৰ প্ৰতি আকৃষ্ট হোৱাটোকে সূচায়। এই পৰিঘটনাই ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ভাৱমূৰ্ত্তিক সম্পূৰ্ণৰূপে কালিমা সানিছিল। মুছলিম গোষ্ঠীবোৰে সংখ্যালঘুৰ ওপৰত এই পৰিঘটনাক আক্ৰমণ হিচাপে বিবেচনা কৰাৰ পৰিৱৰ্ত্তে হিন্দু সাম্প্ৰদায়িকতাৰ পৃষ্ঠপোষকসকলে ভাৰত ৰাষ্ট্ৰই হিন্দু ধৰ্মীয় লোকৰ ওপৰত কৰা বৈষম্যতাৰ প্ৰতিক্ৰিয়া হিচাপে উল্লেখ কৰিছে। এই ক্ষেত্ৰত লালকৃষ্ণ আদৱানিৰ মন্তব্য বিশেষ উল্লেখনীয়। তেওঁৰ মতে— "The demolition reflected an exasperation with the frustrating sluggishness of the judical process."[৩] ভাৰতৰ সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদ আন একে পৰিঘটনা আছিল ইন্দিৰা গান্ধীৰ হত্যাৰ পিছত হোৱা শিখ গণহত্যাৰ ঘটনা। ইন্দিৰা গান্ধীৰ হত্যাৰ লগত দুজন শিখ সম্প্ৰদায়ৰ লোক জড়িত থকা হেতুকে এক বৃহৎ সংখ্যাগৰিষ্ঠ লোকে শিখ সম্প্ৰদায়ৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছিল। চৰকাৰী সূত্ৰৰ মতে এই হত্যাকাণ্ডত প্ৰায় ২৪০০ শিখ নিহত হৈছিল, কিন্তু বেচৰকাৰী তথ্যৰ হিচাপত এই সংখ্যা ৪০০০ৰো অধিক। শিখ সম্প্ৰদায়ৰ ওপৰত হোৱা এই আক্ৰমণত বহু পৰিমাণে সেই সময়ৰ চৰকাৰী পক্ষইও ইন্ধন যোগোৱাৰ তথ্য পিছত প্ৰকাশ পাইছিল। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ অনুভৱ আছিল এনে ধৰণৰ– "The riots were a crime against humanity perpetrated by those who enjoyed political patronoage and aided by an indifferent law enformcement agency.[৪]

সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদৰ প্ৰতিফলনৰ উদাহৰণ গোধৰা কাণ্ড, মুজাফৰ নগৰ সাম্প্ৰদায়িকতাৰ পৰিঘটনা আদি ভালেমান উল্লেখ কৰিব পাৰি। মূলতঃ হিন্দু সাম্প্ৰদায়িকতাবাদৰ আক্ৰমণ মুছলিম সংখ্যালঘিষ্ঠসকলৰ ওপৰত হ'লেও কোনো কোনো ক্ষেত্ৰত খ্ৰীষ্টান ধৰ্মৰ ওপৰতো হোৱা দেখা যায়। ইয়াৰ অন্যতম উদাহৰণ হ'ল ২২ জানুৱাৰীত অষ্ট্ৰেলিয়ান খ্ৰীষ্টান মিচনেৰী ড০ গ্ৰাহাম ষ্টুবাৰ্ড আৰু তেওঁৰ দুই সন্তানক উৰিষ্যাত একাংশ উগ্ৰবাদীয়ে জ্বলাই হত্যা কৰিছিল। হিন্দু সাম্প্ৰদায়িকতাবাদীসকলে সাম্প্ৰদায়িকতাবাদ বিয়পোৱাৰ বাবে গ্ৰহণ কৰা অন্য বিষয় দুটা হ'ল গোধন সংৰক্ষণ আৰু ধৰ্মান্তৰণ। গোধন সংৰক্ষণৰ নামত গোমাংস ভক্ষণকাৰী সকলক আক্ৰমণ, বিক্ৰেতা সকলক আক্ৰমণ আৰু চামৰাৰ উদ্যোগৰ লগত জড়িত ব্যৱসায়ী কৰ্মীক আক্ৰমণ। ভাৰতীয় সংবিধানে বহু সংস্কৃতিক আশ্ৰয় দিছে যদিও সাম্প্ৰদায়িকতাবাদৰ পৃষ্ঠপোষকসকলে একমাত্ৰ সংখ্যাগৰিষ্ঠ ধৰ্মৰ ৰীতি-নীতি আৰু সংস্কৃতিকে আনৰ ওপৰত জাপি দিব বিচাৰে। আকৌ ধৰ্ম পৰিৱৰ্ত্তন হিন্দু ধৰ্মৰ এক চিৰচৰিত ব্যৱস্থা। পূৰ্বৰ পৰাই ভাৰতৰ হিন্দু ধৰ্মৰ মাজত থকা কঠোৰ জাতিবাদ প্ৰথাৰ বাবে দলিত তথা শূদ্ৰসকলে বৌদ্ধ, ইছলাম তথা খ্ৰীষ্টান ধৰ্মলৈ পৰিৱৰ্ত্তিত হৈছে। অৱশ্যে কোনো ক্ষেত্ৰত বহিঃ ৰাষ্ট্ৰৰো এক সাম্প্ৰদায়িকতা চেতনা সৃষ্টিৰ ভূমিকা নথকা নহয়। হিন্দু সাম্প্ৰদায়িকতাবাদৰ পৃষ্ঠপোষকসকলে এই লোকসকলৰ ওপৰত বিভিন্ন বলপূৰ্বক প্ৰভাৱ বা কৌশলেৰে পুনৰ হিন্দু ধৰ্মলৈ প্ৰত্যাৱৰ্ত্তনৰ প্ৰচেষ্টা চলায়। এওঁলোকৰ এই কাৰ্যসূচীক পুনৰ ঘৰলৈ ঘূৰাই অনা বা 'ঘৰ বাপচী' আখ্যা দিয়া হয়। এই 'ঘৰ বাপচী' কাৰ্যসূচীত সংবিধানৰ ধৰ্মীয় স্বাধীনতাক সম্পূৰ্ণৰূপে নস্যাৎ কৰি বলপূৰ্বক শাস্তি বা জোৰ জবৰদস্তি কৰাৰ তথ্য সময়ে সময়ে পোহৰলৈ আহে। মুঠতে বিপান চন্দ্ৰৰ ভাষাৰে এনে সংখ্যাগৰিষ্ঠ হিন্দু সাম্প্ৰদায়িকতাবাদে গণতান্ত্ৰিক পৰিকাঠামোৰ মাজত এক ফেচীবাদী ব্যৱস্থা সমাজত গঢ়ি তোলাৰ প্ৰয়াস কৰে।

**সংখ্যালঘু সাম্প্ৰদায়িকতাবাদ ঃ (Minority Communalism)**

সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদৰ সমান্তৰালকৈ ভাৰতত সংখ্যালঘিষ্ঠ ধৰ্মীয় গোষ্ঠীসমূহৰ মাজতো সাম্প্ৰদায়িক চেতনাৰ সঞ্চাৰ হোৱা দেখা যায়। ৰাষ্ট্ৰীয় দৃষ্টিকোনৰ ফালৰ পৰা সংখ্যালঘু সাম্প্ৰদায়িক শক্তিক বিচ্ছিন্নতাবাদী হিচাবেই গণ্য কৰা হয়। বৰ্তমানলৈকে ধৰ্মীয় সংখ্যালঘু শ্ৰেণীৰ ভিতৰত মুছলিম আৰু শিখ সকলৰ মাজত এনে সাম্প্ৰদায়িক চেতনাৰ উত্থান হোৱা দেখা গৈছে।

শিখ সাম্প্ৰদায়িকতাবাদৰ ধাৰণা ভাৰত বিভাজনৰে ফল। ভাৰত বিভাজনৰ লগে লগে শিখসকলৰ বাসস্থান পঞ্জাব বিভক্ত হয়। পশ্চিম পঞ্জাবৰ অংশটো পাকিস্তানৰ হাতলৈ যোৱাৰ পিছত ভাৰতৰ লগত থকা পঞ্জাবৰ অংশতো শিখসকল সংখ্যাগৰিষ্ঠ হয়। ধৰ্মৰ ভিত্তিত ভাৰত বিভাজনে শিখসকলৰ মাজতো ধৰ্মীয় সচেতনা জাগ্ৰত কৰিছিল। ফলত

শিখসকলে তেওঁলোকৰ সংখ্যাগৰিষ্ঠতা থকা অঞ্চলত নিৰাপত্তাৰ হ'কে এক আন্দোলন আৰম্ভ কৰে। আকালী দল এই ক্ষেত্ৰত তেওঁলোকৰ আশ্ৰয়স্থলী হৈ পৰে। আকালী দল ধৰ্মনিৰপেক্ষতাৰ পৰিবৰ্তে শিখ সকলৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক স্বাৰ্থৰ ভিত্তিত গঢ়ি উঠা দল। ১৯৫৩ চনৰ সৰ্বভাৰতীয় শিখ সন্মিলনত শিখ ধৰ্মীয় নেতা তাৰা সিঙে কৈছিল, “Englishman has gone, but our liberty has not come. For us the so called liberty is simply a change of masters, black for white. Under the garb of democracy and secularism our panth, our liberty and our religion are being crushed”[৫]

স্বাধীনতাৰ কালৰ পৰাই শিখসকলৰ মাজত এক অস্থিৰতাই বিৰাজ কৰিছিল। তেওঁলোকৰ দৃষ্টিত মুছলমানসকলে পাকিস্তান পালে, হিন্দুসকলে হিন্দুস্থান পালে কিন্তু শিখসকলে কি পালে? সংবিধানে শিখসকলক হিন্দু ধৰ্মৰ এক শাখা হিচাপে আখ্যা দিছে। এনে প্ৰেক্ষাপটত আকালী দলৰ একাংশ সদস্যই বিশ্বাস কৰিবলৈ ললে যে শিখসকলৰ পৰিছয় সুৰক্ষাৰ বাবে এখন সুকীয়া ভুখণ্ডৰ প্ৰয়োজন যাক এওঁলোকে খালিস্তান আখ্যা দিছিল। এনে খালিস্তানৰ দাবীৰে শিখসকলে ভিন্ন সম্প্ৰদায়ৰ ওপৰত আৰু ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত ইন্দিৰা গান্ধীয়ে দমন নীতিৰে এই সংগ্ৰাম অন্ত পেলালেও আজিও ভিন্ন প্ৰান্তত আশ্ৰয় লৈ থকা শিখসকলে নিজৰ অস্তিত্বৰ সংকটৰ কথা দোহাৰে। শিখ সম্প্ৰদায়িকতাবাদে অৱশ্যে সংখ্যাগৰিষ্ঠ হিন্দু সম্প্ৰদায়িকতাৰ বিৰুদ্ধাচাৰণৰ পৰিৱৰ্তে ভাৰত ৰাষ্ট্ৰৰহে বিৰোধিতা কৰে।

ভাৰতত দেখা পোৱা সংখ্যালঘিষ্ঠ সাম্প্ৰদায়িকতাবাদৰ অন্যতম প্ৰতিফলন দেখা পোৱা যায় ইছলামিক সম্প্ৰদায়িকতাবাদৰ মাজত। উপনিৱেশিক শাসনৰ মাজতে এই সাম্প্ৰদায়িকতাবাদ গঢ়ি উঠিছিল। মূলতঃ হিন্দু সংখ্যাগৰিষ্ঠতাবাদৰ আধিপত্যৰ ভয়তেই এনে সাম্প্ৰদায়িকতাবাদৰ উদয় হৈছিল চৈয়দ আহমদ খানৰ চিন্তাধাৰণাত। ফলত বৃটিছ শাসন ব্যৱস্থাক সংখ্যালঘুৰ প্ৰতি প্ৰীতিৰ মনোভাৰ গঢ় দিয়াৰ প্ৰয়াস কৰিছিল। তাৰ পটভূমিতেই জন্ম হৈছিল মুছলীম লীগ আৰু কালক্ৰমত মুছলীম লীগ নামৰ এই সাম্প্ৰদায়িক বীজটোৱে এক বৃহৎ আকাৰ ধাৰণ কৰি জিন্নাৰ নেতৃত্বত ভাৰতক ধৰ্মৰ ভিত্তিত বিভাজন কৰিছিল।

স্বাধীনতাৰ পৰৱৰ্তী সময়ত মুছলীম লীগৰ ভূমিকা কিছু ম্লান হৈছিল। কেৰল কেৰালা ৰাজ্যতে ইয়াৰ প্ৰভাৱ সীমিত আছিল। অৱশ্যে হিন্দু সাম্প্ৰদায়িকতাৰ আধিপত্যবাদে মুছলীম সকলৰ মাজত থকা সাম্প্ৰদায়িক শক্তিক উচতনি দি সময়ে সময়ে জাগ্ৰত কৰি আহিছে। এই ক্ষেত্ৰত ৰাজনৈতিক অস্ত্ৰ হিচাবে কাম কৰি আছে All India Majlis-e-itehad-Ul-Muslimeen (AIMIM) নামৰ ৰাজনৈতিক সংগঠনটোৱে। বৰ্তমানৰ তেলেঙ্গনাৰ ৰাজধানী হায়দৰাবাদত কেন্দ্ৰীয় ভিত্তি থকা এই ৰাজনৈতিক সংগঠনটোৱে হিন্দু সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে মুছলমান লোকসকলক সজাগ কৰাৰ চলেৰে ৰাজনৈতিক লাভালাভ অৰ্জন কৰাৰ লগতে সাম্প্ৰদায়িক ৰাজনৈতিক উদগণি দিয়াৰ অভিযোগ আছে। ইয়াৰ উপৰিও মাওঁদোদিৰ দ্বাৰা প্ৰতিষ্ঠিত জামাত-ই-ইছলামী (১৯৪১) নামৰ সংগঠনটোৱেও ভাৰতৰ সাম্প্ৰদায়িক ৰাজনীতিত অৰিহণা যোগোৱাৰ অভিযোগ আছে। জামাত-ই-ইছলামী সংগঠনটোৰ শাখা ভিন্ন ৰাষ্ট্ৰত আছে আৰু এওঁলোকৰ মূল আদৰ্শ হ'ল বিশ্বব্যাপি ইছলামিক আদৰ্শ সম্প্ৰসাৰণ কৰা। ভাৰতৰ ইছলামিক সাম্প্ৰদায়িক শক্তিৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট হ'ল বহিঃ ৰাষ্ট্ৰৰ পৰা প্ৰৰোচিত হৈ সন্ত্ৰাসমূলক কাৰ্য্যৰ লগত জড়িত হোৱা। উদাহৰণস্বৰূপে Student Islamic Movement in India (SIMI) ৰ কথা উল্লেখ কৰিব পাৰি। ১৯৭৭ চনৰ ২৫ এপ্ৰিলত গঠন হোৱা SIMI নামৰ সংগঠনটো আছিল জামাতৰ ছাত্ৰ সংগঠন। পৰৱৰ্তী সময়ত SIMI ৰ নেতৃত্বত ভালেমান সন্ত্ৰাসমূলক কাৰ্যকলাপ চলোৱাৰ তথ্য নিৰপত্তাৰক্ষীয়ে পোৱাত ইয়াক অবৈধ ঘোষণা কৰা হয়। সাম্প্ৰতিক সময়ত ভাৰতত থকা অন্যতম সন্ত্ৰাসবাদী সংগঠন ইণ্ডিয়ান মুজাহিদীন SIMI ৰ নামান্তৰ বুলি নিশ্চিত কৰা হৈছে। ভাৰতত মুছলমান লোকৰ পৰিয়াল হিন্দু ধৰ্মালম্বীৰ তুলনাত সংখ্যালঘিষ্ঠ হ'লেও ভালেমান প্ৰদেশত যথেষ্ট পৰিমাণে মুছলমান লোকৰ উপস্থিতি আছে। পূৰ্বতে ৰাজ্য হিচাপে থকা জম্মু-কাশ্মীৰত মুছলিম লোক সংখ্যাগৰিষ্ঠ। এই অঞ্চলত অতি প্ৰাচীন কালৰ পৰা বসবাস কৰা কাশ্মীৰি পণ্ডিতসকলক মুছলিম সাম্প্ৰদায়িক শক্তিয়ে যথেষ্ট উৎপীড়ন আৰু দমন চলোৱা পৰিঘটনা ১৯৮৯-৯০ চনত পোহৰলৈ আহিছিল। পৰৱৰ্তী সময়ত সমগ্ৰ কাশ্মীৰি পণ্ডিতসকলে তাৰ পৰা পৰিত্ৰাণ পাবলৈ পলাই আহিবলগা হৈছিল। কাশ্মীৰি পণ্ডিতসকলৰ ওপৰত এনে আক্ৰমণক জম্মু কাশ্মীৰৰ প্ৰেক্ষাপটত সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদৰ ফল হিচাপে আলোচনা কৰিলেও ভাৰতৰ প্ৰেক্ষাপটত ই সংখ্যালঘিষ্ঠ সাম্প্ৰদায়িক পৰিঘটনা আখ্যা দিব পাৰি।

ইয়াৰ উপৰিও গুজৰাট, অযোধ্যা, মুজাফৰ নগৰ আদিত ঘটা দুৰ্ভাগ্যজনক ঘটনাবোৰত হিন্দু সাম্প্ৰদায়িক শক্তিৰ

সমান্তৰালকৈ মুছলমান সাম্প্ৰদায়িক শক্তিৰো কিছু সম্পৰ্ক আছে। সাম্প্ৰদায়িক সংঘৰ্ষবোৰত উভয় সাম্প্ৰদায়িক শক্তিবোৰে প্ৰদান কৰা উচটনিত ভালেমান নিৰিহ লোকৰ জীৱন আৰু সম্পত্তি বিনষ্ট হৈছে।

ইছলামিক সাম্প্ৰদায়িকতাবাদৰ আন এক সমস্যা হ'ল এওঁলোক আধুনীকিকৰণ ব্যৱস্থাৰ বিৰোধী। যুক্তিসঙ্গতভাৱে ন্যায়পালিকাই প্ৰদান কৰা ৰায় তথা সংসদে প্ৰণয়ন কৰা আইনক ধৰ্মীয় পুথিৰ দোহাই দি সেয়া সংখ্যাগৰিষ্ঠৰ আধিপত্যবাদ অথবা ধৰ্মীয় ৰীতিত আঘাত আখ্যা দি সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰাৰ প্ৰয়াস কৰে। এই ক্ষেত্ৰত শ্বাহবাণু গোচৰৰ ক্ষেত্ৰত ন্যায়পালিকাই প্ৰদান কৰা ৰায় তথা সংসদে প্ৰণয়ন কৰা তিনি তালাক আইনৰ বিৰুদ্ধে সৃষ্টি কৰা সাম্প্ৰদায়িক উত্তেজনাৰ বিষয়ে উল্লেখ কৰিব পাৰি।

মুঠতে সাম্প্ৰদায়িকতাবাদৰ ভিত্তি সংখ্যাগৰিষ্ঠই হওঁক বা সংখ্যালঘিষ্ঠই হওঁক ই মানৱতা, ধৰ্মনিৰপেক্ষতা, জাতীয় অখণ্ডতা তথা শান্তিৰ বিৰোধী। সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘিষ্ঠ সাম্প্ৰদায়িকতাবাদৰ কু-ফল ভূগিব লগা হয় সমাজৰ নিৰীহ লোকসকলে। ভূক্তভোগীৰ মাজত মহিলা আৰু শিশুৰ সংখ্যাই সৰ্বাধিক হয়। গণতান্ত্ৰিক ব্যৱস্থাত ভোটবেংকৰ ৰাজনীতিত ৰাষ্ট্ৰয়ন্ত্ৰই সংখ্যাগৰিষ্ঠতাৰ পক্ষই লোৱা বাবে সংখ্যালঘিষ্ঠসকলৰ অৱস্থা অধিক শোচনীয় হয়। ২০১৭ চনৰ “The congressional mandated annual report on International religious freedom covering 2017” শীৰ্ষক প্ৰতিবেদনত আমেৰিকাই উল্লেখ কৰিছে যে “Member of civil society and Religious minority stated that under the current government religious minority communities feel increasingly vulnerable to hindu nationalist group engaging in violance against non hindu individual and their places of worship” এমনেষ্টি ইন্টাৰনেচনেল, ৰাষ্ট্ৰসংঘ আদিৰ দৰে অনুষ্ঠানবোৰেও ভাৰতৰ ক্ৰমবৰ্দ্ধিত ধৰ্মীয় অসহনশীলতাৰ বিৰুদ্ধে নিজৰ বিযেদগাৰ প্ৰকাশ কৰিছে।

*অধ্যায় পঞ্চম*

# জাতি আৰু ৰাজনীতি

## (Caste and Politics)

প্ৰত্যেক সমাজ ব্যৱস্থাতে গঢ়ি উঠা ৰাজনৈতিক গাঁথনি আৰু ব্যৱস্থাই সমাজৰ বিভিন্ন আৰ্থ সামাজিক তথা সাংস্কৃতিক উপাদানৰ দ্বাৰা প্ৰভাৱান্বিত আৰু নিয়ন্ত্ৰিত। পৰম্পৰাগত চিন্তাধাৰা তথা ব্যৱস্থাৰ লগত আধুনিক গাথনি আৰু ব্যৱস্থাৰ সংঘাতপূৰ্ণ আৰু সহযোগীপূৰ্ণ এনে সমযোজনে সমাজৰ সকলো স্তৰৰ চিন্তাবিদৰ চিন্তাক আকৰ্ষিত কৰি আহিছে। ভাৰতীয় আৰ্থ ৰাজনৈতিক পৰিবেশত পৰম্পৰা আৰু আধুনিকতাৰ সহৰস্থান পৃথিৱীৰ অন্য দেশৰ তুলনাত অধিক বিচিত্ৰতাপূৰ্ণ আৰু আকৰ্ষণীয়।

জাতি ব্যৱস্থা ভাৰতীয় সমাজৰ প্ৰচলিত পৰম্পৰাগত গাথনি সমূহৰ ভিতৰত অন্যতম। অৱশ্যে জাতি ব্যৱস্থাৰ প্ৰচলন পৃথিৱীৰ অন্যান্য দেশসমূহতো থকা দেখা যায়। পৰ্তুগীজ caste শব্দৰ পৰা উৎপত্তি হোৱা ইংৰাজী caste শব্দৰ আভিধানিক অৰ্থ হৈছে জন্ম। ই সামাজিক স্তৰীকৰণৰ এক পদ্ধতি। ভাৰতীয় প্ৰাচীন সমাজ ব্যৱস্থাত সমাজক সুসংগঠিত তথা সুস্থ পৰিচালনাৰ স্বাৰ্থতে জাতি ব্যৱস্থাটোৰ সৃষ্টি কৰা হৈছিল। কৰ্মভিত্তিক বৰ্ণবিভাজনক কেন্দ্ৰ কৰি গঢ়ি উঠা ভাৰতীয় জাতি ব্যৱস্থাটো কালক্ৰমত ন্যায়, স্বাধীনতা আৰু সমতাৰ দৃষ্টিভংগীৰে সমালোচিত হ'বলৈ ধৰিলে আনহাতে আধুনিক উন্নত বিজ্ঞান প্ৰযুক্তিবিদ্যাকেন্দ্ৰীক জীৱনশৈলীয়েওঁ পৰম্পৰাগত কঠোৰ তথা ৰক্ষণশীলতাৰ বাধাক বহু পৰিমাণে সৰলীকৃত আৰু নমনীয় কৰি তুলিছে।

আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ সৃষ্টি আৰু গণতান্ত্ৰিক ৰাজনীতিৰ সম্প্ৰসাৰণ বিশ্বৰ সকলো অঞ্চলতে প্ৰচলিত পৰম্পৰাগত গাথনি সমূহৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। আধুনিক ৰাষ্ট্ৰব্যৱস্থাৰ ৰাজনীতিত সকলো গোটেই ক্ষমতা আহৰণৰ বাবে সুবিধা লাভ কৰে। যাৰ ফলত ৰাষ্ট্ৰ ক্ষমতা আহৰণৰ স্বাৰ্থত সকলো স্তৰৰ গোটসমূহৰ মাজত এক অবিৰত প্ৰতিযোগিতা চলি থাকে আৰু সময় সাপেক্ষে সমাজত পৰম্পৰাগত ভাবে প্ৰচলিত হৈ থকা গাথনিসমূহকো তেওঁলোকে ব্যৱহাৰ কৰে। ইয়াৰ ফলতে পৰম্পৰাগত সামাজিক গাথনিসমূহৰ লগত আধুনিক ৰাজনৈতিক গাথনিবোৰৰ মাজত এক বিক্ৰিয়া আৰম্ভ হয় আৰু পৰৱৰ্তী সময়ত সামাজিক গাথনিবোৰেই ৰাজনৈতিক ক্ষমতা আহৰণৰ নিৰ্দ্ধাৰক হৈ পৰে।

**ভাৰতীয় ৰাজনীতিত জাতি ব্যৱস্থাৰ উত্থানৰ ইতিহাস**

ভাৰতীয় ৰাজনীতিত জাতিৰ অন্তৰ্ভুক্তিকৰণৰ বিষয়তো ঔপনিবেশিক শাসন কালত আৰম্ভণি হৈছিল। পৰম্পৰাগত ভাৰতীয় সমাজত বৰ্ণকেন্দ্ৰীক জাতি ব্যৱস্থাটো যদিও সমাজৰ সুস্থ পৰিচালনাৰ স্বাৰ্থতে কৰ্মভিত্তিক এক অধিক্ৰমৰ সৃষ্টি কৰা হৈছিল কালক্ৰমত উচ্চস্তৰৰ লোক সকলৰ হাতত বৰ্ণ ব্যৱস্থাৰ একেবাৰে তলত অৱস্থান কৰা শূদ্ৰসকলৰ বা বৰ্ণাশ্ৰমৰ বাহিৰত থকাসকল যথেষ্ট শোষণ আৰু লাঞ্চনাৰ বলি হৈছিল। উপনিবেশিক শাসন কালত প্ৰচলিত হোৱা ইংৰাজী শিক্ষা পদ্ধতিয়ে কিছু বৈজ্ঞানিক চিন্তাধাৰা তথা যুক্তিযুক্ততাৰ উন্মেষণ ঘটাইছিল। এনে যুক্তি যুক্ততাৰ ভিত্তিতে বিভিন্ন সমাজ সংস্কাৰৰ (বৰ্ণবাদৰ বিৰুদ্ধে) আন্দোলন গঢ়ি উঠিছিল। সেই সমূহৰ ভিতৰত নায়াৰ আন্দোলন, সত্যসোধক আন্দোলন, মহাৰ আন্দোলন অন্যতম। সমাজ ব্যৱস্থাত গঢ়ি উঠা এই আন্দোলনক ৰাজনৈতিক ক্ষেত্ৰত সমৰ্থন জনাইছিল ভাৰতীয় সংবিধানৰ খচৰা সমিতিৰ সভাপতি ড° বি আৰ আম্বেদকাৰে। ব্ৰিটিছ শাসকসকলে নিজৰ শাসনৰ সুবিধাৰ্থে প্ৰয়োগ কৰা বিভাজন নীতিৰ মূল আশ্ৰয়স্থলী আছিল ধৰ্ম আৰু জাতি। ব্ৰিটিছসকলে ধৰ্মীয় প্ৰতিনিধিত্ব আৰু জাতিভিত্তিক প্ৰতিনিধিত্ব প্ৰবৰ্ত্তনৰে এক বিভাজনৰ ৰাজনীতি সূচনা কৰিছিল। অৱশ্যে সেই সময়ৰ একাংশ স্বাধীনতা আন্দোলনৰ নেতাইওঁ এনে প্ৰতিনিধিত্বক অন্তঃকৰণেৰে সমৰ্থন কৰিছিল। এনে ব্যৱস্থাই জাতি ব্যৱস্থাটোৰ প্ৰতি ভাৰতীয় লোকৰ চিন্তাধাৰাক বিভক্ত কৰিছিল। ইয়াৰে একাংশ লোকে পৰম্পাৰগত জাতি ব্যৱস্থাৰ নামত প্ৰচলন হৈ থকা শোষণ নিৰ্মূলকৰণৰ বাবে সমগ্ৰ জাতি ব্যৱস্থাটোকে নিৰ্মূল কৰিব বিচাৰিছিল আন একাংশই আকৌ এক ন্যায়সংগত ব্যৱস্থাৰ দাবীৰে পৰম্পৰাগত জাতি ব্যৱস্থাত শোষিত হৈ অহা নিস্বজাতিৰ লোকৰ বাবে বিশেষ সুবিধা সৃষ্টি বা ধনাত্মক পদক্ষেপগ্ৰহণৰ বাবে জাতি ব্যৱস্থাটো জীয়াই ৰাখিব বিচাৰিছিল যাৰ ফলত সংবিধান সভাৰ সদস্যসকলৰ মাজতো সংবিধান প্ৰণয়নৰ সময়ত অনেক বিতৰ্কৰ সূচনা হৈছিল। ভাৰতৰ সংবিধানৰ বিভিন্ন দফাত এই বিতৰ্কসমূহৰ স্পষ্ট প্ৰভাৱ দেখা গৈছে।

জাতি ব্যৱস্থা সংৰক্ষণ আৰু বিলোপসাধনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বৈপৰীত্য ভাৰতীয় সংবিধানটো স্পষ্টৰূপত বিদ্যমান। সংবিধানৰ ১৫ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰই জাতি, বৰ্ণ, লিঙ্গ, ধৰ্ম আৰু জন্মস্থানৰ নামত কোনো ধৰণৰ বৈষম্যৰ সূচনা নকৰিব। কিন্তু ১৯৫১ চনত সংবিধান সংশোধনৰে ১৫ নং অনুচ্ছেদ সংশোধন কৰি ১৫ (৪) অনুচ্ছেদ সংযোজন কৰা হৈছিল। সেই অনুসৰি কোনো সামাজিক শৈক্ষিকভাৱে পিছপৰা শ্ৰেণী নাইবা অনুসূচিত জাতি জনজাতি কল্যাণৰ হ'কে লোৱা ব্যৱস্থাক সমতাবিৰোধী বুলি গণ্য কৰিব নোৱাৰি। সংবিধানৰ এনে বৈপৰীত্যক বিশিষ্ট ৰাজনৈতিক চিন্তাবিদ মাইৰণ উইনাৰ এনেদৰে কৈছে- Thus the constitution stimultaneously embodies two conflicting notions of equality, one based on individual rights, the other on group rights.১৫ (৪) নং অনুচ্ছেদত উল্লেখ কৰা সামাজিক আৰু শৈক্ষিক ভাবে পিছপৰা শ্ৰেণী (যাক পৰৱৰ্তী সময়ত অন্যান্য পিছপৰা শ্ৰেণী হিচাপে জনা গৈছে) ধাৰণাটোৱে পৰৱৰ্তী সময়ত ভাৰতীয় ৰাজনীতিত অধিক আলোড়নৰ সৃষ্টি কৰিছিল। কিয়নো প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাত অনুসুচীত জাতি আৰু জনজাতিৰ ধাৰণাহে পোৱা যায়। সংবিধান প্ৰণয়নৰ সময়তো এই দুটা গোষ্ঠীৰ প্ৰতি বিশেষ পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত সহমতত উপনীত হৈছিল। অনুসুচিত জনজাতিসকল যিসকলে সেই সময়ত ভাৰতীয় মুঠ জনগণৰ ৭.৭% অংশ আছিল তেওঁলোক একেবাৰে দুৰ্গম আৰু পাহাৰীয়া অঞ্চলত বসবাস কৰা বাবে সামাজিক, শৈক্ষিক অথবা প্ৰযুক্তিগত ক্ষেত্ৰত একেবাৰে পিছ পৰি আছিল। আনহাতে অনুসূচিত জাতিবোৰ যিবোৰ মুঠ জনগণৰ ১৫.৭% অংশ আছিল তেওঁলোক প্ৰচলিত জাতি ব্যৱস্থাৰ শোষণ আৰু নিপিড়নৰ বাবে অন্যান্য গোষ্ঠীসমূহৰ মাজত থাকিও সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক ভাৱে পিছপৰা আছিল। স্বাভাৱিকতে এই দুই গোষ্ঠীৰ প্ৰতি সংবিধান প্ৰণেতাসকলে সংসদ, ৰাজ্যবিধান সভাত আসন সংৰক্ষণকে ধৰি, শিক্ষানুষ্ঠান আৰু চৰকাৰী চাকৰি লাভৰ ক্ষেত্ৰতো বিশেষ সুবিধা প্ৰদানৰ ক্ষেত্ৰতো কোনো দ্বিমত প্ৰকাশ কৰা নাছিল। কিন্তু ১৫ (৪) অনুচ্ছেদত উল্লিখিত অন্যান্য পিছপৰা শ্ৰেণীৰ বিশেষ ব্যৱস্থা কিদৰে আৰু কাক সামৰি লব তাক লৈ ১৯৭৯ চনলৈকে কোনো সহমতত উপনীত হোৱা দেখা নাযায়।

১৯৭৭ চনৰ ভাৰতৰ ৰাজনৈতিক পৰিৱেশে জাতি ব্যৱস্থাটোক অধিক সক্ৰিয় কৰি তুলিছিল। বিশেষকৈ অন্যান্য পিছপৰা শ্ৰেণী বা OBC ৰ ৰাজনৈতিক উত্থানৰ ক্ষেত্ৰত এই সময়ছোৱা বিশেষ উল্লেখনীয়। ১৯৭৭ চনত কংগ্ৰেছক পৰাভুত কৰি কেন্দ্ৰত মোৰাৰজী দেশাইৰ নেতৃত্ব গঠন হোৱা চৰকাৰখন আছিল বিভিন্ন দলৰ সংমিশ্ৰণত গঠন হোৱা চৰকাৰ। এই দলসমূহত সমাজৰ সামাজিক আৰু অৰ্থনৈতিক পিছপৰা জাতিসমূহৰ প্ৰতিনিধিত্ব ভূমিকা লেখত লবলগীয়া আছিল। যাৰ ফলত সংবিধানৰ ৩৪০ নং অনুচ্ছেদত অন্যান্য পিছপৰা লোকসকলৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণৰ সবল দাবী উত্থাপিত হৈছিল আৰু ফলশ্ৰুতিত ১৯৭৯ চনত বি পি মণ্ডলৰ নেতৃত্বত মণ্ডল আয়োগ গঠন কৰা হয়। মণ্ডল আয়োগেও পূৰ্বৰ কাকা কালেলকাৰ আয়োগৰ (১৯৫৩ ) নীতি অনুসৰিয়ে শ্ৰেণীৰ পৰিৱৰ্ত্তে জাতিৰ আধাৰতে সামাজিক, অৰ্থনৈতিক পিছপৰা শ্ৰেণী নিৰ্দ্ধাৰণ কৰিছিল। মণ্ডল আয়োগে অন্তৰ্ভুক্ত কৰা প্ৰায় ৪০০ OBC ৰ ভিতৰত সৰহবোৰ গোষ্ঠীয়েই আছিল পূৰ্ব প্ৰচলিত জাতি ব্যৱস্থাৰ শূদ্ৰ বৰ্ণৰ অন্তৰ্গত। মণ্ডল আয়োগৰ পৰামৰ্শবোৰ পৰৱৰ্ত্তী চৰকাৰে গ্ৰহণ কৰিছিল যদিও তাক কাৰ্যকৰী কৰাৰ পৰা বিৰত আছিল। ১৯৯০ চনত ভি পি সিংৰ নেতৃত্বত গঠন হোৱা অকংগ্ৰেছী চৰকাৰখনে ইয়াৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ পদবীসমূহত ২৭% সংৰক্ষণ OBC ৰ বাবে নিৰ্দ্ধাৰণ কৰিছিল। মণ্ডল আয়োগৰ এই ঘোষণাই উত্তৰ ভাৰতত জাতিগত সংঘাত তীব্ৰতৰ কৰি তুলিছিল। মূলতঃ অনেক গোষ্ঠীয়েই নিজৰ গোষ্ঠীক OBC ত অন্তৰ্ভুক্ত নকৰাৰ বাবে আন্দোলন গঢ়ি তোলাৰ বিপৰীতে উচ্চ হিন্দুৰ সমৰ্থকসকলে শ্ৰেণীগত পদ্ধতিৰ পৰিৱৰ্তে জাতিগত পদ্ধতিত OBC ৰ অন্তৰ্ভুক্তিকৰণক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। বিশ্ববিদ্যালয়ৰ ভালেমান ছাত্ৰই আত্ম জাহৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল, সমগ্ৰ উত্তৰ ভাৰততে এক অশান্তিকৰ পৰিবেশ গঢ়ি উঠিছিল। এনে পৰিস্থিতিৰ সুযোগ লৈ ভালেমান আঞ্চলিক দলৰ লগতে জাতীয় ৰাজনৈতিক দলেও গণভিত্তি তৈয়াৰ কৰিবলৈ সক্ষম হৈছিল। মাইৰণ উইনাৰৰ দৃষ্টিত সেইসময়ৰ ভাৰতীয় জনতা দলৰ নেতৃত্বওঁ ভি পি সিংৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰিছিল বিশেষকৈ হিন্দু জাতীয়তাবাদক OBC ৰ ধাৰণাই বিভাজন কৰাৰ অভিযোগ তেওঁলোকে উত্থাপন কৰিছিল। তাৰ পৰৱৰ্ত্তী ঘটনা প্ৰৱাহক তেওঁ এনেদৰে ব্যাখ্যা কৰিছে Hindu Nationalist Militancy of the BJP, the RSS and the Visha Hindu Parishad in calling for the demolition of the Ayodhya mosque was a political response to V.P Sing is a matter of conjectre, but political lines were quickly drawn between advocates of mandal and advocates of mandir.

মণ্ডল আয়োগৰ পৰৱৰ্ত্তী ৰাজনীতিত ভাৰতৰ গোষ্ঠী প্ৰাধান্য আৰু সংৰক্ষণবাদেই অধিক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি অহা দেখা গৈছে।

**ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত জাতিৰ ভূমিকা**

ভাৰতৰ ৰাজ্য ৰাজনীতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ভালেমান ৰাজ্যত জাতিয়ে ক্ষমতা নিৰ্দ্ধাৰণত মূল আহিলা হিচাপে কাম কৰি আছে।

মহাৰাষ্ট্ৰৰ ৰাজনীতি মূলতঃ ব্ৰাহ্মণ, মাৰাঠা আৰু মহাৰ সকলৰ দ্বাৰা নিয়ন্ত্ৰিত। প্ৰতিটো জাতিৰে নিজ নিজ একোটা অঞ্চলত প্ৰভূত্ব আছে। উচ্চ জাতিৰ ব্ৰাহ্মণসকল অতীতৰ পৰা শিক্ষা-দিক্ষাত আগবঢ়া। তেওঁলোকৰ মূলতঃ নগৰ অঞ্চলত প্ৰভাৱ আছে। সংখ্যাগতভাবে ব্ৰাহ্মণসকল মুঠ জনসাধাৰণৰ ৪% হ'লেও নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ব্ৰাহ্মণসকলে সদায়ে আগভাগ লৈ আছে। মহাৰাষ্ট্ৰৰ মাৰাঠাসকল সংখ্যাগত ভাবে মুঠ জনসংখ্যাৰ ৩২%। মূলতঃ পশ্চিম মহাৰাষ্ট্ৰৰ কোহলাপুৰ, চাতাৰা, মুম্বাই আদি অঞ্চলত মাৰাঠাসকলৰ প্ৰভুত্ব বেছি। ১৯৬০ চনত বাল থাকৰেই মাৰাঠীসকলৰ স্বাৰ্থৰ বাবে এক আন্দোলন গঢ়ি তুলি শিৱসেনা নামৰ এক ৰাজনৈতিক দল গঢ়ি তোলে। পৰৱৰ্তী সময়তো মাৰাঠী বিষয়ক কেন্দ্ৰ কৰিয়েই শিৱসেনাই এক বৃহৎ ভোট বেংক তৈয়াৰ কৰিবলৈ সক্ষম হৈছে। মহাৰাষ্ট্ৰৰ তৃতীয় গুৰুত্বপূৰ্ণ জাতিটো হ'ল মহাৰ। মহাৰসকল অনুসূচীত জাতিৰ লোক। সংখ্যাগতভাবে এওঁলোক যথেষ্ট শক্তিশালী। প্ৰাৰম্ভিকতে মহাৰসকল কংগ্ৰেছৰ ভোটবেংক হিচাপে ব্যৱহাৰ হৈ আহিছিল। যদিওঁ দলিত পেন্থাৰ আন্দোলনৰ পিছত গঠন হোৱা ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়াৰ ভোটবেংক হিচাপেওঁ বৰ্তমান ব্যৱহৃত হয়।

মহাৰাষ্ট্ৰৰ দৰে অন্ধ্ৰপ্ৰদেশৰ ৰাজনীতিতো জাতিপ্ৰথাৰ প্ৰাধান্য দেখা যায়। অন্ধ্ৰপ্ৰদেশৰ ৰাজনীতি মূলতঃ কাম্মা, ৰেড্ডী আৰু কাপুসকলৰ দ্বাৰা নিয়ন্ত্ৰিত। YSR কংগ্ৰেছৰ মূল ভোট বেংক ৰেড্ডীসকলৰ বিপৰীতে কাম্মা আৰু কাপুসকল তেলেগু দেশম দলৰ ভোটবেংক হিচাপে ব্যৱহৃত হৈ আহিছে। অৱশ্যে সময়ে সময়ে দলসমূহে প্ৰাৰ্থী বাচনিত বিভিন্ন জাতিৰ শক্তিশালী প্ৰতিনিধি নিৰ্বাচনেৰে নিৰ্বাচনী ফলাফলত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে।

বিহাৰৰ ৰাজনীতি আকৌ ভূমিহাৰ, ৰাজপুত, ব্ৰাহ্মণ, কায়স্থ, যাদব, কুৰ্মী, কুচুৱাহা, পাচোৱান আদি জাতিৰ দ্বাৰা নিয়ন্ত্ৰিত। ইয়াৰে ভূমিহাৰ সকল জমিদাৰ শ্ৰেণীৰ লোক। এওঁলোক বেগুচৰাই, মুজাফৰপুৰ, বৈশালী, পাটনা আদি অঞ্চলত সিচৰতি হৈ আছে। সংখ্যাগতভাবে মুঠ জনসংখ্যা ৬% হ'লেও এওঁলোকে বিহাৰৰ ৰাজনীতিত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। লালু যাদৱ ভূমিহাৰ সকলৰ অন্যতম নেতা। ৰাজপুত সকল ব্যৱসায়িক জাতি। এওঁলোক মুঠ জনসংখ্যাৰ ৩% ।প্ৰথমতে এওঁলোকে কংগ্ৰেছ দলক সমৰ্থন কৰিছিল যদিওঁ বৰ্তমান BJP আৰু JD (U) দলৰ ভোটবেংক হিচাপে পৰিগণিত হৈছে।ব্ৰাহ্মণসকল মূলত গয়া, চিটামাৰী, পাটনা আদি অঞ্চলত বসতি স্থাপন কৰি আছে। এওঁলোকেও ৰাজ্য ৰাজনীতিত বিশেষ স্থান দখল কৰি আছে। যাদৱসকল বিহাৰৰ মুঠ জনসংখ্যাৰ ১৪% লোক। যাদবসকলে আঞ্চলিক ৰাজনীতিৰ লগতে ৰাজ্যিক ৰাজনীতিটো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কুৰ্মীসকল মুঠ জনসংখ্যাৰ ৪%। এওঁলোকে বিষ্ণুৰ কুৰ্ম অৱতাৰৰ লগত নিজকে সংযোগ স্থাপন কৰে। কুৰ্মীসকলৰ নেতা নিতীশ কুমাৰ বৰ্ত্তমান বিহাৰৰ মুখ্যমন্ত্ৰী। কুৰ্মীসকল মূলতঃ JD (U) আৰু BJP দলৰ সমৰ্থক। কুচুৱাহাসকল মালী লোক এওঁলোক পিছপৰা জাতিৰ। পচোৱানসকলো পিছপৰা দলিত জাতিৰ লোক। এওঁলোকৰো ৰাজ্য ৰাজনীতিত বিশেষ স্থান আছে। লোক জনশক্তি দলৰ নেতা ৰামবিলাস পাচোৱান এই সম্প্ৰদায়ৰ।

কেৰালাৰ ৰাজনীতিৰ মূলতঃ ধৰ্মৰ দ্বাৰা নিয়ন্ত্ৰিত হ'লেও জাতিৰ প্ৰভাৱ নাই বুলি ক'ব নোৱাৰি। কেৰালাৰ পৰাই ভাৰতৰ প্ৰথমজন দলিত ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণ আৰু ন্যায়াধীশ কে জি বালকৃষ্ণণে প্ৰতিনিধিত্ব কৰিলেও সামাজিত ক্ষেত্ৰ জাতি প্ৰথাৰ উৰ্দ্ধত নহয়। এতিয়া উচ্চ জাতিৰ ব্ৰাহ্মণ আৰু নায়াৰসকলে নীচ জাতি হিচাপে বিবেচিত লোকক সমতা জ্ঞান নকৰে। কেৰেলাৰ বিখ্যাত দলিত সাহিত্যিক K.K. Kochu এ মন্তব্য কৰিছিল কেৰালাৰ ৰাজনীতিত দলিত সকলক উচিত প্ৰতিনিধিত্ব নিদিয়ে। তেওঁৰ মতে কেৰালাৰ পৰা বৰ্তমানলৈ পঠোৱা 117 জন ৰাজ্যসভাৰ সাংসদৰ ভিতৰত মাত্ৰ 4 জন দলিকতহে এতিয়ালৈ প্ৰতিনিধিত্বৰ সুযোগ দিয়া হৈছে আৰু দলিত সাংসদ কেইজনক মাত্ৰ এটা কাৰ্যকালৰ বাবেহে সুযোগ দিছে। সদ্যসমাপ্ত লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থিত্ব বিতৰণৰ ক্ষেত্ৰতো এনে অসমতাৰ ছবি প্ৰতিফলিত হৈছে। উচ্চ জাতিৰ নায়াৰসকল যাৰ জনসংখ্যা 11.9% তেওঁলোকক কংগ্ৰেছ, বিজেপি আৰু সাম্যবাদী দলে 6 জনকৈ প্ৰতিনিধি দিয়াৰ বিপৰীতে 21.6% থকা নিম্নজাতিৰৰ পৰা বিজেপিয়ে দুজন, সাম্যবাদীদলে 4 জন আৰু কংগ্ৰেছে 2 জনক প্ৰতিনিধিত্বৰ সুযোগ দিছে।

ৰাজস্থানৰ ৰাজনীতিত জাতিৰ ভূমিকা অতি বেছি। ৰাজস্থানৰ ৰাজনীতিৰ মূলতঃ জাত, গুজ্জৰ, যাদৱ, ৰাজপুত আৰু ব্ৰাহ্মণ সকলৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাজস্থানত ভোটাৰৰ আচৰণো বহু পৰিমাণেই জাতিকেন্দ্ৰিক। সেয়েহে যোৱা লোকসভা নিৰ্বাচনত মূল ৰাজনৈতিক দল কংগ্ৰেছ আৰু বিজেপিয়ে জাতিভিত্তিত প্ৰাৰ্থিত্ব প্ৰদান কৰা দেখা গৈছে যাৰ বাবে ব্ৰাহ্মণৰ বিপৰীতে ব্ৰাহ্মণক, জাতৰ বিপৰীতে জাতক, ৰাজপুতৰ বিপৰীতে ৰাজপুতৰ প্ৰাৰ্থীকে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

ওপৰত উল্লেখিত ৰাজ্যসমূহৰ উপৰিও তামিলনাডু, কৰ্ণাটক আদি ৰাজ্যতো জাতি ৰাজনীতিৰ প্ৰভাৱ দেখা যায়। ভাৰতৰ সৰহ সংখ্যক ৰাজ্যৰ ৰাজনীতিয়ে জাতিৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱাৰ বাবে ৰাষ্ট্ৰীয় ৰাজনীতিটো ইয়াৰ প্ৰভাৱ যথেষ্ট হাৰত বৃদ্ধি পাবলৈ লৈছে।

**জাতি ৰাজনীতিৰ সম্পৰ্ক**

এইখিনিতে এটা ডাঙৰ প্ৰশ্ন অৱতাৰণা হয়- দৰাচলতে জাতি ব্যৱস্থাই ৰাজনীতিক প্ৰভাৱান্বিত কৰিছে নে ৰাজনীতিত জাতিক ক্ষমতাৰ স্বাৰ্থত ব্যৱহৃত হৈছে।

**জাতিৰ প্ৰগতিৰ স্বাৰ্থত ৰাজনীতিক ব্যৱহাৰ**

ভাৰতীয় সমাজ ব্যৱস্থাত জাতি হ'ল এক সামাজিক স্তৰীকৰণৰ উপায়। ই এক সামাজিক সংগঠন। জাতিয়ে সমাজত ব্যক্তিৰ প্ৰস্থিতি আৰু ভূমিকা নিৰ্দ্ধাৰণ কৰে লগতে ই ব্যক্তিবিশেষৰ বাবে একোটা পৰিচয়। জাতি ব্যৱস্থা আছিল কঠোৰ সামাজিক বান্ধোন যত ভিন্ন স্তৰৰ জাতিৰ মাজত মিলা মিছা, খোৱা লোৱা বা বৈবাহিক সম্পৰ্কক সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছিল। কিন্তু কালক্ৰমত জ্ঞান, প্ৰযুক্তিৰ সম্প্ৰসাৰণ আৰু নগৰীকৰণৰ প্ৰভাৱে জাতিৰ কঠোৰ বাধা নিষেধবোৰক শিঠিল কৰিবলৈ ধৰিলে। জাতিৰ এনে পৰিৱৰ্তনে জাতিৰ ধাৰণাক এক নতুন ধাৰালৈ ৰূপান্তৰিত কৰিলে। বিশিষ্ট সমাজতত্ববিদ Dumont ৰ ভাষাত Caste, did not disappear with the process of economic & political change, but their logic altered. He described this process as change from structure to substance. বিশেষকৈ গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্ত্তনৰ লগে লগে আৰম্ভ হোৱা 'এক ব্যক্তি এক ভোট' নীতিয়ে উচ্চ নীচৰ ভেদাভেদ আঁতৰাই পেলালে। উচ্চ ব্ৰাহ্মণজনৰ ৰাজনৈতিক ভোটৰ মূল্য একেবাৰে পিছ পৰা দলিতজনৰ সমান হোৱা হেতু ৰাজনৈতিক ভোটবেংকৰ বজাৰত পূৰ্বতে থকা কঠোৰ অধিক্ৰমণ গাঠনিৰ মূল্য নোহোৱা হৈ পৰিল। আকৌ গণতান্ত্ৰিক শাসন সংখ্যাগৰিষ্ঠ নীতিৰ দ্বাৰা পৰিচালিত। ফলত অধিক জনসংখ্যা থকা নিম্নবৰ্গীয় জাতি এটা কম জনসংখ্যা থকা উচ্চবৰ্গৰ জাতিৰ তুলনাত অধিক গুৰুত্ব লাভ কৰিবলৈ ধৰিলে। চিক্ৰিৰ মতে "ব্ৰাহ্মণ বা ৰাজপুত সকল যিসকলে পৰম্পৰাগত ভাৱে উচ্চ সামাজিক মৰ্যাদা পাইছিল। চৰকাৰ গঠনৰ দৃষ্টিভংগীৰে তেওঁলোক কম গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হ'বলৈ ধৰিলে"।

গণতন্ত্ৰৰ এনে সুবিধা পুৰামাত্ৰাই জাতি ব্যৱস্থাৰ ক্ষেত্ৰত নিম্ন জাতিৰ লোকসকলে গ্ৰহণ কৰিবলৈ ধৰিলে যাৰ ফলত নিম্নজাতিৰ লোকসকলে ৰাজনৈতিক ক্ষেত্ৰখনত সক্ৰিয়তাৰে অংশ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল লগে লগে অৰ্থনৈতিক শক্তি আৰু সামাজিক মৰ্যাদাৰ বাবেও দাবী উত্থাপন কৰিবলৈ ধৰিলে। উদাহৰণস্বৰূপে 1970 চনৰ মাজভাগত দলিতসকলে অৰ্থনৈতিক আৰু সামাজিক মৰ্যাদা বৃদ্ধিৰ বাবে ৰাজনৈতিক প্ৰচাৰ আৰম্ভ কৰিলে। 1977 চনত অনুসূচীত জাতিৰ লোকসকলে মাৰাথাৱাদা বিশ্ববিদ্যালয় (Marathawada University) ৰ নামাকৰণ ড$^{0}$ বি আৰ আম্বেদকাৰৰ নামকৰণেৰে কৰিবলৈ দাবী উত্থাপন কৰিবলৈ ধৰিলে। আনফালে ৰাষ্ট্ৰৰ নেতৃত্বত গ্ৰহণ কৰা ভূমিসংস্কাৰ আইনেও মাটিৰ মালিকীস্বত্ব উচ্চ জাতিৰ হাতৰ পৰা নিম্নজাতিৰ লোকৰ হাতলৈ পৰিৱৰ্তিত কৰিলে। বিহাৰৰ ৰাজপুত বা ব্ৰাহ্মণসকলৰ দৰে উচ্চজাতিৰ লোকৰ হাতত থকা মাটিৰ পৰিমাণ পূৰ্বতকৈ হ্ৰাস পোৱা আৰু শূদ্ৰজাতিৰ হাতলৈ মাটিৰ মালিকীস্বত্ব পৰিবৰ্তিত হোৱা ঘটনাক্ৰমে পূৰ্বৰ উচ্চ নীচ ভাৱক বহু পৰিমাণে হ্ৰাস কৰিলে।

আকৌ গাঁও প্ৰশাসনত প্ৰৱৰ্ত্তন হোৱা পঞ্চায়ত ব্যৱস্থাই নিম্ন জাতি অধ্যুষিত অঞ্চলসমূহত নিম্নজাতিৰ লোকৰ হাততে ক্ষমতাৰ অংশ অৰ্পণত সহায় কৰিলে। অন্যহাতেদি জাতিভিত্তিক সংৰক্ষণ ব্যৱস্থাই অনুসূচীত জাতি জনজাতিৰ লোককো শিক্ষাখণ্ডত আগবঢ়াই অনাৰ লগতে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ৰাজনীতিটো ক্ষমতাৰ সোৱাদ দিলে। 1980 ৰ দশকৰ পৰাই ভাৰতৰ ৰাজনীতিত পিছপৰা জাতিকেন্দ্ৰিকতাত গঢ়ি উঠা বহুজন সমাজবাদী দল আৰু সমাজবাদী দলেই পিছপৰা জাতিসমূহৰ পৰাই দলীয় নেতৃত্ব গ্ৰহণৰ সুযোগো প্ৰদান কৰিলে। মুঠতে জাতি ব্যৱস্থাই গণতন্ত্ৰৰ পুৰামাত্ৰাই সুযোগ গ্ৰহণ কৰি এহাতেদি থকা পূৰ্বৰ উচ্চ নীচ অধিক্ৰম ব্যৱস্থা বহু পৰিমাণে হ্ৰাস কৰাৰ লগতে জাতিক মাধ্যম হিচাপে গ্ৰহণ কৰিয়েই সামাজিক মৰ্যাদা বৃদ্ধি, অৰ্থনৈতিক লাভালাভৰ লগতে ৰাজনৈতিক ক্ষমতা আহৰণো সূচল কৰি ললে। এনে প্ৰেক্ষাপটত জাতি সংগঠনটোৰ বাবে ৰাজনীতি প্ৰয়োজনীয় আহিলা হৈ পৰিলে।

**ৰাজনৈতিক ক্ষমতাৰ স্বাৰ্থত জাতিক ব্যৱহাৰ**

আকৌ আন এটা দিশেৰে চালে দেখা যায় যে ভাৰতৰ ৰাজনীতিৰ বাবেও জাতি ব্যৱস্থাই যথেষ্ট সহায়ক হিচাপে পৰিগণিত হৈছে। ৰাজনীতি দৰাচলতে ক্ষমতা লাভৰ বাবে চলি থকা অহৰহ প্ৰচেষ্টা। ৰাজনৈতিক নেতা সকলৰ ক্ষমতা লাভৰ এই প্ৰচেষ্টাত জাতি ব্যৱস্থা অত্যন্ত সহায়কাৰী হিচাপে পৰিগণিত হৈছে। জাতিয়ে ৰাজনৈতিক নেতাসকলক নিজৰ পক্ষে সমৰ্থন আদায় কৰাৰ বাবে এক সংগঠন প্ৰদান কৰিছে। Myron Weiner ৰ মতে Caste has been a far more potents form of social identity and political action in India than class. যাৰ ফলত ৰাজনৈতিক নেতাসকলে জাতিসমূহৰ সমৰ্থন আদায়ৰ বাবে জাতিভিত্তিক সুবিধা প্ৰদান, সংৰক্ষণৰ ব্যৱস্থা বা আন আন আৰ্থ ৰাজনৈতিক প্ৰলোভন প্ৰদান কৰিবলৈ ধৰিলে। ভাৰতীয় ৰাজনীতিত পৰৱৰ্তী সময়ত ই এক ধাৰা সূচনা কৰিলে।

বিভিন্ন সময়ত ৰাজনৈতিক নেতাসকলে নিৰ্বাচনৰ সময়ত প্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত জাতিগত অৰ্হতাক আহিলা হিচাপে গ্ৰহণ কৰে। যি অঞ্চলত যি জাতিৰ গণভিত্তি বেছি সেই জাতিৰ মাজৰ পৰাই দলীয় প্ৰাৰ্থীত্ব প্ৰদান কৰে। আকৌ বহুসময়ত মন্ত্ৰীসভাৰ সদস্য নিৰ্বাচন আনকি দপ্তৰ বিতৰণৰ ক্ষেত্ৰত জাতিগত দিশসমূহ বিবেচনা কৰা দেখা যায়। চিকৰিৰ মতে "নিৰ্বাচনী ব্যৱস্থাৰ সকলো স্তৰ আৰু ক্ষেত্ৰত জাতিৰ স্পষ্ট ভূমিকা থকা দেখা যায়। প্ৰাৰ্থীবাচনি, প্ৰচাৰ, ভোটাৰৰ আচৰণ, মন্ত্ৰীসভা গঠন আদি সকলতো জাতিৰ ভূমিকা স্পষ্ট। বিভিন্ন সময়ত ৰাজনৈতিক নেতাসকলে জাতিভিত্তিক বিকাশ আঁচনি গ্ৰহণ কৰা দেখা যায়। নিৰ্দিষ্ট জাতিক বিশেষ মৰ্যাদা দিয়া বা আৰ্থ ৰাজনৈতিক সুবিধা দিয়া আদি। মুঠতে ৰাজনৈতিক দল তথা নেতাসকলে জাতি ব্যৱস্থাক ৰাজনীতিকৰণৰ দ্বাৰা ক্ষমতা আহৰণৰ প্ৰচেষ্টাত ব্ৰতী হৈ আহিছে।

**জাতি আৰু ৰাজনীতি পৰিপূৰক**

দৰাচলতে জাতি আৰু ৰাজনীতি ভাৰতীয় সমাজৰ প্ৰেক্ষাপটত এটাই আনটোক প্ৰভাৱান্বিত কৰিছে। মৰিচ জোনচৰ মতে "জাতিৰ গঠনমূলক কাৰ্যই ৰাজনীতিক জাতিৰ ওচৰত আৰু জাতিক ৰাজনীতিৰ ওচৰত গুৰুত্বপূৰ্ণ কৰি তুলিছে।

ৰজনী কোঠাৰীয়ে জাতি আৰু ৰাজনীতিৰ সম্পৰ্ক ব্যাখ্যা কৰি তেওঁ caste in Indian politics গ্ৰন্থত উল্লেখ কৰিছে যে জাতি আৰু ৰাজনীতিক পৰিবৰ্তনৰ প্ৰক্ৰিয়াৰ মাজেৰে ওচৰ চপাই অনাত নিৰ্দিষ্ট কাৰকে সহায় কৰিছে। ৰাজনীতিয়ে জাতিক নিজৰ ক্ষেত্ৰৰ ভিতৰলৈ অনাৰ ফলত ৰাজনীতিয়ে ক্ষমতাৰ আহৰণৰ এক সুগঢ়ী সাচ তথা পৰিচয় পাইছে ঠিক তেনেদৰে জাতিয়েও ৰাজনীতিৰ ওচৰলৈ গৈ নিজস্ব সত্বা এটি লাভ কৰাৰ লগতে এক প্ৰস্থিতিও লাভ কৰিছে। ৰজনী কোঠাৰীয়ে ৰাজনীতি আৰু জাতিৰ সম্পৰ্কৰ ফলশ্ৰুতিস্বৰূপে 4 টা সিদ্ধান্ত দাঙি ধৰিছে।

প্ৰথমতে, ইয়াৰ সংমিশ্ৰণে এক নতুন এলিট শ্ৰেণীৰ জন্ম দিছে। এওঁলোকৰ মাজত জাতিগত ভিন্নতা থাকিলেও অনেক বিষয়ৰ ক্ষেত্ৰত সিদ্ধান্তৰ সামাঞ্জস্যতা আছে।

দ্বিতীয়তে, জাতি ব্যৱস্থাই কিছু নতুন সংগঠন লাভ কৰিছে। শিক্ষানুষ্ঠান, কাৰ্যালয় আদি সকলোতে নিজৰ স্বকীয় বৈশিষ্ট্য দাঙি ধৰিবলৈ সক্ষম হৈছে। কোনো কোনো ক্ষেত্ৰত ৰাজ্য বা ৰাষ্ট্ৰজুৰি এনে সংগঠন গঢ়ি তুলিছে।

তৃতীয়তে, জাতিবোৰৰ মাজত ভাঙোনৰ সৃষ্টি হৈছে। এই ভাঙোন কেৱল ৰাজনৈতিক ক্ষেত্ৰতে আৱদ্ধ নহৈ সামাজিক ক্ষেত্ৰতো শিপাইছে।

চতুৰ্থতে জাতিগত পৰিচয় নিৰ্বাচনী ৰাজনীতিত অধিক প্ৰাসংগিক হৈ পৰিছে। কেৱল ডাঙৰ জাতিসমূহেই প্ৰাধান্য লাভ কৰাৰ বিপৰীতে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসমূহে গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে।

**জাতি-ৰাজনীতিৰ সংমিশ্ৰণৰ কিছু সুপ্ৰভাৱ আৰু কুপ্ৰভাৱ**

জাতি আৰু ৰাজনীতিৰ এনে সম্পৰ্কই ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰখনত কিছু সদৰ্থক আৰু কিছু নেতিবাচক প্ৰভাৱ পোলোৱা দেখা গৈছে। জাতি-ৰাজনীতিৰ ওচৰ সম্পৰ্কই বহু সময়ত ভাৰতীয় গণতন্ত্ৰৰ ক্ষমতা অধিক বিকেন্দ্ৰীভূত কৰাৰ লগতে ন্যায় আৰু সমতা প্ৰতিষ্ঠাটো সহায় কৰিছে। ৰাজনৈতিক লাভালাভ আদায়ৰ স্বাৰ্থতে আগবাঢ়ি অহা পিছপৰা জাতি তথা দলিত শ্ৰেণীৰ লোকে ভাৰতীয় ৰাজনীতিক নেতৃত্ব প্ৰদান কৰাৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুবিধা গ্ৰহণ কৰি অনুসূচীত জাতি, পিছপৰা শ্ৰেণী তথা দলিত সকলৰ আৰ্থিক তথা সামাজিক অৱস্থাৰ উন্নতিৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। অনেক সময়ত ৰাজনৈতিক ক্ষমতা আহৰণ সুযোগতে পুৰণিকলীয়া উচ্চ নীচৰ ৰক্ষণশীলতাৰ প্ৰাচীৰ ভাঙি সম অধিকাৰৰ সুযোগ গ্ৰহণ কৰিছে। অৰ্থাৎ জাতিয়ে ৰাজনৈতিক ক্ষমতা আহৰণৰ সুযোগ গ্ৰহণেৰে পুৰণিকলীয়া কঠোৰ শোষণ, নিষ্পেষণৰ নীতিবোৰ দলিয়াই আজি দেশক নেতৃত্ব দিয়াৰ আগতে নিজৰ গোষ্ঠীগত

আৰ্থ সামাজিক লাভ আদায় কৰিবলৈ বহুক্ষেত্ৰতে সমৰ্থ হৈছে?

অৰশ্যে অনেক সময়ত আকৌ জাতি ব্যৱস্থাই ৰাজনৈতিক আশ্ৰয় গ্ৰহণেৰে জাতিগত সংঘাতৰ পৰিমাণ বৃদ্ধিহে কৰিছে। উদাহৰণস্বৰূপে 1977 চনত মাটিৰ মালিকীস্বত্ব থকা উচ্চ জাতিৰ লোকসকলে অনুসূচীত জাতিৰ লোকসকলৰ ভূমিৰ অধিকাৰৰ দাবীক নস্যাৎ কৰিছিল যাৰ ফলত উচ্চ জাতিৰ একাংশ লোকে হিংসাৰ আশ্ৰয় লৈ আঠজন কৃষি শ্ৰমিকক হত্যা কৰিছিল। ঠিক তেনেদৰে মণ্ডল আয়োগৰ সিদ্ধান্ত কাৰ্যকৰী কৰণৰ বাবে ভি পি সিঙে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে সমগ্ৰ উত্তৰ ভাৰততে হিংসা বিয়পি পৰিছিল। আকৌ অনেক সময়তে এটা নিৰ্দিষ্ট জাতিৰ ভিতৰতো ক্ষমতা আহৰণৰ বাবে বা অধিক সুবিধা লাভৰ স্বাৰ্থত সংঘাতে গা কৰি উঠা দেখা যায়। উদাহৰণস্বৰূপে অসমৰ বড়োসকলে, কোচ ৰাজবংশীসকলৰ অনুসূচীত জনজাতিৰ বাবে কৰা দাবীক অগ্ৰাহ্য কৰি আহিছে। ইয়াৰ উপৰিও বিভিন্ন সময়ত দলিত, অনুসূচীত জাতিৰ ওপৰত হোৱা আক্ৰমণ উত্তৰ ভাৰতৰ ৰাজনীতিত ঘটি থকা দেখা যায়। বাস্তৱিকতে জাতি প্ৰথাৰ উচ্চ নীচতাৰ মনোভাৱ এতিয়াও বহুপৰিমাণে অনেক লোকৰ মাজত শিপাই আছে। যিসকলৰ ৰাজনৈতিক সুবিধা গ্ৰহণেৰে এক নিৰ্দিষ্ট শ্ৰেণীলৈ উত্তৰণ ঘটিছে তেওঁলোকক বাদ দি এতিয়াওঁ অনুসূচীত জাতিৰ লোক অথবা দলিতসকল উত্তৰ ভাৰতৰ অনেক ৰাজ্যতে পূৰ্বৰ দৰেই অস্পৃশ্য হৈ আছে। দুৰ্নীতি পূৰ্ণ ব্যৱস্থাৰ বাবে এওঁলোকৰ শৈক্ষিক তথা আৰ্থিক অৱস্থাৰ বিশেষ পৰিৱৰ্ত্তন হোৱা নাই। এওঁলোক সকলো স্তৰতে জাতিবিদ্বেষৰ পৰিণাম ভুগি থাকিবলগা হৈছে। ৰাজনৈতিক নেতাসকলেওঁ কেৱল ভোটবেংক হিচাপেই এওঁলোকক চিহ্নিত কৰি থকাৰ ব্যৱস্থা যেতিয়ালৈকে আঁতৰ নহব তেতিয়ালৈকে আমাৰ প্ৰস্তাৱনাৰ দৰ্শন ন্যায়, স্বাধীনতা, সমতা, ভাতৃত্ববোধ কেৱল দলিলৰ মাজতে আৱদ্ধ থাকিব।

*<u>অধ্যায় ষষ্ঠ</u>*

## যোগাত্মক কাৰ্য নীতি (Affirmative Action Policy)
## মহিলা, জাতি আৰু শ্ৰেণী (Women, Caste and Class)

ন্যায়ৰ এক গুৰুত্বপূৰ্ণ ভাগ হ'ল সামাজিক ন্যায়। জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ লোককে সমান সুযোগ সুবিধা তথা অধিকাৰ আৰু সামাজিক মৰ্য্যদা প্ৰদান কৰাই হ'ল সামাজিক ন্যায়। গতিকে সামাজিক ন্যায়ে এনে এক সামাজিক পৰিস্থিতিক বুজায় য'ত প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ নুন্যতম প্ৰয়োজন পূৰণ কৰাৰ সুযোগ সুবিধা লাভ কৰে। সামাজিক ন্যায়ৰ তিনিটা প্ৰধান নীতি আছে। সেয়া হ'ল—

(১) সমানৰ প্ৰতি সমান ব্যৱহাৰ

(২) আনুপাতিক সমতা

(৩) বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা

**সমানৰ প্ৰতি সমান ব্যৱহাৰ ঃ** সামাজিক ন্যায়ৰ এই নীতি সমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত আৰু মানৱ অধিকাৰৰ ধাৰণাক ভিত্তি হিচাপে গণ্য কৰে। এই নীতি অনুসৰি সমাজৰ প্ৰত্যেক ব্যক্তিয়ে যিহেতু মানুহ হিচাপে সম বৈশিষ্টৰে পৰিপূৰ্ণ সেয়েহে প্ৰত্যেকে সমান অধিকাৰ বা সুযোগ সুবিধা লাভ কৰিব লাগে। অৰ্থাৎ, এই নীতিয়ে জাতি-ধৰ্ম-লিঙ্গ বা আন কোনো ধৰণৰ কাৰকৰ ভিত্তিত ব্যক্তিৰ মাজত বৈষম্য প্ৰকাশ হোৱাটো নিবিচাৰে। মানৱ অধিকাৰৰ ধাৰণাইও বিশ্বাস কৰে যে মানুহ হৈ জন্ম লাভ কৰাৰ সুবাদতে প্ৰত্যেক ব্যক্তিয়ে কোনো বৈষম্য নোহোৱাকৈ কিছুমান অধিকাৰ লাভ কৰে। এইবোৰৰ পৰা কাকো বঞ্চিত কৰা উচিত নহয়।

**আনুপাতিক সমতা ঃ** সকলো ব্যক্তিকে সমান নীতিয়ে কেতিয়াবা ন্যায়ৰ ধাৰণাক ভংগ কৰিব পাৰে। অৰ্থাৎ, এনে নীতিয়ে ব্যক্তিৰ ব্যক্তিগত দক্ষতা, কৌশল, মেধা আদিক সকলো সময়তে গুৰুত্ব প্ৰদান নকৰে। ইয়াৰ ফলত এনে বিশেষ গুণৰ অধিকাৰী লোকসকলৰ ক্ষেত্ৰ ত ন্যায় নহবও পাৰে। সেয়েহে বিশেষ দক্ষতা বা কৌশলক পুৰস্কৃত কৰাটোও প্ৰয়োজনীয়। ন্যায়ৰ এই নীতিয়ে দক্ষতা আৰু কৌশলক প্ৰয়োজনীয় স্বীকৃতি প্ৰদানৰ পোষকতা কৰে। উদাহৰণস্বৰূপে কোনো এটা পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো ছাত্ৰ-ছাত্ৰীকে যোগ্যতা বিবেচনা নকৰাকৈ সমান মূল্য দিয়াটো কেতিয়াও গ্ৰহণযোগ্য নহয়। ইয়াত যোগ্যতা বা মেধাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰী সকলক স্থান প্ৰদান কৰা হয় বা পুৰস্কৃত কৰা হয়। তাত কাৰো আপত্তি কৰিবলগীয়াও নাথাকে। এই ব্যৱস্থাই হ'ল আনুপাতিক সমতা।

**বিশেষৰ বাবে বিশেষ ব্যৱস্থা ঃ** সামাজিক ন্যায় প্ৰতিষ্ঠাৰ আন এক গুৰুত্বপূৰ্ণ নীতি হ'ল বিশেষ লোকৰ বাবে বিশেষ ব্যৱস্থা। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে সমতা, আনুপাতিক সমতা নীতিয়েও কেতিয়াবা সমাজৰ কিছুমান শ্ৰেণীক ন্যায় প্ৰদান কৰিব নোৱাৰে। কাৰণ এওঁলোক বিভিন্ন কাৰণত হয় পিছপৰা নহয় তেওঁলোকৰ বিশেষ প্ৰতিভা বা দক্ষতাও স্বীকৃত নহয়। এনে অৱস্থাত পূৰ্বৰ দুয়োটা নীতিয়ে তেওঁলোকৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰে বা তেওঁলোকক সমাজত সকলোৰে সমান সুবিধা আৰু বিকাশৰ পৰিৱেশ প্ৰদান কৰিব নোৱাৰে। সমাজৰ এনে শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থাৰ অতি প্ৰয়োজন। তেতিয়াহে তেওঁলোকে প্ৰকৃত অৰ্থত বিকাশ লাভ কৰিব বা সমাজৰ আন শ্ৰেণীৰ লোকৰ লগত খোজ মিলাব পাৰিব। বিশ্বৰ প্ৰায় প্ৰতিখন সমাজৰ এনে কিছুমান পিছপৰা বা বিশেষ প্ৰয়োজন থকা গোট আছে। যেনে ঃ বিশেষভাৱে সক্ষম লোক, ভাৰতৰ অনুসূচীত জাতি আৰু জনজাতিৰ লোক আৰু ভাৰতৰ লগতে বেছিভাগ সমাজতে এটা পিছপৰা শ্ৰেণী হ'ল নাৰীসকল। স্বাধীনতাৰ

পিছৰ পৰাই চৰকাৰ আৰু সংবিধানে এই লোকসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। এই অধ্যায়ত বিভিন্ন পিছপৰা শ্ৰেণীৰ লোকৰ বাবে ভাৰতীয় সংবিধান আৰু চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

## যোগাত্মক কাৰ্য / ব্যৱস্থা
## (Affirmative Action)

যোগাত্মক ব্যৱস্থা বা ধনাত্মক ব্যৱস্থাৰ দ্বাৰা সেইবোৰ ব্যৱস্থাকে বুজোৱা হৈছে যিবোৰৰ দ্বাৰা বিভিন্ন কাৰণত সমাজত পিছপৰি থকা সমূহ বা গোটবোৰৰ বিকাশৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইবোৰক ধনাত্মক বৈষম্য বা Positive Discrimination বুলিও কোৱা হয়। এই ব্যৱস্থাবোৰ মূলতঃ সুৰক্ষা প্ৰদানকাৰী গতিকে, ক'ব পাৰি যোগাত্মক ব্যৱস্থা হ'ল এক বিশেষ ব্যৱস্থা, যি ব্যৱস্থা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ কাৰণে গ্ৰহণ কৰা হয় আৰু যিবোৰ ব্যৱস্থাই সমাজৰ একেবাৰে পিছপৰা গোটসমূহক প্ৰয়োজনীয় সুৰক্ষা প্ৰদান কৰে। অৰ্থাৎ, ই হ'ল সমাজৰ কিছুমান গোটক প্ৰদান কৰা এক অগ্ৰাধিকাৰমূলক (Prefesential) ব্যৱস্থা নীতি। অৱশ্যে সকলো অগ্ৰাধিকাৰমূলক নীতি বা কাৰ্যই যোগাত্মক কাৰ্য নহয়। যোগাত্মক ব্যৱস্থাই প্ৰকৃততে সমাজৰ বিভিন্ন গোটৰ মাজত থকা গাথনিগত অসমতাক নাইকিয়া কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ব্যৱস্থাই সমাজৰ পিছপৰা আৰু বঞ্চিত শ্ৰেণীক ন্যায় প্ৰদানৰ বাবে ৰাষ্ট্ৰৰ সা-সুবিধা বা সম্পদৰ সাময়িক পুনৰ্নিৰ্দ্ধাৰণ বা পুনৰ বিতৰণ কৰিব বিচাৰে। গতিকে ক'ব পাৰি যে সমাজৰ যিসকল লোকক ন্যায় প্ৰদানৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হয়, সেই ন্যায় লাভৰ পিছত এনেকুৱা ব্যৱস্থাৰ যুক্তিযুক্ততা নাইকিয়া হয় বা হ'ব পাৰে। এই ব্যৱস্থা যদিও যথেষ্ট বিতৰ্কিত তথাপিও ঐতিহাসিক অন্যায় যি বহু বছৰ জুৰি হৈ আছে, সেয়া নাইকিয়া কৰিবলৈ বা সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ এইবোৰ গ্ৰহণ কৰা হয়। দৰাচলতে আনুষ্ঠানিক সমতা (Formal equality) আৰু প্ৰকৃত সমতাৰ মাজত ভাৰসাম্য প্ৰতিষ্ঠাই হ'ল যোগাত্মক ব্যৱস্থাৰ মূল উদ্দেশ্য।

## ভাৰতত যোগাত্মক ব্যৱস্থা
## (Affirmative Action in India)

ভাৰতীয় সংবিধানৰ এক বিশেষ বৈশিষ্ট হ'ল যোগাত্মক ব্যৱস্থাৰ বা যোগাত্মক বৈষম্যৰ অন্তৰ্ভুক্তি। ভাৰতৰ বিভিন্ন লোকৰ বাবে সংবিধানে যোগাত্মক ব্যৱস্থা গ্ৰহণ কৰিছে। সংবিধানৰ ১৫ (৪) , ১৬ (৪) , ৪৬, ৩৩০ আৰু ৩৩২ নং অনুচ্ছেদক যোগাত্মক ব্যৱস্থাৰ ভিত্তি আখ্যা দিব পাৰি। ভাৰতীয় সংবিধানে মূলতঃ তিনিধৰণৰ অগ্ৰাধিকাৰৰ দ্বাৰা যোগাত্মক ব্যৱস্থা গ্ৰহণ কৰিছে। এইবোৰ হ'ল - প্ৰথম, সংৰক্ষণ। মূলতঃ দুটা ক্ষেত্ৰত সংৰক্ষণ। যেনে —

(১) বিধানসভাৰ সংৰক্ষিত আসনত অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰতিনিধিত্বৰ অধিকাৰ।

(২) চৰকাৰী চাকৰি আৰু শিক্ষানুষ্ঠানত অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ বাবে সংৰক্ষণ।

দ্বিতীয়, সমাজৰ কিছুমান লোকৰ বাবে যেনে ঃ অনুসূচিত জাতি, জনজাতি আৰু মহিলাৰ বাবে চৰকাৰী ধন, সেৱা আদিৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা। যেনে ঃ পিছপৰা শ্ৰেণী বা মহিলাৰ বাবে বিশেষ ধনৰ অনুমোদন, ভূমি অনুমোদন, স্বাস্থ্য সেৱাৰ ব্যৱস্থা ইত্যাদি।

তৃতীয়, বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা। যেনে ঃ দুৰ্বল বা সংখ্যালঘু শ্ৰেণীক শোষণ আৰু অত্যাচাৰৰ পৰা ৰক্ষা কৰা।

## ভাৰতত মহিলাৰ প্ৰতি গ্ৰহণ কৰা যোগাত্মক ব্যৱস্থা
## (Affirmative Action taken in India for Women)

ইতিমধ্যেই আলোচনা কৰা হৈছে যে যোগাত্মক ব্যৱস্থা ভাৰতীয় সংবিধানৰ এক বিশেষ বৈশিষ্ট। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সকলোকে সমান সুযোগ সুবিধা দিয়া প্ৰয়োজন যদিও সমান সুযোগ বা সুবিধাই সকলোকে ন্যায় প্ৰদান কৰিব নোৱাৰে। সেয়েহে দুৰ্বল হিচাপে পৰিগণিত গোট বা ব্যক্তিসমষ্টিৰ বাবে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হয়। পৃথিৱীৰ বেছিভাগ সমাজৰ লগতে ভাৰতীয় সমাজতো মহিলা সকলক অন্যতম দুৰ্বল তথা পিছপৰা গোট হিচাপে চিহ্নিত। সেয়েহে সংবিধানে প্ৰকৃত অৰ্থত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ তথা সমতা প্ৰতিষ্ঠা কৰিবলৈ মহিলাসকলৰ বাবে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। কেৱল সংবিধানগত ভাৱেই নহয়, আইনগতভাৱে আনুষ্ঠানিক কিছুমান বিশেষ ব্যৱস্থাৰ জৰিয়তে আৰু বিভিন্ন আঁচনিৰ জৰিয়তেও ভাৰতত মহিলাসকলৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে যিবোৰে মহিলাক ন্যায় প্ৰদানত সহায় কৰে বা কৰিব পাৰে। ভাৰতত মহিলাৰ প্ৰতি থকা যোগাত্মক ব্যৱস্থাক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

**মহিলাৰ বাবে সাংবিধানিক ব্যৱস্থা (Constitutional Measures for women) ঃ** সাংবিধানিক ব্যৱস্থাবোৰ হ'ল সেইবোৰ ব্যৱস্থা যিবোৰ সংবিধানে উল্লেখ কৰিছে বিশেষভাৱে মহিলাৰ অধিকাৰ সুৰক্ষাৰ বাবে আৰু উন্নয়নৰ বাবে। ভাৰতীয় সংবিধানৰ বিভিন্ন অংশত এনে যোগাত্মক ব্যৱস্থাৰ উপস্থিতি দেখা যায়। যেনে ঃ মৌলিক অধিকাৰ (Fundamental Rights) ৰ অধ্যায়, নিৰ্দেশাত্মক নীতি (Directive Principles) ৰ অধ্যায়, একাদশ অধ্যায় ($11^{th}$ Schedule), দ্বাদশ অধ্যায় ($12^{th}$ Schedule) ইত্যাদি। তলত এইবোৰ আলোচনা কৰা হ'ল —

## মৌলিক অধিকাৰত মহিলাৰ বাবে যোগাত্মক ব্যৱস্থা
## (Affirmative Action for women Within Fundamental Rights)

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায় হ'ল সংবিধানৰ অন্যতম গণতান্ত্ৰিক বৈশিষ্ট্য। ইয়াত নাগৰিকৰ বাবে ছয়টা মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। অৱশ্যে, পূৰ্বতে নাগৰিকক সাতটা মৌলিক অধিকাৰ প্ৰদান কৰা হৈছিল। কিন্তু সংবিধানৰ ৪৪ তম সংশোধনৰ জৰিয়তে সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ পৰা বাদ দিয়া হৈছে। বৰ্তমান ভাৰতীয় নাগৰিকৰ বাবে ছয়টা মৌলিক অধিকাৰ আছে। সেইবোৰ হ'ল—সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ আৰু সংবিধানিক প্ৰতিকাৰৰ অধিকাৰ। এই অধিকাৰসমূহ সকলোৱে অৰ্থাৎ সকলো ভাৰতীয় নাগৰিকে সমভাৱে উপভোগ কৰিব পাৰে। এই অধিকাৰসমূহৰ ভিতৰত সমতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ ইত্যাদিত বিশেষভাৱে কিছুমান দুৰ্বল গোট যেনে মহিলা আৰু পিছপৰা শ্ৰেণীৰ বাবে বিশেষ ব্যৱস্থাৰ উল্লেখ আছে।

সংবিধানৰ ১৪ নং অনুচ্ছেদে যদিও 'আইনৰ চকুত সকলো সমান' বুলি ঘোষণা কৰে তথাপিও সমতাৰ

অধিকাৰৰ অন্তৰ্ভুক্ত ১৫ (৪) নং অনুচ্ছেদে মত পোষণ কৰে যে প্ৰয়োজনবশতঃ চৰকাৰে মহিলা আৰু সমাজৰ পিছপৰা শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। ১৫ (১) নং অনুচ্ছেদ অনুসৰি জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গৰ ভিত্তিত ৰাষ্ট্ৰই কোনো ব্যক্তিৰে প্ৰতি বৈষম্য প্ৰদৰ্শন কৰিব নোৱাৰে। আকৌ ১৬ (১) নং অনুচ্ছেদত কোৱা হৈছে যে চৰকাৰী চাকৰি বা নিয়োগৰ ক্ষেত্ৰ ত ৰাষ্ট্ৰই সকলো নাগৰিকক সমান সুবিধা প্ৰদান কৰিব। ইয়াৰ পিছতো ভাৰতীয় সমাজৰ প্ৰেক্ষাপটলৈ মনত ৰাখি সংবিধানৰ ১৫ (৪) নং অনুচ্ছেদ আৰু ১৬ (৪) নং অনুচ্ছেদত মহিলা আৰু কিছুমান বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ অনুমতি চৰকাৰক প্ৰদান কৰা হৈছে। এই বিশেষ ব্যৱস্থাকে সুৰক্ষাকাৰী বৈষম্য (Protective Discrimination) বা যোগাত্মক ব্যৱস্থা (Affirmative Action) বুলি জনা যায়। সংবিধানৰ ১৫ (৪) নং অনুচ্ছেদ আৰু ১৬ (৪) নং অনুচ্ছেদ অনুসৰি যোগাত্মক ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক প্ৰয়োজন অনুসৰি সিদ্ধান্ত তথা আঁচনি গ্ৰহণৰ বাবে অধিকাৰ প্ৰদান কৰা হৈছে। অৰ্থাৎ, মহিলা, অনুসূচিত জাতি, জনজাতিৰ বাবে কি ব্যৱস্থাৰ প্ৰয়োজন হয় (বিভিন্ন সময়ত) সেয়া চৰকাৰে নিৰ্দ্ধাৰণ কৰিব পাৰে আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

ইয়াৰ লগতে শোষণৰ বিৰুদ্ধে অধিকাৰৰ ২৩ নং অনুচ্ছেদত পৰোক্ষভাৱে যোগাত্মক ব্যৱস্থাৰ বা সুৰক্ষাকাৰী ব্যৱস্থাৰ কথা উল্লেখ কৰে। সংবিধানৰ ২৩ নং অনুচ্ছেদ অনুসৰি দাসত্ব প্ৰথা, মানুহ বেচা-কিনা, পাৰিশ্ৰমিক নিদিয়াকৈ বলপূৰ্বকভাৱে শ্ৰম কৰোৱা ইত্যাদিক নিষিদ্ধ কৰা হৈছে।

সংবিধানৰ ২১ নং অনুচ্ছেদত থকা জীৱনৰ অধিকাৰৰ বিস্তৃত ব্যাখ্যাও মহিলাৰ বাবে যোগাত্মক ব্যৱস্থাৰ এক উপায় বুলি ক'ব পাৰি। উল্লেখনীয় যে উচ্চতম ন্যায়ালয়ে 'জীৱনৰ অধিকাৰ'ৰ বিস্তৃত ব্যাখ্যা আগবঢ়াই মত প্ৰকাশ কৰিছিল যে মানবীয় মৰ্য্যাদা আৰু শান্তিপূৰ্ণ পৰিৱেশ জীৱনৰ অধিকাৰ উপভোগৰ অন্যতম চৰ্ত। অৰ্থাৎ কেৱল শাৰীৰিক স্থিতি (Physical Existence) যে জীৱনৰ অৰ্থ নহয়। মানৱ জীৱন সম্পূৰ্ণ অৰ্থত জীয়াই থাকিবলৈ হ'লে প্ৰয়োজনীয় উপাদানৰ উপৰিও জীৱিকাৰ পথ সুৰক্ষিত আৰু শান্তিপূৰ্ণ পৰিৱেশৰো প্ৰয়োজন। এই ধাৰণাকে ১৯৯৭ চনত উচ্চতম ন্যায়ালয়ে এক ৰায়দানত উল্লেখ কৰিছিল আৰু প্ৰয়োজনীয় আইন প্ৰণয়ন নকৰা পৰ্য্যন্ত চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানত কৰ্মৰত মহিলাসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল। কৰ্মস্থলীত যৌন শোষণ মহিলাই সন্মুখীন হোৱা এক বিশেষ সমস্যা। ই এফালে মহিলাৰ মানবীয় মৰ্যাদা হানি কৰে আৰু আনফালে মহিলাৰ সুৰক্ষাও বিঘ্নিত কৰে। উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ১৯৯৭ চনৰ এই ৰায়ৰ পিছতে ২০১৩ চনত ভাৰতীয় সংসদে কৰ্মক্ষেত্ৰ ত মহিলাৰ যৌন শোষণ প্ৰতিৰোধী আইন গ্ৰহণ কৰি ২১ নং অনুচ্ছেদৰ বিস্তৃত ব্যাখ্যাক সাকাৰ কৰাৰ ক্ষেত্ৰ ত অৰিহণা যোগাইছিল। গতিকে ২১ নং অনুচ্ছেদকো আৰু উচ্চতম ন্যায়ালয়ৰ এই অধিকাৰ সম্পৰ্কীয় বিস্তৃত ব্যাখ্যাকো এক মহিলা সম্পৰ্কীয় যোগাত্মক ব্যৱস্থা আখ্যা দিব পাৰি।

## নিৰ্দেশাত্মক নীতিত মহিলাৰ বাবে যোগাত্মক ব্যৱস্থা
## (Affirmative Action for Women within Directive Principles)

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ প্ৰস্তাৱনাত উল্লিখিত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠাৰ বাবে যথেষ্ট নহয় বুলি বিবেচনা কৰি সংবিধান প্ৰণেতাসকলে সংবিধানৰ চতুৰ্থ অধ্যায়ত ৰাষ্ট্ৰ পৰিচালনাৰ বাবে কিছুমান নিৰ্দেশাত্মক নীতি গ্ৰহণ কৰিছিল। এই নিৰ্দেশাত্মক নীতিসমূহ মূলতঃ ৰাষ্ট্ৰৰ প্ৰতি কিছুমান নিৰ্দেশ যিবোৰ ৰাষ্ট্ৰই কাৰ্য সম্পাদন কৰোতে মানি চলিব লাগে। নিৰ্দেশাত্মক নীতিসমূহ

মূলত সামাজিক, অৰ্থনৈতিক, গান্ধীবাদী আৰু আন্তঃৰাষ্ট্ৰীয় নীতিৰ সমষ্টি। ইয়াৰে সামাজিক আৰু অৰ্থনৈতিক নীতিসমূহৰ কিছুমানত মহিলাৰ বাবে বিশেষ ব্যৱস্থাৰ উল্লেখ আছে। সংবিধানৰ ৩৯ (১) নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই পুৰুষ আৰু মহিলা উভয়ৰ বাবে জীৱিকা নিৰ্বাহৰ বাবে পৰ্যাপ্ত উপায়ৰ ব্যৱস্থা কৰিব লাগে। আকৌ ৩৯ (১) নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই পুৰুষ মহিলা উভয়কে সমান কামৰ বাবে সমান মজুৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। আকৌ এই অনুচ্ছেদৰে অন্য এক ধাৰাত উল্লেখ আছে যে শ্ৰমিক সকলৰ (পুৰুষ-মহিলা উভয়ৰ) জীৱনৰ সুৰক্ষা আৰু কাম কৰাৰ পৰিৱেশৰ ওপৰত ৰাষ্ট্ৰই গুৰুত্ব দিব লাগে। আন এক উল্লেখযোগ্য অনুচ্ছেদ হ'ল ৪২ নং অনুচ্ছেদ য'ত মহিলাৰ বাবে প্ৰয়োজনীয় এক বিশেষ ব্যৱস্থাৰ উল্লেখ আছে। ৪২ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰই কৰ্মৰ ক্ষেত্ৰ ত সুস্থ আৰু স্বাস্থ্যকৰ পৰিৱেশ গঢ়াৰ বাবে আৰু মাতৃত্বৰ সময়ত মহিলা সকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

সেই অনুসৰি ভাৰতত বিভিন্ন সময়ত সংসদে ওপৰোক্ত নিয়মাৱলী পালন কৰি এই সম্পৰ্কীয় আইন প্ৰণয়ন কৰিছে। যেনে ঃ নুন্যতম মজুৰী আইন, ফেক্টৰী আইন, শ্ৰমিকৰ ক্ষতিপূৰণ আইন ইত্যাদি।

**সংবিধানৰ ৭৩ তম সংশোধন আৰু ৭৪ তম সংশোধনৰ দ্বাৰা মহিলাৰ বাবে যোগাত্মক ব্যৱস্থা (Affirmentive Action for Women through 73rd and 74th Amedment)** :

ৰাজনৈতিক ক্ষেত্ৰ ত ভাৰতীয় মহিলাৰ প্ৰতিনিধিত্বৰ হাৰ যথেষ্ট হতাশাজনক। ভোটদানৰ ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ পুৰুষৰ সমানেই যদিও প্ৰতিনিধিত্বৰ ক্ষেত্ৰ ত যথেষ্ট হতাশাজনক। স্বাধীনতা আন্দোলনত এক অগ্ৰণী ভূমিকা পালন কৰা ভাৰতীয় মহিলাসকলে স্বাধীনতাৰ পিছত আশ্চৰ্যজনকভাৱে ৰাজনৈতিক ক্ষেত্ৰ ত নেতৃত্বৰ পৰা প্ৰায় অদৃশ্য হৈ পৰাৰ দৰে হৈছিল। কেন্দ্ৰীয় সংসদত ষষ্ঠদশ নিৰ্বাচনলৈ মহিলাৰ প্ৰতিনিধিত্বৰ হাৰ আছিল প্ৰায় ১১ শতাংশ। অৱশ্যে সপ্তদশ লোকসভা নিৰ্বাচনত এই প্ৰতিনিধিত্বৰ হাৰ সামান্য বৃদ্ধি হৈছে। বিভিন্ন সময়ত সেয়েহে মহিলাৰ প্ৰতিনিধিত্বৰ বৃদ্ধিৰ বাবে লোকসভা, ৰাজ্যসভা আৰু ৰাজ্যিক বিধানমণ্ডলত মহিলাৰ বাবে আসন সংৰক্ষণৰ দাবী উত্থাপন হৈ আহিছে। কিন্তু এই দাবী এতিয়ালৈ বিভিন্ন কাৰণত বাস্তৱায়িত হোৱা নাই।

কিন্তু, সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনে এই ক্ষেত্ৰ ত এক উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছিল আৰু স্থানীয় চৰকাৰত অৰ্থাৎ পঞ্চায়ত আৰু পৌৰ নিগমৰ মুঠ আসনৰ এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰি ৰাজনৈতিক ক্ষেত্ৰ ত মহিলাৰ বাবে এক বিশেষ যোগাত্মক ব্যৱস্থা গ্ৰহণ কৰিছিল। এই ব্যৱস্থা সংবিধানৰ ২৪৩ নং অনুচ্ছেদত অন্তৰ্ভুক্ত কৰা হৈছিল। সংবিধানৰ ২৪৩ (D) য়ে পঞ্চায়তত মহিলাৰ বাবে আসন সংৰক্ষণ কৰাৰ বিপৰীতে ২৪৩ (T) য়ে পৌৰ নিগমৰ আসন মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা উল্লেখ কৰে।

**আইনগত ব্যৱস্থা** (Legislative Measures) ঃ সাংবিধানিক ব্যৱস্থাৰ উপৰিও বিভিন্ন সময়ত ভাৰতীয় সংসদে মহিলাৰ বাবে কিছুমান বিশেষ আইন প্ৰণয়ন কৰি মহিলাৰ সুৰক্ষা আৰু বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল—

**সমান পাৰিশ্ৰমিক আইন, ১৯৭৬** (Equal Remuneration Act, 1976) ঃ এই আইনখন কৰ্ম সম্পাদনৰ পিছত লাভ কৰা পাৰিশ্ৰমিকৰ ক্ষেত্ৰ ত হোৱা বৈষম্যক নাশ কৰিবলৈ গ্ৰহণ কৰা হৈছিল। অৰ্থাৎ, পাৰিশ্ৰমিক লাভৰ ক্ষেত্ৰত ই পুৰুষ আৰু মহিলাৰ মাজৰ লিঙ্গগত পাৰ্থক্য নাইকীয়া কৰাৰ ওপৰত গুৰুত্ব দিয়ে।

**যৌতুক নিবাৰণ আইন, ১৯৬১** (Dowry Prohibition Act, 1961) ঃ এই আইনে যৌতুক দিয়া আৰু লোৱা দুয়োটাকে নিষিদ্ধ কৰিছে। প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কোনো এটা পক্ষই কোনো মূল্যবান সম্পত্তি

দিয়া বা দিয়াৰ বাবে সন্মতি দিয়াকে এই আইনে যৌতুক হিচাপে গণ্য কৰে। কোনো ব্যক্তিয়ে যদি যৌতুক দিয়ে বা লয় তেনেহ'লে এই আইনৰ অধীনত তেওঁক শাস্তি প্ৰদান কৰিব পাৰি।

**হিন্দু সম্পত্তিৰ উত্তৰাধিকাৰ আইন, ১৯৫৬** (Hindu Seccession Act, 1956) ঃ এই আইনখন ২০০৫ চনত পুনৰ সংশোধন কৰা হৈছিল আৰু পূৰ্বৰ মহিলাৰ সম্পত্তি আহৰণ আৰু পৰিচালনাৰ ক্ষেত্ৰত থকা সীমাবদ্ধতা নাইকিয়া কৰাৰ ব্যৱস্থাৰ লগতে মহিলাকো পুৰুষৰ লগতে সমানে পিতৃ সম্পত্তিৰ অধিকাৰ প্ৰদান কৰা হৈছিল। অৰ্থাৎ পৈত্ৰিক সম্পত্তিৰ ক্ষেত্ৰত ল'ৰা আৰু ছোৱালীক সম অধিকাৰ প্ৰদান কৰা হৈছিল।

**মাতৃত্বকালীন সুবিধা আইন, ১৯৬১** (Maternity Benefit Act, 1961) ঃ এই আইন অনুসৰি কোনো সংগঠনত ধৰি কাম কৰা মহিলাই মাতৃত্বৰ সময়ত কিছুমান সুবিধা লাভ কৰিব। যেনে ঃ মাতৃত্বকালীন ছুটী, চিকিৎসা বানচ, শাৰিৰীক পৰীক্ষাৰ বাবে সাময়িক ছুটি ইত্যাদি।

**মহিলাৰ পাৰিবাৰিক হিংসা প্ৰতিৰোধ আইন, ২০০৫** (The protection of women from Domestic Violence Act, 2005) ঃ ২০০৫ চনত ভাৰতীয় সংসদে গ্ৰহণ কৰা এই আইনখন মহিলাৰ সুৰক্ষা আৰু মৰ্য্যাদা ৰক্ষাৰ অন্যতম আইনী ব্যৱস্থা হিচাপে পৰিগণিত। এই আইনে ঘৰুৱা বিষয়ত নিজৰ ঘনিষ্ঠ সম্পৰ্কৰ ব্যক্তিয়ে মহিলাৰ ওপৰত চলোৱা শাৰিৰীক আৰু মানসিক নিৰ্যাতনৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ সুযোগ দিয়ে। মহিলাসকলে সততে সন্মুখীন হৈ থকা এটা সমস্যা হ'ল ঘৰুৱা হিংসা। যিকোনো ঘৰুৱা হিংসাৰে বলি সাধাৰণতে মহিলাসকলক হোৱা দেখা যায়। এই আইনে ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা প্ৰদান কৰে।

## আন আন ব্যৱস্থা
## (Other Measures)

### (1) **ৰাষ্ট্ৰীয় মহিলা সৰলীকৰণ নীতি** (National Women Empowerment Policy, 2001) :

বিভিন্ন সাংবিধানিক আৰু আইনগত ব্যৱস্থাৰ পিছতো ভাৰতীয় মহিলাৰ মৰ্য্যাদা আৰু বিকাশ সুনিশ্চিত হোৱা নাই। সেয়েহে বিভিন্ন সময়ত কিছুমান আনুসাঙ্গিক ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত উল্লেখযোগ্য হ'ল ২০০১ চনত গ্ৰহণ কৰা ৰাষ্ট্ৰীয় মহিলা সবলীকৰণ নীতি। এই নীতি ভাৰত চৰকাৰে গ্ৰহণ কৰিছিল। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল —

(1) মহিলাসকলৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক অধিকাৰৰ আইনগত আৰু বাস্তৱিক প্ৰয়োগ।

(2) মহিলাসকলক স্বাস্থ্য, নিয়োগ, নিৰাপত্তা তথা প্ৰয়োজনীয় সুবিধা প্ৰদান কৰা।

(3) মহিলাৰ প্ৰতি বিভিন্ন ক্ষেত্ৰত হোৱা বৈষম্য নিৰ্মূলকৰণ।

(4) ইতিবাচক পৰিৱেশ সৃষ্টিৰ বাবে সামাজিক আৰু অৰ্থনৈতিক নীতি ৰচনা কৰা যাতে মহিলাৰ দক্ষতা আৰু গুণৰ পূৰ্ণ বিকাশ ঘটিব পাৰে।

ওপৰোক্ত উদ্দেশ্যসমূহৰ ভিত্তিত ই বিভিন্ন ন্যায়িক, অৰ্থনৈতিক, ৰাজনৈতিক পৰামৰ্শ আগবঢ়াইছিল আৰু মত প্ৰকাশ কৰিছিল যে ন্যায়িক ব্যৱস্থা মহিলাৰ বিষয় বিশেষকৈ ঘৰুৱা হিংসা আৰু অপৰাধমূলক বিষয়ত মহিলাৰ প্ৰতি উত্তৰদায়ী আৰু সচেতন হোৱা উচিত। অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণতো মহিলাৰ অংশগ্ৰহণ সুনিশ্চিত কৰা

পদক্ষেপ গ্ৰহণ কৰিবলৈ এই নীতিয়ে পৰামৰ্শ আগবঢ়াইছিল।

(2) **বিভিন্ন আনুষ্ঠানিক ব্যৱস্থা** (Various Institutional Measures) :

মহিলাৰ লগত জড়িত দিশসমূহ বিশ্লেষণ কৰি সমস্যা সমাধান কৰিবলৈ বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানৰো সৃষ্টি কৰা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল —

**ৰাষ্ট্ৰীয় মহিলা আয়োগ** (National Commission for Women) : মহিলাৰ বিভিন্ন বিষয়ৰ সঠিক পৰিচালনাৰ বাবে আৰু মহিলাৰ মৰ্য্যাদা তথা অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰ ত পৰামৰ্শ আগবঢ়াবলৈ ১৯৯০ চনত প্ৰণয়ন কৰা এখন আইন অনুসৰি ১৯৯২ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰা হৈছিল। এজন অধ্যক্ষ আৰু কেইজনমান সদস্য লৈ এই আয়োগ গঠিত। এওঁলোকক ৰাষ্ট্ৰপতিয়ে নিযুক্তি প্ৰদান কৰে। এই আয়োগৰ মূল কাৰ্য হ'ল—

(I) ভাৰতীয় সংবিধান আৰু বিভিন্ন আইনত উল্লেখিত মহিলাৰ বিভিন্ন দিশবোৰ পৰীক্ষা কৰা আৰু পুনৰীক্ষণ কৰা।

(II) মহিলাৰ বিভিন্ন দিশৰ বিকাশ আৰু প্ৰতিনিধিত্বৰ প্ৰতিবন্ধকতা অধ্যয়ন আৰু গৱেষণা কৰা আৰু এইবোৰ নাইকিয়া কৰাৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

(III) মহিলাৰ বিৰুদ্ধে হোৱা বৈষম্য, হিংসা আৰু অত্যাচাৰৰ বিশেষ ঘটনা আৰু পৰিস্থিতিৰ অনুসন্ধান কৰা।

(IV) মহিলাৰ সুৰক্ষা আৰু বিকাশ সম্পৰ্কীয় দিশবোৰ কাৰ্যকৰী কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক পৰামৰ্শ দিয়া।

(V) মহিলাৰ আৰ্থ-সামাজিক বিকাশৰ পৰিকল্পনাত অংশগ্ৰহণ আৰু প্ৰয়োজনীয় পৰামৰ্শদান।

এইদৰে ৰাষ্ট্ৰীয় মহিলা আয়োগে মহিলাৰ বিকাশ আৰু সুৰক্ষাৰ দিশত গুৰুত্ব আৰোপ কৰি, মহিলাই সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ তদন্ত অনুসন্ধান কৰি মহিলাসকলৰ বিকাশৰ এক নতুন দিশ সূচনা কৰিব পাৰে।

**বিভিন্ন চৰকাৰী আঁচনি** (Various Governmental Schemes) : সাংবিধানিক ব্যৱস্থা, আইনগত ব্যৱস্থা ইত্যাদি থকাৰ পিছতো বিভিন্ন সময়ত বিভিন্ন কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে মহিলাৰ বিকাশৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে। যেনে ঃ বৰ্তমান কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা কেইখনমান বিশেষ আঁচনি হ'ল 'বেটী বচাওঁ বেটী পঢ়াওঁ', 'সুকন্যা সমৃদ্ধি যোজনা', 'পোষক মাহ' ইত্যাদি।

## জাতি ভিত্তিক যোগাত্মক ব্যৱস্থা
## (Caste Based Affirmative Action) :

ভাৰতত যোগাত্মক ব্যৱস্থা কেৱল মহিলাৰ বাবেই গ্ৰহণ কৰা হোৱা নাই। পিছপৰা শ্ৰেণী আৰু জাতিৰ বাবেও এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দৰাচলতে যোগাত্মক ব্যৱস্থা গ্ৰহণৰ ভিত্তিটোৱেই হ'ল সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা যাতে সমাজৰ আন লোকৰ লগতে এই দুৰ্বল লোকসকলেও বিকাশৰ পথত আগবাঢ়িব পাৰে। বিভিন্ন ঐতিহাসিক আৰু সামাজিক কাৰণত সমাজত কিছুমান শ্ৰেণীৰ লোক অন্যায়ৰ সন্মুখীন হ'ব লগা হয়। ঐতিহাসিক এনে অন্যায় দূৰ কৰাৰ বাবেই ভাৰতীয় সংবিধানে পিছপৰা শ্ৰেণী আৰু কিছু জাতি তথা জনজাতিৰ লোকৰ বাবে সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰিছিল। সংবিধানৰ মৌলিক অধিকাৰৰ অধ্যায়,

নিৰ্দেশাত্মক নীতি, ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধন ইত্যাদিয়েই হ'ল মূল যোগাত্মক ব্যৱস্থাৰ ভিত্তি।

আগতেই উল্লেখ কৰা হৈছে যে মৌলিক অধিকাৰ অৰ্থাৎ সংবিধানৰ তৃতীয় অধ্যায় ভাৰতীয় নাগৰিকৰ বিকাশৰ অন্যতম ঢাপ। এই অধ্যায়ৰ ১৪ নং অনুচ্ছেদত সমতাৰ অধিকাৰৰ অন্তৰ্গত হ'ল আইনৰ চকুত সকলো সমান' (Equality before Law)। ১৫ নং অনুচ্ছেদে ঘোষণা কৰে যে জাতি, ধৰ্ম, বৰ্ণ আৰু লিঙ্গৰ ভিত্তিত কাকো বৈষম্য প্ৰদৰ্শন কৰিব নোৱাৰি। ঠিক একেদৰে ১৬ নং অনুচ্ছেদেও ঘোষণা কৰে যে চৰকাৰী চাকৰি আৰু নিয়োগৰ ক্ষেত্ৰ ত ৰাষ্ট্ৰই সকলো নাগৰিককে সমান সুবিধা প্ৰদান কৰিব বা বৈষম্য প্ৰদৰ্শন নকৰিব। কিন্তু সংবিধানৰ ১৫ (৪) নং অনুচ্ছেদ আৰু ১৬ (৪) নং অনুচ্ছেদত যোগাত্মক ব্যৱস্থা বা ধনাত্মক বৈষম্যৰ ব্যৱস্থাক স্বীকৃতি দি ঘোষণা কৰা হৈছে যে প্ৰয়োজনবশতঃ ৰাষ্ট্ৰই সমাজৰ পিছপৰা শ্ৰেণী আৰু জাতিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ অধিকাৰ লাভ কৰিব। এই ব্যৱস্থাই মহিলাৰ ক্ষেত্ৰ তো প্ৰযোয্য। অৰ্থাৎ, ভাৰতৰ সামাজিক প্ৰেক্ষাপটৰ প্ৰতি লক্ষ্য ৰাখি সংবিধানে এই ব্যৱস্থাক প্ৰয়োজনীয় হিচাপে গণ্য কৰিছিল আৰু সমতাৰ অধিকাৰক স্বীকৃতি দিয়াৰ পিছতো প্ৰকৃত অৰ্থত সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে বিশেষ শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে ভাৰতৰ সামাজিক গাঠনি অধিক্ৰমিক। বিশেষকৈ হিন্দু সমাজৰ মাজত এই অধিক্ৰমিক ব্যৱস্থা জাতিৰ ভিত্তিত গঠিত য'ত সমাজৰ কিছুমান লোকক নিম্ন জাতিৰ বুলি বিবেচনা কৰা হৈছিল আৰু বহুতো প্ৰাপ্যৰ পৰা তেওঁলোকক বঞ্চিত কৰা হৈছিল। দীঘলীয়া সময়জুৰি চলা বৈষম্যই তেওঁলোকক সমাজৰ আন লোকতকৈ বহু পিছপৰি থকাৰ বাবে বাধ্য কৰিছিল। গতিকে এনে লোকক আনৰ লগত সমান অধিকাৰ প্ৰদানে প্ৰকৃত বিকাশৰ পথত আগুৱাই নিব নোৱাৰে। সংবিধান প্ৰণেতাসকলে বিশেষকৈ খচৰা সমিতিৰ সভাপতি আম্বেদকাৰে এই কথা বাৰুকৈয়ে অনুধাৱন কৰিব পাৰিছিল আৰু সেয়েহে তেখেতে এনে যোগাত্মক ব্যৱস্থা অন্তৰ্ভুক্ত কৰিছিল।

সংবিধানৰ ২৩ আৰু ২৪ নং অনুচ্ছেদত থকা শোষণৰ বিৰুদ্ধে অধিকাৰৰ অন্তৰ্গত অধিকাৰেও পিছপৰা শ্ৰেণী আৰু জাতিৰ লোকৰ বাবে বিশেষ ব্যৱস্থাকে সূচায়। সংবিধানৰ ২৩ নং অনুচ্ছেদে দাসত্ব প্ৰথা, মানুহ বেচা-কিনা, বলপূৰ্বক ভাবে শ্ৰমদান কৰিবলৈ বাধ্য কৰোৱা, পাৰিশ্ৰমিক নিদিয়াকৈ শ্ৰম কৰিবলৈ বাধ্য কৰোৱা কাৰ্যক নিষিদ্ধ ঘোষণা কৰিছে. সংবিধানৰ ২৯ নং অনুচ্ছেদে ঘোষণা কৰে যে ভাৰতৰ সকলো শ্ৰেণীৰ লোকৰে নিজ নিজ ভাষা, সংস্কৃতি ৰক্ষাৰ অধিকাৰ আছে। আকৌ ৩০ নং অনুচ্ছেদ  অনুসৰি প্ৰত্যেক ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু লোকে নিজৰ প্ৰয়োজন অনুসৰি শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰিব পাৰিব। ভাৰতৰ দৰে বিভিন্নতাপূৰ্ণ এখন দেশত সংখ্যালঘু শ্ৰেণীৰ তথা পিছপৰা জাতি আৰু শ্ৰেণীৰ লোকৰ ভাষা-সংস্কৃতি ৰক্ষাৰ দ্বাৰা তেওঁলোকৰ স্বকীয় পৰিচয় ৰক্ষাৰ ক্ষেত্ৰত ২৯ আৰু ৩০ নং অনুচ্ছেদত উল্লেখ থকাৰ দৰে বিশেষ সুৰক্ষামূলক ব্যৱস্থা অতি প্ৰয়োজনীয়।

মৌলিক অধিকাৰক সমৃদ্ধ কৰা নিৰ্দেশাত্মক নীতি সমূহেও ভাৰতৰ কিছুমান বিশেষ শ্ৰেণীৰ লোকৰ বাবে প্ৰত্যক্ষভাৱে বিশেষ ব্যৱস্থা গ্ৰহণৰ ইঙ্গিত দিয়ে। এই ক্ষেত্ৰ ত বিশেষভাৱে উল্লেখ কৰিব পাৰি ৪৬ নং অনুচ্ছেদৰ কথা। সংবিধানৰ ৪৬ নং অনুচ্ছেদ অনুসৰি চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা তথা দুৰ্বল শ্ৰেণীৰ লোকৰ শিক্ষা আৰু আন আন দিশৰ বিকাশৰ ব্যৱস্থা কৰিব লাগিব আৰু তেওঁলোকৰ সামাজিক আৰু অৰ্থনৈতিক মনদণ্ড উন্নত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াৰ উপৰিও সম্পদৰ সম বিতৰণ, সকলোৰে বাবে পৰ্য্যাপ্ত জীৱন নিৰ্বাহৰ ব্যৱস্থা (৩৯ নং অনুচ্ছেদ) ইত্যাদিয়েও সমাজৰ দুৰ্বল শ্ৰেণী তথা জাতিৰ লোকৰ বাবে সংবিধান আৰু চৰকাৰৰ বিশেষ দায়বদ্ধতাৰ কথাকে বুজায়।

**লোকসভা আৰু ৰাজ্যিক বিধানমণ্ডলত আসন সংৰক্ষণ** - ৩৩০ আৰু ৩৩২ নং অনুচ্ছেদ

(Reservation of seats in Loksabha) : ইতিমধ্যেই উল্লেখ কৰা হৈছে যে ভাৰতত গ্ৰহণ কৰা সংখ্যাগৰিষ্ঠতাৰ নীতিৰ ফলত ভাৰতত জনসংখ্যাৰ হিচাপত কম থকা অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলে প্ৰয়োজনীয় প্ৰতিনিধিত্ব লাভ কৰা সম্ভৱ নহ'লহেঁতেন। এই কথা অনুধাৱন কৰিয়েই সংবিধান প্ৰণেতাসকলে লোকসভা আৰু ৰাজ্যিক বিধানসভাত এই লোক সকলৰ বাবে কিছুমান সমষ্টি বা আসন সংৰক্ষণ কৰিছিল যিবোৰ সমষ্টিত কেৱল এই লোকেহে প্ৰতিনিধিত্ব আগবঢ়াব পাৰে। অৱশ্যে নিৰ্বাচকমণ্ডলী পৃথক নহয়। প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীহে বা প্ৰাৰ্থীৰ জাগিতগত দিশহে নিৰ্দ্ধাৰিত। সংৰক্ষিত আসনত সাধাৰণ শ্ৰেণীৰ লোকে প্ৰতিদ্বন্দিতা কৰিব নোৱাৰে কিন্তু সাধাৰণ আসন বা সমষ্টিতো ইচ্ছা কৰিলে অনুসূচীত জাতি আৰু জনজাতিৰ লোকে প্ৰতিদ্বন্দিতা কৰিব পাৰে। এই ব্যৱস্থা অনুসৰিয়ে ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি অনুসূচীত জাতিৰ লোকৰ প্ৰতিনিধিৰ সংখ্যা হ'ল ৮৪ জন আৰু অনুসূচীত জনজাতিৰ লোকৰ প্ৰতিনিধিৰ সংখ্যা হ'ল ৪৭ জন। প্ৰথম সাধাৰণ নিৰ্বাচনত এই সংখ্যা আছিল ক্ৰমে ৭২ জন আৰু ২৬ জন। জনসংখ্যা বৃদ্ধিৰ লগে লগে এই সংখ্যাও বৃদ্ধি হৈছে। ১৯৫০ চনত আৰম্ভ হোৱা এই ব্যৱস্থা প্ৰথম অৱস্থাত ১০ বছৰৰ কাৰণে আছিল যদিও ই বৰ্তমানলৈ অব্যাহত আছে। শেহতীয়াকৈ হোৱা সংবিধান সংশোধনী আইনে এই সংৰক্ষণ ব্যৱস্থাৰ ম্যাদ পুনৰ বৃদ্ধি কৰিছে। সংবিধানৰ ৩৩০ নং অনুচ্ছেদত ৰাজ্যিক বিধানসভাত অনুসূচীত জাতি-জনজাতিৰ লোকৰ আসন সংৰক্ষণৰ উল্লেখ আছে। গতিকে নিশ্চিতভাৱে কব পাৰি যে সংবিধানৰ ৩৩০ আৰু ৩৩২ নং অনুচ্ছেদ হ'ল অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ বাবে সবিধানত থকা প্ৰত্যক্ষ যোগাত্মক ব্যৱস্থা। এই ব্যৱস্থাক অন্যতম প্ৰয়োজনীয় ব্যৱস্থা আখ্যা দিব পাৰি কিয়নো ৰাজনৈতিক প্ৰতিনিধিত্বৰ দ্বাৰাই আৰ্থ সামাজিক বিকাশৰ বাবে প্ৰয়োজনীয় বিভিন্ন নীতি নিৰ্দ্ধাৰণ কৰা আৰু নীতি নিৰ্দ্ধাৰণত প্ৰভাৱ বিস্তাৰ কৰা সম্ভৱপৰ হয়।

**সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনী** (73rd and 74th Amendment of Constitution) : আগতেই উল্লেখ কৰা হৈছে যে সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধন হ'ল যোগাত্মক ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰ ত এক উল্লেখযোগ্য ৰাজনৈতিক পদক্ষেপ। সমাজৰ কিছুমান দুৰ্বল আৰু পিছপৰা শ্ৰেণীক স্থানীয় চৰকাৰত অংশগ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰাৰ ই অন্যতম পদক্ষেপ। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত যদিও সকলোকে সম অধিকাৰ প্ৰদান কৰা হৈছে তথাপিও প্ৰতিনিধিত্বৰ ক্ষেত্ৰ ত কিছুসংখ্যক লোক বঞ্চিত হ'ব লগা হৈছিল। ভাৰতত গ্ৰহণ কৰা প্ৰথমজনেই বিজেতা পদ্ধতি, য'ত সংখ্যাগৰিষ্ঠতাৰ ওপৰতহে গুৰুত্ব দিয়া হয় তাত সংখ্যাৰ দিশৰ পৰা কম হোৱা বাবে অনুসূচিত জাতি আৰু জনজাতিৰ দৰে সংখ্যাত কম লোকৰ প্ৰতিনিধিত্ব লাভত যথেষ্ট সমস্যা হয়। সেয়েহে সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলৰ লগতে স্থানীয় চৰকাৰ যেনে ঃ পঞ্চায়ত আৰু পৌৰনিগমত ৭৩ তম আৰু ৭৪ তম সংশোধনে এক তৃতীয়াংশ আসন অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থা পিছপৰা শ্ৰেণী আৰু জাতিৰ ৰাজনৈতিক প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ এক প্ৰত্যক্ষ যোগাত্মক ব্যৱস্থা। স্থানীয় চৰকাৰৰ বিভিন্ন স্তৰত এওঁলোকৰ বাবে আসন সংৰক্ষণ কৰা হয়।

**অন্যান্য সাংবিধানিক ব্যৱস্থা** (Other Constitutional Measure) : ভাৰতীয় সংবিধানৰ আন কিছুমান ধাৰাইও অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ বিকাশৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ ভিতৰত অন্যতম হ'ল অনুচ্ছেদ ৩৩৮ আৰু ৩৩৮ (A)। অনুচ্ছেদ ৩৩৮ ত অনুসূচীত জাতিৰ আৰু ৩৩৮ (A) ত অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগ গঠনৰ বিষয়ে উল্লেখ আছে। সংবিধানৰ ৩৩৮ নং অনুচ্ছেদৰ ধাৰা অনুসৰি এই আয়োগ এজন অধ্যক্ষ আৰু পাঁচজন সদস্যক লৈ গঠিত হ'ব। এওঁলোকক ৰাষ্ট্ৰপতিয়ে নিযুক্তি প্ৰদান কৰিব। এই আয়োগ দুখনৰ মূল কাৰ্যসমূহ হ'ল—অনুসূচীত জাতি-জনজাতিৰ লোকৰ আৰ্থ সামাজিক বিকাশৰ পৰিকল্পনাত

অংশগ্ৰহণ কৰা আৰু পৰামৰ্শ আগবঢ়োৱা, অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱা, অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ অধিকাৰ আৰু সুৰক্ষা বিঘ্নিত কৰা বিষয় চিনাক্ত কৰা, তদন্ত কৰা, অভিযোগৰ তথ্য বিচৰা, অনুসূচীত জাতি-জনজাতিৰ লোকৰ আৰ্থ সামাজিক বিকাশৰ মূল্যায়ণ কৰা ইত্যাদি। এই আয়োগে ৰাষ্ট্ৰপতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰে আৰু ৰাষ্ট্ৰপতিয়ে ইয়াক সংসদলৈ আলোচনাৰ বাবে পঠিয়ায়। কোনো বিশেষ ৰাজ্যৰ লগত সম্পৰ্ক থকা বিষয়বোৰ আয়োগে সেই ৰাজ্যৰ ৰাজ্যপাললৈ প্ৰেৰণ কৰে। এই আয়োগে প্ৰয়োজন হ'লে চৰকাৰৰ পৰা বিভিন্ন তথ্য বিচাৰিব পাৰে। চৰকাৰেও প্ৰয়োজনবোধ কৰিলে এই আয়োগৰ পৰা অনুসূচীত জাতি-জনজাতিৰ লোকৰ কল্যাণৰ বাবে পৰামৰ্শ বিচাৰিব পাৰে।

**সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচী** (Fifth and Sixth Schedule of the constitution) : সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচী হ'ল অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ প্ৰশাসন সম্পৰ্কীয় এক বিশেষ ব্যৱস্থা যাৰ জৰিয়তে প্ৰশাসনীয় ক্ষেত্ৰ ত তেওঁলোকক এক বিশেষ সুবিধা প্ৰদান কৰা হৈছে। সংবিধানৰ ২৪৪ নং অনুচ্ছেদত অনুসূচীত অঞ্চল আৰু জনজাতীয় অঞ্চলৰ প্ৰশাসনৰ বিষয়ে উল্লেখ আছে। ইয়াৰ পঞ্চম অনুসূচীত অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ বাহিৰে সকলো ৰাজ্যৰে জনজাতীয় আৰু অনুসূচীত অঞ্চলক সামৰি লোৱা হৈছে আৰু ষষ্ঠ অনুসূচীয়ে কেৱল উত্তৰ পূৰ্বাঞ্চলৰ মেঘালয়, অসম, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতীয় লোকসকলৰ প্ৰশাসনক সামৰি লৈছে। ২৪৪ (১) নং অনুচ্ছেদত পঞ্চম অনুসূচীৰ বিষয়ে উল্লেখ আছে। ইয়াৰ জৰিয়তে অনুসূচীত ক্ষেত্ৰ সমূহক দেশৰ আন ক্ষেত্ৰ ৰ পৰা পৃথকভাৱে যত্ন লোৱাৰ প্ৰয়াস কৰিছে কিয়নো অনুসূচীত ক্ষেত্ৰ সমূহৰ বাসিন্দাবোৰ হ'ল দেশৰ 'আদিম অধিবাসী' আৰু আৰ্থ সামাজিক ক্ষেত্ৰ ত এওঁলোক তেনেই পিছপৰা। সেয়েহে, দেশৰ বৃহত্তৰ স্বাৰ্থত এই লোকসকলক আগুৱাই অনাৰ বাবে ৰাষ্ট্ৰই যোগাত্মক ব্যৱস্থা নীতি গ্ৰহণ কৰাটো আৱশ্যক। এই উদ্দেশ্যেই সংবিধানৰ পঞ্চম অনুসূচী গ্ৰহণ কৰা হৈছিল। এই অনুসূচী অনুসৰি ৰাষ্ট্ৰপতিয়ে কোনো অঞ্চল 'অনুসূচীত ক্ষেত্ৰ ' হিচাপে ঘোষণা কৰিব পাৰে।

আকৌ সংবিধানৰ ২৪৪ (২) নং আৰু ২৭৫ (১) নং অনুচ্ছেদ সামৰি ষষ্ঠ অনুসূচী গঠিত। সংবিধান অনুসৰি ভাৰতৰ মাত্ৰ চাৰিখন ৰাজ্যৰ (অসম, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম) জনজাতীয় লোক সকলক ষষ্ঠ অনুসূচীৰ অধীনত বিশেষ সুবিধা প্ৰদান কৰাৰ মূল কাৰণ হৈছে ভাৰতৰ অন্যান্য প্ৰান্তৰ জনজাতিসকলৰ সৰহ সংখ্যকে তেওঁলোকে বাস কৰা অঞ্চলৰ সংখ্যাগৰিষ্ঠ লোকৰ লগত সংমিশ্ৰিত হৈছে আৰু তেওঁলোকে পৃথকভাৱে নিজস্ব সংস্কৃতি বা জীৱনধাৰা বৰ্ত্তাই ৰখা নাই। তাৰ পৰিৱৰ্তে উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা এই জনজাতিসকলে সম্পূৰ্ণৰূপে নিজা সংস্কৃতি আৰু পৃথক জীৱনধাৰা বৰ্তাই ৰাখিছে। গতিকে এই দিশৰ প্ৰতি লক্ষ ৰাখি সংবিধান প্ৰণেতাসকলে এই জনজাতিসমূহক নিজস্ব জীৱনশৈলী সংৰক্ষণৰ স্বতন্ত্ৰতা প্ৰদানৰ স্বাৰ্থতে সংবিধানৰ এক পৃথক ব্যৱস্থা হিচাপে ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তি কৰিছিল।

গতিকে নিশ্চিতভাৱে অনুসূচীত জাতি আৰু জনজাতিৰ লোকৰ বাবে পঞ্চম আৰু ষষ্ঠ অনুসূচী এক সাংবিধানিক যোগাত্মক ব্যৱস্থা।

**বিভিন্ন আইন আৰু আঁচনি** (Various Legislations and Schemes) : স্বাধীনতাৰ পিছৰ পৰাই ভাৰতত অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে বা বিভিন্ন কল্যাণমূলক আঁচনিও গ্ৰহণ কৰা হৈছে। তলত সেইবোৰ আলোচনা কৰা হ'ল।

(1) **অনুসূচীত জাতি আৰু জনজাতিৰ (আতিশয্য প্ৰতিৰোধমূলক) আইন, ১৯৮৯ ঃ** অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলক সুৰক্ষা আৰু সামাজিক মৰ্যাদা প্ৰদানৰ বাবে ১৯৮৯ চনত ভাৰতীয় সংসদে এই

আইন গ্ৰহণ কৰিছিল। এই আইনক অনুসূচীত জাতি-জনজাতি আইন (SC/ST Act) বা আতিশয্য প্ৰতিৰোধমূলক (Prevention of Attrocities Act. - POA) আইন বুলিও জনা যায়। প্ৰচলিত আইনৰ সুৰুঙাৰ বাবেই অনুসূচীত জাতি-জনজাতিৰ লোকসকলক সুৰক্ষা দিয়াৰ বাবে ভাৰতীয় সংসদে এই আইন গ্ৰহণ কৰিছিল। পিছলৈ এই আইনখন সংসদে সংশোধনো কৰি লৈছিল।

(2) **পৌৰ অধিকাৰ সুৰক্ষা আইন, ১৯৫৫** (Protection of Civil Rights Act., 1955) ঃ পূৰ্বৰ অস্পৃশ্যতা আইন, ১৯৫৫ খন ১৯৭৬ চনত পৌৰ অধিকাৰ সুৰক্ষা আইন, ১৯৫৫ হিচাপে নামাকৰণ কৰা হৈছিল। এই আইনে সমগ্ৰ ভাৰততে অস্পৃশ্যতাক এক দণ্ডনীয় অপৰাধ হিচাপে গণ্য কৰি ইয়াক প্ৰয়োগকাৰী ব্যক্তিৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ গ্ৰহণ কৰিছিল।

এইবোৰৰ উপৰিও শৈক্ষিক, অৰ্থনৈতিক দিশৰ বিকাশৰ বাবে বিভিন্ন সময়ত বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে স্কলাৰশ্বিপ, বিশেষ আৱাসগৃহ নিৰ্মাণ, বিশেষ প্ৰশিক্ষণ ব্যৱস্থা ইত্যাদিও গ্ৰহণ কৰা হৈছে। অৱশ্যে এই আচনিবোৰৰ সুফল কিমান প্ৰকৃত অৰ্থত ল'ব পাৰিছে সেয়া অন্য এক বিতৰ্কিত বিষয়। কিন্তু আৰম্ভণিৰে পৰা বিভিন্ন প্ৰচেষ্টা যে গ্ৰহণ কৰা হৈছে সেই সম্পৰ্কে বিশেষ দ্বি-মত থাকিব নোৱাৰে।

## শ্ৰেণী ভিত্তিক যোগাত্মক ব্যৱস্থা
## (Class based Affirmative Action) :

ভাৰতত শ্ৰেণীৰ ধাৰণাটো বিশেষ জনপ্ৰিয় নহয়। জাতি, ধৰ্ম, ভাষাগত বিভাজনেই ভাৰতীয় সমাজখনক বিচিত্ৰময় কৰিছে। সংবিধানেও যোগাত্মক ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত জাতিক আৰু মহিলা সকলক তথা পিছপৰা লোকসকলক গুৰুত্ব দিছিল। অৱশ্যে জাতিৰ দ্বাৰা পিছলৈ অনুসূচীত জাতি আৰু অনুসূচিত জনজাতিসকলক বুজা গৈছিল যদিও সংবিধানত কিন্তু পিছপৰা শ্ৰেণী বুলিহে উল্লেখ আছিল। সংবিধানতেই হওঁক বা আইনগত দিশতেই হওঁক স্বাধীন ভাৰতৰ প্ৰথম দশককেইটাত অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ কল্যাণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ বাবে আনকি লোকসভা আৰু ৰাজ্যিক বিধানসভাত আসনো সংৰক্ষণ কৰা হৈছিল যাতে তেওঁলোকে উচিত প্ৰতিনিধিত্ব লাভ কৰিব পাৰে নিজৰ লগতে আনৰো আৰ্থ সামাজিক বিকাশৰ পৰিকল্পনাত আৰু নীতি নিৰ্দ্ধাৰণত অংশগ্ৰহণ কৰিব পাৰে। ইয়াৰ বিপৰীতে কিন্তু পিছপৰা শ্ৰেণীৰ বাবে কোনো বিশেষ ব্যৱস্থা নাছিল। আকৌ এটা সময়ত কংগ্ৰেছে এওঁলোকৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও সেয়া মূলতঃ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আছিল।

'Backward class' বা 'পিছপৰা শ্ৰেণীৰ' ধাৰণাটো উত্থান হৈছিল ১৮৭০ চনত মাদ্ৰাজ প্ৰেছিডেন্সীত। মাদ্ৰাজৰ ব্ৰিটিছ চৰকাৰে শূদ্ৰ আৰু অস্পৃশ্য হিচাপে পৰিগণিত দুয়োটা গোটকে লৈ পিছপৰা শ্ৰেণী হিচাপে এটা গোট চিনাক্ত কৰিছিল। এই গোট চিনাক্তকৰণৰ মূল উদ্দেশ্য আছিল 'যোগাত্মক ব্যৱস্থা' প্ৰদানৰ বাবে ব্যক্তি আৰু গোট চিনাক্তকৰণ। স্বাধীনতাৰ পিছত নেহেৰুৱে ইয়াক 'পিছপৰা শ্ৰেণী' হিচাপে নামাকৰণ কৰিছিল। পিছপৰা শ্ৰেণীটোৱে অৱশ্যে অস্পৃশ্য হিচাপে পৰিগণিত আৰু জনজাতীয় লোকসকলক অন্তৰ্ভূক্ত কৰা নাছিল। সংবিধানসভাই সংবিধান ৰছনাৰ সময়ত পিছপৰা শ্ৰেণী সম্পৰ্কত বিশেষ বিতৰ্ক কৰিব বিছৰা নাছিল আৰু এই দিশটোৰ বাবে সংবিধানৰ ৩৪০ নং অনুচ্ছেদটো অন্তৰ্ভূক্ত কৰিছিল। এই অনুচ্ছেদ অনুসৰি পিছপৰা শ্ৰেণীৰ লোকৰ (সামাজিক, শৈক্ষিকভাৱে) চিনাক্তকৰণৰ বাবে আৰু তেওঁলোকৰ আৰ্থ সামাজিক বিকাশৰ বাবে পৰামৰ্শ প্ৰদান কৰিবলৈ ৰাষ্ট্ৰপতিয়ে এখন আয়োগ গঠন কৰিব। বিভিন্নজনৰ সতে শৈক্ষিক আৰু সামাজিক দিশৰ উল্লেখেৰে সংবিধান

সভাই পিছপৰা শ্ৰেণীৰ বিষয়টো অধিক জটিলহে কৰি তুলিছিল।

স্বাধীন ভাৰতৰ প্ৰথম পিছপৰা শ্ৰেণী আয়োগখন গঠন হৈছিল ১৯৫৩ চনত। এই আয়োগে মূলতঃ কেইটামান ভিত্তিলৈ প্ৰায় ২৩৯৯ টা গোটক অৰ্থাৎ ৩২ শতাংশ লোকক (১৯৩১ চনৰ লোকপিয়ল মতে) পিছপৰা শ্ৰেণী হিচাপে চিহ্নিত কৰিছিল। আয়োগৰ মূল ভিত্তিসমূহ আছিল - নিম্ন সামাজিক মৰ্য্যাদা, শিক্ষাৰ অভাৱ, অসামৰিক আৰু আন আন প্ৰশাসনীয় সেৱাত প্ৰতিনিধিত্বহীনতা। কিন্তু নেহেৰু চৰকাৰৰ সেই সময়ৰ গৃহমন্ত্ৰী জি.বি. পণ্ট এ আয়োগৰ পৰামৰ্শ মানিবলৈ অস্বীকাৰ কৰি মত প্ৰকাশ কৰিছিল যে ভাৰত চৰকাৰে আৰ্থ সামাজিক বিকাশৰ বাবে গ্ৰহণ কৰা পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহেই সমাজৰ আৰ্থ সামাজিক বৈষম্য নাইকিয়া কৰাত সহায় কৰিব। তেওঁ লগতে মত প্ৰকাশ কৰিছিল যে সঘনাই গ্ৰহণ কৰা যোগাত্মক বৈষম্যই সমাজৰ গৰিষ্ঠসংখ্যক শ্ৰেণীৰ দক্ষতা আৰু মেধাক ক্ষতি কৰিব পাৰে। বিভিন্ন পিছপৰা শ্ৰেণী চিহ্নিত কৰা আৰু তেওঁলোকৰ আৰ্থ সামাজিক বিকাশৰ বাবে পৰামৰ্শ আগবঢ়োৱা প্ৰথম পিছপৰা শ্ৰেণী আয়োগৰ পৰামৰ্শ অগ্ৰাহ্য হোৱাত সমাজবাদী নেতাসকলৰ সভাত তীব্ৰ অসন্তুষ্টিয়ে দেখা দিছিল। সমাজবাদী নেতা ৰাম মনোহৰ লোহিয়াকে আদি কৰি বিভিন্নজনে মত প্ৰকাশ কৰিছিল যে উদ্যোগ ৰাষ্ট্ৰীয়কৰণ, পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু কংগ্ৰেছ চৰকাৰে গ্ৰহণ কৰা কিছুমান সমাজবাদী প্ৰকৃতিৰ আঁচনিয়ে কেতিয়াও আৰ্থ সামাজিক বৈষম্য হ্ৰাস কৰিব নোৱাৰে। গতিকে পিছপৰা শ্ৰেণীৰ বাবে যোগাত্মক ব্যৱস্থাৰ গ্ৰহণ অনিবাৰ্য। সমাজবাদী দলে সেয়েহে বহুসময়ত পিছপৰা শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থাৰ দাবী উত্থাপন কৰি আহিছিল যদিও কংগ্ৰেছ চৰকাৰৰ দিনত তেওঁলোকৰ এই দাবীয়ে বিশেষ সাফল্যতা লাভ কৰিব নোৱাৰিলে। সমাজবাদী দলৰ দাবীয়ে সাফল্যতা লাভ কৰিছিল ১৯৭৭ চনত গঠন হোৱা জনতা দলৰ চৰকাৰৰ নেতৃত্বত, য'ত আনকি সমাজবাদী দলৰো অংশীদাৰিত্ব আছিল। ইয়াৰ ফলস্বৰূপেই ১৯৭৮ চনত দ্বিতীয়খন পিছপৰা শ্ৰেণীৰ আয়োগ গঠন হৈছিল। পিছপৰা শ্ৰেণীৰ নেতা বিহাৰৰ বি.পি. মণ্ডলৰ অধ্যক্ষতাত গঠন হোৱা এই আয়োগকে মণ্ডল আয়োগ বুলি জনা যায়। এই আয়োগে ৩৭৪৩ টা জাতিক অৰ্থাৎ মুঠ জনসংখ্যাৰ ৫২ শতাংশ লোকক পিছপৰা শ্ৰেণী হিচাপে চিহ্নিত কৰিছিল। অসামৰিক সেৱাত মাত্ৰ ১২.৫ শতাংশ পিছপৰা শ্ৰেণীৰ লোকৰ অন্তৰ্ভুক্তিৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰি এই আয়োগে অসামৰিক সেৱাত ২৭ শতাংশ আসন সংৰক্ষণৰ পৰামৰ্শ আগবঢ়াইছিল।

মণ্ডল আয়োগৰ মূল পৰামৰ্শবোৰ আছিল -

(১) চৰকাৰী চাকৰি আৰু শৈক্ষিক অনুষ্ঠানত ২৭ শতাংশ পদ অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে আসন সংৰক্ষণ।

(২) অনুসুচিত জাতি আৰু জনজাতিৰ দৰে পিছপৰা শ্ৰেণীৰ লোকৰ কল্যাণৰ বাবেও চৰকাৰৰ দ্বাৰা পুঁজিৰ আৱণ্টন।

(৩) প্ৰয়োজনীয় ভূমি সংস্কাৰ।

(৪) বৃত্তিমুখী শিক্ষাৰ অন্তৰ্ভূক্তিসহ বিশেষ শৈক্ষিক আঁচনিৰ আৰম্ভণি।

মণ্ডল আয়োগে প্ৰতিবেদন দাখিল কৰাৰ সময়ত জনতা চৰকাৰৰ পতন ঘটিছিল। ইয়াৰ পিছত ১৯৯০ চনত ভি.পি. চৰকাৰৰ সময়ত ইয়াক কাৰ্যকৰী কৰা হৈছিল যদিও ইয়াক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বিশেষকৈ উত্তৰ ভাৰতত ইয়াৰ তীব্ৰ বিৰোধিতা হৈছিল। প্ৰতিবাদে আনকি হিংসাত্মক ৰূপো ধাৰণ কৰিছিল। ১৯৯২ চনত উচ্চতম ন্যায়ালয়ে এই সম্পৰ্কীয় গোচৰৰ ৰায়দান কৰি ইয়াত সাময়িকভাৱে স্থগিতাদেশ জাৰি কৰিছিল। ইয়াৰ পিছত কিন্তু এই পৰামৰ্শক কেন্দ্ৰীয় চৰকাৰে কাৰ্যকৰী কৰি চৰকাৰী চাকৰি আৰু শিক্ষানুষ্ঠানত ২৭ শতাংশ পদ সংৰক্ষণ কৰিছিল। উল্লেখযোগ্য কথাটো হ'ল, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্বেও কিছুমান ৰাজ্যই পিছপৰা

শ্ৰেণীৰ লোকৰ বাবে সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। এইক্ষেত্ৰত উল্লেখযোগ্য হ'ল কৰ্ণাটক ৰাজ্য। মণ্ডল আয়োগৰ প্ৰতিবেদন আৰু পৰামৰ্শৰ প্ৰতি বিশেষকৈ ২৭ শতাংশ আসন সংৰক্ষণৰ প্ৰতি আটাইতকৈ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল উচ্চ জাতিৰ লোকসকলে। নিজৰ সুযোগ হেৰোৱাৰ শংকাত তেওঁলোকে তীব্ৰ আন্দোলন গঢ়ি তুলিছিল। এই প্ৰত্যাহ্বানে কিন্তু পিছপৰা শ্ৰেণীসকলক অধিক সচেতনহে কৰি তুলিছিল আৰু বহুপৰিমাণে তেওঁলোক সংগঠিত হৈছিল। তেওঁলোকৰ এই সচেতনতাই তেওঁলোকক ৰাজনৈতিক প্ৰতিনিধিত্বৰ ফালে অধিক আগুৱাই নিছিল। জনতা দলে ইতিমধ্যেই পিছপৰা শ্ৰেণীৰ লোকক ৰাজনৈতিক প্ৰতিনিধিত্বৰ সুযোগ দিছিল। লাহে লাহে আন আন দল যেনে কংগ্ৰেছ আৰু বিজেপিয়েও অন্যান্য পিছপৰা শ্ৰেণীৰ লোকক নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ সুযোগ দিবলৈ আৰম্ভ কৰিছিল। অন্য অৰ্থত ৰাজনৈতিক ক্ষেত্ৰত পিছপৰা শ্ৰেণীৰ উত্থান হ'বলৈ আৰম্ভ কৰিছিল। উত্তৰ ভাৰতৰ ৰাজনীতিত পিছপৰা শ্ৰেণীৰ প্ৰতিনিধিত্বৰ হাৰ বৃদ্ধি হোৱাৰ বিপৰীতে উচ্চ জাতিৰ লোকৰ প্ৰতিনিধিৰ হাৰ কমিবলৈ লৈছিল। বিখ্যাত ৰাজনৈতিক লিখক আৰু বিশ্লেষক খ্ৰিষ্টোফা জেফ্ৰোলেটে এই উত্থানক নিৰৱ বিপ্লৱ বা Silent Revolution আখ্যা দিছিল। জনতা দলৰ প্ৰচেষ্টাৰ সমাৰ্থক হিচাপে ১৯৯২ চনত ন্যায়ালয়ে ঘোষণা কৰিছিল যে ভাৰতীয় সমাজত জাতি সাধাৰণতে এক সামাজিক শ্ৰেণী (A caste can be and quite often is a social class in India)। ইয়াৰ পিছত উচ্চতম ন্যায়ালয়ে জাতিৰ ভিত্তিৰ বাহিৰত ১৯৯১ চনৰ ভি.পি. সিংৰ কংগ্ৰেছ চৰকাৰে অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ লোকৰ বাবে চৰকাৰি চাকৰিৰ ক্ষেত্ৰত ১০ শতাংশ আসন সংৰক্ষণ কৰিব খোজা সিদ্ধান্তক বাধা প্ৰদান কৰি মত প্ৰকাশ কৰিছিল যে কেৱল অৰ্থনৈতিক অনগ্ৰসৰতাই সংৰক্ষণৰ বাবে যোগাত্মক ব্যৱস্থাৰ ভিত্তি হ'ব নোৱাৰে।

মণ্ডল আয়োগে যদিও অৰ্থনৈতিক, সামাজিক দিশৰ ওপৰত গুৰুত্ব দিছিল তথাপিও ইয়াৰ মূল ত্যাৎপৰ্যমূলক দিশ আছিল পিছপৰা শ্ৰেণীৰ ৰাজনৈতিক উত্থান। ফলস্বৰূপে, ১৯৯০ চনৰ পিছৰ পৰা ভাৰতীয় ৰাজনীতিত তেওঁলোকে বিশেষ ভূমিকা পালন কৰিবলৈ আৰম্ভ কৰিছিল। গতিকে ক'ব পাৰি যে তেওঁলোকৰ প্ৰতি গ্ৰহণ কৰা যোগাত্মক ব্যৱস্থাই তেওঁলোকৰ আৰ্থ সামাজিক দিশৰ বিশেষ উন্নতি ঘটাব নোৱাৰিলেও ৰাজনৈতিক অংশগ্ৰহণ আৰু সচেতনতা বৃদ্ধি কৰিছিল।

## যোগাত্মক ব্যৱস্থাৰ মূল্যায়ণ
## (Evaluation of the Affirmative Actions) :

সামাজিক ন্যায় প্ৰতিষ্ঠাৰ লক্ষ্য আগত ৰাখিয়েই স্বাধীন ভাৰতৰ সংবিধানে কিছুমান বিশেষ শ্ৰেণীৰ লোকৰ বাবে যোগাত্মক ব্যৱস্থা গ্ৰহণ কৰিছিল। যোগাত্মক ব্যৱস্থা তত্বগত আৰু প্ৰায়োগিক এই দুয়োটা দিশৰ পৰাই যথেষ্ট সমালোচিত। তত্বগত সমালোচনা সমূহ সকলো সমাজৰ ক্ষেত্ৰতে প্ৰযোজ্য যদিও প্ৰায়োগিক দিশটো ইয়াক ভাৰতীয় প্ৰেক্ষাপটতহে আলোচনা কৰা হ'ব। যোগাত্মক ব্যৱস্থাৰ তত্বগত দিশৰ প্ৰতি সঘনাই উত্থাপিত সমালোচনাবোৰ হ'ল - সমালোচকসকলৰ মতে, যোগাত্মক ব্যৱস্থা এক বিপৰীত মুখী বৈষম্য (Reverse Discrimination)। এইবোৰ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত বৈষম্য যিবোৰ পুনৰ আগৰ পৰাই বৈষম্যৰ বলি হোৱা লোকৰ প্ৰতি কৰা হয়। এই সমালোচনাক যোগাত্মক ব্যৱস্থাৰ সমৰ্থনকাৰী সকলে ন্যায়ৰ পদ্ধতিগত ব্যাখ্যা বুলিহে মত পোষণ কৰে আৰু কয় যে সাৰাংশমূলক ন্যায় প্ৰদানৰ বাবে ৰাষ্ট্ৰই এনে ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। বিভিন্ন সমালোচকৰ মতে এই ব্যৱস্থাই যোগ্যতা বা মেধাক অস্বীকাৰ কৰে। কিন্তু, এই সমালোচনা কিমানদূৰ

গ্ৰহণযোগ্য সেয়া বিচাৰ্য বিষয়। সাধাৰণতে মেধাৰ অৰ্থ বা মাপকাঠি সমাজে নিৰ্দ্ধাৰণ কৰে। গতিকে মেধা কি, ইয়াৰ পৰিমাপক কি, ইয়াৰ গুৰুত্ব কিমানখিনি হোৱা উচিত বা ইয়াৰ পৰিমাপক সকলো সমাজতে একে নে ইত্যাদি বিচাৰ্য বিষয়। যিহেতু এইবোৰ সমাজৰ দ্বাৰা নিৰ্দ্ধাৰিত সেয়েহে সমাজ অনুসৰি ইয়াৰ অৰ্থও পৃথক। আকৌ এই কথা সকলোৰে জ্ঞাত যে সমাজ এখনৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া সদায় প্ৰভাৱশালী লোকৰ দ্বাৰাহে নিৰ্দ্ধাৰণ হয়। গতিকে মেধা, যোগ্যতা ইত্যাদিও তেওঁলোকেই নিজৰ মতে নিৰ্দ্ধাৰণ কৰে য'ত পিছপৰা লোকৰ কথা গণ্য কৰা নহয়। গতিকে একেযাৰে যোগাত্মক ব্যৱস্থাই মেধাক অস্বীকাৰ কৰে বুলি কোৱা উচিত নহয়। অৱশ্যে ইয়াৰ অৰ্থ এইটোও নহয় যে মেধা বা যোগ্যতাৰ কোনো গুৰুত্ব নাই। এইক্ষেত্ৰত মেধা নিৰ্দ্ধাৰণৰ পদ্ধতিও গণতান্ত্ৰিক হোৱা প্ৰয়োজন।

বিভিন্ন সমালোচকে আকৌ যোগাত্মক ব্যৱস্থাৰ সামাজিক মূল্যৰ প্ৰেক্ষাপটত ইয়াক সমালোচনা কৰে। এই সমালোচকসকলৰ মতে এনেকুৱা ব্যৱস্থাবোৰ সদায় মূল পথৰ প্ৰতিহে ধাৱমান আৰু ই প্ৰতিষ্ঠিত সামাজিক বৈষম্যক বৃদ্ধিহে কৰে কাৰণ বেছিভাগ সময়তে দেখা যায় যে এনে ব্যৱস্থাৰ সুফলবোৰ সমাজৰ বা পিছপৰা শ্ৰেণী বোৰৰ অন্তৰ্গত কিছুমান নিৰ্দিষ্ট ব্যক্তিয়েহে লাভ কৰে, সকলোৱে নহয়। আকৌ, ইয়াৰ আন এক সামাজিক মূল্যও আছে। সাধাৰণতে যোগাত্মক ব্যৱস্থাবোৰ সাময়িক। অৰ্থাৎ, এক নিৰ্দিষ্ট সময়ৰ বাবেহে এইবোৰ গ্ৰহণ কৰা হয়। কিন্তু বেছিভাগ সময়ত দেখা যায় যে এইবোৰ ৰাজনৈতিক কাৰণত বিলোপ কৰা নহয়। বৰঞ্চ, এইবোৰৰ কাৰ্যকাল আৰু পৰিসীমা ক্ৰমান্বয়ে বৃদ্ধিহে হয়। ইয়াৰ ফলত সমাজৰ আন আন শ্ৰেণীৰ লোকৰ মাজত অসন্তুষ্টিয়ে দেখা দিয়ে। কেতিয়াবা ই সংঘাতলৈ ৰূপান্তৰিত হয় আৰু ৰাজনৈতিক ব্যৱস্থালৈ অস্থিৰতা কঢ়িয়াই আনে।

যোগাত্মক ব্যৱস্থাৰ প্ৰতি উঠা আন এক তাৎপৰ্যপূৰ্ণ সমালোচনা হ'ল এই যে ই পিছপৰা শ্ৰেণীসমূহক সম প্ৰকৃতিৰ (Homogeneous) বুলি ধৰি লয়। কিন্তু বাস্তৱত সেয়া নহয়। উদাহৰণস্বৰূপে ভাৰতৰ অনুসূচিত জাতি জনজাতি আৰু পিছপৰা শ্ৰেণীৰ সকলো লোকেই সমান নহয়। অৰ্থনৈতিক, শৈক্ষিক ইত্যাদি বিভিন্ন দিশত তেওঁলোকৰ মাজত পাৰ্থক্য আছে। গতিকে বিশেষ ব্যৱস্থা বা সুবিধা প্ৰদানৰ ক্ষেত্ৰত এই পাৰ্থক্য চিনাক্ত কৰাটো অত্যন্ত প্ৰয়োজনীয়।

## ভাৰতত যোগাত্মক ব্যৱস্থাৰ প্ৰণয়ণ আৰু ইয়াৰ ফলাফল
## (Implenentation of Affirmative Action Measures in India and its Impact)

যোগাত্মক ব্যৱস্থা গ্ৰহণৰ দিশত ভাৰতীয় সংবিধান অতি উদাৰ। অৰ্থাৎ, ভাৰতত বিভিন্ন ধৰণৰ যোগাত্মক ব্যৱস্থা গ্ৰহণৰ উপায় সংবিধানে প্ৰদান কৰিছে। ভাৰতীয় সমাজৰ বিচিত্ৰতা ইয়াৰ এক অন্যতম কাৰণ বুলি ক'ব পাৰি। মূলতঃ সামাজিক ন্যায় প্ৰতিষ্ঠাকে মূল উদ্দেশ্য হিচাপে লৈ ভাৰতীয় সংবিধানে যোগাত্মক ব্যৱস্থা গ্ৰহণ কৰিছিল। ভাৰতীয় সংবিধানৰ ১৫ (৪) , ১৬ (৪), ৪৬, ৩৩০, ৩৩২ নং অনুচ্ছেদ ইত্যাদিত যোগাত্মক ব্যৱস্থা সমূহৰ বিষয়ে উল্লেখ আছে। এই বিষয়ে ইতিমধ্যে বিশদভাৱে আলোচনা কৰা হৈছে। এতিয়া অহা যাওঁক ইয়াৰ প্ৰয়োগিক দিশৰ প্ৰতি। প্ৰতি বছৰে প্ৰকাশ হোৱা লিঙ্গ অ -সম সূচকে প্ৰমাণ কৰে লিঙ্গ সমতাৰ দিশত ভাৰতৰ পুতৌজনক প্ৰদৰ্শনক। দক্ষিণ এছিয়াৰ অন্যতম ৰাষ্ট্ৰ শ্ৰীলংকাৰ স্থান এই দিশত ভাৰততকৈ যথেষ্ট ওপৰত। পাকিস্তান, বাংলাদেশতকৈ ভাৰত এটা বা দুটা স্থানতহে ওপৰত আছে। আন ৰাজনৈতিক অৰ্থনৈতিক দিশবোৰ বাদ দিলেও দেখা যায় যে জীৱনৰ অধিকাৰ লাভতেই মহিলাসকল সমতা লাভ কৰিবলৈ বহু বাকী। ২০১১ চনৰ

লোকপিয়ল অনুসৰি প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে ৯৪০ গৰাকীহে মহিলা। ২০০১ চনৰ লোকপিয়লত এই সংখ্যা আছিল প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে ৯৩৩ গৰাকী মহিলা। স্বাক্ষৰতাৰ হাৰৰ মাজৰ পাৰ্থক্যও লক্ষণীয়। ২০০১ চনৰ লোকপিয়ল অনুসৰি পুৰুষৰ ৭৫.৮৫ শতাংশ স্বাক্ষৰতাৰ হাৰৰ বিপৰীতে মহিলাৰ স্বাক্ষৰতাৰ হাৰ আছিল ৫৪.১৬ শতাংশ। ২০১১ চনত এই সংখ্যা হ'লগৈ পুৰুষৰ ৮০.৯ শতাংশ ৰ বিপৰীতে মহিলাৰ ৬৪.৬০ শতাংশ। উচ্চশিক্ষা আৰু কাৰিকৰী শিক্ষা মাজতো মহিলাৰ অন্তৰ্ভূক্তি যথেষ্ট কম। একেই শোচনীয় অৱস্থা ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰতো। সংসদত মহিলাৰ প্ৰতিনিধিত্ব এতিয়াও ১০ শতাংশ ৰ আশে পাশেই আছে।

ঠিক একেদৰে চৰকাৰী আঁচনিসমূহৰ বেছিভাগতেই সফলতা মহিলাসকলে লাভ কৰিব পৰা নাই।

মহিলাসকলৰ দৰেই পিছপৰা শ্ৰেণী আৰু অনুসূচীত জাতি জনজাতিৰ লোকসকলো সাংবিধানিক ব্যৱস্থাৰ দ্বাৰা লাভান্বিত হৈছে বুলি ক'ব নোৱাৰি। ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আঁচনিসমূহেও এই লোকসকলক বিশেষ সুবিধা প্ৰদান কৰিব পৰা নাই। এই লোকসকলৰ মাজৰ কিছু সংখ্যক লোকেহে শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি দিশত সুবিধা লাভ কৰিছে। সেয়েহে শেহতীয়াকৈ এনে সংৰক্ষণৰ যথেষ্ট বিৰোধিতা হোৱা দেখা গৈছিল। অৱশ্যে এনে প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে সাধাৰণ শ্ৰেণীৰ অৰ্থনৈতিকভাৱে পিছপৰা লোকসকলৰ বাবে ১০ শতাংশ আসন (শিক্ষা আৰু নিয়োগৰ ক্ষেত্ৰত) সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

*<u>অধ্যায় সপ্তম</u>*

# ভাৰত ৰাষ্ট্ৰৰ পৰিৱৰ্তনশীল প্ৰকৃতিঃ বিকাশাত্মক, কল্যাণকামী আৰু দমনমূলক দিশ

**(The Changing Nature of Indian State: Developmental, Welfare and Coercive Dimensions)**

## বিকাশাত্মক ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষ (India as a Developmental State)

বিকাশাত্মক ৰাষ্ট্ৰ হ'ল দ্বিতীয় বিশ্বযুদ্ধৰ পিছত জাপান আৰু পূৱ এছিয়াৰ দেশসমূহত ক্ষীপ্ৰ উদ্যোগীকৰণৰ জৰিয়তে বিকাশ লাভ কৰিবলৈ উদ্যোগ গ্ৰহণ কৰা এক ৰাষ্ট্ৰ ব্যৱস্থা। এই দেশসমূহৰ প্ৰেক্ষাপটতেই বিকাশাত্মক ৰাষ্ট্ৰৰ ধাৰণা জনপ্ৰিয় হৈছিল। বিকাশাত্মক ৰাষ্ট্ৰৰ ধাৰণাটো প্ৰথমে ব্যৱহাৰ কৰিছিল চালমাৰ্চ জনচন (Chalmers Johnson) এ ১৯৮২ চনত। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত অৰ্থনৈতিক বিকাশ তৰান্বিত কৰা জাপানৰ বিষয়ে অধ্যয়ণ কৰি তেওঁ এই ধাৰণা আগবঢ়াইছিল। জনচন ৰ ধাৰণাক আগুৱাই নিছিল পিটাৰ ইভান্স (Peter Evans) এ তেওঁৰ কোৰিয়া, ব্ৰাজিল আৰু ভাৰতৰ অৰ্থনীতিৰ বিকাশ সম্পৰ্কীয় অধ্যয়নৰ দ্বাৰা।

বিকাশাত্মক ৰাষ্ট্ৰ হ'ল বজাৰ অৰ্থনীতি ভিত্তিক ৰাষ্ট্ৰ (Market based state) আৰু সমাজবাদী ৰাষ্ট্ৰ (Socialist state) ৰ এক মধ্যম পন্থা। অৰ্থাৎ ই সম্পূৰ্ণৰূপে সমাজবাদী ৰাষ্ট্ৰ অৰ্থাৎ সকলো অৰ্থনৈতিক দিশ ৰাষ্ট্ৰৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱাৰো পোষকতা নকৰে আৰু পুজিবাদী তথা উদাৰতাবাদী ৰাষ্ট্ৰ সমূহৰ দৰে ৰাষ্ট্ৰৰ সলনি বজাৰৰ দ্বাৰা পৰিচালিত অৰ্থনীতিৰো পোষকতা নকৰে। বিকাশাত্মক ৰাষ্ট্ৰ হ'ল এক তৃতীয় পন্থা (Third way)। যি ৰাষ্ট্ৰই অৰ্থনৈতিক কাম-কাজত হস্তক্ষেপ কৰে, অৰ্থনৈতিক কাম কাজত অংশগ্ৰহণ কৰে আৰু পৰিকল্পনাৰ দৰে ব্যৱস্থাৰ দ্বাৰা ৰাষ্ট্ৰীয় অৰ্থনীতিত দিশ নিৰ্ণায়কৰ ভূমিকা পালন কৰে সেই ৰাষ্ট্ৰই দৰাচলতে বিকাশাত্মাক ৰাষ্ট্ৰ। বিকাশাত্মক ৰাষ্ট্ৰৰ মূল নিৰ্দ্ধাৰক (Determinats) তিনিটা- ৰাষ্ট্ৰৰ বা ৰাষ্ট্ৰীয় স্বতন্ত্ৰতা (State Autonomy) ৰাষ্ট্ৰীয়/ৰাষ্ট্ৰৰ সক্ষমতা (State capacity) আৰু বিকাশৰ কৌশল (Developmental Strategy)। ৰাষ্ট্ৰীয় স্বতন্ত্ৰতাৰ দ্বাৰা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ৰাষ্ট্ৰই লাভ কৰা বাহ্যিক আৰু আভ্যন্তৰীন স্বতন্ত্ৰতাক বুজোৱা হয়। ৰাষ্ট্ৰৰ সমৰ্থতাৰ দ্বাৰা নীতি আৰু কাৰ্যক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰই লাভ কৰা ক্ষমতা বা অক্ষমতাক বুজায় আৰু বিকাশৰ কৌশলে ৰাষ্ট্ৰই বিকাশ লাভৰ বাবে গ্ৰহণ কৰা পন্থা বা কাৰ্য কৌশলক বুজায়। অৰ্থাৎ বিকাশাত্মক ৰাষ্ট্ৰই তেতিয়াহে প্ৰকৃত অৰ্থত সফলতা লাভ কৰিব পাৰে যেতিয়া ৰাষ্ট্ৰখনে প্ৰয়োজনীয় বাহ্যিক আৰু আভ্যন্তৰীন স্বতন্ত্ৰতা লাভ কৰে, কাৰ্য পৰিকল্পনা অনুসৰি সম্পাদন কৰিবলৈ ৰাষ্ট্ৰৰ গাঠনিগত আৰু আন আন সক্ষমতা থাকে আৰু বিকাশৰ বাবে গ্ৰহণ কৰা বা কৰিবলগা কৌশল আৰু কাৰ্য পন্থা সম্পৰ্কে স্পষ্টতা থাকে। বিকাশাত্মক ৰাষ্ট্ৰৰ ধাৰণাৰ বিশ্লেষণৰ পৰা কিছুমান বৈশিষ্ট নিশ্চয়কৈ পৰিলক্ষিত হয়। যেনে ই হ'ল হস্তক্ষেপ কাৰী ৰাষ্ট্ৰ অৰ্থাৎ Interventionist state যিয়ে ৰাষ্ট্ৰৰ অৰ্থনীতিৰ বেছিভাগ দিশতেই হস্তক্ষেপ কৰে। বিকাশাত্মক ৰাষ্ট্ৰই কেৱল ৰাজহুৱা স্বত্ব ( Public Ownership) স্থাপনত বিশ্বাস নকৰে, ই আমদানি নিয়ন্ত্ৰণ, ৰপ্তানি বৃদ্ধি, ঘৰুৱা উদ্যোগৰ বিকাশৰ ওপৰতো গুৰুত্ব দিয়ে। এই ৰাষ্ট্ৰত, অৰ্থনীতিত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ প্ৰকৃতি আৰু পৰিসৰ পৰিৱৰ্তনশীল। বিকাশাত্মক ৰাষ্ট্ৰৰ সফলতাৰ বাবে এক দক্ষ নিৰপেক্ষ আৰু কাৰ্যক্ষম আমোলাৰ অতি প্ৰয়োজন। তেতিয়াহে ৰাষ্ট্ৰৰ উদ্যোগত গ্ৰহণ কৰা বিকাশৰ নীতি আৰু আচনিসমূহৰ কাৰ্যকৰী কৰা সম্ভৱ হয়।

১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰা ভাৰতবৰ্ষই স্বাধীনতাৰ পিছতেই আটাইতকৈ বেছি গুৰুত্ব দিব লগা বিষয়টো আছিল অৰ্থনৈতিক উন্নয়ন। সম্পদৰ শোষণৰ অৰ্থে ভাৰতৰ দৰে সম্পদশালী ৰাষ্ট্ৰ এখনক প্ৰায় দুশবছৰ উপনিবেশ হিচাপে ৰাখি ইংৰাজে ভাৰতৰ অৰ্থনীতিৰ মেৰুদণ্ড সম্পূৰ্ণ ধ্বংস কৰিছিল বুলি কলেও অত্যুক্তি কৰা নহয়। এই দুশবছৰত ভাৰতীয় সম্পদেৰে চহকী হৈছিল ঔপোনিবেশিক শাসকৰ দেশ। সেয়েহে ঔপোনিবেশিক শাসনৰ পৰা মুক্তি লাভ কৰাৰ লগে লগে ভাৰতবৰ্ষই আটাইতকৈ বেছি গুৰুত্ব দিব লগা হৈছিল অৰ্থনৈতিক দিশৰ উন্নতি সাধনত। ভাৰতীয় জনসাধাৰণৰ বেছি ভাগেৰেই সেইখিনি সময়ত নুন্যতম প্ৰয়োজন পূৰন কৰাৰো সামৰ্থ নাছিল। দৰিদ্ৰতা, নিৰক্ষৰতা, নিবনুৱা

ইত্যাদি সমস্যাই ভাৰতীয় সমাজখনকো পংগু কৰি পেলাইছিল। ইংৰাজ শাসকসকলে সম্পদেই যে শোষন কৰি অৰ্থনীতিৰ মেৰুদণ্ড ভংগ কৰিছিল তেনেকুৱা নহয়, ভাৰতীয় উদ্যোগ কল কাৰখানা ইত্যাদিও ধ্বংস কৰি থৈ গৈছিল। ফলস্বৰূপে স্বাধীনতাৰ সময়ত ভাৰতীয় অৰ্থনীতি স্থবিৰ অৱস্থাত আছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত ৰাষ্ট্ৰই ৰাষ্ট্ৰ নিৰ্মানৰ লগতে অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ কৰ্মতো সক্ৰিয় অংশগ্ৰহণ কৰাটো প্ৰয়োজনীয় হৈ পৰিছিল। ফলস্বৰূপেই ভাৰতবৰ্ষই বিকাশাত্মক ৰাষ্ট্ৰৰ পথ গ্ৰহণ কৰিব লগা হৈছিল আৰু অৰ্থনীতিত দিশ নিৰ্ণায়কৰ ভূমিকা পালন কৰিবলৈ সাজু হৈছিল।ছোভিয়েত দেশৰ দ্বাৰা অনুপ্ৰাণিত ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৱে পৰিকল্পিত অৰ্থনীতিৰ ওপৰত গুৰুত্ব দিছিল বাবেই ১৯৫০ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখে ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাৰ বাবে প্ৰয়োজনীয় নীতি নিৰ্দ্ধাৰণ কৰিবলৈ পৰিকল্পনা আয়োগ প্ৰতিষ্ঠা কৰিছিল। এক স্বতন্ত্ৰ অনুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰা পৰিকল্পনা আয়োগৰ মুখ্য দায়িত্ব আছিল সমগ্ৰ দেশৰ অৰ্থনৈতিক পৰিকল্পনাৰ ৰূপৰেখা নিৰ্দ্ধাৰণ কৰা আৰু অৰ্থনৈতিক বিকাশ সম্পৰ্কত চৰকাৰক প্ৰয়োজনীয় নীতি-নিৰ্দেশনা প্ৰদান কৰা। ছোভিয়েট আৰ্হিৰ দ্বাৰা অনুপ্ৰাণিত হ'লেও নেহেৰুৱে সম্পূৰ্ণ ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত অৰ্থনীতিৰ সলনি মিশ্ৰ অৰ্থনীতিৰহে পোষকতা কৰিছিল আৰু চৰকাৰী স্বত্বৰ লগতে বেচৰকাৰী স্বত্তকো গুৰুত্ব দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল। মিশ্ৰ অৰ্থনীতি গ্ৰহণৰ অন্যতম কাৰণ আছিল সেই সময়ৰ ভাৰতৰ পুজিপতি সকলকো ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ অংশীদাৰ কৰি লোৱা। এই সময়ছোৱাত মুষ্টিমেয় কিছুমান ভাৰতীয় উদ্যোগপতিয়ে ভাৰতৰ অৰ্থনীতিৰ অন্যতম দিশ উদ্যোগীকৰণৰ ভেটিতোক জীয়াই ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য টাটা, বিৰল আদিৰ দৰে উদ্যোগপতিৰ ভূমিকা আৰু গুৰুত্বপূৰ্ণ কাৰ্য কৌশল। সেয়েহে এই দিশবোৰ ৰাষ্ট্ৰই নিজৰ অধীনলৈ অনাৰ সলনি এইবোৰক বিকাশৰ বাবে প্ৰয়োজনীয় সমৰ্থন প্ৰদানৰ পোষকতাহে কৰিছিল। মিশ্ৰ অৰ্থনীতিয়েহে এই ব্যৱস্থাক সমৰ্থন কৰে। সেয়েহে ভাৰতবৰ্ষই ছোভিয়েটৰ সম্পূৰ্ণ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰনাধীন ব্যৱস্থাৰ সলনি মিশ্ৰ অৰ্থনীতিৰ পোষকতা কৰিছিল।

পৰিকল্পনা আয়োগ আৰু নেহেৰুৰ নেতৃত্বতেই স্বাধীন ভাৰতবৰ্ষত অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। নেহেৰুৰ মূল উদ্দেশ্য আছিল ক্ষীপ্ৰ উদ্যোগী কৰণ, ৰাজহুৱা উদ্যোগ স্থাপনৰ দ্বাৰা অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰণ, উদ্যোগৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনি তৈয়াৰ,খাদ্য শস্যত আত্মনিৰ্ভৰশীলতা অৰ্জন, দৰিদ্ৰতা নিবাৰণ ইত্যাদি। এইখিনি সময়ত ভাৰতবৰ্ষই স্বনিৰ্ভৰশীলতা অৰ্জনৰ বাবে আমদানি হ্ৰাসকৰণৰ দৰে ব্যৱস্থাৰ ওপৰতো গুৰুত্ব দিছিল। এই সকলোবোৰ কাৰ্য্য ভাৰতৰ দৰে এখন ৰাষ্ট্ৰৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানজনক আছিল। কিন্তু এই প্ৰত্যাহ্বান ৰাষ্ট্ৰৰ নেতৃত্বত আৰু পৰিকল্পনা আয়োগ আৰু নেহেৰুৰ পৰিচালনা গ্ৰহণ কৰা হৈছিল। ১৯৫১ চনৰ পৰা ভাৰতৰ প্ৰথম পাচ বছৰীয়া পৰিকল্পনা আৰম্ভ হৈছিল। এই গোটেই কাৰ্য্য কিন্তু কোনো সমস্যা নোহোৱাকৈ বা বিতৰ্ক নোহোৱাকৈ আৰম্ভ হোৱা নাছিল। অৰ্থনৈতিক নীতি নিৰ্দ্ধাৰণত মিশ্ৰ অৰ্থনীতি গ্ৰহণত বা পৰিকল্পনাৰ মুখ্য লক্ষ্য নিৰ্দ্ধাৰণ ইত্যাদি সকলো ক্ষেত্ৰতে যথেষ্ট বিতৰ্ক হৈছিল। বিশেষকৈ চৰকাৰী অৰ্থাৎ ৰাজহুৱা খণ্ড নে ব্যক্তিগত খণ্ডৰ ওপৰত প্ৰাধান্য, উদ্যোগ নে কৃষি খণ্ডৰ ওপৰত অধিক গুৰুত্ব ইত্যাদি বিষয়ক লৈ যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈছিল। এই সকলো বিতৰ্কৰ কিছু পৰিমানে হ'লেও অৱসান ঘটাই ভাৰতবৰ্ষই প্ৰথম পৰিকল্পনাত কৃষিৰ বিকাশৰ ওপৰত আৰু দ্বিতীয় পৰিকল্পনাত উদ্যোগৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আকৌ, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড সম্পৰ্কীয় বিতৰ্কৰ অৱসান ঘটাই ভাৰতবৰ্ষই মিশ্ৰ অৰ্থনীতি গ্ৰহণ কৰিছিল। অৰ্থাৎ দেশৰ বিকাশৰ প্ৰক্ৰিয়াত চৰকাৰে ৰাজহুৱা খণ্ডৰ লগতে ব্যক্তিগত খণ্ডৰো অংশগ্ৰহণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। কৃষি, বাণিজ্য, উদ্যোগৰ বহু খণ্ড ব্যক্তিগত খণ্ডৰ হাতত এৰি দিয়াৰ বিপৰীতে অৰ্থনীতি বা বিকাশৰ বুনিয়াদ ৰচনাৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনি নিৰ্মাণ, বৃহৎ উদ্যোগ আদি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত চৰকাৰে নিজাকৈ ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰ লগতে উদ্যোগ ,বাণিজ্য আদিৰ পৰিচালনা, শক্তি খণ্ডৰ নিয়ন্ত্ৰণ, যাতায়ত ইত্যাদি ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল।

এইবোৰৰ লগতে সংযুক্ত হোৱা আন এক বিতৰ্ক আছিল পৰিকল্পনাৰ কেন্দ্ৰীভূত বৈশিষ্টক লৈ হোৱা সমালোচনা। বিভিন্ন বিশ্লেষকৰ মতে ভাৰতত গ্ৰহণ কৰা কেন্দ্ৰীভূত পৰিকল্পনা গনতন্ত্ৰৰ নীতি আৰু বিকেন্দ্ৰীকৰণৰ বিৰোধী। প্ৰখ্যাত ভাৰতীয় ৰাজনৈতিক বিশ্লেষক ৰজনী কোঠাৰীৰ উল্লেখ এই ক্ষেত্ৰত প্ৰয়োজনীয়। ৰজনী কোঠাৰীয়ে প্ৰথম অৱস্থাত ভাৰত ৰাষ্ট্ৰৰ এই সক্ৰিয় ভূমিকা,পৰিকল্পনা ব্যৱস্থা ইত্যাদিক যথেষ্ট প্ৰশংসা কৰিছিল আৰু এই সম্পৰ্কে যথেষ্ট আশাবাদী আছিল। তেওঁৰ বিখ্যাত গ্ৰন্থ Polities in India ত তেওঁ এই আশা ব্যক্ত কৰিছিল। কিন্তু পিছলৈ তেওঁ এই কেন্দ্ৰীকৃত ব্যৱস্থাৰ প্ৰতি যথেষ্ট সমালোচনাত্মক হৈ উঠিছিল।

ইতিমধ্যেই উল্লেখ কৰা হৈছে যে প্ৰথম পৰিকল্পনাত কৃষিখণ্ডক মূল গুৰুত্ব প্ৰদান কৰা হৈছিল। এই সময়ছোৱাত খাদ্য শস্যত স্ব-নিৰ্ভৰশীলতা অৰ্জনৰ বাবে কৃষিৰ উন্নতিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। এই সময়ত গ্ৰহণ কৰা বিভিন্ন আচনিয়ে প্ৰথম পৰিকল্পনাৰ লক্ষ্য আহৰণত সহায় কৰিছিল। ফলস্বৰূপে পৰিকল্পনাত নিৰ্দ্ধাৰিত লক্ষ্য কৃষি খণ্ডই অতিক্ৰম কৰি ভাৰতীয় অৰ্থনীতিলৈ আশাৰ ৰেঙনি কঢ়িয়াই আনিছিল। ইয়াৰ পিছত দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাইহে নেহেৰুৰ আশা পূৰণ কৰিছিল। পি.চি. মোহালনবিচৰ পৰামৰ্শত গ্ৰহণ কৰা দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূল লক্ষ্য আছিল উদ্যোগখণ্ডৰ বিকাশ। নেহেৰুৰ সপোন আছিল বিশ্ব অৰ্থনীতিত ভাৰতবৰ্ষৰ বাবে এক সুকীয়া স্থান সৃষ্টি কৰা। ইয়াৰ বাবে তেওঁ দ্ৰুত উদ্যোগীকৰণৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে দ্বিতীয় আৰু তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত এই লক্ষ্যই অগ্ৰাধিকাৰ লাভ কৰিছিল। এই সময়ছোৱাত দেশৰ ঘৰুৱা উদ্যোগসমূহক ৰক্ষনাবেক্ষন দিয়াৰ উদ্দেশ্যে উদ্যোগজাত সামগ্ৰী আমদানিৰ ওপৰত অধিক পৰিমানৰ শুল্ক আৰোপ কৰা হৈছিল। এনে উদ্যোগীকৰণ প্ৰক্ৰিয়াত আনকি ঘৰুৱা তথা ব্যক্তিগত উদ্যোগপতিৰ অংশগ্ৰহণৰ ওপৰতো গুৰুত্ব দিয়া হৈছিল। এই সময়ছোৱাত ৰাজহুৱা খণ্ডৰ উদ্যোগ স্থাপনৰ ওপৰতো যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। নেহেৰুৰ নেতৃত্বতেই দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত তিনিটা ষ্টীল উদ্যোগ স্থাপন কৰা হৈছিল। নেহেৰুৱে বিকাশৰ প্ৰক্ৰিয়াত সমতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল আৰু বিকাশ প্ৰক্ৰিয়া সকলো অঞ্চললৈ সমভাৱে সম্প্ৰসাৰিত কৰাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ এই প্ৰচেষ্টা অৱশ্যে বিশেষ সফল নহল। অ-সম অৰ্থনৈতিক উন্নয়ন ভাৰবৰ্ষৰ এক অন্যতম সমস্যা হৈ পৰিছিল।

বিকাশৰ এই ৰাষ্ট্ৰ নিৰ্দেশিত আৰ্হি প্ৰথম অৱস্থাত যথেষ্ট সফল হোৱা দেখা গৈছিল। বিশেষকৈ প্ৰথম তিনিখন পঞ্চবাৰ্ষিক পৰিকল্পনা বহুপৰিমানে নিৰ্দ্ধাৰিত লক্ষ্য আহৰণত সফল হৈছিল। ইয়াৰ ফলস্বৰূপে পূৰ্বৰ তুলনাত ভাৰতীয় অৰ্থনীতি যথেষ্ট সবল হৈছিল। প্ৰথম দশকটোত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন হৈছিলগৈ ৪%। কৃষি খণ্ডতো যথেষ্ট সফলতা দেখা গৈছিল। কৃষিৰ উন্নতিৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছিল কিছুমান বিশেষ ব্যৱস্থা যেনে ভূমি সংস্কাৰ, কৃষি ভূমিৰ সম্প্ৰসাৰণ, জলসিঞ্চনৰ সু-ব্যৱস্থা ইত্যাদি। আনকি ঔদ্যোগিক ক্ষেত্ৰখনতো ভাৰতবৰ্ষই কিছু পৰিমানে আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম হৈছিল। লগতে যাতায়ত আৰু যোগাযোগ, শিক্ষা, স্বাস্থ্য আদি দিশৰ উন্নয়নো সাধিত হৈছিল। চিকিৎসালয়, বিদ্যালয়, মহাবিদ্যালয় আদিৰ সংখ্যা বৃদ্ধি হৈছিল, চহৰাঞ্চলৰ লগতে গ্ৰাম্যাঞ্চললৈ বিদ্যুৎ সংযোগ সম্প্ৰসাৰিত হৈছিল। বিজ্ঞান আৰু প্ৰযুক্তিগত দিশৰ বিকাশৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ ফলস্বৰূপেই Council of Scientific and Industrial Research ৰ উদ্যোগত ৰাষ্ট্ৰীয় গৱেষণাগাৰ স্থাপন কৰা হৈছিল যাতে পদাৰ্থ বিদ্যা, ৰসায়ন বিদ্যা, কৃষি প্ৰযুক্তি আদিৰ উদ্ভাৱনৰ বাবে মৌলিক আৰু প্ৰয়োগিক গৱেষণা সম্পাদন কৰিব পৰা যায়। ১৯৫২ চনত ক্ৰমে খড়গপুৰ, মাদ্ৰাজ, বোম্বে, দিল্লী আৰু কানপুৰত পাঁচখন প্ৰযুক্তি বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল।

ওপৰোক্ত আলোচনাই পৰিকল্পনাৰ এক সফল প্ৰতিচ্ছবি দাঙি ধৰে যদিও এয়া বহুপৰিমানে আংশিক আৰু সাময়িক আছিল। পৰিকল্পনা গ্ৰহণে ভাৰতীয় জনসাধাৰণৰ মাজত যথেষ্ট উৎসাহ উদ্দীপনা যোগাই তুলিছিল। প্ৰথম অৱস্থাত এই উৎসাহে বাস্তৱ ৰূপো কিছু পৰিমাণে লাভ কৰিছিল। কিন্তু এই উৎসাহ ক্ৰমান্বয়ে অসন্তুষ্টি আৰু বিতুষ্টি লৈ ৰূপান্তৰিত হ'বলৈ ধৰিছিল। ৰাষ্ট্ৰই গ্ৰহণ কৰা ভূমি সংস্কাৰ ব্যৱস্থাও বিশেষ সফল নহল। অৱশ্যে এই ক্ষেত্ৰত সাংবিধানিক ব্যৱস্থা অৰ্থাৎ সম্পত্তিৰ অধিকাৰেও বাধাৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে সাধাৰণ কৃষকৰ হাতলৈ যোৱাৰ পৰিৱৰ্তে ভূমি সামন্তস্বামী সকলৰ হাততেই কেন্দ্ৰীভূত হৈ আছিল। ভূমি সংস্কাৰৰ মুল লক্ষ্য পুৰণ কৰাত বিভিন্ন কাৰণত চৰকাৰ শোচনীয় ভাৱে ব্যৰ্থ হৈছিল। পিছলৈ অৱশ্যে ভাৰতীয় সংবিধানৰ প্ৰথম আৰু চতুৰ্থ সংশোধনীৰ জৰিয়তে ৰাজ্যিক বিধানসভাসমূহক অধিক কৰ্তৃত্ব প্ৰদান কৰা হয় আৰু সংবিধানত নৱম অনুসূচী গ্ৰহণৰ জৰিয়তে এই ব্যৱস্থাক তৰান্বিত কৰাৰ চেষ্টা কৰা হয়।

ভাৰতৰ পৰিকল্পনাৰ আন এক গুৰুত্বপূৰ্ণ বিফলতা আছিল ৰাষ্ট্ৰই প্ৰতিষ্ঠা কৰা উদ্যোগৰ এফালে সম বিতৰণ নহ'ল আৰু আনফালে ঔদ্যোগিক আন্তঃগাঠনিয়ে ব্যক্তিগত পুজিপতি সকলকহে বিশেষকৈ সহায় কৰিলে। দৰিদ্ৰতা আশা কৰা ধৰণে হ্ৰাস নহল। বিকাশৰ সুফল যিখিনি পোৱা গৈছিল সেইখিনিও সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সমভাৱে বিতৰণ নহল। আকৌ ৰাজহুৱা খণ্ডতো যথেষ্ট ন্যস্ত স্বাৰ্থই গা কৰি উঠিছিল। বিশেষকৈ প্ৰশাসন খণ্ডত দুৰ্নীতিয়ে গা কৰি উঠিছিল। প্ৰশাসনীয় কাম কাজত 'লাইন্সেস ৰাজ' বা ফাইল ৰাজ'ৰ সৃষ্টি হৈছিল বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছিল। এই ব্যৱস্থা এতিয়াও অব্যাহত আছে বুলি কলেও ভুল কৰা নহয়। ভাৰতৰ প্ৰশাসনিক দিশৰ ই এটা অন্যতম ক্ৰটি।

পৰিকল্পিত অৰ্থনীতিৰ ওপৰোক্ত বিফলতা আছিল যদিও ই সম্পূৰ্ণ বিফল আছিল বুলি কলেও অত্যুক্তি কৰা

হ'ব। স্বাধীনতাৰ পিছত গ্ৰহণ কৰা মিশ্ৰ অৰ্থনীতি, পৰিকল্পিত বিকাশ ব্যৱস্থা আৰু বিকাশাত্মক ৰাষ্ট্ৰ ব্যৱস্থাই ভাৰত ৰাষ্ট্ৰৰ অৰ্থনৈতিক ক্ষেত্ৰত এক সুস্থিৰ আৰু দৃঢ় বুনিয়াদ ৰছনা কৰিছিল। এই বুনিয়াদ আছিল যথেষ্ট সুস্থিৰ আৰু দৃঢ়। বিগত সময়ত ভাৰতীয় অৰ্থনীতি যথেষ্ট সংকটৰ সন্মুখীন হৈছিল যদিও অৰ্থনীতি সম্পূৰ্ণৰূপে ভাগি পৰা নাই বা ভাঙি পৰাৰ উপক্ৰম হোৱা নাই। যাতায়ত যোগাযোগ ব্যৱস্থাৰ উন্নতি, শিক্ষা-স্বাস্থ্যৰ কিছু পৰিমাণে হলেও হোৱা উন্নতিয়ে ভাৰতীয় জনসাধাৰণৰ কিছু অংশৰ হ'লেও জীৱনৰ মানদণ্ড উন্নত কৰিছে।

কৃষি খণ্ডৰ বিকাশ আৰু কিছু পৰিমানৰ হ'লেও ভূমি সংস্কাৰে ভাৰতৰ গ্ৰাম্য অৰ্থনীতিলৈ সকাৰাত্মক পৰিৱৰ্তন অনাত সক্ষম হৈছিল। আগতেই উল্লে খ কৰা হৈছে যে প্ৰথম পৰিকল্পনাতে ভাৰতে কৃষিৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল আৰু নিৰ্দ্ধাৰিত লক্ষ্য আহৰণত সফল হোৱাৰ লগতে খাদ্য শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাও অৰ্জন কৰিব পাৰিছিল। এই সম্পৰ্কত বিখ্যাত ইতিহাসবিদ বিপান চন্দ্ৰই তেওঁৰ গ্ৰন্থ "Indian After Independence" ত লিখিছিল যে স্বাধীন ভাৰতবৰ্ষই গ্ৰহণ কৰা কৃষিৰ বিকাশ সম্পৰ্কীয় বিভিন্ন কাৰ্য যেনে ভূমি সংস্কাৰ, কৃষি গৱেষণা, জলসিঞ্চনৰ ব্যৱস্থা, ইত্যাদিয়ে কৃষি খণ্ডৰ বিকাশৰ ভেটি ৰছনা কৰিছিল। বিভিন্ন বিশ্লেষকৰ মতে ভূমি সংস্কাৰৰ বেছিভাগ উদ্দেশ্যই সফল নহল যদিও জমিদাৰী ব্যৱস্থাৰ বিলোপ সাধন ইয়াৰ উল্লেখযোগ্য সফলতা।

স্বাধীন ভাৰতবৰ্ষৰ বিকাশৰ আৰ্হিৰ আটাইতকৈ উল্লেখযোগ্য সফলতা হ'ল ভাৰতবৰ্ষই বিকাশৰ নামত গণতন্ত্ৰক গণতান্ত্ৰিক প্ৰমুল্যবোধ আৰু জনসাধাৰণৰ অধিকাৰক অস্বীকাৰ কৰা নাছিল। অন্যান্য বিকাশাত্মক ৰাষ্ট্ৰৰ পৰিৱৰ্তে ভাৰত একনায়কত্ববাদী শাসনলৈ ৰূপান্তৰিত হোৱা নাছিল। ইয়াত বিকাশৰ নামত গণতন্ত্ৰ আৰু নাগৰিকৰ অধিকাৰক ত্যাগ কৰা হোৱা নাছিল। বৰঞ্চ ইয়াত অধিকাৰ, গণতান্ত্ৰিক ব্যৱস্থাৰ সুদৃঢ় কৰণৰ ওপৰতহে গুৰুত্ব দিয়া হৈছিল। সেয়েহে সংবিধান প্ৰনেতা সকলে ভাৰতবৰ্ষত এখন কল্যান কামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ অৰ্থে আৰু ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক ন্যায় প্ৰতিষ্ঠাৰ অৰ্থে সংবিধানৰ চতুৰ্থ অধ্যায়ত নিৰ্দেশাত্মক নীতি কিছুমান সন্নিৱিষ্ট কৰিছিল।

### কল্যানকামী ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষ (India as a welfare state)

ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত নিৰ্দেশাত্মক নীতিৰ অন্তৰ্ভূক্তিৰে ভাৰতবৰ্ষত এখন কল্যানকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ লক্ষ্য প্ৰতিষ্ঠা কৰা হৈছিল। দৰাচলতে কল্যানকামী ৰাষ্ট্ৰ এখনৰ দাবী ভাৰতীয় জনসাধাৰনে স্বাধীনতা আন্দোলনৰ সমান্তৰাল ভাৱেই আৰম্ভ কৰিছিল। জনসাধাৰণৰ আৰ্থ সামাজিক সমস্যা সমাধানৰ অৰ্থে বিভিন্ন সময়ত আন্দোলনৰ নেতা সকলে ইংৰাজ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছিল। ১৯৩১ চনৰ কৰাচী অধিবেশনে পূৰ্ণ স্বাধীনতাক অৰ্থনৈতিক স্বতন্ত্ৰতাৰ লগত সংলগ্ন কৰি ভাৰতৰ দৰিদ্ৰতাৰ কবলত পৰা জনসাধাৰণৰ বাবে ৰাজনৈতিক স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰিছিল। অৰ্থাৎ ভাৰতত কল্যানকামী ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ দাবী বহু পূৰ্বৰে পৰা আৰম্ভ হৈছিল। ভাৰতৰ দৰিদ্ৰতাৰ কবলত পৰা জনসাধাৰণৰ মাজত অৰ্থনৈতিক, সামাজিক সমতা প্ৰতিষ্ঠা তথা তেওঁলোকৰ আন আন দিশৰ কল্যানৰ দিশটো সেই সময়ৰ কোনো নেতাই আওঁকান কৰিব পৰা নাছিল। মহাত্মা গান্ধীয়েও তেওঁৰ সৰ্বোদয় ধাৰণাৰ জৰিয়তে কল্যানকামী ৰাষ্ট্ৰৰে পোষকতা কৰিছিল। সেয়েহে স্বাধীন ভাৰতবৰ্ষত বিকাশাত্মক ৰাষ্ট্ৰ গ্ৰহণৰ লগে লগে কল্যানকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰো প্ৰচেষ্টা আৰম্ভ হৈছিল। আগতেই উল্লেখ কৰা হৈছে যে ভাৰতত বিকাশৰ লগতে গণতন্ত্ৰ, নাগৰিকৰ অধিকাৰ, সমতা, ন্যায় আদিৰ প্ৰতিও গুৰুত্ব আৰোপ কৰা হৈছিল। সেয়েহে অৰ্থনৈতিক বিকাশ যাতে উদ্যোগীকৰণত সীমাবদ্ধ নাথাকে তাৰ বাবে বিভিন্ন ধৰণে সংবিধানৰ চতুৰ্থ অধ্যায়ত থকা নিৰ্দেশাত্মক নীতি সমূহক বাস্তৱায়িত কৰি এখন কল্যানকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ চেষ্টা কৰা হৈছিল আৰু পৰিকল্পনাৰ জৰিয়তেই এই প্ৰচেষ্টাক আগুৱাই লৈ যোৱা হৈছিল। প্ৰথম পৰিকল্পনাকে ধৰি প্ৰায়বোৰ পৰিকল্পনাত শিক্ষা, স্বাস্থ্য, নিয়োগ, সামাজিক নিৰাপত্তা ইত্যাদি বিভিন্ন দিশত কৃষি, উদ্যোগৰ বিকাশৰ লগতে গুৰুত্ব দিবলৈ আৰম্ভ কৰা হৈছিল। দৰিদ্ৰতা নিৰাৰণ, সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ওপৰত প্ৰায় প্ৰতিখন পৰিকল্পনাই গুৰুত্ব দিছিল আৰু সেই অনুসৰি বিভিন্ন আচনি গ্ৰহণ কৰিছিল। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত গ্ৰহণ কৰা এক বিশেষ কল্যানকামী আচনি আছিল সংহত বিকাশ আচনি (Comunity Development programme)। ইয়াৰ জৰিয়তে গ্ৰাম্য অঞ্চলত বাস কৰা জনসাধাৰণৰ সামগ্ৰীক বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বিশেষকৈ দ্বিতীয় আৰু তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত দৰিদ্ৰতা দূৰীকৰণ আৰু সামাজিক অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠাৰ বাবে যথেষ্ট প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল। অৰ্থনৈতিক বিকাশৰ ফল যাতে সমাজৰ দুৰ্বল শ্ৰেণীয়েও ভোগ কৰিব পাৰে তাৰ ওপৰতো পৰিকল্পনাত গুৰুত্ব আৰোপ

কৰা হৈছিল। ঠিক তেনেদৰে তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত নুন্যতম মজুৰী বা আয় প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। লগতে এই পৰিকল্পনাই ভাৰতীয় জনসাধাৰণৰ প্ৰয়োজন পুৰণ আৰু নিয়োগ বৃদ্ধিৰ উৎস হিচাপে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। নিৰ্দেশক নীতিৰ অন্তৰ্গত অৰ্থনৈতিক নীতি যেনে ঃ প্ৰাকৃতিক সম্পদৰ সম বিতৰন আৰু অৰ্থনৈতিক বৈষম্য হ্ৰাসকৰণৰ বাবে ভূমি সংস্কাৰ, জমিদাৰী প্ৰথাৰ বিলোপ সাধন, ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰন আদিৰ দৰে ব্যৱস্থা পৰিকল্পনাৰ আৰম্ভনিৰ কালছোৱাতে গ্ৰহণ কৰা হৈছিল। লগতে বেংক আৰু বীমাৰো ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। ৰাজন্য ভাট্টাৰ বিলোপ সাধন, সেউজ বিপ্লৱ, দহ দফীয়া আচনি, বিছ দফীয়া আচনি, দৰিদ্ৰতা নিৰাৰণ ইত্যাদি বিভিন্ন কাৰ্য ব্যৱস্থা কৰি ৰাষ্ট্ৰ তথা চৰকাৰে জনসাধাৰণৰ কল্যানৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। এই ব্যৱস্থাবোৰৰ অধীনত খাদ্য শস্যৰ উৎপাদন বৃদ্ধি, দৰিদ্ৰতা নিৰাৰণ, বিশুদ্ধ খোৱাপানীৰ যোগান, স্বাস্থ্য ৰক্ষা, শিক্ষাৰ সম্প্ৰসাৰণ ইত্যাদি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। শ্ৰমিক আৰু অন্যান্য কৰ্মচাৰী সকলৰ কল্যানৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে আৰু বিভিন্ন কল্যানমুলক আচনি গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে নুন্যতম পাৰিশ্ৰমিক আইন, বানচ আইন, ফেক্টৰী আইন, খাদী আৰু কুটীৰ শিল্পৰ বিকাশৰ বাবে খাদী আৰু হেণ্ডলুম ব'ৰ্ড, চিল্ক বোৰ্ড ইত্যাদি গঠন কৰি এইবোৰৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অনুসূচীত জাতি-জনজাতিৰ লোকৰ বাবে বিশেষ ব্যৱস্থা আচনি আদি গ্ৰহণ কৰা হৈছে। পঞ্চায়তী ব্যৱস্থাক সাংবিধানিক মৰ্য্যাদা প্ৰদান কৰি গ্ৰাম্য উন্নয়ন আৰু গণতন্ত্ৰৰ সৰলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। পৰিকল্পনাৰ বিৰতিৰ পিছত আৰম্ভ হোৱা চতুৰ্থ পৰিকল্পনাই (১৯৬৯-৭৪) ও পূৰ্বৰ বিকাশৰ গুৰুত্বৰ ধাৰা অব্যাহত ৰাখিছিল আৰু লগতে দৰিদ্ৰতা নিৰ্মুলকৰণৰ বাবে প্ৰত্যক্ষ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই পৰিকল্পনাত দৰিদ্ৰতাৰ সীমাৰ তলত থকা লোক আৰু অঞ্চলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল যেনেঃগ্ৰাম্য নিয়োগ ব্যৱস্থা, ক্ষুদ্ৰ খেতিয়কৰ বিকাশৰ বাবে আচনি ইত্যাদি। এই পৰিকল্পনাই জনসাধাৰণৰ জীৱনৰ মানদণ্ডৰ দ্ৰুত উত্থান (Rapid increase in the standard of living of the people)ক মূল উদ্দেশ্য হিচাপে ঘোষণা কৰিছিল। এই পৰিকল্পনাৰ সময়ছোৱাত গ্ৰহণ কৰা কেইখনমান আঁচনি হ'ল খৰাং পিড়ীত অঞ্চলৰ বাবে আচনি (Drought prone Areas programe- DPAP), ক্ষুদ্ৰ আৰু প্ৰান্তীয় খেতিয়ক আৰু কৃষি শ্ৰমিকৰ বিকাশৰ বাবে আঁচনি (The programme for the development of small and marginal farmers and agricultural labour-SMAL) গ্ৰাম্য মানৱশক্তি আঁচনি (Rural Manpower programme-RMP) ইত্যাদি। অৱশ্যে এই আঁচনি সমূহে কিমানদূৰ দৰিদ্ৰ জনসাধাৰণৰ উপকাৰ সাধন কৰিছিল সেয়া বিচাৰযোগ্য।

ইয়াৰ পিছত পঞ্চম পৰিকল্পনাই নিয়োগ সৃষ্টিৰ ওপৰত সৰ্বোচ্চ গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ লগতে দৰিদ্ৰতা নিৰাৰণৰ লক্ষ্যকো অন্তৰ্ভূক্ত কৰা হৈছিল। এই পৰিকল্পনাই (১৯৭৪-৭৯) পূৰ্বৰ পৰিকল্পনাৰ সময়ত গ্ৰহণ কৰা আচনি সমূহ অব্যাহত ৰাখিছিল আৰু লগতে এখন বিশেষ আঁচনি ৰাষ্ট্ৰীয় নুন্যতম প্ৰয়োজন আচনি (National Minimum Needs Programme) গ্ৰহণ কৰিছিল য'ত গ্ৰাম্য অঞ্চলত প্ৰাথমিক শিক্ষা, স্বাস্থ্য, বিশুদ্ধ খোৱা পানী যোগান, ৰাস্তা ঘাটৰ উন্নতি, গ্ৰাম্য বৈদ্যুতিকৰণ আদিৰ লগতে গৰ্ভৱতী মহিলাৰ পুষ্টি, স্বাস্থ্য আদিৰ উন্নতিৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছিল।

ষষ্ঠ পৰিকল্পনা (১৯৮০-৮৫) ই পূৰ্বৰ ধাৰা অব্যাহত ৰাখি দৰিদ্ৰতা নিৰাৰণৰ বাবে দুখন অভিলাসী আঁচনি গ্ৰহণ কৰিছিল। এই আচনি দুখন হ'ল ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচনি (National Rural Employment programme-NREP) আৰু গ্ৰাম্য শ্ৰমিক নিয়োগ নিশ্চিত আচনি ( Rural Labour Employment Guarantee Pogrammes-RLEGP) লগতে এই পৰিকল্পনাই সংহত গ্ৰাম্য বিকাশ আঁচনি (Integrated Rural Development Programe-IRDP) গ্ৰহণ কৰি দৰিদ্ৰ সীমাৰ তলত থকা লোকসকলৰ বিকাশৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। এই আচনিখন প্ৰায় ১৫ মিলিয়ন গ্ৰাম্য দৰিদ্ৰ লোকক লক্ষ্য কৰি গ্ৰহণ কৰা হৈছিল। এই আচনিৰ জৰিয়তে ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগৰ জৰিয়তে গ্ৰাম্য অঞ্চলত নিয়োগ সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছিল। অৱশ্যে এই আচনিয়ে আংশিক সফলতা লাভ কৰিবলৈহে সক্ষম হৈছিল। মৎস পালন, কৃষি আদিত গ্ৰাম্য উপভোক্তাই কিছু হলেও সফলতা লাভ কৰিছিল। ইয়াৰ পিছৰ বিভিন্ন পৰিকল্পনাত আনকি ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ পিছতো এনেকুৱা বিভিন্ন কল্যানমুলক আচনি গ্ৰহণ কৰা হৈছে যিবোৰে নিয়োগ, আন্তঃগাঠনি, খাদ্য নিৰাপত্তা আদি আহৰণত গুৰুত্ব আৰোপ কৰে। উদাহৰণ স্বৰূপে ২০০5 চনত গ্ৰহণ কৰা ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আচনি (National Rural Employment Guarantee Act) ৰ কথা কব পাৰি যিখন পিছলৈ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (Mahatma Gundhi National Rural Empolyment

Guarantee Act) নামে পৰিচিত হৈছে। ইয়াৰ জৰিয়তে গ্ৰাম্য অঞ্চলত বাস কৰা লোকসকলক জীৱিকাৰ নিৰাপত্তা প্ৰদান কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। এই আঁচনিখন ২০০৬ চনৰ পৰা কাৰ্যকৰী কৰা হৈছে।

এইদৰে দেখা যায় যে প্ৰথম পৰিকল্পনাৰ সময়ত অৰ্থাৎ ১৯৫২ চনত নেহেৰুৱে গ্ৰহণ কৰা সামূহিক বিকাশ আচনি (Comunity Development Programme) ৰ পৰা আৰম্ভ কৰি এতিয়ালৈ গ্ৰহণ কৰা পৰিকল্পনাসমূহে জনকল্যাণ সাধনৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি ভাৰতত বিকাশৰ লগতে গণতন্ত্ৰৰো উন্নতি সাধনত গুৰুত্ব দিছিল আৰু ভাৰতক এখন প্ৰকৃত কল্যানকামী ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছিল। ভাৰতৰ পৰিকল্পনা মূলত দুটা উদ্দেশ্যৰ দ্বাৰা পৰিচালিত —১) সম্পদৰ পুনবিতৰণৰ দ্বাৰা আয় আৰু সম্পদৰ আহৰণৰ ক্ষেত্ৰত থকা বৈষম্য হ্ৰাস কৰা আৰু ২) সমাজৰ বঞ্চিত শ্ৰেণীৰ লোকৰ জীৱনৰ মানদণ্ড আৰু আয় উন্নত কৰা। বিখ্যাত ইতিহাসবিদ বিপান চন্দ্ৰৰ মতে ভাৰতত ১৯৫১ চনৰ পৰা ১৯৬৪ চনৰ ভিতৰৰ সময়ছোৱাত যেতিয়া বিকাশাত্মক ৰাষ্ট্ৰ গঢ় লৈছিল তেতিয়াই কল্যানকামী ৰাষ্ট্ৰৰ ভেটিও প্ৰতিষ্ঠা হৈছিল। এই কথাৰ সমৰ্থন স্বৰূপে তেওঁ নেহেৰুৰ এক ভাষ্য ব্যৱহাৰ কৰিছিল "I shall not rest content unless every man, women and child in the country has fair deal and has a minimum standard of living" বিপান চন্দ্ৰৰ মতে নেহেৰুৰ এই ঘোষণাতে ভাৰতৰ কল্যানকামী চৰিত্ৰ গ্ৰহণৰ কথা পৰিস্ফুট। গনতন্ত্ৰ, নাগৰিকৰ অধিকাৰৰ লগত সামঞ্জস্য থকা ভাৰতৰ বিকাশৰ পথ এতিয়াও বিভিন্ন বিশ্লেষকৰ বাবে এক সাথৰ সদৃশ হৈয়েই থাকিল। ইয়াৰ মূল কাৰণ হ'ল বেছিভাগ বিকাশাত্মক ৰাষ্ট্ৰই বহু পৰিমাণে কৰ্তৃত্ববাদী শাসনলৈ ৰূপান্তৰিত হৈছিল। ইয়াৰ বিপৰীতে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক পৰম্পৰা অক্ষুন্ন থাকিল। দৰাচলতে ভাৰতত পৰিকল্পনাৰ ভিত্তিত গ্ৰহণ কৰা কল্যাণকামী ব্যৱস্থাৰ পৰিণতি হ'ল এক গণতান্ত্ৰিক ব্যৱস্থা য'ত পাৰ্যমানে নাগৰিকে অধিকাৰ উপভোগ কৰিব পাৰে আৰু য'ত ৰাষ্ট্ৰই নাগৰিকৰ কল্যাণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত সেই সময়ৰ নেতা আৰু বিশেষকৈ প্ৰধানমন্ত্ৰী নেহেৰুৰ ভূমিকা উল্লেখযোগ্য। তেওঁ অৰ্থনৈতিক গণতন্ত্ৰৰ লগত ৰাজনৈতিক দিশৰ ওপৰতো গুৰুত্ব আৰোপ কৰি পঞ্চায়তী ব্যৱস্থা প্ৰৱৰ্তনৰ ওপৰতো গুৰুত্ব দি তৃণমূল পৰ্য্যায়ৰ পৰা ভাৰতীয় গণতন্ত্ৰ সৱল কৰাৰ ওপৰত গুৰুত্ব দিছিল।

**অৰ্থনৈতিক সংস্কাৰ বা পুনৰ্গঠন (Economic Reform or Reconstruction)** ঃ-

৮০ ৰ দশকৰ শেষৰ পৰা ভাৰতবৰ্ষত যথেষ্ট অৰ্থনৈতিক সংঘাটে দেখা দিবলৈ আৰম্ভ কৰিছিল। মুদ্ৰাস্ফীতিৰ উচ্চ হাৰ, উদ্যোগিক উৎপাদন হ্ৰাস, বৈদেশিক মুদ্ৰা পুঁজিৰ অৱক্ষয়, দুৰ্নীতি আদিয়ে ভাৰতীয় অৰ্থনীতিক বিপৰ্যস্ত কৰিছিল। ভাৰতবৰ্ষৰ পক্ষে এই সময়ত ঋণ পৰিশোধ কৰাত অসম্ভৱ প্ৰায় হৈ পৰিছিল। ফলস্বৰূপে ভাৰতে আন্তৰ্জাতিক অৰ্থনৈতিক অনুষ্ঠানসমূহৰ পৰা যেনে- আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ববেংক আদিৰ পৰা সাহায্য বিচাৰিব লগা হৈছিল। অৰ্থনৈতিক সংকট দূৰ কৰিবলৈ এই অনুষ্ঠানসমূহে ভাৰতক আৰ্থিক সাহায্য আগবঢ়াইছিল যদিও লগতে কিছুমান চৰ্তও বান্ধি দিছিল। এই চৰ্তসমূহৰ অন্যতম আছিল অৰ্থনৈতিক উদাৰীকৰণ, ব্যক্তিগত খণ্ডৰ ওপৰত থকা নিয়ন্ত্ৰণ প্ৰত্যাহাৰ, মুক্ত বাণিজ্য ইত্যাদি। এই চৰ্তসমূহ মানি লবলৈকে ভাৰতে ১৯৯১ চনত প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওঁ আৰু বিত্ত মন্ত্ৰী মনমোহন সিঙৰ নেতৃত্বত অৰ্থনৈতিক সংস্কাৰ নীতি বা পুনৰ্গঠন প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। ইয়াৰ জৰিয়তে ঘৰুৱা তথা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক চাহিদা পুৰণ কৰিব পৰা অৰ্থনৈতিক নীতি গ্ৰহণ আৰু সামগ্ৰী আৰু সেৱাৰ যোগান বৃদ্ধিৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনি গঠন আৰু অৰ্থনৈতিক নীতিৰ প্ৰয়োজনীয় সংস্কাৰ সাধনৰ ওপৰত গুৰুত্ব দিছিল। দৰাচলতে ১৯৬৫ চনত লাল বাহাদুৰ শাস্ত্ৰীৰ নেতৃত্বতে কিছু পৰিমাণৰ বাণিজ্যিক উদাৰীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। কিন্তু ঘৰুৱা পুঁজিপতিসকলৰ প্ৰৱল বিৰোধিতাৰ বাবে এই নীতি প্ৰত্যাহাৰ কৰিবলগা হৈছিল। কিন্তু ১৯৯১ চনত গ্ৰহণ কৰা অৰ্থনৈতিক সংস্কাৰ বিস্তৃত ৰূপত গ্ৰহণ কৰা হৈছিল আৰু ইয়াৰ বাবে অৰ্থনীতিৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰা হৈছিল বা অৰ্থনীতিৰ পুনঃগঠন কৰা হৈছিল। অৰ্থনৈতিক সংস্কাৰে প্ৰথম অৱস্থাত কিছু সাফল্য লাভ কৰিছিল যদিও পিছলৈ ই অৰ্থনৈতিক বৈষম্য বৃদ্ধিহে কৰিছিল। অৱশ্যে অৰ্থনীতি বৰ বেছি সংকটৰ সম্মুখীন হ'বলগা হোৱা নাই। অৰ্থনৈতিক সংস্কাৰক এক নতুন দিশ প্ৰদান কৰিছিল অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত গঠন হোৱা এন.ডি.এ. (NDA) চৰকাৰে। এই চৰকাৰৰ দিনত অৰ্থাৎ ১৯৯৯ চনত ভাৰতত অৰ্থনৈতিক উদাৰীকৰণ আৰু ব্যক্তিগতকৰণক এক নতুন দিশ প্ৰদান কৰিবলৈ গঠন কৰা হৈছিল নিৰ্বিনিয়োগ বিভাগ (Disinvestment Department)। ২০০১ চনত এই বিভাগক Ministry of Disinvestment হিচাপে নামাকৰণ কৰা হৈছিল। অৱশ্যে ২০০৪ চনত এই বিভাগক বিত্ত বিভাগৰ অধীনস্থ কৰা হৈছে। প্ৰথম অৱস্থাত অৰ্থাৎ ইয়াৰ গঠনৰ পূৰ্বে অৰ্থনৈতিক সংস্কাৰৰৰ সময়ত অৰ্থাৎ ১৯৯১-৯২ চনত ৩১ টা নিৰ্বাচিত ৰাজহুৱা খণ্ডৰ পৰা চৰকাৰে নিৰ্বিনিয়োগ আৰম্ভ কৰিছিল। শেহতীয়াকৈ এই বিভাগক DIPM অৰ্থাৎ Department

of Investment and Public Asset Management হিচাপে নামাকৰণ কৰা হৈছে।

**ভাৰত ৰাষ্ট্ৰৰ দমনমূলক প্ৰকৃতি (Coercive Nature of Indian State)ঃ**

গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ দমনমূলক প্ৰকৃতি ইয়াৰ এক অন্যতম দিশ বুলি ক'ব পাৰি। এইটো সঁচা যে স্বাধীনতাৰ পিছৰ পৰাই ভাৰতবৰ্ষত গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা হৈছে যিটো তৃতীয় বিশ্বৰ আন বহুতো দেশৰ পৰা এক পৃথক দিশ। একে সময়তে স্বাধীনতা লাভ কৰা পাকিস্তান সৌ-সিদিনালৈকে সামৰিক শাসনৰ অধীনত আছিল। কিন্তু ভাৰত এই ক্ষেত্ৰত ব্যতিক্ৰম। আনকি ভাৰতে স্বাধীনতাৰ পিছত যি সময়ত অৰ্থনৈতিক বিকাশৰ পথত আগবাঢ়িছিল সেই সময়তো গণতান্ত্ৰিক ব্যৱস্থাক ত্যাগ কৰা নাছিল। বৰঞ্চ গণতন্ত্ৰক অধিক শক্তিশালী কৰাৰ বাবে বিভিন্ন ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু ইয়াৰ পিছতো বিভিন্ন সময়ত ভাৰত ৰাষ্ট্ৰই দমনমূলক প্ৰকৃতি গ্ৰহণ কৰাও দেখা যায়। বিকাশ সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ, আভ্যন্তৰীণ শান্তি শৃংখলা নিয়ন্ত্ৰণ ইত্যাদি কাৰণত বিভিন্ন সময়ত ভাৰত ৰাষ্ট্ৰই দমনমূলক আচৰণৰ পৰিচয় দিছে। বিভিন্ন সময়ত ভাৰত চৰকাৰে গ্ৰহণ কৰা কঠোৰ আইন সমূহেও ভাৰত ৰাষ্ট্ৰৰ দমনমূলক কঠোৰ প্ৰকৃতিকে প্ৰতিনিধিত্ব কৰে।

বিকাশৰ ক্ষেত্ৰত জনকল্যানৰ বাবেই চৰকাৰে প্ৰথম অৱস্থাত ৰাষ্ট্ৰ নিয়ন্ত্ৰিত আৰু পিছলৈ মুক্ত বজাৰ অৰ্থনীতি গ্ৰহণ কৰিছিল যদিও এই দুয়োটা দিশেই ভাৰতীয় জনসাধাৰণৰ সৰ্বজন স্বীকৃত নহয়, বৰঞ্চ সমালোচিতহে। ৰাষ্ট্ৰ নিয়ন্ত্ৰিত অৰ্থনীতিৰ প্ৰয়োগৰ বাবে ভাৰতবৰ্ষই প্ৰতিষ্ঠা কৰা পৰিকল্পনা আয়োগ, পৰিকল্পনাসমূহ বৈষম্যমূলক আৰু অগণতান্ত্ৰিকৰূপে যথেষ্ট সমালোচিত। ইয়াৰ উপৰিও বিভিন্ন বিকাশমূলক প্ৰকল্প আৰু কৃষি ভূমিৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত দমনমূলক হিচাপেই পৰিগণিত হৈছে। উদাহৰণস্বৰূপে ভাৰতৰ বিভিন্ন অঞ্চলত নদীবান্ধ নিৰ্মাণৰ চৰকাৰী সিদ্ধান্ত তথা কাৰ্যৰ বাবে হোৱা বা হৈ থকা আন্দোলনসমূহে চৰকাৰী সিদ্ধান্তৰ স্বেচ্ছাচাৰী দিশটোকেই প্ৰতিপন্ন কৰে। ১৮৯৪ চনৰ ইংৰাজৰ ভূমি অধিগ্ৰহণ আইনখন কিছু সংশোধনেৰে স্বাধীন ভাৰতত প্ৰচলিত হৈ আছে। এই আইনৰ অধীনত চৰকাৰে বিভিন্ন কাৰণত জনসাধাৰণৰ পৰা ভূমি অধিগ্ৰহণ কৰিব পাৰে। এই আইনখন জনস্বাৰ্থ বিৰোধী আইন হিচাপে যথেষ্ট সমালোচিত। নৰ্মদা নদীৰ পানীত নিৰ্মাণ হ'বলগীয়া চৰ্দাৰ সৰোবৰ বান্ধক লৈ হোৱা আন্দোলন, অসমৰ সোৱনশিৰি নদীবান্ধ প্ৰকল্পক লৈ হোৱা আন্দোলন আদিয়ে চৰকাৰৰ কাৰ্য সম্পাদনৰ প্ৰকৃতি আৰু পদ্ধতিৰ গণতান্ত্ৰিক দিশটোক সন্দেহৰ আৱৰ্তলৈ লৈ যায়।

ভাৰত চৰকাৰৰ দমনমূলক প্ৰকৃতি স্পষ্ট ৰূপত প্ৰকাশ কৰে কিছুমান বিশেষ আইনে। আভ্যন্তৰীণ শান্তি-শৃংখলা নিয়ন্ত্ৰণ, বিচ্ছিন্নতাবাদী শক্তিক দমন, সন্ত্ৰাসবাদী সমস্যাৰ নিয়ন্ত্ৰণ ইত্যাদি বিভিন্ন কাৰণত ভাৰত চৰকাৰে কিছুমান বিশেষ আইন গ্ৰহণ কৰিছে। যেনে– সশস্ত্ৰ বাহিনীৰ বিশেষ অধিকাৰ আইন, ১৯৫৮; TADA, POTA, NSA ইত্যাদি। এই আইনসমূহে এহাতে চৰকাৰী শক্তি প্ৰয়োগকাৰী অনুষ্ঠানসমূহক অত্যাধিক ক্ষমতা প্ৰদান কৰে আৰু আনহাতে জনসাধাৰণৰ অধিকাৰক অগ্ৰাহ্য কৰে। সশস্ত্ৰ বাহিনীৰ বিশেষ অধিকাৰ আইনখন ইংৰাজৰ আইনেৰে নতুন ৰূপ। ইংৰাজ চৰকাৰে ভাৰতৰ স্বাধীনতা আন্দোলনকাৰীসকলক দমন কৰিবলৈ এই আইন প্ৰণয়ন কৰিছিল। স্বাধীন ভাৰতত নতুন নামেৰে ইংৰাজৰ আইনখনকে প্ৰৱৰ্তন কৰা হৈছে। বিশেষকৈ উত্তৰ পূৰ্বাঞ্চল আৰু পূৰ্বৰ জম্মু-কাশ্মীৰ ৰাজ্যত এই আইন প্ৰৱৰ্তন হৈ আছিল। এই আইনে যিকোনো ব্যক্তিক সন্ত্ৰাসবাদী সন্দেহত আটক কৰাৰ বিশেষ সুবিধা সশস্ত্ৰ বাহিনীক প্ৰদান কৰে। এই আইনৰ ফলত আইন বলবৎ হোৱা অঞ্চলৰ জনসাধাৰণ যথেষ্ট হাৰাশাস্তি হ'বলগা হৈছে তথা সন্ত্ৰাসিত জীৱন কটাবলগা হৈছিল। এই আইনৰ প্ৰতিবাদস্বৰূপেই মণিপুৰৰ লৌহ মানৱী খ্যাত ঈৰম শ্বানু শৰ্মিলাই বহুবছৰ অনশন কৰি চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰতিবাদ কৰিছিল। তাৰ পিছতো কিন্তু মণিপুৰৰ পৰা এই আইন প্ৰত্যাহাৰ হোৱা নাছিল।

ৰাষ্ট্ৰীয় নিৰাপত্তা আভ্যন্তৰীণ কাৰকৰ পৰা সুনিশ্চিত কৰিবলৈ স্বাধীনতাৰ পিছৰ পৰাই বিভিন্ন নিৰাপত্তামূলক আইন প্ৰণয়ন কৰা হৈছিল। ১৯৫০ চনত ভাৰতীয় সংসদে গ্ৰহণ কৰিছিল Preventive Detention Act. অৰ্থাৎ PDA। এই আইন অনুসৰি কোনো ব্যক্তিক সন্দেহৰ আৱৰ্তত প্ৰায় এবছৰ সময় কাৰাৰুদ্ধ কৰি ৰাখিব পৰা যায়। সাময়িকভাৱে গ্ৰহণ কৰা এই আইন পিছত ১৯৬৯ চনতহে উঠাই লোৱা হৈছিল। কিন্তু ইয়াৰ দুবছৰ পিছতেই অৰ্থাৎ ১৯৭১ চনত গ্ৰহণ কৰা হৈছিল Maintenance of Internal Security Act- MISA, এখন কঠোৰ আইন। ১৯৭৫ চনত এই আইনত পূৰ্বৰ PDA ৰ ধাৰাৰ লগত বহুতো নতুন ধাৰা অন্তৰ্ভূক্ত কৰা হৈছিল আৰু আভ্যন্তৰীণ জৰুৰী অৱস্থাৰ সময়ত ইয়াৰ বহুল প্ৰয়োগ কৰা হৈছিল ইন্দিৰা গান্ধীৰ বিৰোধিতা কৰা লোকসকলৰ বিৰুদ্ধে। এই আইনৰ অধীনতেই বিৰোধী ৰাজনৈতিক দলৰ নেতা, শ্ৰমিক, সংগঠনৰ নেতা আদিক কাৰাৰুদ্ধ কৰা হৈছিল। ১৯৭৭ চনৰ নিৰ্বাচনৰ পিছত যেতিয়া

জনতা চৰকাৰ গঠন হৈছিল তেতিয়া এই আইন প্ৰত্যাহাৰ কৰা হৈছিল। ইয়াৰ পিছত ১৯৮০ চনত PDA আৰু MISA ৰ অন্তৰ্গত বিভিন্ন ধাৰাৰ সমষ্টিক লৈ ভাৰতীয় সংসদে প্ৰণয়ন কৰিছিল ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (National Security Act.- NSA)। এই আইন এক অতি কঠোৰ আইন আৰু ই সংবিধানৰ ২২ (i) নং অনুচ্ছেদত বৰ্ণিত নাগৰিকৰ বিভিন্ন অধিকাৰ অস্বীকাৰ কৰে। এই আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা ব্যক্তিক ৫ ৰ পৰা ১০ দিনলৈ গ্ৰেপ্তাৰৰ কাৰণ নজনোৱাকৈ ৰাখিব পাৰে। আকৌ, কোনো ব্যক্তিক আটক কৰাৰ পিছত সেই বিষয়ত আলোচনা বা পৰামৰ্শকাৰী গোট গঠন নোহোৱালৈ অভিযুক্ত ব্যক্তিক কোনো আইনী সাহায্য লাভৰ সুবিধা নিদিয়াকৈ ৰাখিব পাৰে। বিভিন্ন অভিযোগ উত্থাপন হোৱাৰ পিছতো ৰাষ্ট্ৰীয় নিৰাপত্তা সুৰক্ষিত কৰাৰ স্বাৰ্থতেই এতিয়াও এই আইন প্ৰৱৰ্তন হৈ আছে।

ৰাষ্ট্ৰীয় নিৰাপত্তামূলক ওপৰোক্ত আইনবোৰৰ উপৰিও আন কিছুমান সন্ত্ৰাসবাদ নিৰ্মূল কৰণৰ বাবে বা নিয়ন্ত্ৰণৰ বাবে আইন গ্ৰহণ কৰিছিল যিবোৰ বহু পৰিমাণে কঠোৰ আৰু নাগৰিকৰ অধিকাৰ বিৰোধী। সন্ত্ৰাস বিৰোধী প্ৰথম কঠোৰ আইনখন হ'ল Terrorist Affected Areas Act। ১৯৮৪ চনত ভাৰতীয় সংসদে এই আইনখন গ্ৰহণ কৰিছিল। ১৯৮৫ চনত এই আইনখনেই সংশোধন কৰি নতুন নামেৰে গ্ৰহণ কৰা হৈছিল। এই নতুন আইনখনেই হ'ল TADA আইন অৰ্থাৎ Terrorist and Disruptive Activities (Prevention) Act, ১৯৮৫। এই আইন এক কঠোৰ আইন আৰু ইয়াত অভিযুক্তৰ আইনগত সুৰক্ষাৰ দিশটো যথেষ্ট দুৰ্বল। বিভিন্ন সমালোচনাৰ পিছত ১৯৯৫ চনত এই আইনখন প্ৰত্যাহাৰ কৰা হৈছিল।

কিন্তু ২০০১ চনত ভাৰতীয় সংসদত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত সংসদত আন এখন সন্ত্ৰাসবিৰোধী কঠোৰ আইন প্ৰণয়ন কৰিছিল। এই আইনখন হ'ল POTA অৰ্থাৎ Prevention of Terrorism Act, ২০০২। সন্ত্ৰাস দমনৰ বাবে এই আইনে চৰকাৰক অধিক কৰ্তৃত্ব প্ৰদান কৰিছিল। এই আইন অনুসৰি কোনো এক অঞ্চল অশান্ত অঞ্চল হিচাপে ঘোষণা নকৰাকৈয়ে চৰকাৰে অঞ্চলটোত এই আইন কাৰ্যকৰী কৰিব পাৰে।

এনেকুৱা আইনৰ প্ৰণয়ন আৰু প্ৰয়োগ কাৰ্যই ভাৰত ৰাষ্ট্ৰৰ শক্তি প্ৰদৰ্শনকাৰী ব্যৱস্থাৰ প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰে। এনে প্ৰতিখন আইনৰ বিৰুদ্ধে নাগৰিকৰ অধিকাৰৰ উলংঘনৰ উদাহৰণ পোৱা যায়। এই আইনবোৰে যে কেৱল সন্ত্ৰাসবাদীকেই সন্ত্ৰাসিত কৰে তেনেকুৱা নহয়, এইবোৰে ভাৰতৰ বিভিন্ন অঞ্চলত জনসাধাৰণকো যথেষ্ট ভয় আৰু সন্ত্ৰাসৰ মাজেৰে জীৱন কটাবলৈ বাধ্য কৰিছে। বিভিন্ন সময়ত আনকি নিৰপৰাধী লোকো আইনী মেৰপাকত হাৰাশাস্তি হ'বলগা হৈছে। এই আইনবোৰ কাৰ্যকৰী কৰিবলৈ যাওঁতে ৰাষ্ট্ৰ বহু সময়ত সন্ত্ৰাস সৃষ্টিৰ উৎস হৈ পৰিছে। এই আইনবোৰৰ উপৰিও বিভিন্ন সময়ত আভ্যন্তৰীণ শান্তি-শৃংখলা ৰক্ষাৰ নামত তথা সন্ত্ৰাস দমনৰ নামত ৰাষ্ট্ৰই গ্ৰহণ কৰা বহুত কাৰ্যপন্থাই ৰাষ্ট্ৰক এক দমনমূলক ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা দেখা যায়। ভাৰতৰ আভ্যন্তৰীণ শান্তি, নিৰাপত্তা আৰু অখণ্ডতালৈ বিভিন্ন সময়ত বিভিন্ন ৰূপত প্ৰত্যাহ্বানৰ সৃষ্টি হোৱা দেখা যায়। বিচ্ছিন্নতাৰ দাবী, পৃথক ৰাজ্যৰ দাবী, সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদাৰ বাবে উত্থাপন হোৱা দাবীসমূহে বিভিন্ন সময়ত ভাৰতবৰ্ষত হিংসাত্মক ৰূপ লৈছিল। এই বিষয়ে আগৰ অধ্যয়ত আলোচনা কৰা হৈছে। এই দাবীসমূহৰ বেছিভাগেই প্ৰথম অৱস্থাত চৰকাৰে শক্তি প্ৰয়োগেৰে অৰ্থাৎ সামৰিক উপায়েৰে দমন কৰিবলৈ চেষ্টা কৰিছিল আৰু বহু সময়ত এই দিশত সফলতাও লাভ কৰিছিল। উদাহৰণস্বৰূপে 'পাঞ্জাবৰ অপাৰেশ্বন ব্লু ষ্টাৰ'ৰ কথা উল্লেখ কৰিব পাৰি। বিভিন্ন ৰাজ্যত কেন্দ্ৰীয় চৰকাৰে বহু সময়ত কেন্দ্ৰীয় সামৰিক বাহিনীৰ দ্বাৰা অপাৰেশ্বন চলাই সন্ত্ৰাসবাদী কাৰ্যকলাপ নিয়ন্ত্ৰণৰ চেষ্টা কৰিছে। এইটো সঁচা যে ভাৰত ৰাষ্ট্ৰই এনেকুৱা সমস্যা সমাধানৰ বাবে আলোচনাৰ পন্থা অৰ্থাৎ শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পন্থা গ্ৰহণ কৰে। কিন্তু লগতে এইটোও সত্য যে ইয়াত দমনমূলক ব্যৱস্থাও গ্ৰহণ কৰা হয়। স্বাধীনতাৰ সময়ৰ পৰাই ৰাজ্যসমূহৰ একত্ৰীকণৰ ক্ষেত্ৰত চৰ্দাৰ পেটেলৰ নেতৃত্বত এনেকুৱা দ্বৈত প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল। কিছুমান দেশীয় ৰাজ্যই আলোচনাৰ মাধ্যমত, কিছুমানে স্ব-ইচ্ছাই ভাৰতত যোগদান কৰিছিল আৰু কিছুমানৰ ক্ষেত্ৰত শক্তি প্ৰয়োগ কৰিবলগা হৈছিল। এই প্ৰচেষ্টা এতিয়াও বিভিন্ন ক্ষেত্ৰত অব্যাহত আছে।

গতিকে ক'ব পাৰি যে ভাৰত ৰাষ্ট্ৰৰ দমনমূলক বা শক্তি প্ৰয়োগকাৰী প্ৰকৃতি মূলতঃ তিনিটা দিশৰ প্ৰকাশিত হয়।

(১) কঠোৰ নিৰাপত্তামূলক তথা সন্ত্ৰাসবিৰোধী আইন প্ৰণয়ন আৰু প্ৰয়োগৰ ক্ষেত্ৰত।

(২) সন্ত্ৰাস আৰু বিচ্ছিন্নতাৰ বিভিন্ন দাবী বা সমস্যা সমাধানৰ ক্ষেত্ৰত; আৰু

(৩) বিকাশমূলক প্ৰকল্প ৰূপায়নৰ ক্ষেত্ৰত।

ইয়াৰ উপৰিও ভাৰতীয় গণতন্ত্ৰৰ দমনমূলক প্ৰকৃতি প্ৰকাশ পোৱা এক গুৰুত্বপূৰ্ণ দিশ হ'ল যে ই জনমতৰ ভিত্তিত উদ্ভৱ হোৱা বিভিন্ন আন্দোলন বা প্ৰতিবাদক প্ৰতিহত কৰিবলৈ যথেষ্ট কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। সামাজিক আন্দোলন,

চৰকাৰৰ হঠকাৰী আৰু অগণতান্ত্ৰিক তথা জনসমৰ্থনবিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে আন্দোলন হোৱাটো নিতান্তই স্বাভাৱিক, বিশেষকৈ গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত। গণতন্ত্ৰত নাগৰিকৰ চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ নিশ্চিতভাৱে থাকে। গতিকে বিভিন্ন সময়ত ভাৰতত দেখা যায় যে চৰকাৰী বিভিন্ন কাৰ্য বা সিদ্ধান্তৰ বিৰুদ্ধে জনসাধাৰণে সংঘৱদ্ধভাৱে প্ৰতিবাদ কৰে। কিন্তু বহু সময়ত দেখা গৈছে যে চৰকাৰে এইবোৰ যথেষ্ট কঠোৰ হাতেৰে দমন কৰে বা কৰিব বিচাৰে। প্ৰকৃত গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত সমস্যা সমাধানৰ বাবে আলোচনাৰ দৰে গণতান্ত্ৰিক ব্যৱস্থা গ্ৰহণৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হয়। কিন্তু ভাৰতত ইয়াৰ বিপৰীতহে হোৱা দেখা গৈছে যিটো যথেষ্ট উদ্বেগজনক দিশ।

## Reference Books


1. Chandra Bipan (2002) Ideology and Politics in Modern India, Har Anand Publication, New Delhi.

2. Kohli Atul (2004) The Success of India's' Democracy, Cambridge University Press, New Delhi

3. Kothari Rajani (1970) Caste In Indian Politics, Orient Longman, Delhi.

4. Roy Himangshu, Sing M. P. (2017) Indian Political System, Pearson,New Delhi.

5. Laxminath M (2017) Indian Polity, McGraw Hill Education, Chennai.

6. Jayal N. G., Mehta P. B. (2010) Politics In India, Oxford University Press, New Delhi.

7. Bhargava Rajeev, Acharya ,Ashok.(2011) Political Theory: An Introduction, Pearson, New Delhi

8. Kaviraj Sudipta (2001) Politics in India, Oxford University Press, New Delhi.

9. Chattarjee Partha (1999) State and Politics in India, Oxford University Press, New Delhi.

10. Chandra Bipin, (2000) India After Independence, Penguin , India.

11. Baruah Sanjib,(1999) India Against Itself: Assam and the Politics of Nationality, University of Pennsylvania Press.

12. Baruah sanjib,(2007) Durable Disorder: Understanding the Politics Of North East India, Oxford University Press, New Delhi.

13. Misra Udayan (2013) The Periphery Strikes Back, Indian institute and advance Study.

14. Gupta D. C. (2009) Indian Government and Politics, Vikash Publishing House.

15. Hassan Zaya (2002) Parties and party Politics in India Oxford University Press, New Delhi.

16. Johari J. C. (1999) Indian Government and Politics, Vishal Publication

17. Raj Hans, (1981) Indian Political System, Surjeet Publication.

18. Shah G. (2002) Social Movements and The State, Sage Publication, New Delhi.

19. Jaffrelot C. (2005) The Politics Of the OBCs' in SEMINAR, Issue 549

20. Roover D Jakob (2002) The Vacuity of Secularism, in EPW, Sept 28.